অম্বিকাগিৰী ৰায়চৌধুৰী

অম্বিকাগিৰী ৰায়চৌধুৰী

সম্পাদনা

যোগেশ দাস
সতীশ চন্দ্ৰ কাকতি
তফজ্জুল আলি
ৰাম গোস্বামী

STATE LIBRARY
ASSAM

অসম প্ৰকাশন পৰিষদ

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৭৮১০২১

প্ৰথম প্ৰকাশ
ফেব্ৰুৱাৰী, ১৯৮৬

মূল্য :—২৫·০০ টকা

মুদ্ৰক :
হেমকোষ প্ৰিণ্টাৰ্চ
গুৱাহাটী-২১

পাতনি

অসম তথা অসমীয়া জাতি-ভাষা-সংস্কৃতিৰ প্ৰতিষ্ঠা আৰু সংৰক্ষণৰ হকে জীৱনপণ সংগ্ৰাম চলাই যোৱা অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰথম জন্ম শতবাৰ্ষিকী যোৱা বছৰৰ ১৮ ডিচেম্বৰৰ পৰা অসম জুৰি পালন কৰা হৈছে। এই উপলক্ষে অসম প্ৰকাশন পৰিষদৰ তৰফৰ পৰা অম্বিকাগিৰীৰ সমস্ত সাহিত্য-সম্ভাৰৰ একত্ৰ সংকলন এটি প্ৰকাশ কৰা হৈছে। শতবাৰ্ষিকী উৎসৱৰ লৈতে ৰজিতা খুৱাই পৰিষদৰ পক্ষৰ পৰা এই স্মৃতিগ্ৰন্থখনিও প্ৰকাশ কৰা হ'ল।

১৮৮৫ খৃঃৰ ১০ ডিচেম্বৰত বৰপেটাত জন্ম গ্ৰহণ কৰা অম্বিকাগিৰী ৰায়চৌধুৰী নিচেই ল'ৰালিতে অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য আৰু হৰিবিলাস আগৰৱালাৰ সাক্ষাৎ লাভ কৰি জাতীয় চেতনাৰদ্বাৰা অনুপ্ৰাণিত হয়। গুৱাহাটীত বিদ্যাৰ্জন কৰি থকা সময়ত তেওঁ সাময়িকভাৱে বৃটিছ-বিৰোধী সন্ত্ৰাসবাদী কাৰ্যত লিপ্ত হৈ পৰে যদিও পিছলৈ মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰত ব্যাপী চলা অহিংস অসহযোগ আন্দোলনতো কায়মনোবাক্যে নিমগ্ন হয়। আশৈশৱ বিপ্লৱী অম্বিকাগিৰীৰ বিপ্লৱী চেতনা ক্ৰমাৎ প্ৰকাশ পাবলৈ ধৰে তেওঁৰ কবিতা-নাটক আৰু বিভিন্ন স্বাধীনচিতীয়া কৰ্ম-প্ৰচেষ্টাৰ মাজেৰে। অসমীয়া জাতিক আত্মপ্ৰতিষ্ঠা আৰু অস্তিত্ব ৰক্ষাৰ হকে কঠোৰ নিৰ্দেশ শুনাই অম্বিকাগিৰীয়ে নিজেও এক স্বাৱলম্বী আৰু কৰ্মমুখৰ জীৱন-যাপনৰ আৰ্হি জন-সমাজত দাঙি ধৰে।

যেতিয়া ভাৰতৰ স্বাধীনতা স্বপ্ন মাথোন আছিল, তেতিয়া অম্বিকাগিৰীয়ে যিকোনো প্ৰকাৰে ভাৰতৰ পৰা ইংৰাজক বিতাৰিত কৰিবৰ কাৰণে প্ৰচেষ্টা চলাইছিল—প্ৰথমে, বংগভংগ আন্দোলনৰ সময়ত এনাৰ্কিষ্ট পাৰ্টিৰ হিংসাত্মক কাৰ্যত যোগদান কৰি, পিছলৈ মহাত্মা গান্ধীৰ অহিংস স্বাধীনতা আন্দোলনত জঁপিয়াই পৰি। সেই সময়ত অম্বিকাগিৰীৰ একমাত্ৰ লক্ষ্য আছিল ইংৰাজ

বিতাৰণ। ইয়াৰ সমান্তৰালভাৱে তেওঁ অসমৰ স্বাৰ্থৰ হকেও ব্যক্তিগত পৰ্যায়ত এক শীতল যুদ্ধ চলাই আছিল বাৰ্তালোচনী, নাট, কবিতা আৰু গীতৰ জৰিয়তে। কিন্তু যেতিয়া ইংৰাজসকল গ'ল, ভাৰত স্বাধীন হ'ল, তেতিয়া তেওঁ এদনীয়াভাৱে অসমৰ স্বাৰ্থৰক্ষাৰ যুঁজত অৱতীৰ্ণ হ'ল।

অম্বিকাগিৰীৰ জীৱনৰ এই অভিজ্ঞতা আৰু কৰ্ম-পৰিধিৰ বিন্যাসে তেওঁৰ ৰচনাৰ আদৰ্শ তথা মৌলিক সুৰৰ মাজত নিভু'ল স্বাক্ষৰ ৰাখি থৈ গৈছে। অম্বিকাগিৰীৰ জীৱনটো যেন তেওঁৰ ৰচনাতে সন্নিবিষ্ট হৈ আছে। ব্যক্তিগত জীৱনত তেওঁ যি বিশ্বাস কৰিছিল, যেনেকৈ কাম-কাজ কৰিছিল, তাক অকণো লুকঢাক নকৰাকৈ—কেতিয়াবা কোমল-মধুৰ কাব্যত, কেতিয়াবা ৰুক্ষ-কঠোৰ গদ্য বা গদ্যময় কবিতাৰ ৰূপত লিপিবদ্ধ কৰি থৈ গৈছে।

যৌৱনকালত দুৰন্ত প্ৰেমৰ ধুমুহাত উটি ফুৰা অম্বিকাগিৰীৰ ১৯১৬ খৃঃত প্ৰকাশিত 'তুমি' কাব্য প্ৰথম দৃষ্টিত ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ কবিতা যেন লাগিলেও কবিয়ে অসাধাৰণ প্ৰতিভাৰ বলত তাক অতীন্দ্ৰিয় ভাবনাৰ স্তৰলৈকে সাৰ্থক-ভাৱে উন্নীত কৰিছে। ভাৰতীয় অতীন্দ্ৰিয়বাদী বা ৰহস্যবাদী কাব্য-পৰম্পৰাত 'তুমি' কাব্য এক উল্লেখযোগ্য সংযোজন। অকল এই কাব্য-ধাৰাৰ সাধনাতে নিমগ্ন থকাহেঁতেন অম্বিকাগিৰীয়ে অসমীয়া সাহিত্য-জগতলৈ আন্তৰ্জাতিক খ্যাতি কঢ়িয়াই আনিব পাৰিলেহেঁতেন। কিন্তু তেওঁৰ ধমনীত আছিল দেশৰ আহ্বান, অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আহ্বান।

অসম সংৰক্ষিণী সভা (পিছলৈ, অসম জাতীয় মহাসভা) প্ৰতিষ্ঠা কৰি তেওঁ অসমৰ জাতীয় অস্তিত্ব আৰু বৈশিষ্ট্য অক্ষুণ্ণ ৰখাৰ হকে দেহে-কেহে খাটে। জাতীয় মহাসভাৰ মুখপত্ৰ স্বৰূপে প্ৰকাশিত পষেকীয়া 'ডেকা অসম' কাকতৰ জৰিয়তে গান্ধীজীৰ 'হৰিজন' কাকতৰ আহিৰে জাতীয় ভাৱোদ্দীপক কেতবোৰ সম্পাদকীয় প্ৰবন্ধৰ জৰিয়তে তেওঁ নিজস্ব মতাদৰ্শ প্ৰচাৰ কৰিবলৈ লয়। অসম সাহিত্য সভা আৰু অসম সংগীত সন্মিলনৰ সৈতে ঘনিষ্ঠভাৱে জড়িত অম্বিকাগিৰীয়ে এই দুটি জাতীয় অনু-ষ্ঠানৰ মাধ্যমত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ হকে বৰঙণি আগবঢ়াইছিল। গীতিকাৰ আৰু সুৰকাৰ অম্বিকাগিৰী এগৰাকী সুকণ্ঠ গায়ক হিচাপেও খ্যাত। ১৯২৬ খৃঃত পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৪৬ তম অধিৱেশনৰ

উদ্বোধনী অনুষ্ঠানত পৰিবেশিত অম্বিকাগিৰী ৰচিত 'আজি বন্দো কি ছন্দেৰে' গীতটিৰে ভাৰতবিয়পা সুখ্যাতি অৰ্জন কৰিছিল। ১৯৫০ খৃঃত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ ২১ তম অধিৱেশনৰ সভাপতিৰূপে তেওঁ অসমীয়া ভাষা-সাহিত্যৰ তদানীন্তন অৱস্থা আৰু ভৱিষ্যতৰ প্ৰতি সকলোকে সজাগ কৰি দিয়ে। দেশপ্ৰেমৰ অনিৰ্বাণ জ্যোতিৰে আলোকিত তেওঁৰ ভাষণে অসমীয়া জাতিৰ অস্থি-মজ্জাত তুলি যোৱা জোঁকাৰণি আজিও মাৰ যোৱা নাই।

অম্বিকাগিৰীৰ সমস্ত জীৱন পৰিচালিত হৈছিল প্ৰেমৰদ্বাৰা—কেতিয়াবা ব্যক্তিগত দেহজ ৰূপত, কেতিয়াবা দেশ-জাতি-ভাষাৰ প্ৰেমৰ ৰূপত আৰু কেতিয়াবা ভগবৎ প্ৰেমৰ ৰূপত তাৰ ত্ৰিধাৰা প্ৰকাশ ঘটিছে। সমান পেশুন বা আসক্তিৰে তেওঁ এই ত্ৰিবেণী সংগমত অৱগাহন কৰিছে; প্ৰয়োজন সাপেক্ষে চৰম ত্যাগ তথা কষ্ট শিৰ পাতি গ্ৰহণ কৰিছে। এই দৃষ্টিপটত বিজাই চালে তেওঁৰ সমকক্ষ দ্বিতীয় এগৰাকী অসমীয়া সম্ভৱ আৰু পোৱা নাযাব।

দেশপ্ৰেমৰ আনুভূতিক তীব্ৰতাৰ ক্ষেত্ৰত অম্বিকাগিৰীৰ নাম বেজবৰুৱা আৰু অগ্নিকবিৰ সৈতে একেলগে স্মৰণ কৰা হয় যদিও তেওঁৰ এই অনুভূতি নিৰলস কৰ্ম-সূচী আৰু দীপ্ত আশাবাদৰ সঁফুৰা স্বৰূপ। বেজবৰুৱাই অসমীয়া জাতিক এক আত্মবিশ্বাস আৰু আত্মতুষ্টিৰ ভাবত উদ্বুদ্ধ কৰিবলৈ প্ৰয়াস কৰিছিল; আনহাতে, অগ্নিকবিয়ে অসমৰ হৃতগৌৰৱৰ জয়গান গাই জাতিটোক গভীৰ সুষুপ্তিৰ পৰা জাগ্ৰত কৰিবলৈ আকাংক্ষা কৰিছিল। কিন্তু অম্বিকাগিৰীৰ ভাবনা সাম্প্ৰতিক অৱস্থা আৰু ভৱিষ্যৎ স্থিতিৰ সৈতে তীব্ৰভাৱে সংশ্লিষ্ট। দেশ গ'ল গ'ল বুলি দিনে-নিশাই চিঞৰি তেওঁ যেন গাঁৱে গাঁৱে, নামঘৰে নামঘৰে ৰাইজক বিপদৰ জাননী দি ফুৰিছিল। ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক ব্যাধি-চক্ৰান্তৰ পৰা অসম আৰু অসমীয়াক ৰক্ষা কৰিবলৈ হ'লে অতীতৰ শিঙৰি ঘৰলৈ চাই থাকিলে নহ'ব, কোনোবা দেৱদূতলৈ ধিয়াই থাকিলে নহব; অসমীয়াই নিজে ওচৰতে ঢুকি পোৱা সমল লৈ আত্মত্যাগ আৰু কৰ্মোদ্যমেৰে নিজৰ বৰ্তমান আৰু ভৱিষ্যতৰ সোপান নিৰ্মাণ কৰিব লাগিব। —এয়ে আছিল অম্বিকাগিৰীৰ দেশপ্ৰেমৰ সবল দৰ্শন।

অসমৰ সকলো সমস্যাতে তেওঁ সিংহৰ দৰে গৰ্জন কৰি মতামত ব্যক্ত কৰিছিল বাবেই তেওঁক 'অসম-কেশৰী' বিভূষাৰে সম্মানিত কৰা হৈছে।

নাট্যকাৰ, কবি, গীতিকাৰ আৰু চিন্তাশীল প্ৰবন্ধলেখক অম্বিকাগিৰীৰ চিন্তাধাৰা আৰু কাৰ্যসূচী কেৱল অসম তথা ভাৰতৰ পৰিসীমাতে আবদ্ধ আছিল বুলি ভাবিলে ভুল হ'ব। 'আহুতি' গ্ৰন্থত সন্নিবিষ্ট 'জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনৰ পথ' শীৰ্ষক প্ৰবন্ধটিয়ে তেওঁৰ গভীৰ মানবতাবোধ আৰু বিশ্বজনীন ভাবনাৰ চানেকি দাঙি ধৰে। এই প্ৰবন্ধটিৰ ইংৰাজী অনুবাদ প্ৰকাশ হোৱাত অম্বিকাগিৰীৰ চিন্তাই আন্তৰ্জাতিক পণ্ডিতৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়।

এই স্মৃতিগ্ৰন্থখনিত অম্বিকাগিৰীৰ সান্নিধ্য-ধন্য কেবাগৰাকীও বিশিষ্ট লেখকে অসম-কেশৰীৰ জীৱন, কৰ্ম আৰু আদৰ্শৰ সবিস্তাৰ আলোচনা আগবঢ়াই আমাক কৃতজ্ঞ আৰু কৃতাৰ্থ কৰিছে। আমি ইয়াত 'তুমি' কাব্যৰ বাবে ড° বাণীকান্ত কাকতিয়ে ৰচনা কৰা পাতনিটো পুনৰ মুদ্ৰণ কৰিছো। এই সুযোগতে আমি সংশ্লিষ্ট সকলোলৈকে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সদস্যসকলে প্ৰবন্ধসমূহ চাই-চিতি দি আমাক উপকৃত কৰিছে। তদুপৰি, গ্ৰন্থখনিৰ প্ৰণয়নত প্ৰয়োজনীয় সহযোগ আগবঢ়োৱা বাবে অম্বিকাগিৰীৰ পৰিয়ালৰ সকলোটিলৈকে এইখিনিতে আমাৰ শলাগৰ শৰাই আগবঢ়ালো।

গ্ৰন্থখনিয়ে পাঠক-সমাজৰ পৰা যথোচিত সমাদৰ লাভ কৰিব বুলি আমাৰ একান্ত আশা।

গুৱাহাটী
জানুৱাৰী, ১৯৮৬

চন্দ্ৰ প্ৰসাদ শইকীয়া

সূচীপত্ৰ

অসম কেশৰীৰ উপাখ্যান	অতুলচন্দ্ৰ হাজৰিকা	১
অসম কেশৰীৰ স্মৃতিচাৰণ	অতুলচন্দ্ৰ বৰুৱা	১৮
অম্বিকাগিৰীক মই যেনেকৈ জানো	প্ৰসন্নলাল চৌধুৰী	২৭
অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'তুমি'	ডঃ বাণীকান্ত কাকতি	৩৮
ৰায়চৌধুৰীৰ নাট্যাৱদান	ডঃ সত্যেন্দ্ৰনাথ শৰ্মা	৪৩
অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ ব্যক্তিত্ব	যুগল দাস	৫৪
ৰায়চৌধুৰীৰ জীৱন : এটা সাঁথৰ	সতীশ চন্দ্ৰ কাকতি	৬৬
অম্বিকাগিৰী ৰায়চৌধুৰী	কৌশল্যাদেৱী ৰায়চৌধুৰী	৭৮
পিতৃদেৱৰ স্মৃতি	শুচিব্ৰতা ৰায়চৌধুৰী	৯৭
অম্বিকাগিৰী	হোমেন বৰগোহাঞি	১০৬
পিতাৰ কথা	ভগগিৰী ৰায়চৌধুৰী	১১৩
অম্বিকাগিৰী ৰায়চৌধুৰী আৰু অসম সাহিত্য সভা	যতীন্দ্ৰনাথ গোস্বামী	১২৬
ৰায়চৌধুৰীৰ সাহিত্য প্ৰতিভা	ৰাম গোস্বামী	১৩২
ৰায়চৌধুৰী আৰু তেওঁৰ মধুৰ উন্মাদনা	সদানন্দ চলিহা	১৪৩
অম্বিকাগিৰী ৰায়চৌধুৰীৰ ভাষা	ডঃ উপেন্দ্ৰনাথ গোস্বামী	১৫৯
অম্বিকাগিৰীৰ জীৱন আৰু চিন্তা	ডঃ প্ৰফুল্লদত্ত গোস্বামী	১৬৬
অম্বিকাগিৰীৰ ছন্দ প্ৰসঙ্গ	নৱকান্ত বৰুৱা	১৮০
অসমকেশৰী অম্বিকাগিৰীৰ সান্নিধ্যত	পুষ্পলতা দাস	১৮৫



জন্ম
১৮ ডিসেম্বর, ১৮৮৫

মৃত্যু
২ জানুয়ারী, ১৯৬৭

অসমৰ কেশৰীৰ উপাখ্যান

অতুলচন্দ্ৰ হাজৰিকা

অসমপ্ৰাণ অম্বিকাগিৰী ৰায়চৌধুৰী এক বৃহৎ উপাখ্যানৰ নায়ক। ঘাত-প্ৰতিঘাতপূৰ্ণ তেওঁৰ জীৱন-চৰিতত নাছিল কি ? আছিল প্ৰিয়-অপ্ৰিয়, বাস্তৱ-অবাস্তৱ বহুত কিৰাকিৰি। সেই কাহিনী-উপকাহিনীবোৰ দিন গৈ আহিছে মানে ক্ৰমাৎ আমাৰ স্মৃতিপটৰ পৰা মচ খাই আহিছে। বহু প্ৰসংগত ভাবে কিছুমান তেওঁ নিজেই লিপিবদ্ধ কৰি গৈছে—যিবোৰৰ সঠিক জোখ-মাখ বা মূল্যাংকন আজিও হোৱা নাই। শতবাৰ্ষিকী উপলক্ষে আজি পুনৰ খপিয়াই খপিয়াই তুআষাৰ লিখি এই উপাখ্যানত মই এই সিংহপুৰুষজনক শ্ৰদ্ধাৰে স্মৰণ কৰিবলৈ লৈছোঁ।

শ্ৰদ্ধেয় অম্বিকাগিৰী ৰায়চৌধুৰী ডাঙৰীয়াক মই মোৰ মনত পৰা দিনৰপৰা তেওঁৰ জীৱনৰ অন্তিম পৰ্যায়লৈকে দেখা পোৱাৰ সৌভাগ্য হৈছিল। প্ৰথমছোৱাত নিলগৰ পৰা আলেঙে আলেঙে আৰু পাছৰ-ছোৱাত ওচৰৰ পৰা মানুহজনক নিৰীক্ষণ কৰিবলৈ মই সুবিধা পাইছিলো। ডঃ কাকতিদেৱে ৰায়চৌধুৰীক 'তুমি'ৰ পাতনিত তুভৰপীয়া পুৰুষ আখ্যা দিছিল। মই হ'লে তেওঁক এজন বহুভৰপীয়া মানুহ হিচাপেহে জানো, আনেও জানে। ৰায়চৌধুৰীয়ে এসময়ত নিজেই তেওঁৰ গাত থকা সোতৰটা নে ওঠৰটা ছুঃসাহসিক লক্ষণ সন্নিবিষ্ট কৰি এখন তালিকা প্ৰকাশ কৰিছিল। তাত তেওঁ ভাল-বেয়া কোনো কথা লুকঢাক কৰা নাছিল। আনকি ডেকাকালত উদ্‌ভ্ৰান্ত প্ৰেমিক হৈ এজনী ছোৱালীৰ কাৰণে নিজৰ হাতৰ আঙুলি এটা কেনেকৈ হেৰুৱাইছিল, সেই কথাও তেওঁ নিঃসংকোচে ব্যক্ত কৰিছিল।

গুৰুজনাৰ আত্মীয় ৰামৰায় (চিলাৰায়ৰ শহুৰ), আছিল বৰ-পেটাৰ ৰায়চৌধুৰী পৰিয়ালৰ উপৰিপুৰুষ। অম্বিকাগিৰীৰ ককায়েক

গিৰীশচন্দ্ৰই ৰামৰায় আৰু তেওঁৰ জীয়াৰী ভুবনেশ্বৰী আইৰ নাম লৈ গৌৰব কৰা মই শুনিছিলো। কামৰূপ আৰু গোৱালপাৰা জিলাৰ বহুতৰ উপাধি ৰায়। এওঁলোক বঙালী ৰায় নহয়, অসমীয়া ৰায়হে। আজি ৰাজ্য নেথাকিলেও এওঁলোক এসময়ৰ ৰজাৰ গজালি। ফটা হওক ছিটা হওক পাটৰ টঙালি, কণা হওক কুঁজা হওক ভূঞাৰ পোৱালি। সি যি নহওক, অম্বিকানাথ আৰু জ্ঞাননাথৰ দৰে গিৰীশচন্দ্ৰ আৰু অম্বিকাগিৰী আছিল দুজন আদৰ্শ ককাই-ভাই। ইজন সিজনৰ পৰিপূৰক। অম্বিকাগিৰীৰ কথা লিখিবলৈ হ'লে তেওঁৰ ককায়েক গিৰীশচন্দ্ৰক বাদ দিব নোৱাৰি। 'মোৰ দাদা' নামৰ এখন সৰু পুথিত অম্বিকাগিৰীয়ে ককায়েক গিৰীশচন্দ্ৰক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এই আলচৰ নায়ক অম্বিকাগিৰীৰ কথা কোৱাৰ আগতে তেওঁৰ দাদাক গিৰীশচন্দ্ৰৰ কথা আধাৰচেৰেক লিখা যাওক।

মই বৰপেটাত শিক্ষকতা কৰা কেইবছৰমান গিৰীশচন্দ্ৰ ৰায়-চৌধুৰীক ঘনিষ্ঠভাৱে লগ পাইছিলো। তেওঁ আছিল বৰপেটা চৰকাৰী হাইস্কুলৰ এজন বলিষ্ঠ ব্যক্তিত্বসম্পন্ন হেডমাষ্টৰ। তেওঁ বৰপেটা নগৰৰ এজন নিষ্ঠাবান নাগৰিক আছিল। বৰপেটীয়া ছাত্ৰবিলাকে আৰু ডেকাসকলে আঁতৰতে তেওঁ অহা গম পালেই হেডমাষ্টৰ আহিছে বুলি পলাই-পত্ৰং দিছিল। তেওঁৰ আগত কোনেও অৰুচিসম্মত কাম কৰিবলৈ সাহস নকৰিছিল। আনুষ্ঠানিকভাৱে কংগ্ৰেছী নহ'লেও তেওঁ আছিল বৃটিছ চৰকাৰৰ তলত কাম কৰা মহাত্মা গান্ধীৰ অনুগামী এজন হাড়ে-হিমজুৱে স্বদেশী লোক। ইকুল-সিকুল দুয়োকুল ৰক্ষা কৰি তেওঁ হেডমাষ্টৰী কৰিছিল আৰু বৰপেটাত নানা তৰহৰ সমাজ সংস্কাৰৰ কাম কৰিছিল। গাত শুধ বগা খদ্দৰৰ সাজ-পাৰ পিন্ধিছিল। কোনো কোনো সময়ত এৰিয়া-কোট আৰু চেঙাও পিন্ধিছিল। মূৰত প্ৰথমতে পাগুৰি আৰু পিছত গেৰুৱা বৰণৰ খদ্দৰৰ গান্ধীটুপী পিন্ধি-ছিল। আমিও তেনে টুপী পিন্ধিছিলো। এই টুপী তেওঁ বৰপেটা হাইস্কুলৰ প্ৰতীক স্বৰূপে প্ৰবৰ্তন কৰিছিল। প্ৰায়ে তেওঁৰ ভৰিত জোতা নাছিল, থাকিলেও বগা কেন্‌ভাচৰ জোতাহে দেখা পাইছিলো।

স্কুলৰ ছাত্ৰৰ আৰু সমগ্ৰ বৰপেটীয়া বাইজৰ মানসিক মানদণ্ড আৰু নৈতিকতা উন্নত কৰিবলৈ তেওঁ বিশেষভাবে যত্নপৰ হৈছিল। শিক্ষা-বিভাগৰ বৰমূৰীয়াসকলেও তেওঁৰ নিষ্ঠাৰ স্বীকৃতি দিছিল। গিৰীশ ৰায়চৌধুৰীয়ে ভায়েক অম্বিকাগিৰীক আৰু তেওঁৰ পৰিয়ালটোৰ প্ৰতি বিশেষভাবে চকু ৰাখিছিল। ভায়েক অম্বিকাগিৰীয়ে ঘৰ-সংসাৰৰ কথা ৰবকৈ নেভাবি ৰাজনীতি কৰি ফুৰিছিল। গিৰীশচন্দ্ৰই পৰোক্ষভাবে তেওঁৰ ৰাজনৈতিক জীৱনত সম্ভৱপৰখিনি পৃষ্ঠপোষকতা কৰিছিল, আৱশ্যকমতে সহায় কৰিছিল। মুঠতে এই কথা ক'ব পাৰি গিৰীশচন্দ্ৰ ৰবগছজোপাত আঁউজিবলৈ নোপোৱা হ'লে অম্বিকাগিৰীয়ে নিজৰ ইচ্ছা-মতে জীৱন গঢ়িবলৈ সুবিধা নেপালেহেঁতেন। ইমানতে গিৰীশচন্দ্ৰক বিদায় দি আজিৰ আলচৰ নায়ক অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাষ চপা যাওক।

অম্বিকাগিৰীৰ চমকপ্ৰদ ৰাজনৈতিক জীৱন আছিল যদিও ৰাজ-নীতিৰ বাহিৰেও তেওঁৰ গাত আৰু কেইটামান বিশিষ্ট গুণ আছিল। 'চিন্তানল'ৰ কবি কমলাকান্ত ভট্টাচাৰ্যৰ লগত অসমপ্ৰাণ অম্বিকাগিৰী ৰায়চৌধুৰীক একেলগে স্মৰণ কৰিব পাৰি। এই দুগৰাকী ৰবেণ্য পুৰুষৰ প্ৰাণে অসমীয়া জাতিৰ দুখত একে সমানে কান্দিছিল। দুয়ো অনুৰূপভাবে গুজৰি-গুমৰি অহৰ্নিশে অসমীয়া জাতিৰ হিত চিন্তা কৰি-ছিল। দুয়োগৰাকী কবিয়ে জাতীয়তাবাদী কবিতাসমূহত ইয়াৰ স্পষ্ট স্বাক্ষৰ এৰি থৈ গৈছে। অম্বিকাগিৰীয়ে তেওঁৰ ৰচনাৰ উপৰিও বিবিধ কাৰ্যকলাপৰ মাজেদি তেওঁৰ চিন্তাক কাৰ্যকৰী ৰূপ দিবলৈ যত্ন কৰিছিল। তেওঁৰ চিন্তাত আৰু কাৰ্যকলাপত কোনো কোনো সময়ত যে আউল লগা নাছিল তেনে নহয়, কিন্তু সেয়ে হ'লেও তেওঁৰ দেশপ্ৰেম তথা অসমীয়া প্ৰেমত কাৰো সন্দেহৰ অৱকাশ নাই। অম্বিকাগিৰীৰ ৰাজ-নীতিৰ বিষয়ে মই বহলকৈ মুখ নেমেলো, আনে সেই কাম নিশ্চয় কৰিব। মুঠতে ইমানকে কওঁ তেওঁ গুৰে জীৱনে ৰাজনীতিত নামি নানা প্ৰকাৰ দুৰ্যোগ-দুৰ্ভোগৰ মুখ দেখা পাইছিল।

জীৱনৰ আদিছোৱাত তেওঁ আছিল বিদ্ৰোহী বিপ্লৱী স্বদেশী

আন্দোলনৰ সমৰ্থক। অসমত সেই আন্দোলনৰ অতি ক্ষীণ প্ৰভাৱহে পৰিছিল, বাহিৰে বংগদেশতহে সেই আন্দোলনে সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। তিৰিভিত চিপজৰি লৈ স্বদেশমন্ত্ৰত আত্মবলি দিয়া ক্ষুদিৰামৰ জীৱনাদৰ্শই অম্বিকাগিৰীক উত্তেজিত কৰিছিল, দেশসেৱাত অনুপ্ৰাণিত কৰিছিল।

শুন শুন বন্ধুগণ
শোক কৰ অকাৰণ।
এক ক্ষুদিৰাম যায়
আছে ত্ৰিছকোটি ভাই॥
ভয় নাই, ভয় নাই॥

অৱশ্যে পিছত তেওঁ মহাত্মা গান্ধীৰ যাদুকৰী মোহন মন্ত্ৰত দীক্ষিত হৈ তেওঁৰ হিংসাবাদী মনটো ধুই-পখালি নিকা কৰিলে। তেতিয়াহে তেওঁ যেন জীৱনৰ শুদ্ধ পথ বিচাৰি পালে। জালিয়ানাবাগৰ নিৰ্মম হত্যাকাণ্ডই অম্বিকাগিৰীৰ অহিংস বিপ্লৱী মনত বাৰুকৈয়ে ইন্ধন যোগাই তেওঁক এজন শক্তিশালী বিপ্লৱী বীৰত পৰিণত কৰিলে। তেওঁ ভালেমান অসহযোগী নেতা-পালিনেতাৰ দৰে নিৰীহ আৰামপ্ৰিয় মুক্তি-যুঁজাৰু নাছিল। কাৰাগাৰৰ ভিতৰতো তেওঁৰ বিপ্লৱী আত্মাই নীৰৱে গুজৰি-গুমৰি উঠিছিল। সেই দিনৰ কাৰাগাৰবোৰ আছিল চৌষষ্টি নৰকৰ অন্তৰ্ভুক্ত। জেলদাৰোগাবিলাক আছিল একোজন একোজন যমদাৰোগা, জেলৰক্ষক ৱাৰ্ডাৰবিলাক আছিল যমদূতত্তকৈয়ো একাঠী চৰা। দেশভক্ত ফুকনে খুহুটীয়া ভাষাৰে ৰচনা কৰা "নিংনি ভাৰৰীয়াৰ গীত'ত সেই সময়ৰ জেল-জীৱনৰ হুবহু বৰ্ণনা আছে। যিসকল বৰেণ্য দেশ নেতাই অধিক পৰিমাণে জেলৰ জীয়াতু ভুগিবলগীয়া হৈছিল সেইসকলৰ ভিতৰত বিদ্রোহী কবি ৰঘুনাথ চৌধাৰী আৰু সংৰক্ষিণী বীৰ অম্বিকাগিৰী ৰায়-চৌধাৰীও আছিল। তাৰ ফলতেই আগ্নেয়গিৰিত উদগীৰণ হোৱাৰ নিচিনাকৈ সৃষ্টি হৈছিল অম্বিকাগিৰীৰ কেইটামান জেল-সংগীত—প্ৰতি-টোৱে যেন একোটা জুই-ফিৰিঙতি। হাতত হাতুৰি লৈ তেওঁ শিল ভাঙিছিল, আৰু লৈ জেলৰ মজিয়া পৰিষ্কাৰ কৰিছিল আৰু তাৰ তালে তালে মুখে মুখে গীত ৰচনা কৰি গাইছিল। ডঃ কান্তিৰ দাৰা

ইংৰাজীলৈ অনূদিত হৈ সেইবোৰ Songs of the Cell নামেৰে পুথিৰ আকাৰত প্ৰকাশ পাইছিল।

সমস্ত অসহযোগ আন্দোলনে শাম কাটিলে। ই নৰূপ ধাৰণ কৰিলে। অম্বিকাগিৰীৰ ৰাজনীতিয়েও মোট সলালে। ভাৰতবিৰোধী নহ'লেও তেওঁৰ ৰাজনীতি অসমতে কেন্দ্ৰীভূত হ'ল। ভাৰতবাদী কংগ্ৰেছী অম্বিকাগিৰী অসমবাদী সংৰক্ষিণী নেতা হ'ল। অসম সংৰক্ষিণী সভা আৰু অসম জাতীয় মহাসভাৰ যোগেদি অম্বিকাগিৰীয়ে ওৰেজীৱনে অসমীয়াৰ স্বাৰ্থৰক্ষাৰ কাৰণে মাত মাতিছিল, অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ কাৰণে প্ৰচেষ্টা চলাইছিল। এই বিষয়ত তেওঁ কিমান দূৰ সফল হৈছিল সেইটো এটা সুকীয়া প্ৰশ্ন। 'ডেকা অসম'ৰ সম্পাদকীয় আলোচনা-বোৰত অম্বিকাগিৰীৰ ৰাজনৈতিক জীৱন-দৰ্শন বিতংভাৱে লিপিবদ্ধ হৈ আছে। গড়মূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী, বাগ্মীবৰ নীলমণি ফুকন, ৰঘুনাথ চৌধাৰী, বেণুধৰ শৰ্মা আৰু জ্ঞাননাথ বৰাই কোনো কোনো সময়ত নিজ নিজ মতত অবিচলিত থাকিও সংৰক্ষিণী আন্দোলনৰ পৃষ্ঠপোষকতা কৰিছিল। নিকপ্‌কপীয়া কংগ্ৰেছীসকল হ'লে এই সম্পৰ্কত ফালৰি কাটি আছিল আৰু কোনো কোনোজনে অম্বিকাগিৰীক আঞ্চলিকতাবাদী আখ্যা দিবলৈকো সংকোচবোধ কৰা নাছিল। অম্বিকাগিৰীয়ে আনে ভালেই পাওক বা বেয়াই পাওক তালৈ কেৰেপ নকৰি পাৰ্যমানে নিজৰ সংৰক্ষিণী মতত অবিচলিত আছিল। কোনো কোনো সময়ত তেওঁ প্ৰায় অকলশৰে যুঁজ দিবলগীয়া হৈছিল প্ৰতিক্ৰিয়াশীল শক্তি আৰু অসমীয়া বিৰোধী চক্ৰৰ বিৰুদ্ধে। দেশবন্ধু চিত্তৰঞ্জন দাসে কোৱাৰ দৰে তেৰোঁ ভাবিছিল যে নিজৰ দেশক ভাল পোৱাটো যদি অপৰাধ হয় তেন্তে তেৰোঁ এজন অপৰাধী।

অম্বিকাগিৰীৰ ৰাজনৈতিক জীৱনৰ কথা কওঁ মানে বাঢ়ি যায়। ইমানতে আমোদী সঁচা সাধু এটাৰে এই প্ৰসংগটো শেষ কৰা যাওক। এই সাধু অসমৰ ইংৰাজ আমোল আৰু কংগ্ৰেছী আমোলৰ দোমোজাৰ। সাধুটো শুনিছিলো বঙাইগাঁৱৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক মদনচন্দ্ৰ গোস্বামীৰ পৰা। তেওঁ মোৰ আগত কৈছিল এইদৰে :

"১৯৩৯ চন। তেতিয়াৰ এদিন সন্ধিয়া। আমি কটন কলেজৰ ১নং হোষ্টেলবাসী। আমি মানে ডাঃ মথুৰানাথ ভট্টাচাৰ্য, মহেশচন্দ্ৰ দেৱগোস্বামী, প্ৰভাতচন্দ্ৰ শৰ্মা, মহেন্দ্ৰ দত্ত, লক্ষ্মী দত্ত মজুমদাৰ প্ৰভৃতি। তেতিয়া আমি কটন কলেজৰ ৩য় বাৰ্ষিকৰ ছাত্ৰ। এনেতে বাহিৰত ডাঙৰ ঢোল-তালৰ শব্দ শুনি ওলাই আহি দেখোঁ যে অম্বিকা-গিৰী ৰায়চৌধুৰীয়ে এখন ঘোঁৰা-গাড়ীৰ চালত বহি এযোৰ ঢোল-তাল বজাইছে। সেই দিনত মাইক নাছিল। মাইকৰ সলনি ঢোল-তাল বাজিছে। আমাক দেখি তেওঁ চিঞৰি চিঞৰি ক'বলৈ ধৰিলে, "অসম খান গেল গেল। হেই অসমীয়া ডেকা ল'ৰাহঁত, তুগাতৰ শৰীৰত অসমীয়াৰ তেজ নাইনেকি? তুহঁতে জানিছাহ না নাই, ছাদুল্লা চাহাব আৰু ৰোহিণী চৌধুৰীয়ে অসম বেইচলাক্। তুয়ো কলিকাতাৰ Commercial Carrying Company ক বিছ বছৰক লগি শিলং-গুৱাহাটী ৰাস্তাত মটৰ চলবা লিজ দিলাক। আহা কালি মিনিষ্টাৰ ৰোহিণী চৌধুৰী শিলঙৰপে গুৱাহাটীক আহিব। যদি তুহাতৰ গাত ডেকা তেজ আছে, যদি কাপুৰুষ নহৱ যদি তুহুন বীৰৰ বংশধৰ হৱ, তেন্তে তেওঁৰ ঘৰক যাই ক'লা পতাকা দেইখে প্ৰতিবাদ কৰ্‌বি। পাৰ্‌বিনে নোৱাৰ? মোৰ কথাবোৰ ক্ষুৰৰ দৰে ধাৰাল। যদি ই তুগাতোক নাকুটে তেন্তে অসম গেল।"

ৰায়চৌধুৰীৰ এই তেজস্বী আহ্বান শুনি কটনিয়ানবিলাক জাগ্ৰত হৈ উঠিল। প্ৰায় এহেজাৰ ছাত্ৰই হাতত ক'লা পতাকা লৈ পিছদিনা আবেলি ভৰলুমুখত থকা ৰোহিণী চৌধুৰী ডাঙৰীয়াৰ ঘৰ ঘেৰাও কৰি 'ছাদুল্লা-চৌধুৰী মন্ত্ৰীসভা ধ্বংস হওক', 'অসমীয়াৰ স্বাৰ্থ ৰক্ষা হওক' ধ্বনি দি বিক্ষোভ জনালেগৈ। সেই দলটোৰ নেতৃত্ব লৈছিল শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু খগেন বৰবৰুৱাই। চৌধুৰীয়ে দুৱাৰ খুলি ওলাই আহি খঙেৰে সুধিলে, 'Hallo gentleman, what do you want?' উত্তৰ পালে, 'আপোনালোকৰ মন্ত্ৰীসভা ধ্বংস হওক।' তেওঁ ক'লে, 'Good Night.' ছাত্ৰসকল উলটি আহিল। কিন্তু ঘটনাটো সিমানতে শেষ নাকাটিলে। ফিৰিঙতিৰপৰা খাণ্ডৱ দাহ হ'বৰ উপক্ৰম,

হৈছিল। খিলঞ্জৰপৰা কলেজৰ অধ্যক্ষলৈ চোকা নিৰ্দেশ আহিল বিক্ষোভ-কাৰীসকলক চিনাক্তকৰণ কৰি নামবোৰ পঠিয়াব লাগে। এছ, চি, ৰয় ছুটীত থকাত বিজয়বাবু তেতিয়া কলেজৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী অধ্যক্ষ। তেওঁৰ শেহা-বেঙা লাগিল। বিভিন্ন হোষ্টেলৰ অধীক্ষকসকলক ক'লা বেজ পিন্ধি যোৱা ছাত্ৰসকলৰ নাম বাহিৰ কৰিবলৈ ক'লে। ইয়াৰ পিছত বহুত কথা। মুঠতে কোনো ছাত্ৰই নাম দি দোষ স্বীকাৰ কৰিবলৈ সৈমান নহ'ল। "অৱশেষত একপক্ষীয়ভাৱে, শ্ৰীমান প্ৰফুল্ল গোস্বামী দোষী সাব্যস্ত হ'ল। যত দোষ নন্দ ঘোষ। খিলঞ্জৰ নিৰ্দেশত কলেজৰপৰা তেওঁক বহিষ্কাৰ কৰা হ'ল। এই হুকুম হোৱাত সকলোবোৰ কলেজৰ ছাত্ৰ বিক্ষুব্ধ হৈ উঠিল। গোস্বামীক শাস্তি দিয়াৰ বাবে তেওঁলোক সকলোটিয়ে একযোগে 'ষ্ট্ৰাইক' কৰিবলৈ সিদ্ধান্ত ল'লে আৰু ছাত্ৰবিলাকৰ এটা দলে সেই সময়ত শিলপুখুৰীৰ নিজ বাস-ভৱনত থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ কাষ চাপিল। বৰদলৈ তেতিয়া বিধান-সভাৰ বিৰোধী দলৰ নায়ক। সেই সময়ত ছাদুল্লা মন্ত্ৰীসভাৰ ধাতু যাওঁ যাওঁ অৱস্থা। ঠিক সেই সময়তে বিৰোধী পক্ষই মন্ত্ৰীসভাৰ বিৰুদ্ধে উথাপন কৰা এটা অনাস্থা প্ৰস্তাৱ বিধান-সভাৰ মজিয়াত ওলমি আছিল। বৰদলৈয়ে ছাত্ৰবিলাকৰ সকলো কথা মনোযোগেৰে শুনি তেওঁলোকক কোনো চৰম পন্থা নলৈ ধৈৰ্য ধৰি বাট চাবলৈ ক'লে। তাৰ কেইদিনমান পিছতে ছাদুল্লা-বোহিণী মন্ত্ৰীসভাৰ চিলিম ছিগিল। গোপীনাথ বৰদলৈ প্ৰধান মন্ত্ৰী (মুখ্য মন্ত্ৰী) আৰু শিক্ষা মন্ত্ৰী হ'ল। তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই পোনে পোনে কটন কলেজ পৰিদৰ্শন কৰিবলৈ আহিল। অধ্যাপক আৰু ছাত্ৰসকলৰ এক সমাবেশত এটি চমু বক্তৃতা দি শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ বহিষ্কাৰৰ হুকুম বাতিল কৰি 'বন্দে মাতৰম্' ধ্বনি দিলে। তেওঁৰ সুৰতে সুৰ মিলাই সমজুৱাই আনকি অধ্যক্ষ বিজয় বাবুয়েও 'বন্দে মাতৰম্' ধ্বনি দিলে। সিমানতে পৰিদৰ্শন সমাপ্ত কৰি বৰদলৈ ভাঙৰীয়া কলেজ এৰি গুচি গ'ল। তাৰ পিছত খগেন বৰবৰুৱাই বিজয় বাবুক সুধিলে, "ছাৰ, আজি দেখোন শেনৰ এজাত। ইংৰাজ ভক্ত আপুনিও আমাৰ লগত 'বন্দে মাতৰম্' ধ্বনি দিলে। ইয়াৰ অৰ্থ কি?" বিজয় বাবুৱে বঙলা

তাঁহাকে ক'লে, "তোমালোকে ইয়াৰ অৰ্থ নুবুজিবা। ইয়াৰ অৰ্থ চাকৰি। ইংৰাজ চৰকাৰৰ তলত God save the king আৰু কংগ্ৰেছ চৰকাৰৰ তলত 'বন্দে মাতৰম্' একেই কথা। মই চাকৰিহে কৰোঁ, ৰাজনীতি নকৰোঁ।" সি যি নহওক, সিমানতে সেই অপ্ৰিয় প্ৰসংগৰ ওৰ পৰিল। ৰায়চৌধুৰীৰ আহ্বানত যিজুৰা দপ্দপীয়া জুই জ্বলি উঠিবৰ উপক্ৰম হৈছিল, লোকপ্ৰিয়ৰ হস্তক্ষেপত সি নিৰ্বাপিত হ'ল।

(২)

প্ৰতিভাৰ অনুপাতে পৰ্যাপ্ত নহ'লেও অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমীয়া সাহিত্য-ভঁৰালৈ মূল্যবান বৰঙণি আগবঢ়াই থৈ গৈছে। অৱশ্যে অসমীয়া সাহিত্যৰ বুৰঞ্জীত অম্বিকাগিৰীৰ সাহিত্যৰ যথোচিত আৰু সঠিক জোখ-মাখ হোৱা বুলি ক'ব পৰা নেযায়। ইয়াৰ ঘাই কাৰণ হৈছে তেওঁ কোনো বিশেষ সাহিত্যিক গোষ্ঠীৰ অন্তৰ্ভুক্ত নাছিল। ডঃ কাকতিয়ে সংযোগ কৰা 'তুমি'ৰ পাতনিখনেই বিশেষভাৱে উল্লেখযোগ্য তেওঁৰ কবি-প্ৰতিভাৰ স্বীকৃতি। শোলাৰ মুখত মাখি।

মুঠতে অম্বিকাগিৰীৰ সাহিত্যক ঘাইকৈ তিনিটা ভাগত বিভক্ত কৰিব পাৰি, যেনে: (১) নাটক, (২) গীত আৰু কবিতা, (৩) সাংবাদিক গদ্য। অম্বিকাগিৰীৰ প্ৰথমখন গদ্যপুথি আছিল সম্ভৱতঃ 'শতধাৰ' নামেৰে বাজেয়াপ্ত হোৱা এখন কিতাপ। আদি জীৱনতে তেওঁৰ গুৱাহাটীৰ অৰুণা প্ৰেছত এই কিতাপখন ছপা হৈছিল। কিতাপখনত গ্ৰন্থকাৰৰ নাম নাছিল। প্ৰকাশ হৈ বাহিৰলৈ ওলাবলৈ নৌ-পাওঁতেই সকলোবোৰ ছপা কপি বাজেয়াপ্ত কৰি পুলিচে লৈ গৈ নষ্ট কৰি পেলায়। কিতাপখনৰ বিষয়-বস্তু আছিল সাম্ৰাজ্যবাদী ইংৰাজ চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহবাদমূলক। বহুতে এই পুথিৰ গ্ৰন্থকাৰ ৰায়চৌধুৰীয়েই আছিল বুলি মন্তব্য কৰা শুনিছিলো। মই জনাত তেওঁ চাৰিখন নাটক ৰচনা কৰিছিল। তাৰে দুখনহে ছপাৰ পোহৰ দেখা পাইছিল। প্ৰথমখন আছিল স্বদেশী আন্দোলনৰ স্বদেশমন্ত্ৰত অনুপ্ৰাণিত হৈ লিখা

তপত ডেকা তেজৰ ভকভকনি থকা 'বন্দিনী ভাৰত'। এই নাটকখন নগাঁও ভূমিসংলৈ প্ৰস্তুতি চলাওঁতেই পুলিচৰ কবলত পৰি পাণ্ডুলিপিতে বিলুপ্ত হ'ল। দ্বিতীয়খন হৈছে 'কল্যাণময়ী'। পুৰণি 'চেতনা' আলোচনীত ছোৱাছোৱাকৈ প্ৰকাশ হৈছিল। তৃতীয় আৰু চতুৰ্থ নাটক দুখন আছিল 'জয়দ্ৰথ বধ' আৰু 'শিখিধ্বজৰ দান-পৰীক্ষা'। দুয়োখনেই আছিল গীতাভিনয়ৰ নাটক। গীত আৰু সংলাপত অম্বিকা-প্ৰতিভা জলজল্ পটপট্। 'জয়দ্ৰথ বধে' ছপাৰ পোহৰ দেখিলে, আনখনে পাণ্ডুলিপিতে চেচুকৰ ডেমডেউকা হৈ আছে হ'বপায়। ভেকুলীৰ পিঠিত নোম গজে নে নগজে অৰ্থাৎ ই ছপাৰ পোহৰ দেখে নে নেদেখে সেই কথা ৰায়চৌধুৰীৰ পৰিয়ালৰ ম'মুহেহে ক'ব পাৰিব। এই নাট দুখন বৰপেটাৰ নাট্যদল এটাক ভাটৌ পঢ়োৱাদি শিকাই-বুজাই পাগত তুলি অম্বিকাগিৰীয়ে নিজেই গুৱাহাটীলৈ আনি নাট মেলাইছিল। মই সবান্ধৱে আৰু সপৰিয়ালে এই অভিনয় চাই মুগ্ধ হৈছিলো। কুমাৰ ভাস্কৰৰ গাতে লগা ৰংপুৰীয়া হাজৰিকা পৰিয়ালৰ উদং মাটিত দুনিশা এই অভিনয় হৈছিল। দুয়ো নিশা ৰাতি পুৱাই গৈছিল। এই একে ঠাইতে মই জাতীয়তাবাদী মুকুন্দ দাসৰ খনচেৰেক সামাজিক নাটৰ যাত্ৰাভিনয়, বিপ্লৱী শিল্পী ব্ৰজনাথ শৰ্মাৰ বঙলাত 'ৰাণাপ্ৰতাপ', 'ৰাজীৱাও' আৰু অস্থায়ী নাট্যমঞ্চত কামাখ্যা ঠাকুৰ আৰু মহেন্দ্ৰনাথ ফুকনৰ দ্বাৰা অভিনীত 'ঠানুবাপু'ৰ অভিনয় দেখা পাইছিলো। এই আটাইকেইখন অভিনয়তে "গুৱাহাটীৰ নৰ-নাৰী একিলগু ঘৰবাৰী"— এনে অৱস্থা হৈছিল। আজি আৰু তেনে উৎকৃষ্ট অভিনয় দেখা পাবলৈ আশা কৰিব নোৱাৰি। মুঠতে এই দুখন গীতাভিনয়ে ৰায়চৌধুৰীক নাট্যকাৰ হিচাপে সুপ্ৰতিষ্ঠিত কৰে। এতিয়া অৱশ্যে তাৰ স্মৃতিৰ পাপৰিহে আছে।

সেয়ে হ'লেও কবি আৰু গীতিকাৰ হিচাপে অম্বিকাগিৰীৰ যশস্যা বৈ বৈ যোৱা। 'তুমি'ৰ কথা মই নক'লেও হ'ব। কওঁতাই ইতিমধ্যে কৈছেই, আগলৈকো ক'ব। 'তুমি'ৰ উপৰিও ৰায়চৌধুৰীৰ মোৰ নাম মনত পৰা কবিতাৰ সংকলনকেইখনি হৈছে—'বীণা' 'অনুভূতি' 'স্থাপন কৰ স্থাপন কৰ' আৰু 'বেদনাৰ উল্কা'। 'বেদনাৰ উল্কা'

পুথিখনে কবিক সাহিত্য একাডেমীৰ বঁটাবিজয়ীৰ সন্মান আৰ্জি দিছিল। 'তুমি'ত নাৰীপ্ৰেমে ভগৱৎপ্ৰেমলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হয়। শেষৰ তিনিখন পুথিৰ থাই উপজীব্য দেশপ্ৰেম বা সংৰক্ষণবাদী অসমপ্ৰেম। কোনো দেশী বা বিদেশী কবিৰ প্ৰভাৱ ৰায়চৌধুৰীৰ কবিতাত দেখা পোৱা নেযায়, গদ্য আৰু পদ্যৰ ৰচনাশৈলী সহজতে পাঠকৰ চকুত পৰে। কমলাকান্ত ভট্টাচাৰ্য, নজৰুল ইছলাম, জ্যোতিপ্ৰসাদ আৰু প্ৰসন্নলাল একে পৰ্যায়ৰ জাতীয়তাবাদী কবি। অম্বিকাগিৰীৰ কবিতা আৰু গীতৰ শব্দ-বোৰত জুই-ফিৰিঙতি ওলাইছিল। লগতে কাব্যিক মাধুৰ্যয়ো সোণত সুৰগা চৰোৱা পৰিলক্ষিত হয়।

১৯২৬ চনত গুৱাহাটী পাণ্ডুৰ নগৰত অনুষ্ঠিত ভাৰতৰ জাতীয় কংগ্ৰেছ মহাসভাৰ মুকলি অধিবেশনত পৰিবেশন কৰা চাৰিটা তেজোদ্দীপক অসমীয়া জাতীয় গীত দুটাৰ গীতিকাৰ আছিল 'তুমি'ৰ কবি অম্বিকাগিৰী আৰু আন দুটাৰ 'প্ৰতিধ্বনি'ৰ কবি উমেশচন্দ্ৰ চৌধাৰী। কাকতিৰ দ্বাৰা ইংৰাজীলৈ তৰ্জমাকৃত গীতকেইটাৰ প্ৰতিলিপি সভামণ্ডপত বিতৰণ কৰা হৈছিল। গীতকেইটাই সমগ্ৰ অবিভক্ত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰপৰা অহা প্ৰতি-নিধি আৰু দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰিছিল। সভা শেষ হৈ যোৱাৰ বহু দিন পিছলৈকো তাৰ মধুৰ মূৰ্চ্ছনা মাৰ যোৱা নাছিল। পিছৰবাৰ কৰাচীত অনুষ্ঠিত অধিবেশনত হেনো দেৱদাস গান্ধীয়ে মন্তব্য কৰিছিল— I love Assam and I love its national songs. সি যি নহওক ৰায়চৌধুৰীৰ 'বন্দো কি ছন্দে' নামৰ গীতটো অসমীয়া পাঁচটা শ্ৰেষ্ঠ জাতীয় গীতৰ অন্যতম হ'ব বুলি মই ভাবো। পৰিতাপৰ বিষয় আজি নতুন পুৰুষে গীতিকাৰ অম্বিকাগিৰী, কীৰ্তিনাথ শৰ্মা বৰদলৈ, উমেশচন্দ্ৰ চৌধাৰী, পদ্মধৰ চলিহা প্ৰভৃতিক পাহৰিবলৈ আৰম্ভ কৰিছে যেন অনুমান হয়। জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ বাহিৰে আন কাৰো নাম ডেকালোকৰ মুখত কাচিৎহে শুনা যায়। তাতোকৈ পৰিতাপৰ কথা গুৱাহাটী আকাশবাণীয়ে ছবি এখন ওলোমাই ৰখাৰ বাহিৰে আৰু কদাকাচিৎ মনত পৰিলে অতি পাতলীয়াকৈ 'বন্দো কি ছন্দে' গীতটো প্ৰচাৰ কৰাৰ বাহিৰে অম্বিকাগিৰী ৰায়চৌধুৰীক ন্যায্য স্থানত উপস্থাপন কৰিবলৈ সমৰ্থ হোৱা

নাই।

ৰায়চৌধুৰীয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ ইতিবৃত্ত নিজেই লিখি থৈ গৈছে। সেই বিষয়ে মোৰ 'মঞ্চলেখা'ৰ ভাষাৰেই কৈছো : প্ৰাচীন অসমীয়া গীত-মাত আৰু থলুৱা গীত-মাতৰ প্ৰচলন কৰোঁতাসকলৰ ভিতৰত অম্বিকাগিৰী ৰায়চৌধুৰী অন্যতম শীৰ্ষস্থানীয় ব্যক্তি। ৰায়চৌধুৰীদেৱে এই বিষয়ে নিজেই এনেদৰে লিখিছে—প্ৰাণস্পৰ্শী বৰগীতৰ আৰু শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ কীৰ্ত্তন-ঘোষা, নামঘোষাৰ বিচিত্ৰ ৰূপৰ সুৰ বহাকেই মই মোৰ দাদা গিৰীশচন্দ্ৰ ৰায়চৌধুৰী, ভনীদ্বয় লক্ষ্মী আৰু ৰোহিণী গোস্বামী চাৰিওজনে সকলোপৰা মাতৃদেৱীৰপৰা নিয়াৰিকৈ শিকিছিলো। এই প্ৰসংগতে বৰ-গীতৰ প্ৰাণস্পৰ্শিতাৰ তিনিটা কথা উল্লেখ কৰা অনুচিত নহ'ব।

(১) ইংৰাজী ১৯১৬ চনত গুৱাহাটীত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত বহা পোন প্ৰথম অসম ছাত্ৰ সন্মিলনীত পুৱা ৮ বজাত উদ্বোধনী গীত গোৱাৰ ভাৰ মোৰ ওপৰত পৰে। মই অৰ্গেনৰ সহযোগত আইৰপৰা শিকা শ্যাম ৰাগৰ 'তেজৰে কমলাপতি পৰভাত নিন্দ' বৰগীতটো গাওঁ। ৰভাতলত বিপুল জনতাৰ হৰ্ষোল্লাসী হাত-চাপৰিৰ লগে লগে 'পুনৰ গাওক', 'পুনৰ গাওক' ৰব উঠে। সভাপতিৰ মঞ্চৰ-পৰাও বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, সত্যনাথ বৰা, নবীন বৰদলৈ আদিৰ বিমুগ্ধ ধন্যবাদৰ আশীৰ্বাদ মোৰ ওপৰত পৰে। বিপুল জনতাৰ আধুনিক ৰাজহুৱা অনুষ্ঠানত তেনে বৰগীতৰ পিছত বেজবৰুৱাৰ জ্যেষ্ঠ দুহিতা অৰুণা বেজবৰুৱাই তেওঁৰ ওপৰত অৰ্পণ কৰা দ্বিতীয় গীত গাবলৈকে সংকোচ কৰি কৈছিল— এই গীতৰ পিছত মই আৰু কি গাম বুলি।

(২) ইং ১৯১৯ চন। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে গুৱাহাটীলৈ আহি চেতিয়াৰ আৰ্ল ল' কলেজৰ প্ৰিন্সিপেল জ্ঞানদাভিৰাম বৰুৱাৰ আলহী হয়। জে-বৰুৱাই ৰবীন্দ্ৰ ঠাকুৰৰ অভিপ্ৰায় মতেই মোক এটা বৰগীত গাবলৈ ক'লে। মই গালোঁ মহাপুৰুষ মাধৱদেৱৰ বিৰচিত কৌ ৰাগৰ 'প্ৰাণনাথ নকৰা বঞ্চিত' বৰগীতটো। চকু মুদি ৰবীন্দ্ৰনাথে শুনিলে গোটেইটো গীত। গীতটো গোৱা শেষ হোৱাৰ পিছতো ঠাকুৰে কিছু

পৰলৈকে চকু মুদি থাকি চকু মেলিলে। মই ঠাকুৰৰ অভিমত সুধিলোঁ। ঠাকুৰে ভালেইতো বুলি ক'লে আৰু একো নক'লে। হয়তো বৰগীতৰ মাধুৰ্যই তেখেতৰ প্ৰাণ স্পৰ্শ কৰিছে। সেইবাবে বেছি একো ক'বলৈ ইচ্ছা নকৰিলে।

(৩) এই চনতেই বংগৰ বিখ্যাত ইতিহাসবিদ যদুনাথ সৰকাৰ আহে গুৱাহাটী বংগ সাহিত্য পৰিষদৰ সভাপতি হৈ গুৱাহাটীলৈ। এই পৰিষদৰ পক্ষৰপৰা তেতিয়াৰ কাৰ্জন হলৰ (এতিয়া নবীন বৰদলৈ হল) লাইব্ৰেৰীয়ান গোপালকৃষ্ণ দেই মোক বৰগীত গাবলৈ অনুৰোধ জনায়। মই অনুৰোধ ৰক্ষা কৰি তাত উপস্থিত হওঁ। পৰিষদৰ সভাখন হৈছিল উক্ত হলতেই পুৱা ৮ বজাৰপৰা। সভাত তেতিয়াৰ কটনৰ অধ্যাপক লক্ষ্মীবাবু আৰু তাৰকবাবু (দুয়ো সংগীতজ্ঞ) আৰু হলভৰা অন্যান্য বংগবাসীৰ উপৰিও কমলাকান্ত ভট্টাচাৰ্য, সত্যনাথ বৰা, নবীনচন্দ্ৰ বৰদলৈ, সোণাৰাম চৌধুৰী আদি আমাৰ বিশিষ্ট সাহিত্যিক, দাৰ্শনিক, প্ৰত্নতাত্বিক-সকলো উপস্থিত আছিল। পৰিষদৰ অনুৰোধক্ৰমে হাৰ্মনিয়মেৰে প্ৰথমতে মই পুৱাকাল কাৰণে কৌ ৰাগৰ 'উঠৰে উঠ বাপু গোপালহে, নিশি পৰভাত ভৈল' বৰগীতটো গাওঁ। যদুনাথ সৰকাৰ সমন্বিতে উপস্থিত সকলোৱে নিস্তব্ধ মনেৰে শুনে। লক্ষ্মীবাবুৱে পুনৰ মোক এটা বৰগীত গাবলৈ অনুৰোধ কৰে। মই তেতিয়া কেদাৰ ৰাগৰ 'পাৱে পৰি হৰি-কৰোহো কাতৰি, প্ৰাণ ৰাখবি মোৰ' বৰগীতটো গাওঁ। তাকো সকলোৱে একান্ত মনেৰে শুনে। লক্ষ্মীবাবু আৰু তাৰকবাবু দুয়ো কয়— মই গোৱা গীতটো কেদাৰ ৰাগ নহয় বোলে। মই কওঁ হয় বুলি। তেওঁলোকে কয় নহয় বুলি। মই স্বৰগ্ৰাম আওৰাই কওঁ 'হয়' বুলি। মই তেওঁ-লোকক সোধো কৌ ৰাগটো ভুল নে শুদ্ধ? তেওঁলোক দুয়ো কয়— কৌ ৰাগ সম্বন্ধে ক'ব নোৱাৰো কিন্তু কেদাৰ ৰাগটো ভুল বুলি। মই কওঁ— মই গোৱা কৌ, কেদাৰ দুয়োটা ৰাগ ভাৰতীয় সংগীতৰ খানদানী ৰূপ। এই খানদানী ৰূপটোৰ লগত আপোনাৰ পৰিচয় নাই। মুছল-মানৰ শাসনত ভাৰতীয় সংগীতৰ খানদানী ৰূপত যি সমালোচনা হৈছে তাৰ লগতহে আপোনালোক পৰিচিত। কামৰূপ অসমত মুছলমান শাসনে

স্থিতি পাব পৰা নাছিল কাৰণে ইয়াত ভাৰতীয় মূল সংগীতৰ ব্যতিক্ৰম ঘটা নাই, অবিকৃত হৈ আছে। তৰ্ক কিছু ঘন হৈ অহা দেখি যদু সৰকাৰে লক্ষ্মীবাবুক এটা কেদাৰ ৰাগ গাবলৈ ক'লে। লক্ষ্মীবাবু আৰু তাৰকবাবু দুয়ো কেদাৰ ৰাগৰ দুটা গীত দুটা তালত গালে। কিছু পৰৰ পিছত যদুনাথ সৰকাৰে মত প্ৰকাশ কৰি ক'লে যে কেদাৰ ৰাগৰ শুদ্ধ ৰূপ কি মই নেজানো কিন্তু ৰায়চৌধুৰীয়ে গোৱা সুৰটোৱে মোৰ মনত যি প্ৰভাৱ বৰ্ত্তালে, লক্ষ্মীবাবু আৰু তাৰকবাবুৰ গীতে সেইটো কৰিব নোৱাৰিলে।

এইখিনিতে প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি গুৱাহাটীত বহা অসম সংগীত সন্মিলনীৰ দ্বিতীয় অধিবেশনত এখনি আলোচনা চক্ৰ আয়োজন কৰা হৈছিল। তাত মঙলদৈ অঞ্চলৰ ওজা-পালিৰ ওজা ধাতুৰাম শৰ্মাৰ গীত শুনি সভাপতিৰ আসনৰপৰা ভাৰত-বিখ্যাত সংগীতজ্ঞ বিনায়ক পট-বৰ্দ্ধনজীয়ে মন্তব্য কৰি কৈছিল বোলে সেইটো ইছলাম প্ৰভাৱমুক্ত বিশুদ্ধ সাৰংগ ৰাগৰ গীত। সেয়েহে ক'বৰ মন যায়—

ঘৰতেই আছে মাণিক-মুকুতা
চিনিকে নেপাওঁ,
লাওলোটা লই বাহিৰত গই
টোকাৰি বজাওঁ।

সি যি নহওক, ৰায়চৌধুৰীয়ে তেওঁৰ 'জয়দ্ৰথ বধ' নাটৰ সকলো-বোৰ গান, বৰগীত, দেহবিচাৰ, কীৰ্ত্তন, নামঘোষা আদিৰ সুৰৰ সমন্বয়ত ৰচনা কৰিছিল।

ওবে জীৱনে ৰাজনীতিয়ে খুলি খুলি থালেও প্ৰকৃতাৰ্থত ৰায়-চৌধুৰী ডাঙৰীয়া সাহিত্যৰহে মানুহ আছিল। ডঃ কাকতিয়ে তেওঁক ৰাজনীতি বাদ দি একাণপতীয়াকৈ সাহিত্যত বিশেষকৈ কবিতাৰ পথাৰত হাল-চহ কৰিবলৈ সকীয়াই আছিল। তেওঁৰ প্ৰথমখন কবিতাৰ পুথি 'বীণা'— এই বীণাবাদক কবিজন আছিল অম্বিকাচৰণ— তেতিয়া তেওঁ অম্বিকাগিৰী হোৱা নাছিল। তেওঁৰ কবি প্ৰতিভা আছিল জন্মগত। ৰসগ্ৰাহী পাঠক-পাঠিকাই 'তুমি' কাব্যত তাৰ উমান পাইছিল। এই 'তুমি'য়ে তেওঁক বিশ্ববিদ্যালয়ৰ মজিয়াত এখন সন্মানৰ আসন পাৰি

বহুৱাইছিল। সম্ভৱতঃ 'আসাম বান্ধৱ'ৰ কোপাতে তেওঁৰ প্ৰথম কবি-জীৱন অংকুৰিত হৈছিল।

কাব্যৰ লগতে অম্বিকাগিৰীৰ গদ্য-সাহিত্যও সমানে যেৰ মাৰিব পৰা বিধৰ আছিল, হ'ব পাৰে নামমাত্ৰ। তেওঁৰ একমাত্ৰ গদ্যপুথি 'অহুতি'। আন আন গদ্যৰচনা বিবিধ পিতানত 'চেতনা' আৰু 'ডেকা অসম'ত সিঁচৰতি হৈ আছে। এতিয়ালৈকে পুথিৰ আকাৰত একত্ৰে প্ৰকাশ হোৱা নাই। এনদৰে সেন্দুৰৰ মোল বুজিলেহে। 'ডেকা অসম'ৰ সম্পাদকীয়বোৰৰ বলিষ্ঠ গদ্যশৈলী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে বৰকৈ বখানিছিল। তেওঁৰ কথাত ময়ো হয়ভৰ দিছিলো। 'দৈনিক বাতৰি'ৰ বাগ্মীবৰ কুকনৰ সম্পাদকীয়বোৰ সংকলন আৰু সম্পাদন কৰি বেণুধৰ শৰ্মাদেৱে 'বাতৰিৰ বিভূতি' যুগুত কৰি উলিওৱাৰ নিচিনাকৈ অম্বিকাগিৰীৰ 'ডেকা অসমৰ বাণী' উলিয়াবৰ সময় এতিয়াও উকলি যোৱা নাই। পুৰণি চৈকেৰাৰ চোক বেছি। পিছে মেকুৰীৰ ডিঙিত টিলিঙা আঁৰে কোনে তাকে চাবলৈ আমি আগ্ৰহেৰে বাট চাই আছো। শতবাৰ্ষিকীয়ে ডেকুলীৰ পিঠিত নোম গজাব পাৰিলে ভাল হয়।

সাহিত্যৰ লগতে সাহিত্য সভাৰ কথাও অলপ লিখা যাওক। বাগ্মীবৰ নীলমণি ফুকনৰ একচেতীয়া কাযকালৰ অন্তত অম্বিকাগিৰী মাৰ্ঘেৰিটাত অসম সাহিত্য সভাৰ সিংহপীৰাতো বহিছিল। (অসমৰ এই জাতীয় মহাসভাখনৰ সেই সময়ত কলচপ কলচপ অৱস্থা। এখনপিহাড়ৰ মাজত জীউটোহে বাকী আছিল। ৰায়চৌধুৰী বহিৰজা আৰু প্ৰধান সম্পাদক হিচাপে তেওঁৰ জোৱায়েক, অধ্যাপক কেশৱনাৰায়ণ দত্ত উঠিৰজা হৈছিল। চমুৱাই কবলৈ হ'লে শহুৰ-জোঁৱাইৰ কাযকালত সাহিত্য সভাই বিশেষ উন্নতি সাধিব পৰা নাছিল আৰু ৰুগীয়া অৱস্থাবো উপশম ঘটাব পৰা নাছিল। অসম সাহিত্য সভাৰ বুৰঞ্জীয়ে এই কথা বিতংভাৱে কব।)

(৩)

আলচ দীঘল নকৰি আৰু দুই এটা সৰু প্ৰসংগ উল্লেখ কৰি সামৰণি মৰা হওক। এটা প্ৰসংগ স্বাবলম্বিতা। অম্বিকাগিৰী 'মুখেন মাৰিতং জগত'

নাছিল। তেওঁ মুখৰ লগতে হাতে-কামে ডেকা-গাভৰুবিলাকক স্বাৱলম্বিতাৰ আহি দেখুৱাইছিল। তেওঁ নিজহাতে গুৱাহাটীৰ বৰপেটীয়া পাৰাত পাতি লোৱা ছপাশাল অৰুণা প্ৰেছ জুয়ে পুৰি ছাই কৰে। লগতে তেওঁৰ খনচেৰেক মূল্যবান পাণ্ডুলিপিও লংকাদাহত বিনষ্ট হয়। তৰ পিছত তেওঁ 'ডেকা-অসম' প্ৰকাশ কৰিবলৈ উজান বজাৰত আৰু এখন ছপাশাল পাতি লৈছিল। পৰত আশ বনত বাস। আত্মবল পৰম বল। এইখন ছপাশালত তেওঁ তাকৰীয়া ছপা-কৰ্মী ৰাখি 'ডেকা অসম' কাকতৰ প্ৰকাশ, প্ৰচাৰ আৰু ছপাৰ যাৱতীয় কামত সপৰিয়ালে আত্মনিয়োগ কৰিছিল। তেওঁৰ মানত কামত সৰু-বৰ নাছিল। এই ঠাইতে 'অসম মায়াৱনী কেমিকেল বৰ্কচ' স্থাপন কৰি স্বকীয় উদ্ভাৱনাৰে গোন্ধতেল, চিয়াহী আদি উলিয়াই বেচাৰ দিহা কৰিছিল আৰু ক্ষুদ্ৰ উদ্যোগৰ এজন সৰু বাটকটীয়া হৈ ডেকা অসমৰ চকু গজাবলৈ যত্ন কৰিছিল। এই বিষয়ত গুৱাহাটী দাস তালুকদাৰ কোম্পানীৰ দুৰ্গানাথ বৰুৱা (দুৰ্গা বৰুৱা), স্বভাৱবিজ্ঞানী লক্ষ্মীনাথ দাস আৰু নীৰৱ বিজ্ঞানী পূৰ্ণচন্দ্ৰ ভৰালীৰ আৰু সুদৰ্শন হঁতৰ আবিষ্কাৰক সমাজনেতা নিধিৰাম দাসৰ নাম স্মৰণযোগ্য।

অম্বিকাগিৰীয়ে কোনো দিনে শ্ৰমক মৰ্যাদা নিদিয়াকৈ থকা নাছিল। যি কোনো বিষয়ত দেশৰ হকে একান্তভাৱে কাম কৰা মানুহক তেওঁ ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। একাণপতীয়াকৈ সাহিত্যসেৱাত লাগি থকাৰ বাবে ময়ো তেওঁৰ মৰমৰ ভাগ পাইছিলো। তেওঁ এবাৰ মোলৈ লিখিছিল:

"তোমাৰ ঝংকাৰ পঢ়ি ভাল পালো। মই সদায় কৈ আহিছো যে বৰ্তমান যুগত অসমত সদি প্ৰকৃত সাহিত্যসেৱক আছে সেইকেইজন হ'ল ড° সূৰ্যকুমাৰ ভূঞা, অতুলচন্দ্ৰ হাজৰিকা আৰু ডিম্বেশ্বৰ নেওগ। তুমি এই ঐতিহ্যটো অটুট ৰাখিছা বাবে তোমাক ধন্যবাদ।

ডেকা অসম অম্বিকাগিৰী ৰায়চৌধুৰী
২৫-২-৬৪

এইখিনিতে ক'ব পাৰি সন্দিকৈ ডাঙৰীয়া আৰু ৰায়চৌধৰী ডাঙৰীয়াৰ হাতৰ আখৰ শেষ দিনলৈকে মঙ্গমাহৰ গাজীৰ দৰে গোট গোট আৰু ধুনীয়া আছিল।

মোৰ প্ৰতি তেওঁৰ মৰমৰ স্বাক্ষৰ থকা আৰু এটা সৰু উদাহৰণ দিওঁ। ১৯৬০ চনত কটনৰ পৰা মই অৱসৰ লোৱাৰ পিছত প্ৰাগজ্যোতিষ কলেজত অসমীয়াৰ অধ্যাপকৰ পদ এটা খালী হৈছিল। মই সেই পদৰ বাবে এখন আবেদন পেলাই থৈছিলো। ৰায়চৌধুৰীৰ পুত্ৰ ভগগিৰী তেতিয়া ধুবুৰীৰ বি.এন.কলেজত। তেৱোঁ একে পদৰ প্ৰাৰ্থী আছিল। অম্বিকাগিৰীয়ে অন্তকাণে-পষ্টকাণে মোৰ প্ৰাৰ্থীত্বৰ বুজ পাই মোক একো নজনোৱাকৈ প্ৰাগ-জ্যোতিষ কলেজ কৰ্তৃপক্ষক লিখি জনালে বোলে যিহেতু এজন উপযুক্ত প্ৰাৰ্থী আছে সেইকাৰণে ভগগিৰীৰ প্ৰাৰ্থীত্বৰ আবেদন বিবেচনা কৰিব নালাগে। পিছত অৱশ্যে ৰাতিৰ খেপো ৰবিবলগীয়া হ'ব বুলি জানি মই কামটো ল'বলৈ মান্তি নহলো। এই কাৰ্যই অম্বিকাগিৰীয়ে নিজৰ পুতেকৰ স্বাৰ্থ তল পেলাই অহৈতুকভাৱে মোৰ কথা চিন্তা কৰাটো তেওঁৰ মহানুভৱতাৰ পৰিচয় নহয় জানো? তাৰ অলপ দিনৰ পিছতে ভগগিৰীয়েও ৰে-বকৰাত কাম পাই ধুবুৰীৰপৰা গুৱাহাটীলৈ আহিল।

আন এটা সৰু প্ৰসংগ। অম্বিকাগিৰীৰ ভাবাবেগৰ আতিশয্যৰ চানেকি। এবাৰ এটা উৰাবাতৰি প্ৰচাৰ হৈ ছিল অম্বিকাগিৰীয়ে অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন পোৱা বুলি। সত্যাসত্যৰ ভূ' নললৈ তেওঁ এখন বাজহুৱা সভাত সেই পেঞ্চনৰ ধন মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উঠা দুখীয়া ছাত্ৰক দান কৰিছে বুলি ঘোষণা কৰি দিলেই। পিছত জনা গ'ল যে উৰা বাতৰিয়ে দিলেও চৰকাৰে তেওঁক পেঞ্চন দিয়া নাছিল।

বিহগী কবি ৰঘুনাথ আৰু সংৰক্ষিণী কবি অম্বিকাগিৰী ৰায়চৌধুৰী সমবয়স্ক আৰু আজীৱন বন্ধু আছিল। কিন্তু সেয়ে হ'লেও মুখেৰে ইজনে সিজনৰ কামৰ স্বীকৃতি দিবলৈ টান পাইছিল। দেখাদেখি হ'লেই দুয়োৰে মাজত চুপতা-চুপতি আৰু কথাৰ থকা-খুন্দা লাগিছিল। আমি আঁতৰৰপৰা দুইজন বয়োবৃদ্ধ কবিৰ মাজত খুটিয়াখুটি লগা দৃশ্য চাই আমোদ উপভোগ কৰিছিলো। মোৰ 'স্মৃতিৰ পাপৰি'ৰ এটা পাপৰিত এই বিষয়ে বিতং বিৱৰণ আছে।

শিৱসাগৰত অসম সাহিত্য সভাৰ সভাপতি মঞ্চত বাগ্মীবৰ নীলমণি ফুকন আৰু অসম কেশৰী অম্বিকাগিৰীৰ থকাথুন্দাৰ অভিনয় দেখা পাই সমজুৱা সকলে আমোদ উপভোগ কৰিছিল। চমুৱাই ক'বলৈ হ'লে ৰায়চৌধুৰীৰ চৰিত্ৰত নম্ৰতা আৰু উগ্ৰতা কম-বেছি পৰিমাণে আছিল। সত্যাসত্য বিচাৰ নকৰাকৈ শুনা কথাৰ ওপৰতে নিৰ্ভৰ কৰি কোনো কোনো সময়ত তেওঁ বিশেষ ব্যক্তি বা অনুষ্ঠানৰ বিপক্ষে বিৰূপ মন্তব্য প্ৰয়োগ কৰি অনাহকভাৱে বাটৰ কচু গাত ঘঁহি লৈছিল। অসম কেশৰী অম্বিকাগিৰী, ডেকাফুকন মহেন্দ্ৰনাথ আৰু ডেকাবেজ মাধৱচন্দ্ৰ সংৰক্ষিণী নীতিত একে পন্থী আছিল। ডেকাফুকনৰ দৰে ৰায়চৌধুৰীও ৰজাক ককাই নোবোলা প্ৰবৃত্তিৰ মানুহ আছিল। ডেকাফুকনৰ কাৰ্যপন্থাৰ কোনো স্থায়ী চিন নেথাকিল কিন্তু অম্বিকাগিৰীৰ জীৱনদৰ্শন আৰু স্বকীয় ভাবধাৰাৰ নিদৰ্শন ৰৈ গৈছে বিশেষকৈ তেওঁৰ সাহিত্যত।

অসম কেশৰীৰ স্মৃতিচাৰণ

(স্মৃতিপটৰ গোটাচেৰেক খণ্ডচিত্ৰ)

অতুল চন্দ্ৰ বৰুৱা

সৰু কালৰে পৰা অম্বিকাগিৰীৰ নাম শুনি আছিলো যদিও তেওঁক পোনতে দেখাৰ সৌভাগ্য ঘটিছিল ১৯৩৪ চনত। তেতিয়া আমি মঙ্গলদৈ হাই স্কুলৰ নৱমমান শ্ৰেণীৰ ছাত্ৰ ডিচেম্বৰ মাহৰ টৈটুৰৈ লগা জাৰত বৰদিনৰ বন্ধত সেইবাৰ মঙ্গলদৈত অসম সাহিত্য সভাৰ বছৰেকীয়া অধিবেশন বহিছিল। সভাপতি আছিল আনন্দ চন্দ্ৰ আগৰৱালা। তেতিয়াৰ মঙ্গলদৈ আজিকালিৰ মঙ্গলদৈ নহয়। মঙ্গলদৈৰপৰা গুৱাহাটীলৈকে আহিব লাগিলে তেতিয়া হয় খাৰুপতিয়াত খাপ লৈ থাকি জাহাজত উঠি জাহাজেৰে, নহয় টংলালৈ মটৰেৰে বা গৰু-গাড়ীৰে গৈ টংলাৰপৰা ৰেলেৰে আহিব লাগে। খাৰুপতিয়া ৯।১০ মাইল দূৰ, টংলা কুৰি মাইল। কাজেই মঙ্গলদৈৰ ছাত্ৰই অন্য ঠাইৰ বৰলোকসকলৰ নাম কাকত-পত্ৰতহে পঢ়িবলৈ পায়, তেওঁলোকক চকুৰে দেখাৰ সুযোগ নাপায়। সেই হেতুকে সাহিত্য সভাৰ অধিবেশন আমাৰ বহুতৰে কাৰণে বৰ আগ্ৰহৰ, বৰ হেঁপাহৰ বস্তু হৈ পৰিছিল। কিতাপ-কাকতত সততে নাম পাই থকা সুপ্ৰসিদ্ধ সাহিত্যিকসকলক আমি নিজ চকুৰে দেখিম আৰু তেওঁলোকৰ কথা শুনিবলৈ পাম তাতকৈ আনন্দৰ কথা কি হ'ব পাৰে? আমি সেইবাৰে স্বেচ্ছাসেৱক হৈ উলাহেৰে সভাৰ বাঁহ কঢ়িয়াই, খেৰ-নৰা আদি আনি দি, খোৰা-বোৰা আৰু ৰন্ধনৰ সা-সঁজুলিবোৰ সংগ্ৰহ কৰি অধিবেশন সৰ্বতোভাৱে সাফল্যমণ্ডিত কৰাত দেহেকেহে লাগি গৈছিলো, সাহিত্য সভাৰ নিৰ্দিষ্ট দিনকেইটা কেতিয়া আহে, কেতিয়া আহে লাগিছিল। যথাসময়ত কেম্পলৈ গৈ সভাপতি আগৰৱালা, বাগ্মীবৰ নীলমণি ফুকন, অতুলচন্দ্ৰ হাজৰিকা, উপেন্দ্ৰ লেখাৰু, দেৱেন্দ্ৰ বেজবৰুৱা, দৈৱচন্দ্ৰ তালুকদাৰ, মহাদেৱ শৰ্মা আদি লোকসকলক চাই ফুৰিছিলো। তাতেই মূল সভাত

প্ৰথমবাৰৰ কাৰণে অম্বিকাগিৰী ৰায়চৌধুৰীক দেখিবলৈ পাওঁ। কেনেকৈ দেখিলো আৰু চিনি পাবলৈ বাধ্য হ'লো সি এটা স্মৰণীয় ঘটনা। তাকে প্ৰথমে কওঁ।

সভাৰ প্ৰধান সম্পাদক আছিল চন্দ্ৰধৰ বৰুৱা। তেওঁ সভাত সৌশৰীৰে উপস্থিত থাকিব নোৱাৰি তেওঁৰ লিখিত সম্পাদকীয়খনকেই পঠাই দিছিল। পাঠ কৰাৰ ভাৰ গ্ৰহণ কৰিছিল বোধহয় দেৱেন্দ্ৰনাথ বেজবৰুৱাই। এজনৰ লেখা আন এজনে পঢ়া সহজ নহয়; তাতে আগতে নপঢ়া বেয়া আখৰৰ দীঘলীয়া বিৱৰণ হ'লে সি আৰু কেঁচি যন্ত্ৰণাদায়ক হয়, পঢ়োতাৰ কাৰণেও শ্ৰোতাৰ কাৰণেও। ইয়াতো সেয়ে হ'ল। মুকলি সভাত দীঘল বিৱৰণীখন থকা-দমকাকৈ ভুলে-চুকে পঢ়ি যোৱাত হাতত এডাল মোটা লাখুটি লৈ বহি থকা এজন চুটি-চাপৰ গাঠলু লোকে উঠি প্ৰতিবাদ কৰি ক'লে, 'এনে ভুলেভৰা প্ৰতিবেদন আমি আৰু শুনি থাকিব নোখোজো, লাগিলে তাক পঠিত বুলি ধৰা ভাল। তাৰ বাক্যবোৰেই শুদ্ধ নহয়।'

পাঠক বেজবৰুৱাই খঙত জ্বলি-পকি উঠি নানা ধৰণে তৰ্জন-গৰ্জন কৰিবলৈ ধৰিলে। দুয়োৰো তৰ্কযুদ্ধ আৰম্ভ হ'ল।

—এখেতৰ এনে দায়িত্বহীন উক্তিৰ মই তীব্ৰ প্ৰতিবাদ কৰো।

—প্ৰতিবাদ কৰক, কিন্তু নপঢ়িব। হেঃ হেঃ হেঃ।

—কিয় নপঢ়িম? আপুনি তেনেকৈ বাধা দিবলৈ কোন? আপুনি অসমীয়া কিমান জানে?

—মই কিমান জানো তাৰ পৰীক্ষা আপুনি ল'ব নালাগে। কিন্তু আপুনি সাহিত্য সভাৰ কাৰ্যবিৱৰণী মুকলি সভাত ভুলকৈ পঢ়িব নোৱাৰে। তাৰ দ্বাৰা অসমীয়া ভাষাক আৰু অসমীয়া জাতিটোকে অপমান কৰা হয়। এইখন সাহিত্য সভা! অসম সাহিত্য সভা, আৰু ময়ো তাৰে এজন সদস্য।

মুখেৰে এইদৰে কৈ বক্তাজনে হাতত থকা লাখুটিডালেৰে মাটিত জোৰেৰে থকবিয়াই দিবলৈ ধৰিলে। দুয়োৰো মাজত 'অদ্য যুদ্ধ ভয়াময়া' হ'বৰ উপক্ৰম হ'ল। এজন মণ্ডপৰ ওপৰত পুস্তকহস্তে, আনজন সমজুৱাৰ মাজত দণ্ডহস্তে।

বেজবৰুৱাই তেতিয়া আকৌ উচ্চৈস্বৰে কৈ উঠিল—বিজ্ঞ লোকে শুদ্ধ অসমীয়া কথা চাবি আধাৰ ভাবকৈ ক'ব নোৱাৰে তেওঁ মোৰ ভুল ধৰে, মই তাৰ ঘোৰ প্ৰতিবাদ কৰো। ইয়াৰ প্ৰতিকাৰ ন'হলে মই সভাস্থল ত্যাগ কৰিম।

উত্তৰত ইজনে ক'লে, এঃ বৰ লাজ পালে হবলা? একো বেয়া কথা কোৱা নাই! সভাত হুলস্থুল লাগিল। আমি আমাৰ নমস্য শিক্ষক দীননাথ চহৰীয়াৰপৰা কোনজন কোন আৰৌ এবাৰ সুধি ল'লো আৰু পৰিস্থিতি দেখি তেনেই বেকুৱা লাগিলো। যি হওক, শেষত যেনিবা সকলোৰে উমৈহতীয়া যত্নত পৰিস্থিতিৰ এটা সামা অৱস্থা আহিল। তথাপি বাগ্মীবৰ নীলমণি ফুকন আৰু সভাপতি আনন্দ চন্দ্ৰ আগৰৱালা—এই দুগৰাকী লোকেই দুয়োজনা যুযুৎসু সাহিত্যিকক সৈমান কৰাত আগ ভাগ লৈছিল যেন মনত পৰে। নক'লেও হ'ব যে লাঠুটিধাৰী এই ভদ্ৰ লোকজনেই আছিল পূৰ্বৰ 'চেতনা'ৰ আৰু পিছৰ 'ডেকা অসম'ৰ সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰী।

(২)

আকৌ ১৯৩৮ চনমানৰ কথা। আমি তেতিয়া কটন কলেজৰ দ্বিতীয় বাৰ্ষিকত। এছোৱেকীয়া কলা প্ৰতিযোগিতা আৰম্ভ হৈছে। সঙ্গীত কলাৰ শ্ৰেষ্ঠ গায়ক হিচাপে পুৰস্কাৰ দিয়া হ'ব। বিচাৰক নিযুক্ত হৈছিল অধ্যাপক শ্ৰী... চক্ৰৱৰ্তী, 'ডেকা অসম'ৰ সম্পাদক ৰায়চৌধুৰী আৰু কোনোবা এজন। পুৰস্কাৰ বিতৰণ হৈ যোৱাৰ লগে লগে অধ্যাপক লক্ষ্মীনাৰায়ণ চট্টোপাধ্যায়ে বিচাৰকসকলক শলাগ জনাবলৈ দু-আষাৰ কোৱাৰ ছলেৰে আৰম্ভ কৰিলে—আমি আজি যি বৰগীতত পুৰস্কাৰ দিলো সেই বৰগীতৰ মুখাফুটা লেখা কোন সেই কথা ইয়াত উপস্থিত থকা অনেকেই হয়তো ভালকৈ নাজানে। আজিৰ সঙ্গীত প্ৰতিযোগিতাৰ এগৰাকী বিচাৰক অম্বিকাগিৰী ৰায়চৌধুৰী নিজেই। তেওঁৰ এনে বৰগীত এটি শুনিবলৈ মোৰ মনটো এই মুহূৰ্তত যেন বৰকৈ ব্যগ্ৰ হৈ পৰিছে। ছাত্ৰসকলক উৎসাহিত কৰিবৰ কাৰণে ৰায়চৌধুৰী ডাঙৰীয়াই মন কৰিলে এটি বৰগীত গাই শুনাব পাৰে। উপস্থিত সমজুৱা আৰু ছাত্ৰসকলৰ হৈ

মই হেথেতক ভাৰবাবে অনুৰোধ জনালো। সভা খনক লগোৱাকৈ সমজুৱাৰ হাত-চাপৰি বাজিল।

ৰায়চৌধুৰীয়ে কোনো ওজৰ-আপত্তি নকৰি পেনেই যথাস্থানত বহি লৈ হাৰমোনিয়ামটোত হাত দি ক'লে, "মোৰ গলা কিন্তু ঠিক নাই হ'বলা; তথাপি গাঁও বাৰু।" এইবুলি তেওঁ আৰম্ভ কৰিলে 'আনন্দে গোবিন্দে বায় বৃন্দাবনে বেণু; ৰূপে ভুবন ভুলে, বহিয়া কদম্ব মূলে, কালিন্দীৰ তীৰে ৰাখে ধেনু।' —সিদিনা ৰায়চৌধুৰীৰ কণ্ঠত ৰবগীতৰ যি সুৰ শুনিছিলো তাৰ অনুৰূপ কণ্ঠস্বৰ যেন আজিকোপতি কাণে শুনিবলৈ পোৱা নাই— এনেকে মনত ধাৰণা হয়।

(৩)

তাৰ পিছৰ ইটো আছিল বোধহয় ১৯৫১ চনৰ কথা। মই তেতিয়া ৰঙিয়াত, মাটিৰ হাকিম। কাযবশতঃ এদিন গুৱাহাটীলৈ আহিছিলো। গুৱাহাটীৰ উজান বজাৰৰ লেম্বৰোডেদি চাইকেলত উঠি যোৰপুখুৰীৰ পাৰৰ পৰা দক্ষিণমুৱা হৈ গৈ আছিলো। যাত্ৰা কৰাৰ লগে লগে বৰষুণ আৰম্ভ হৈছিল। মই মূৰৰ ওপৰত ছাতি মেলি ধৰি লেগাই চাইকেল চলাইছিলো। অলপ দূৰ গৈয়ে দেখিবলৈ পালো পুলিচে ৰাস্তাৰ বাযৰ এটা ঘৰ ভাঙিব ধৰিছে আৰু তাৰ ভিতৰৰপৰা কেইজনমান পামলাই ঘৰৰ বস্তুবোৰ উলিয়াই আনি অলপো যত্ন নোলোৱাকৈ নিৰ্মমভাৱে আলিৰ দাঁতিত পেলাই দিছে। ঘৰত্তৰীযাকৈ ইটো বস্তুৰ পাছত সিটো উলিযাইছে, যেন সময় উকলি যায়। সেই ৰাস্তাৰ মাজত এজন আঁঠুমনীয়া চুৰিযা পিন্ধা মানুহে সেই বস্তুবোৰ বৰষণত তিতি-বুৰি জকলা হৈ থুপুৰি কৰিব লাগিছে। এটা ভয়, আৰু আনটো কৌচাই আনে। দূৰত থিয় হৈ থকা মানুহবোৰে এই দৃশ্য চাই বেশ আমোদহে লভিছে; কোনোৱে সহায় কৰিবলৈ আগবাঢ়ি অহা নাই; হ'ব পাৰে পুলিচৰ ভয়ত। ময়ো অলপ দূৰ আগবাঢ়ি গৈ ঘৰি চালো আৰু চাইকেলৰপৰা খন্তেক নামি দৃশ্যটো অলপ নিৰীক্ষণ কৰিলো। শীঘ্ৰেই বুজিব পাৰিলো যে সেই ঘৰটোতে সেইজন লোকক বেহমাহমান পূৰ্বে লগ ধৰি মই চিনাকি হৈছিলো আৰু

শ্ৰদ্ধা জনাইছিলো। সহানুভূতিত মনটো তেনেই সেমেকি গ'ল; তেওঁ জানোচা মোক দেখে আৰু দেখি মনত আৰু বেছি বেজাৰ পায় তাকে ভাবি চিন্তিত হ'লো। অলপ পৰ থিয় হৈ ৰলো। সাউৎকৰে মনত পৰিল চিনাকি হ'বৰ দিনাৰ এটা সৰু ঘটনালৈ। সেই দিনা আমি কথা পাতি থাকোতে দুটা কলেজীয়া ল'ৰাই দেখা কৰিছিলহি। তেওঁ সিহঁতক সুধিছিল—তোমালোক কিয় আহিলা পিছে?

—আপোনাৰ লগত দেখা সাক্ষাৎ হওঁ বুলি।

—কিয়? তোমালোকনো ক'ৰ ল'ৰা? কি কৰা?

—আমি বৰপেটাৰ ল'ৰা। কটনত পঢ়ো। এইবাৰ নাম লগাইছো।

—নাম কি কি?

ল'ৰা দুটাই তেওঁলোকৰ নাম ক'লে। তেতিয়া ৰায়চৌধুৰীয়ে এজনক উদ্দেশ্য কৰি ক'লে—তুমিও বৰপেটাৰনে?

—হয়।

—হয়তো বুজিছা। পিছে সেখোন চুলিবোৰ কেনেকৈ ৰাখিছা একা? গুণ্ডাটো যেন। এইবিলাক 'ফেচন' ঠিক নহয়। গুণ্ডা সাজিলে কি হ'ব? গুণ্ডা যে হুৱাচোন, যদি দেশখনক কিবা কৰিব পাৰা। দেশখন গ'ল—তেনেই অধঃপাতে গ'ল।

ল'ৰা দুটাই কথা বেগতিক দেখি—'পিছে আহিম যাওঁ' বুলি কৈ যাবলৈ ওলালেই। তেখেতেও 'পিছে নেই—অ, ৰাক যোৱা। খং নকৰিবা। 'ফেছন' এৰি কিবা এটা ভাল কামত ধৰা।' —এইবুলি বিদায় দিলে।

তাতেই ওচৰৰ দোকান এখনত জুন বাৰ্ক থকা লোকসকলৰ লগত কথা পাতি জানিব পাৰিলো, মাটিৰ মালিকে ৰায়চৌধুৰীক উচ্ছেদৰ কাৰণে মোকৰ্দমা কৰি ঘৰ ভাঙি লোৱেবে তেওঁক উচ্ছেদ কৰিছে। মোৰ মাত মাতিবলৈ একো নাথাকিল।

(৪)

কালৰ চকৰি ঘূৰি আছে। ইয়াৰ পাচৰ বছৰতে মাটিৰ হাকিমৰ কামতে বদলি হৈ মই গুৱাহাটী পালোহি। পত্নীপক্ষৰ আত্মীয়তাৰ

সম্পৰ্কেদি ৰায়চৌধুৰী ডাঙৰীয়া মোৰ এগৰাকী আৰু বেছি আপোন হৈ পৰিল। তেওঁ এদিন মোৰ ঘৰলৈ গৈ ক'লে, অতুল বাপা, তুমি বেয়া নাপাবা, মই তোমাক ষ্পষ্টভাবে দুআষাৰমান মনৰ কথা কওঁ। তোমালোকৰ মণ্ডল-কাননগোৰ নাম শুনিলেই মোৰ ভয় লাগে। মোক বিষ্ণু মেধিয়ে মাটি দিছিল, তেওঁলোকে নিদিলে। নিদিও বুলিয়ে নিদিলে। সেইবোৰ ভেদভাঙি নকওঁ বাৰু। তুমি মোক এটুকুৰা দিব লাগে। মোক মানুহটোক নিদিয়া যদিও মোৰ প্ৰেছটোৰ কাৰণে দিয়া। শুনা! পিছে মোক যেই সেই ঠাইত মাটি দিলেও নহ'ব। মই বিল-খাল পুতি ল'ব নোৱাৰো। মোক সেই আসাম ট্ৰিবিউনৰ ওচৰতে সেনাপতিৰ কাষতে থকা খালী মাটিবোৰৰ অলপ দিলেই হ'ব; তিনি কঠামান। তোমালোকে নিদিলেও কিন্তু মই এইবাৰ তাতে বহিম আৰু প্ৰেছ পাতিমেই। মোক মাৰি পেলালেহে তোমালোকে এইবাৰ মোৰ ঘৰ আৰু প্ৰেছ ভাঙি পেলাব পাৰিবা।—এনেকৈ আৰু অনেক কথা ক'লে। মই নীৰৱে শুনি থাকি শেষত বুদ্ধি-পৰামৰ্শ দিলো আৰু শক্তি অনুসাৰে মই যত্ন কৰিম বুলি আশ্বাস দি পঠালো।

সংক্ৰান্ত নথি-পত্ৰবোৰ চাই জানিব পাৰিলো যে সেই ঠাইডোখৰ চৰকাৰে এসময়ত দাম ভৰি চৰকাৰী অনুষ্ঠানৰ কাৰণে অধিগ্ৰহণ কৰা মাটি আছিল। তেনে মাটি ব্যক্তিবিশেষৰ নামত সহজে পট্টন দিয়া নাযায়। ইফালে আকৌ ৰায়চৌধুৰী ডাঙৰীয়াকো সেই মাটিহে লাগে। সমস্যাটো এদিন ছেগ বুজি তেতিয়াৰ ৰাজহ মন্ত্ৰী মতিৰাম বৰা ডাঙৰীয়াৰ আগত কথা প্ৰসংগত দাঙি ধৰিলো। তেওঁ পোনেই ক'লে—এখেত, তেনেকুৱা লোক অসমত আজি দ্বিতীয় এজন নোলাব। কেনেকৈ পৰা যায় তেওঁক সহায় কৰিব লাগে। আপোনা-লোকে পট্টনৰ আইন-কানুন ঘাটি-ঘুটি কিবা এটা কৰকচোন।

বহুযত্নে তেতিয়াৰ সচিবালয়ৰ ৰাজহ বিভাগৰ অবৰ-সচিব (আণ্ডাৰ চেক্ৰেটেৰী), ভূমি-পট্টন আইনৰ এজন বিশেষজ্ঞ, উমা শৰ্মাৰ লগত আগ-ধৰি আলচ কৰি প্ৰস্তাৱ উপস্থাপন কৰা হ'ল। মন্ত্ৰী ডাঙৰীয়াই সেই প্ৰস্তাৱ গ্ৰহণ কৰায়ে নহয় বিনা-প্ৰিমিয়ামে পট্টন দিয়া যায়নেকি তাকো

পৰীক্ষা কৰিবলৈ নির্দেশ দিয়াত সেই কার্যও আইনতঃ বুজিবে সম্পন্ন কৰা হ'ল। গুৱাহাটী চহৰৰ মাটি পট্টনৰ বুৰঞ্জীত ব্যক্তিবিশেষক বিন-প্রিমিয়ামে পট্টন দিয়া, আমি জনাত, ই এটি একক আৰু অভূতপূর্ব দৃষ্টান্ত। পট্টনৰ পকা হুকুম (পট্টা) হাতত নপৰালৈকে ৰায়চৌধুৰী ডাঙৰীয়াই এই পট্টনৰ কথা বিশ্বাস কৰিবলৈকে টান পাইছিল। সেয়েহে পট্টাখন পাই পোনে পোনে তেওঁ গৈ মোৰ ঘৰত উপস্থিত হৈ কৈছিল —বাপা অতুল, তোমাৰ ৫।১১।৫৪ তাৰিখৰ চহী থকা, এ. ডি. চি. দাস চাহাবৰ ১৩।১১ তাৰিখৰ চহী আৰু ছিলমোহৰৰ এইখন পট্টা আচল পট্টা হয়তো? —এই 'হয়' বুলি সমর্থন কৰা সত্ত্বেও তেওঁ কোৱা মতে আছে—পিছে এটা কথা: লাগিলে প্রিমিয়াম নই দিমেই, কিন্তু যাতে উচ্ছেদ নহওঁ তাৰ বাবেহে পুনৰ তোমাক কৈ থলো। ইয়াকে কৈ তেওঁ তৃপ্তি আৰু আত্মপ্রসাদৰ যি এটা অদ্ভুৰ খোলা হাঁহি মাৰিছিল সি যেন আজিও কাণত বাজি আছে।

(৫)

অসম সাহিত্য সভাৰ নলবাৰী অধিবেশন ১৯৬৫ চনত বহিছিল। তাৰে কিছু দিন আগৰ কথা। স্মৃতি-গ্রন্থ 'প্রবন্ধ-চয়ন'লৈ প্রবন্ধ এটা পঠিয়াব লাগে, বিষয় ধৰি দিয়া আছে—'অসমীয়া প্রেমৰ কবিতাত ৰত্নকান্ত বৰকাকতীৰ স্থান'। অতি কম সময়ৰ ভিতৰতে লিখি পঠাব লাগে। লিখি যাওঁতে অসমীয়া প্রেম-কাব্য আৰু প্রেমৰ কবিসকলৰ কথা প্রাসঙ্গিক-ভাৱে আলো। তাতে ৰায়চৌধুৰীৰ কবিতাৰ প্রেমৰ আদি আৰু প্রকৃত উৎস ইন্দুমতীৰ কাহিনীও থোৰতে বর্ণনা কৰা হৈছিল। গ্রন্থ ছপাশালত থাকোঁতেই বন্ধুবৰ জমিৰুদ্দিন চাহাবে বিহগী কবি ৰঘুনাথ চৌধাৰীক এই প্রবন্ধ সম্পর্কে কিবা ক'লে হেনো। বিহগী কবিয়ে মোক মতাই নি ক'লে —তুমি বোলে সাহিত্য সভাৰ স্মৃতি-গ্রন্থলৈ কিবা এটা প্রবন্ধ দিছা, হয়নে?

—হয়, দিছো।

—তাত ৰায়চৌধুৰীৰ বিষয়ে কিবা লিখিছা? চাবা পিছে বিপদত পৰিবা। তেওঁৰ বিষয়ে লিখোতে তেওঁৰ অনুমতি লৈছা নে নাই?

—নাই লোৱা। আপোনাৰ বিষয়ে অন্য কথা কিবা এটা লিখিবলৈ হ'লেও অনুমতি ল'ব লাগিবনেকি?

—মোৰ কথা তুমি বাদ দিয়া। মোৰ বিষয়ে তোমালোকে যি খুচি তাকে ক'ব পাৰা। ৰায়চৌধুৰী কিন্তু অন্য ধৰণৰ লোক। খং উঠিব লাগিলে তেওঁ মান-হানিৰ মোকৰ্দমা জুৰি দি তোমাক জোলোকা-জোলোকে পানী খুৱাব। পিছে লিখিলানো কি?

মই তেতিয়া ৰায়চৌধুৰী-ইন্দুমতীৰ মাজত চলা গুপ্ত-প্ৰণয় আৰু তাৰে ফলত হোৱা ৰায়চৌধুৰীৰ ক্ষয়-ক্ষতিৰ কথা ক'লো। বিহগী কবিয়ে গল্পটো আৰু এক অন্য ধৰণে কৈ মোক সেই বিষয়ে সতৰ্ক হ'বলৈ দঢ়াই দঢ়াই কৈ বিদায় দিলে।

সেইদিনা নিশা মোৰ ভাল টোপনি নহ'ল। প্ৰবন্ধ লিখি আদালতত জবাবদিহি হোৱা মোৰ জানো উদ্দেশ্য? উগুল-থুগুলকৈ ৰাতিটো কটাই পিছদিনা প্ৰত্যুষতে ৰায়চৌধুৰীৰ ঘৰ পালোগৈ। জাৰৰ দিন। ৰাতিপুৱাৰ ৰঙা ৰ'দ পিঠিৰে লৈ তেওঁ বহি আছিল। মোক দেখি বৰ আদৰ-সাদৰকৈ ওচৰতে চকী এখনত বহিবলৈ দিলে। মই কথাপ্ৰসঙ্গত মোৰ বক্তব্য কৈ ঘটনাটোৰ কথা তেখেতক সুধিলো। তেওঁ ডাঙৰকৈ হাঁহি এটা মাৰি ক'লে—মোৰ লুক-ঢাক কৰিবৰ একো নাই, অতুল। মইতো চোৰ-প্ৰেমিক নহওঁ। ডেকা বয়সত প্ৰেমৰ কাহিনী সকলোৰে থাকে। মোৰ কাহিনী কিন্তু সাধাৰণ প্ৰেমিকৰ প্ৰেমৰ কাহিনী নহয়। তুমি কোৱা ইন্দুমতীৰ কাহিনীটো সঁচা। তুমি লেখিছা যদি লেখিছা—তাত একো দোষ হোৱা নাই। মই তোমাক দেখুৱাওঁ ৰবা।—এইবুলি তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ মুখপত্ৰ (University Journal) এখন আনি ড' কাকতিয়ে ৰায়চৌধুৰীৰ বিষয়ে লিখা প্ৰবন্ধ এটাত সেই কাহিনীটোকে পঢ়িবলৈ দিলে। মোৰ মন উৎসাহত নাচি উঠিল। অন্তৰত আত্ম-বিশ্বাস জন্মিল। ৰায়চৌধুৰীয়ে ক'লে—বাণীকান্তইহে মোৰ বিষয়ে সকলো জানিছিল।

মই ক'লো —হলীৰাম ডেকায়ো জানিছিল হ'বলা। তেওঁ এবাৰ আপোনাৰ কথা আৱাহনত লিখিছিল নহয়।

—লিখিছিল ; পিছে বাণীকান্তই হ'লে বেছি জানিছিল। হলীৰাম ডেকাৰ সেই প্ৰবন্ধটো সম্পৰ্কে বাণীকান্তই কি কৈছিল জানা ? বাণীকান্তই কৈছিল—হলীৰামে আপোনাৰ বিষয়ে কি লিখিব ? আপোনাৰ কথা মইহে লিখিব পাৰিম। —সঁচাকৈয়ে বাণীকান্তই হ'লে মোৰ বাহিৰ-ভিতৰ সকলো জানিছিল।

—তেন্তে আঙুলি কটা সঁচা ?

—সঁচা কিয় ? সঁচাতকৈও সঁচা। তুমি ভয় কৰিছ নেকি কিবা আপত্তি কৰিম বুলি ? হেঃ হেঃ হেঃ আপত্তি নকৰো দিয়া। মোৰ ছাল ডাঠ। তোমালোকে মোৰ বিষয়ে কিহকে লিখা তাত মই খং নকৰো। আপত্তিও নকৰো। তোমালোকে মোক বুজিব যত্ন কৰিছা যে তাতকৈ অধিক মোক আৰু একো নালাগে। মানুহক সদায় মানুহ হিচাপেই দোষ-গুণ ধৰি বিচাৰ কৰিবলৈ চাবা। আৰু এটা কথা কিন্তু। মোক বুজিব খোজা মানে অসমখনক বুজিব খোজা। অসমখান গে'ল ; একেবাৰে গে'ল। পাৰা যদি তোমালোকে ৰাখা, ডেকাবোৰে ৰাখা। —এই বুলি তেওঁ কিছু-পৰ নিস্তব্ধ আছিল।

এনেকুৱাই আছিল অসম কেশৰী অম্বিকাগিৰী। ১৮৮৫ চনত জন্ম গ্ৰহণ কৰি ১৯৬৭ চনৰ ৩ জানুৱাৰী তাৰিখে ৰাত্ৰিৰ নিদ্ৰাতে মহানিদ্ৰাৰ আশ্ৰয় লৈ বছৰৰ লেখেৰে ৮২ বছৰ বয়সত কৰ্মযোগী ৰায়চৌধুৰীয়ে চিৰ-বিদায় গ্ৰহণ কৰিছিল।

অম্বিকাগিৰীক মই যেনেকৈ জানো

প্ৰসন্নলাল চৌধুৰী

পলাশবাৰী এৰি মই বৰপেটালৈ আহিব লগা হ'ল। পিতৃদেৱ শ্যামলাল চৌধুৰীৰ আকস্মিক বিয়োগৰ পিছত আমাৰ গোটেই পৰিয়ালটোৱে আমাৰ পুৰণি বাসস্থানৰ ভেটি বৰপেটালৈ উভতি আহোঁ। বৰপেটাৰ এইদেদ. হাইস্কুলৰ (বৰ্তমানৰ বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক স্কুল) ৭ম মান শ্ৰেণীত নাম লগালো। সেই শ্ৰেণীখন আজিকালিৰ হিচাপত ৪ৰ্থমান শ্ৰেণী।

৬ষ্ঠ শ্ৰেণীত থাকোতে কিজানো এটা উপলক্ষে মই গুৱাহাটীলৈ গৈছিলো। পাণ বজাৰৰ মাজৰ মচজিদটোৰ কাষতে থকা এটা খোঁটালিত দোকান এখন আছিল। দোকানখনৰ নাম আছিল সম্ভৱতঃ 'ছাত্ৰ ভাণ্ডাৰ'ই নে এনে কিবা। গাদীত বহি আছিল এজন ডেকা মানুহ। মই এটা বন্ধোৱা বহী কিনিলো। তেওঁ মোৰ কথা কোৱা উচ্চাৰণ শুনি অলপ অনুসন্ধিৎসু হৈ মোৰ পৰিচয় লৈছিল। তেওঁ বৰপেটীয়া উচ্চাৰণেৰে মোৰ লগত কথা-বতৰা আৰম্ভ কৰিছিল। কথা-বতৰা শেষ হোৱাত মই গুচি আহিছিলো।

বৰপেটালৈ আহি মোৰ গুৱাহাটীৰ সেই অভিজ্ঞতাৰ কথা কওঁতে সেই দোকানখনৰ কথা ওলালত বন্ধু বলভদ্ৰ পাঠকে পোনেই মোক সাৱধান কৰি সেই দোকানখনলৈ যোৱাটো মানা কৰি দিছিল। মই অতি আচৰিত হৈ সুধিলো—"কিয়? সেই দোকানখনলৈ কিয় যাব নালাগে?" পাঠকে ক'লে, "কিয় শুনা নাই, সেইখন দোকানত পুলিচে খানাতালাচ কৰিছিল।" মোৰ তৎক্ষণাৎ মনত খেলাই গ'ল যে সেই মানুহজন নিশ্চয়

স্বদেশী। তেওঁ বিস্ফোৰক চলাব জানে, বোমা মাৰিব জানে, চাহাব বধ কৰাত ভয় নাই। এক মুহূর্ততে মোৰ এনেবিলাক বহু কথা মনত খেলাই গ'ল।

কিছু দিনৰ পাছত দেখো সেই মানুহজন আহি বৰপেটাত ওলাল। দেখিলো তেওঁৰ ঘৰো আমাৰ নিজৰ ঘৰৰ পৰা বেছি দূৰত নহয়। তেওঁৰ নামেই হেনো অম্বিকাচৰণ ৰায়চৌধুৰী। আমাৰেই স্কুলৰ শিক্ষক আৰু গৃহ-শিক্ষক গিৰীশচন্দ্ৰ ৰায়চৌধুৰীৰ তেওঁ সক ভায়েক। আলেঙে আলেঙে চাই দেখিলো তেওঁ থাকে তেওঁলোকৰ ঘৰৰ আগত এখন টিনপাতৰ চালিৰ তলত। ঘৰটোত অকণমান দুখন খিৰিকি, দুৱাৰখন কোনোমতে জাপ লগাই খোৱা হয়। ককায়েক গিৰীশচন্দ্ৰ ৰায়চৌধুৰীয়ে আর্জে; গতিকে তেওঁ তেখেতৰ লগত খোৱাত বাধা নাই।

তেওঁৰ সেই চালিখনৰ তলত দক্ষিণহাটীৰ ডেকা তৰফৰ অশিক্ষিত কাম-বন কৰি খোৱা মানুহ গণক, বামুণ ইত্যাদি মানুহে মেল দৰবাৰ পাতে। লাহে লাহে দেখিলো হাইস্কুলত শঙ্কৰদেৱৰ তিথিৰ সভাতো তেওঁ বক্তৃতা দিয়ে। কোৱা বাহুল্য যে বৰপেটাত এনে ধৰণৰ সভা গিৰীশচন্দ্ৰ ৰায়চৌধুৰীয়ে প্রথমে আৰম্ভ কৰিছিল। এদিন কথা অলপ গহীনেই হৈছিল। সেইদিনাৰ সভাৰ সভাপতি আছিল ৰামপ্ৰসাদ দাস মহাশয়। সেই সময়ৰ এই সভাবোৰত বৰপেটাৰ কীর্তনঘৰৰ বিভিন্ন বাহাত থকা কেৱলীয়া সম্প্রদায়টোক নিন্দা কৰাতো প্রায় সকলোৰে একৰকম অভ্যাসতেই পৰিণত হৈছিল। সেইদিনা কিন্তু অম্বিকা ৰায়চৌধুৰীয়ে কেৱলীয়াসকলক সমালোচনা কৰাৰ উপৰিও আৰু এটা কথা ক'লে যে আমাৰ অসমীয়া সমাজৰ বিশ্ববিদ্যালয়ৰ ডিগ্রিধাৰীসকলে শঙ্কৰ-মাধৱৰ ধর্ম, সাহিত্য আৰু তেওঁলোকৰ দান সম্বন্ধে হেনো একো মন-কাণ নিদিয়ে। তেখেতে এই কথাষাৰৰ দ্বাৰা উঠি অহা শিক্ষিতসকলক তীব্ৰ সমালোচনা কৰিছিল। সিদিনাৰ সভাত উপস্থিত ডাঙৰীয়া লোকসকলে অলপ ক্ষুণ্ণ হৈয়ে বোধহয় ফুচ্ ফাচ্‌কৈ মত প্রকাশ কৰিবলৈ ধৰিলে। আগন্তুক বিপদৰ আশংকা কৰি সভাপতি ৰামপ্ৰসাদ দাসে ক'লে, "অম্বিকা, তুমি অলপ short কৰা আৰু কাকো attack নকৰিবা।" এই কথাত

অম্বিকাৰায়ৰ থং উঠা যেন দেখা গ'ল। খণ্ডত তেওঁ আৰু একো নকৈ বহি থাকিল। "পায়ে পৰি হৰি কৰোহো কাতৰি" বৰগীত গোৱাৰ পিছত সিদিনাৰ সভা শেষ হ'ল। আমি ঘৰলৈ ঘূৰিলো দল বান্ধি। সেই সময়ত আমি আছিলো হাইস্কুলীয়া ছাত্র আৰু আমাৰ দলটোৰ একৰকম নেতা আছিল ৰাধিকা চৌধুৰী। সভাত কোৱা কথাবোৰ ব্যাখ্যা কৰি তেওঁ কৈছিল, "সভাপতিয়ে এইটো ভাল কাম নকৰিলে। ই অম্বিকা ৰায়তো কম মানুহ নহয়। ই পেপাৰে-টেপাৰে লিখি হুলস্থুল কৰিব।" আমি এই কথা শুনি অবাক হৈছিলো।

এদিন দেখা পালো অম্বিকা ৰায় মোৰ ওচৰ সম্বন্ধীয়া দাদা কেশৱ চৌধুৰীৰো সৈতে বেছ পৰিচিত। কেশৱ দাদা এবাৰ এণ্ট্ৰেন্স বাছনিত ফেল মাৰি ঘৰতে বহি আছে। তেওঁৰ লগতে বোধহয় অম্বিকা ৰায়ৰ আহি তেওঁলোকৰ ঘৰৰ ছাত্র মহলত প্ৰৱেশ কৰিছিল। তেওঁলোকৰ ঘৰৰ ছাত্র মহল বোলাৰ কাৰণ হ'ল কেশৱ দাদা নিজেই ছাত্র। তেওঁৰ ওপৰতে অভিভাৱক ধৰণৰ দুজন জেঠাকৰ পুত্ৰেক, তেওঁলোকো ছাত্র। তেওঁলোকৰ ওপৰত আছে প্ৰবল অভিভাৱক পৃথিৰাম চৌধুৰী, তহচিলদাৰ। তাতেই থাকে কেশৱ দাদাৰ নিজৰ ভায়েক তিনিজন। তাৰ ওপৰতো আকৌ দুজন তেওঁলোকৰ সম্পৰ্কীয় ছাত্র। আটাইকেইজন থাকে এটা দীঘল ঘৰত। ৰবিবাৰে প্ৰায় আৰু আবেলি প্ৰায়ে মই আৰু মোৰ দাদা গণেশলাল চৌধুৰী আৰু বন্ধু হেমবাবু দাস এই ছাত্র মহলত ভলাওঁগৈ। তেওঁ-লোকৰ সৈতে লগ লাগি আমি আৰম্ভ কৰিছিলো এটা ফুটবল টীম। আমাৰ নেতা ৰাধিকা চৌধুৰী আছিল বাহিৰৰ জগতৰ বাৰ্তাবহ। তেওঁ আমাৰ তৰ্ক সভা চলায়, থিয়েটাৰৰ ক্লাব চলায়, ফুটবল টীম গঠন কৰে আৰু পথাৰত হাবি বন কাটি খেল পথাৰ তৈয়াৰ কৰে। ইংৰাজী অভিধান চাই তেঁৱেই আমাৰ ক্লাবৰ নাম দিছিল 'লিয়োনাইন ক্লাব' (Leonine club)।

'লিয়োনাইন ক্লাব' নাম দিয়া হ'ল সঁচা কিন্তু ক্লাবৰ সভাবোৰৰ ভিতৰত বহুতৰে চৰিত্ৰত কিছুমান দোষো আছিল। সেই দোষ আছিল ধূম্ৰপান। মাত্র গণেশ দাদা আৰু মোত বাহিৰে প্ৰায় সকলোৰে আছিল

দোপাত ধপতুৰা। বিড়িৰ জন্ম হোৱাৰ আগতেই তেওঁলোকে চাধা ধপাত কাকতত মেৰাই কৃত্রিম বিড়ি তৈয়াৰ কৰি তাকে হুপি হুপি আনন্দ উপভোগ কৰিছিল। পইছা যোগাৰ কৰিব পাৰিলে 'ৰেড লেম্প' মাৰ্কা চুৰটো খাবলৈ নেৰিছিল। ধপাতৰ চিলিম পালে তাকো বহুৱাইছিল।

এদিন এটা সুন্দৰ ৰবিবাৰে পুৱা অম্বিকা ৰায় আৰু তেওঁৰ প্ৰিয় মিত্র অম্বিকা পাটে'ৱাৰী দুয়োৰে আগমন হ'ল সেই ছাত্র মহলত। তৎক্ষণাৎ কেশৱ দাদাৰ হুকুমত সকলোৰে বাকচ-বিছনা আদি খানাতালাচ কৰা হ'ল। আমাৰ নেতা খোদ ৰাধিকা চৌধুৰীৰো মুখ শুকাই গ'ল। কিছু পৰিমাণৰ মান-চাধাৰ পাত তেওঁৰ বিছনাৰ তলতো ওলাল। কেশৱ দাদাইতো দুই-এজনক ভাল কাণ মলাই দিলে। কিন্তু কি হ'ব, স্বয়ং কেশৱ দাদাও আছিল এজন দোপাত ধপতুৰা। সেই সময়ৰ বয়োজ্যেষ্ঠ দাদাসকলৰ বহা ঠাইত একোটা মস্ত ধুনী লোৰ ফটা কেৰাহীৰ ওপৰত অহৰ্নিশে হুপি খোৱাৰ কুণ্ডলী সৃষ্টি কৰি আছিল। গতিকে অম্বিকা ৰায় জানিবা ওলালেই বীৰভদ্র হৈ এই দক্ষ যজ্ঞত, ফল কি হ'ব পাৰে অনুমান সাপেক্ষ।

আমাৰ ফুটবল টীমৰ নাম হৈছিলগৈ 'চেম্পিয়ন'। অম্বিকা ৰায় যে ৰৰ ভাল খেলুৱৈ আছিল এনে নহয়। কিন্তু অতি পৰিশ্রম কৰিব পাৰিছিল। এদিন খেল পথাৰলৈ যোৱাৰ বাটত দেখিলো আকাশত এচপৰা মেঘৰ পাছফালৰ পৰা ৰঙীণ ৰশ্মি আহি দূৰলৈ ব্যাপি গৈছে। অম্বিকা ৰায়ে সুধিলে— বাৰু, কে'বাচোন কিয় তেনে হৈছে? বাকীবোৰ মনে মনে থাকিল। মই জনাই নজনাই ক'লো- 'সূৰ্যৰ কিৰণ মেঘত খুন্দা খাই উফৰি গৈছে গোটেই আকাশত।' তেওঁ আনন্দিত হৈ—'yes yes, you will be an intelligent boy' বুলি কৈ উঠিল।

তেওঁ পিছত আমাৰ দলটোলৈ বেছি টান খাই উঠিল আমাক কচৰত শিকোৱাৰ ব্যৱস্থা কৰিলে। প্ৰথমে ডাম্বেল, ডন আদি আৰম্ভ হ'ল। মই ডন আৰু ডাম্বেলকে বেছিকৈ কৰিব ধৰিলো। তেওঁ আৰু শিকালে দীঘল লাঠিৰে কেনেকৈ আত্মৰক্ষা কৰিব পাৰি। তেওঁ আমাক শক্তিৰ সাধনা কৰাৰ বাট দেখুৱাইছিল।

এদিন এজনী মাইকী মানুহে খবৰ দিলে অম্বিকা ৰায়ৰ ঘৰ পুলিচে আগুৰি ধৰি খানাতালাচ কৰিছে। আমি শুনি অবাক হৈছিলো। মোৰ বন্ধু সেই বলভদ্ৰ পাঠকে কোৱা কথাষাৰ মনত পৰিল। তাৰ ফলস্বৰূপে আমাৰ খেল আদি বন্ধ হৈ গ'ল।

তেতিয়া তেওঁ ছাত্ৰৰ দল এৰি পেলালে। পুলিচৰ জুলুমৰ পিছত তেওঁৰ বিষয়ে নানা বদনাম গুজাব ধৰিলে। এই বদনামবোৰ পুলিচৰ উচতনিতেই হওক বা অন্য কোনো বিৰোধীবিলাকেই উলিয়াইছিলনেকি? শুনা গ'ল তেওঁ হেনো দুৰ্ঘোৰ মদপী। মই এজন বিশ্বাসযোগ্য মানুহৰ মুখে শুনিছিলো যে তেওঁ যেতিয়া গুৱাহাটীত আছিল সেই সময়ত এদিন এটা কলা কোট পিন্ধি জেপত ৰিভলভাৰ এটা লৈ তেওঁ এটা ঘৰত পৰি আছিল। তেতিয়া তেওঁৰ অভিভাৱক স্বৰূপ হৰমোহন দত্ত চৌধুৰীয়ে দেখি জেপত হাত দিয়াত ৰিভলভাৰটো পাই তেওঁক ধৰকৈ ধৰিছিল। পাছত ৰিভলভাৰটো তেওঁ হাত কৰি ডেপুটি কমিচনাৰক ক'লে যে তেওঁ সেইটো নৈৰ পাৰত ফুৰিবলৈ যাওঁতে পৰি থকা পাইছে। গতিকে তেওঁৰ নামে লাইচেঞ্চ কৰি দিব লাগে। চাহাবে তেওঁৰ প্ৰিয় পেচকাৰৰ কথা ৰাখিলে। এই ঘটনা অম্বিকা ৰায় বৰপেটালৈ অহাৰ পূৰ্বে গুৱাহাটীত ঘটিছিল বুলি শুনিছিলো।

মোৰ গাৰ বল বঢ়াৰ লগে লগে সাহ আৰু মনৰ বলো বাঢ় আহিছিল। গতিকে মই তেওঁক স্বদেশীৰ দলত ভুক্ত কৰিবৰ বাবে ধৰিলো। তেওঁ চক্ খাই উঠিল। তেওঁ দুটামান পৰীক্ষাৰ কথা ক'লে। সেইবোৰ কাম বৰ কঠিন আছিল যদিও মই পাৰিম বুলিয়ে কৈছিলো। কিন্তু তথাপি তেওঁ সন্মত নহ'ল। ক'লে, "যোৱা, ভালকৈ পঢ়া-শুনা কৰি উঠা, পাছত তুমি নিজে সকলো উপায় পাবা।" বিফল হৈ আহি পিস্তলৰ আকাৰৰ এটা বস্তু গোপনে তৈয়াৰ কৰি তুলিলো, বাৰুদ কৰাৰ উপায় শিকিলো। ফল স্বৰূপে মই অতি উদণ্ড হৈ উঠি পঢ়াৰ পিনে পিঠি দিলো।

ৰায়চৌধুৰীৰ মদ খোৱা বদনাম তেতিয়াও আছিল। এদিন তেওঁৰ দদায়েক এজনে হেনো সুধিলে, "হেৰে অম্বিকা শুনো তই হেনো বৰকৈ মদ খাহ্এ? এইটো বৰ বেয়া কথা।" তেওঁ গহীন হৈ উত্তৰ দিলে, "হয় দাদা মই মদ খাওঁ। কিন্তু আপোনাৰ সকলো সম্পত্তি বেচিলেও

মোৰ এক ব্যক্তিৰ মনৰ খবৰেই মোলাব। ভয় নকৰিব। দদায়েকে আৰু কি ক'ব! বৰপেটাৰ দক্ষিণহাটীৰ কোনো কোনো ঠাইত তেওঁৰ নামত কলংক লিখি কোনো কোনো তথা-কথিত মহাবীৰে বেনামী ইস্তাহাৰ মাৰিছিল। এই-খিনি সময়েই তেওঁৰ 'তুমি' ৰচনাৰ কাল। তেওঁৰ কোনো কোনো কামত পিছৰ কালত কেতিয়াবা মোৰো বিৰক্তি উপজিছিল আৰু খণ্ডত মই তেওঁৰ মুখৰ আগতে সকলো ক্ষমি দিছিলো।

বৰপেটাত সেই যুগটোত তেওঁ আমাৰ চৌধুৰী পৰিয়াল কেইঘৰৰ ল'ৰাকইজনক ঘিৰোৰ শিক্ষা দিয়াৰ চেষ্টা কৰিছিল আন অঞ্চলত কতো তেনে কৰা নাছিল। পিছত তেওঁ কুস্তি শিক্ষা এৰি 'যাত্রা গান'ত ধৰিলে। ইয়াৰ আগতে তেওঁৰ 'কল্যাণময়ী' নাটকৰ অভিনয় দৈজত দেখিছিলো। সেই সময়ত আসাম বান্ধৱত 'নৱ বৰষৰ দিনা' আদি কবিতা প্ৰকাশ হোৱাত তেওঁ যে এজন বাইজৰ হিতকামী ওলাই পৰিল। অসমীয়া যাত্ৰাভিনয় কৃতিত্বৰে প্ৰচলিত কৰি তেওঁ এটা ডাঙৰ কাম কৰিছিল। তেওঁ নিজে নাচি চোক্ৰা হৈ হাৰমনিয়াম বজাই বহুতকে মুগ্ধ কৰিছিল। মই সেই অভিনয়ত ইমান মজি গৈছিলো যে আমাৰ ঘৰৰ আতালৰ কাঠৰ তক্তা সোলোকাই মাজৰাতি সেই গোপন পথেদি বাহিৰ হৈ ৰাতি যাত্ৰাৰ সমাজত উপস্থিত হৈছিলো; আইয়ে গমেই নাপাইছিল। ইয়াৰ এটা শুভফল ফলিছিল মোৰ ক্ষেত্ৰত। মই পৌৰাণিক নাটক লিখিবলৈ চেষ্টা চলাইছিলো। দাদা গণেশ লাল চৌধুৰীয়েও 'কল্যাণময়ী'ৰ আৰ্হিত এখন নাটক লিখিবলৈ হাতত লৈছিল।

ইতিমধ্যে প্ৰথম মহাযুদ্ধ আৰম্ভ হৈছে। নানা উদ্ভট চিন্তাই মোক স্কুলৰ পঢ়াত অমনোযোগী কৰিলে। অম্বিকা ৰায়ক খাটনি ধৰিলো— মই যুদ্ধৰ কামত যাবলৈ দিক্ষা কৰি দিয়াৰ বাবে। তেওঁ যুদ্ধত যাবৰ বাবে ঘিৰোৰ পৰীক্ষাৰ কথা ক'লে মই ৰণ ভঙ্গ দিব লগা হ'ল।

কিছু দিন পিছত তেওঁ ডিব্ৰুগড়লৈ গৈ আসাম বান্ধৱৰ পৰিচালনাত হাত দিলে। ময়ো বৰপেটাৰ পৰা যোৰহাটৰ বেজবৰুৱা হাইস্কুলত ভৰ্তি হ'লো। তেতিয়া ১৯১৪ চন। তেতিয়া তেওঁ চৰকাৰী স্কুলৰ পুৰস্কাৰ বিতৰণী সভাত গান ৰচনা কৰি ছাত্ৰসকলৰ হতুৱাই গোৱাইছিল—'ব'লা

ভাই আগুৱাই।' এবাৰ মই ডিব্রুগড়লৈ গৈ দেখিলো তেওঁ বোলে চৰকাৰী হাইস্কুলতে অসমীয়াৰ শিক্ষক, ছাত্র-ছাত্রীসকলক বৰগীত শিকাইছে। তাত আমোলাপট্টীৰ চৈতন্য সখীৰ ভাও লৈ হাতত কমাল ঘূৰাই ঘূৰাই নাচিছে। তেতিয়াৰ দিনত চৈতন্য অপৰিহাৰ্য অঙ্গ 'চোকৰা' নাচটো এটা সমস্যা আছিল। তেওঁ কিছু পৰিমাণে ইয়াৰ অভাব গুচাইছিল। কোনোবা সুৰুচি সম্পন্নই তেওঁক Dancing Girl বিশেষণ দি চিঠি লিখিছিল —তেওঁকেই খোচা মাৰি।

তেনে সময়তে মোৰো গা উঠিছিল গল্প লেখাৰ। আসাম বান্ধৱলৈ 'বঞ্চণা' নাম দি এটা গল্প লিখি পঠিয়াইছিলো। ছপাও হৈছিল। সেয়ে মোৰ প্ৰথম কৃতকাৰ্যতা। মই তেওঁৰ ভাষাৰ খুঁত ধৰি চিঠিও দিছিলো। এবাৰ তেওঁ 'আৰি থোৱা' শব্দটো 'আলাই থোৱা' বুলি লিখিছিল। মই লিখিলো যদি কামৰূপৰ গড়ৰ ভাষা থিয় কৰিব খোজে তেন্তে 'আলে থোৱা' লিখক নতুবা 'অল্‌মে থৈক' লিখক। 'আলাই থোৱা' কতো নহয়। এই সময়তে 'তুমি' কাব্য ছপা হৈ ওলাইছিল। তেতিয়া ১৯১৫ চন। তাৰ পিছত 'বীণা' ওলাল ১৯১৬ চনত।

ডিব্রুগড়ত থকা সময়ত তেওঁ বৰগীতৰ যথেষ্ট প্ৰচাৰ কৰিছিল। এদিন যোৰহাটতো এখন সভাত পাটৰ ধুতি-চোলা আৰু চাদৰ লৈ অৰ্গেন বজাই 'ওৰে সখি পেখোৰে কুঞ্জলোচন' বৰগীত পৰিবেশন কৰিছিল। এই সময়ত 'তুমি' কাব্যৰ বিজ্ঞাপনত দেখা গ'ল তেওঁৰ নামৰ আগত 'অসমৰ ৰবীন্দ্ৰনাথ'। বহুতে কথাটো আপত্তি কৰিছিল। গুৱাহাটীত যেতিয়া তৰুণা প্ৰেছ জয়ে পুৰিল তেতিয়া পাণবজাৰত ঘৰ ভাড়া কৰি তেওঁ শিশ্মিত নিগমুৰাক বাট দেখুৱাবলৈ মায়াবিনী কেমিকেল ওৱাৰ্কছ খুলিছিল। তেওঁ জাননী দিলে এহেজাৰ বছৰীয়া পুৰণি সাঁচি-পতীয়া পুথিৰ পৰা উদ্ধাৰ কৰা মায়াবিনী তেলৰ এনে গুণ তেনে গুণ ইত্যাদি। এহেজাৰ বছৰীয়া পুথিৰ কথাটোত মই আপত্তি কৰিছিলো। তেওঁ জবাব দিলে—'ব্যৱসায়িক জাননীৰ ক্ষেত্ৰত প্ৰচাৰৰ বাবে লোকে কিমান যে বুদ্ধি খটায় তুমি নাজানানে? সময়ত দেখোন মৰা মানুহো জীয়াব পৰা ঔষধৰ বিজ্ঞাপন ওলায়।'

অসহযোগৰ আগতে আসাম বান্ধৱ নচলা হোৱাত তেওঁ চেতনা আলোচনী উলিয়ায়। চেতনাৰ বাবে তেওঁৰ আদেশ মতে মই প্ৰবন্ধ আদি ইংৰাজীৰ পৰা অনুবাদ কৰি দিছিলো। এদিন এজনে হেনো এখন কিতাপ (শতধাৰ) তেওঁক চাই ছপা কৰিব দিলে। মই সোধাত তেওঁ ক'লে যে সেইখন তেওঁ নিজেই লিখা যেন হৈছে। সেইখন ছপা কৰি উলিওৱাৰ লগে লগে তাত আপত্তিজনক ৰাজনৈতিক কথা থকা বুলি চৰকাৰৰ পৰা পুথিখন বাজেয়াপ্ত কৰা হ'ল আৰু প্ৰিণ্টাৰ বুলি ৰায়চৌধুৰীৰ দণ্ড হ'ল। অসমত সেইখনেই প্ৰথম নিষিদ্ধ পুস্তক। পিছত তেওঁ বৰপেটালৈ আহি কংগ্ৰেছৰ কাম কৰি জেলত পৰা, অৰুণা প্ৰেছ পুৰি পোৰা আদি ঘটনা ঘটি গ'ল। তেজপুৰৰ জেলত তেওঁৰ ওপৰত কঠোৰ নিৰ্যাতনত, তাৰ প্ৰতি ক্ষেত্ৰতে তেওঁ একোটা মুখে মুখে বা মনে মনে গান ৰচনা কৰি অসমীয়া সঙ্গীতক ধনী কৰি গৈছে। যেনে 'তই ভাঙিব লাগিব শিল' আৰু 'আৰু কি দেখাবি ভয় কাৰাগাৰ' ইত্যাদি। এই গানকেইটা দেবেন্দ্ৰ নাথ উজীৰ জেলৰ পৰা মুকলি হৈ আহোতে কিবা সৰু কাকতত পেঞ্চিলেৰে লিখি দি পঠাইছিল। বৰপেটাৰ কীৰ্তনঘৰৰ যাত্ৰাত এই গীতবোৰ ব্যৱহাৰ কৰা হৈছিল।

১৯১৯ চনত মই যেতিয়া যোৰহাট বেজবৰুৱা হাইস্কুলৰ দশমমান শ্ৰেণীৰ ছাত্ৰ তেতিয়া ৰায়চৌধুৰীৰ সম্পাদিত চেতনাত মোৰ দুই-এটা কবিতা প্ৰকাশ পাইছিল। মনত পৰে এবাৰ ৰায়চৌধুৰীয়ে শৰৎ গোস্বামীৰ 'ময়না' নামৰ গল্প কিতাপখনৰ সমালোচনা কৰিছিল। সেই সমালোচনাত অসন্তুষ্ট হৈ গোস্বামী ডাঙৰীয়াৰ কেইজনমান বন্ধুৱে একেলগে চেতনা ভি. পি. ফিৰত দিছিল আৰু চেতনাৰ বিৰুদ্ধে নানা ধৰণৰ সমালোচনাও চলাইছিল। মই বৰপেটালৈ আহোতে গুৱাহাটীত ৰায়চৌধুৰীয়ে বৰ দুখেৰে এই কথা জনাইছিল। মই যোৰহাটলৈ গৈ এই বিষয়টোৰ ওপৰতে 'কবিৰ ক্ৰোধ' নাম দি এটা খেমেলীয়া কবিতা চেতনাত প্ৰকাশ কৰাইছিলো।

আকৌ মনত পৰে প্ৰায় ১৯৩৫ চন মানৰ এটা বিশেষ ঘটনা। বৰপেটালৈ সেই সময়ৰ গৱৰ্ণৰ আহোতে এদল ৰাজভক্তই তেওঁক কীৰ্তনঘৰ দেখুওৱাৰ প্ৰস্তাৱ কৰে। গৱৰ্ণৰে কীৰ্তনঘৰৰ ভিতৰলৈ জোতা

পিছিয়েই যাব বুলি সকলোকে জনাই দিছিল। আমি কিছুমানে গৱৰ্ণৰৰ এই ধৰণৰ প্ৰস্তাৱৰ বিৰুদ্ধে জনমত জগাই তুলিছিলো। সেই চেষ্টাত ৰায়-চৌধুৰীয়েও গুৱাহাটিৰ পৰা আহি আমাৰ লগত যোগ দিছিল। কিন্তু সেই সময়ৰ কীৰ্তনঘৰৰ বিশিষ্ট মেল্‌কীবিলাক বৃটিছ চৰকাৰৰ সেৱক স্বৰূপ দুজনমান বয়োবৃদ্ধ উকিল আৰু কিছুমান স্তাবকৰ প্ৰভাৱত গৱৰ্ণৰৰ কীৰ্তনঘৰ প্ৰৱেশ বন্ধ কৰিব পৰা নগ'ল। যি বৰপেটাৰ কীৰ্তনঘৰ চৌহদৰ ভিতৰত পাদুকাৰে পৰ্যন্ত কোনোৱে সোমাব নোৱাৰে তাত খৃষ্টান গৱৰ্ণৰে জোতা সহ পদাৰ্পণ কৰিলে আৰু সেই সময়ৰ স্বয়ং অধিকাৰে আহি হাতত ধৰি তেওঁক আদৰি নিলে। এই সম্পৰ্কৰ উত্তপ্ত বাদানুবাদত ৰায়চৌধুৰী আৰু আমি কিছুমানক কোনো কোনো ৰাজভক্ত আৰু কীৰ্তনঘৰৰ মেল্‌কীয়ে খোলে কৈছিল যে ৰায়চৌধুৰী আৰু আমাৰ সত্ৰৰ কথাত মাত মাতিবৰ অধিকাৰ নাই, কাৰণ আমাৰ ঘৰ সত্ৰৰ মাটিৰ বাহিৰত। এই কথাত ৰায়চৌধুৰীয়ে গভীৰ আক্ষেপ প্ৰকাশ কৰিছিল।

এনেকুৱা এটা সময়তেই মই অসম সংৰক্ষণী সভাৰ অধিবেশনৰ বাবে বৰপেটাৰ পৰা নগাঁওলৈ চাইকেলেৰে যাত্ৰা কৰাৰ কথা স্থিৰ কৰিছিলো। মোৰ লগত আছিল মোৰেই সম্পৰ্কীয় ভাই বৰদা কান্ত চৌধুৰী। মোৰ লগত সম্বল স্বৰূপ আছিল মাত্ৰ পাঁচ টকা ৰূপ, চাইকেলৰ যন্ত্ৰপাতিৰ সৰু বাকচ এটা। এদিন দুপৰীয়া খাই বৈ উঠি বৰপেটাৰ পৰা সৰ্থেবাৰীৰ ওচৰৰ আমখোৱাইদি আমি দুজনে যাত্ৰা কৰি গধূলি পাণ্ডু পাইছিলোগৈ। আমিনগাঁৱেদি পাৰ হ'বৰ সময়ত চাইকেলখনৰ আগ চকাটো খুলি ভঙা চাইকেল বুলি ভাও দি অতি কম ভাড়াতেই পাৰ হৈছিলো। গুৱাহাটী পাই জিৰাই ভাত খাই পিছদিনা পুৱাতে কেইটামান কমলা টেঙা আৰু কুকুৰা কণী কিনি লৈ নগাঁও অভিমুখে দুই ভায়ে চাইকেল যাত্ৰা আৰম্ভ কৰিছিলো। বাটত যাওঁতে এবাৰ চাহ আৰু ৰুটি খাই পথকষ্ট লাঘৱ কৰিছিলো। এনেকৈয়ে গৈ ৰহা পাইছিলো। তাৰ পিছদিনাখন পুৱা নগাঁও পাইছিলো। দুপৰীয়া সভা আৰম্ভ হ'ল। সভাত ৰায়চৌধুৰীয়ে উত্তেজনাপূৰ্ণ বক্তৃতা দিছিল। সভাপতিৰ আসনৰ পৰা বাগ্মী-বৰ নীলমনি ফুকনৰ বক্তৃতা মনোগ্ৰাহী হৈছিল। পিছদিনাখন পুৱা সন্মিলন

শেষ হোৱাৰ পিছত সমজুৱাসকলৰ লগত এখন ফটো লোৱা হৈছিল। তুলসী ছোৱালীয়ে অসমীয়া সাজ-পাৰ পিন্ধি হাতত তুখন পতাকা লৈ এই সমাবেশত থিয় হৈ আছিল।

বৰপেটা সম্পৰ্কে ৰায়চৌধুৰী সদায় উদগ্ৰীব হৈ আছিল। দেশৰ সকলো সমস্যাৰ মাজত তেওঁৰ জন্ম ঠাই বৰপেটা সম্পৰ্কে সদায় সজাগ হৈ আছিল। বৰপেটাৰ কিবা ক্ষতি হোৱা যেন দেখিলে তেওঁ সহ্য কৰিব নোৱাৰিছিল। বিশেষকৈ বৰপেটাৰ চাৰিওফালে ক্ৰমাগতভাৱে বৃদ্ধি হৈ অহা পমুৱা জনসংখ্যাৰ সমস্যাই তেওঁক চিন্তিত কৰিছিল আৰু উত্তেজিত কৰিছিল।

এসময়ত গ্ৰুপিং হোৱাৰ আশঙ্কাত তেওঁ বৰপেটাত একাধিকবাৰ ৰাইজক জগাই তুলিবৰ চেষ্টা কৰিছিল। এদিন বৰপেটাৰ কীৰ্ত্তনঘৰৰ সভাত কৈছিল,—"গোটেই অসমৰ পৰা এক লাখ স্বেচ্ছাসেৱক মোৰ লগত ওলাওঁক, গ্ৰুপিং বন্ধ হৈ যাব।" এই কথা শুনি মই থিয় হৈ কৈছিলো, "আপুনি কেইজন স্বেচ্ছাসেৱক পাবৰ আশা কৰে? মই কৈছো এজনো নাপায়।" ৰায়চৌধুৰীয়ে তেতিয়া সভাৰ সকলো ৰাইজক সম্বোধন কৰি কৈছিল,— "ৰাইজ, প্ৰসন্ন চৌধুৰীয়ে কৈছে মই বোলে এজনো স্বেচ্ছাসেৱক নাপাওঁ। হয়নে?" তৎক্ষণাৎ সভাৰ ৰূপ সলনি হৈ গ'ল আৰু হাজাৰ হাজাৰ কণ্ঠে চিঞৰি চিঞৰি ৰাইজে ক'বলৈ ধৰিলে, "পাব, পাব, আমি সকলো বাহিৰ হম।" সিদিনাৰ সেই সভাখন মোৰ বাবে এক স্মৰণীয় আনন্দৰ দিন। গ্ৰুপিঙৰ বিপদ পাৰ হৈ গ'ল আৰু বৰপেটাও নিষ্ক্ৰিয় হৈয়েই থাকিল।

সেই সময়ত বৰপেটাৰ মঠৰ ওপৰত ওলমি থকা পাকিস্থানৰ ৰাম দাখনৰ কথা কৈ তেওঁ আন্দোলন কৰিবলৈ বৰপেটা সত্ৰলৈ চিঠি আৰু তাঁৰবাৰ্ত্তা দিছিল। তাৰে নকল মোলৈকেও পঠাইছিল। সেই মৰ্মে হোৱা বৰপেটাৰ সভাত মই সভাপতি হ'বলগীয়া হৈছিল। এই সভাৰ বৃত্তান্ত শুনি ৰায়চৌধুৰী সন্তুষ্ট হৈছিল আৰু দেশৰ সেই সময়ৰ অসমীয়া ৰাইজৰ অৱস্থাৰ ওপৰত এখন নাটক লিখি অভিনয় কৰি দেখুৱাবলৈ মোক ঘনে ঘনে অনুৰোধ কৰিছিল। কিন্তু নানা সাংসাৰিক জঞ্জালত আৰু

দুৰৱস্থাৰ মাজত হাবাশান্তি হৈ মই তেখেতৰ অনুৰোধ ৰাখি নাট লিখি উলিয়াব নোৱাৰিলো। মোৰ বাবে এয়া এক আক্ষেপৰ বিষয়।

১৯৬৬ চনত বৰপেটাত তেখেতক বিপুলভাৱে সম্বৰ্দ্ধনা জনোৱা হৈছিল। তেখেত সন্তুষ্ট হৈছিল আৰু সভাত বৰপেটাৰ যুৱকসকলক উদ্দেশ্য কৰি যি বক্তব্য ডাঙি ধৰিছিল সেই কথা মই কাহানিও পাহৰিব নোৱাৰো। লগতে তেওঁ প্ৰকাশ কৰিছিল বৰপেটাৰ প্ৰতি থকা তেওঁৰ গভীৰ আকৰ্ষণ। সিদিনাৰ সভাত তেওঁ আনন্দিত হৈ কৈছিল যে তেওঁ আৰু দহ বছৰ জীয়াই থাকিব। কিন্তু কালে তেওঁৰ ইচ্ছা পূৰণ নকৰিলে। আজি অসম আৰু অসমীয়াৰ সমস্যা যিমানে তীব্ৰ হৈ আছে সিমানেই আমাৰ মনলৈ আহে অম্বিকাগিৰী ৰায়চৌধুৰীৰ কথা। তেখেতৰ দৰে দেশপ্ৰাণ আকৌ কোনোবা ওলাবনে ?

অম্বিকাগিৰী ৰায়চৌধুৰীৰ ‘তুমি’

ড° বাণীকান্ত কাকতি

স্বদেশ প্ৰেমিক, পুৰণি ‘চেতনা’ আৰু বৰ্তমান ‘ডেকা অসম’ৰ সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰীক নজনা মানুহ অসমত নাই। তেওঁৰ স্বদেশ হিতৈষণা আৰু কৰ্ম গৌৰৱেই অসমৰ জনসাধাৰণৰ মাজত তেওঁৰ যথেষ্ট পাতনি। কিন্তু ৰায়চৌধুৰী দুভৰপীয়া পুৰুষ। তেওঁ এফালে যেনে প্ৰাণ ঢালি দিয়া স্বদেশ কৰ্মী, আনফালে তেনে অতলস্পৰ্শী আবেগপূৰ্ণ প্ৰেমৰ কবি। তেওঁৰ সুগভীৰ প্ৰেমেই তেওঁৰ বিশাল কৰ্ম-প্ৰেৰণা।

‘তুমি’ কাব্য ৰায়চৌধুৰীৰ অতল আধ্যাত্মিকতা। উজ্জ্বল চানেকি। ‘তুমি’ কাব্যক কবিৰ বিশ্বৰূপ-দৰ্শন বুলি ক’ব পাৰি। ভগৱদগীতাত ভক্ত অৰ্জুনে শ্ৰীকৃষ্ণৰ বিৰাট মূৰ্তিত বিশ্বৰূপ দেখা পাইছিল। ভগৱান কৃষ্ণৰ বিৰাট ৰূপত অৰ্জুনে পাহাৰ-পৰ্বত, বন-সাগৰ, জীৱ জন্তু, চন্দ্ৰ-সূৰ্য, তৰকা মণ্ডলী আদি সকলো দেখিছিল। কিন্তু প্ৰকৃত কবিয়ে ভগৱানৰ বিৰাট ৰূপত ‘তুমি’ কাব্যত বৰ্ণিত সকলো বিশ্ব-সৌন্দৰ্যৰ সমাৱেশ দেখিলেহেঁতেন।

‘তুমি’ কাব্য সাতোটা ছেদত বিভক্ত। প্ৰথম তিনি ছেদ ‘তুমি’-ময় ভগৱানৰ বিশ্ব-সৌন্দৰ্যৰ বৰ্ণনাৰে ভৰপূৰ। প্ৰথম ছেদত কবিয়ে ডেকা-প্ৰেমিকৰ চকুৰে তুমি ভগৱানত প্ৰেমিকাৰ সকলো সম্মোহন ইন্দ্ৰিয়গ্ৰাহ্য সৌন্দৰ্যৰ সমাৱেশ দেখিলে। তুমি-ৰূপী ভগৱান “গাভৰুৰ গোলাপী গালত লাজৰ ৰাঙলী আভা”, তেওঁ “সুন্দৰীৰ ৰসাল বুকুত ৰসৰ প্ৰতিমা”, তেওঁ “চেনেহীৰ চকুৰ চুকত এটি কেৰাহি কটাক্ষ” ইত্যাদি তৰুণ প্ৰেমিকৰ চিত্তপ্ৰমাদী ইন্দ্ৰিয়গ্ৰাহ্য, ইন্দ্ৰিয়ভোগ্য বিচিত্ৰ সৌন্দৰ্যৰ সমাৱেশ।

দ্বিতীয় ছেদত তুমি ভগৱান মঙ্গলময় মাতৃস্নেহ, পত্নীস্নেহ, ভাই-

ভনীৰ স্নেহৰ প্ৰতীক। তেওঁ "জননীৰ অন্তৰত সাদৰী সজাই থোৱা প্ৰেম", তেওঁ "আনৰ মুখে স্বামীটিৰ অধোগতি হোৱা শুনিলে মুক্তিৰে কল্পনা কৰি থকা পতি-প্ৰাণা সতী", তেওঁ—

"ভাই-ভনী মিলি কৰা
ফুলনিত সৰল ধেমালি
হিয়াই হিয়াই বন্ধা
নিছিগা প্ৰেমৰ ডোলডালি।"

তৃতীয় ছেদত তুমি ভগৱানে সকলো প্ৰাকৃতিক সৌন্দৰ্যত স্বৰূপ প্ৰকাশ কৰিছে। তেওঁ "শাৰদীয় চন্দ্ৰমাৰ বই অহা ৰূপালী জোনাই", তেওঁ "পূৰ্ণিমাৰ পোহৰত ভাহি যোৱা সেউজী বননি" ইত্যাদি।

চতুৰ্থ ছেদত তুমি-ভগৱান সকলো জাগতিক ধৰ্মৰ তন্ময় মূল মন্ত্ৰ। তেওঁ "জগত জগাই তোলা ইন্দ্ৰজালৰ গীত", তেওঁ "আকাশ আগুৰি উঠি গিয়াৰপৰা বাগৰা হেন্দোলনি", তেওঁ "তৃপ্তিৰ আমনি থোজা চঞ্চল বাসনা"—ইত্যাদি।

পঞ্চম ছেদত তুমি আৰু কবিৰ পৰস্পৰ সম্বন্ধ বিচাৰ। আঁউসীৰ আন্ধাৰত দুভাগ নিশাত সাৰ পাই কবিৰ প্ৰাণ কঁপি উঠিল। অন্তৰ নিৰ্বাক, ইন্দ্ৰিয় নিমাত, হৃদয়ৰ ভাব-পদুলি বিৰহত বন্ধা। মন-প্ৰাণ বিৰহত ছাটি-ফুটি কৰে, প্ৰেমনন্দনৰ সুশীতল নিৰ্বাণ নাপায়। ব্যথিত অন্তৰেৰে কবিয়ে সুধিছে—

"কোন তুমি প্ৰেমময়
আঁতৰাই দ্বিধাচয়
জীৱনৰ কাণে কাণে আছি
জনালা জাননী?"

বিৰহৰ ব্যথাৰে কবিৰ হিয়া ব্যাকুল। যিফালে চায় সিফালেই প্ৰেমৰ অভিব্যক্তি—

"যেতিয়া যিফালে চাওঁ
প্ৰেমকেহে দেখা পাওঁ
অসীমৰ বিৰাট অঞ্চল
ৰঞ্জিত প্ৰেমত।"

কিন্তু ইমান পথে, ইমান দিনে, ইম'ন দূৰ বিয়পি থকা মিলন-আবেগ সুৰ কবিয়ে মুগুনিলে—

"মিলন আবেগ সুৰ
বিয়পি ইমান দূৰ
সুগুনিলো,—কৰুণা বিন্দুৰ
নাপালো আশ্ৰয়।"

কিয়? এই প্ৰশ্নৰ সমাধানেই 'তুমি' কাব্যৰ কেন্দ্ৰস্থ ভাব। তুমি-ভগৱানৰ বিশ্ব-সৌন্দৰ্যত কবিয়ে অসীমৰ বিৰাট অৰূপ প্ৰেমৰঞ্জিত দেখিলে, কিন্তু ভগৱানৰ বিমোহন ৰূপ কবিয়ে সম্পূৰ্ণ উপলব্ধি কৰিব পৰা নাই। কিয়নো কবিৰ মনত যি প্ৰেম আছিল, সি—

"কামনাৰ তলতীয়া
কামনাত মতলীয়া
সেই প্ৰেম মহা পৰাধীন
ইন্দ্ৰিয় ভোগৰ।
তাতেহে তাহানিখন
নাপালো তোমাৰ মন
নকৰিলা প্ৰকাশ তোমাৰ
বিমোহন ৰূপ।"

কবি আছিল বাসনাৰ আঁৰত, ভগৱান আছিল বাসনাৰ সিপাৰত, বাসনাই কবি আৰু ভগৱানৰ মিলনৰ প্ৰধান অন্তৰায়।

ষষ্ঠ ছেদত প্ৰেমিক আৰু তুমি-ভগৱানৰ সম্পূৰ্ণ মিলনৰ উপায় নিৰ্দেশ আছে।

"নিজক বিলাই দিব,
তাতেহে নিজক পাব
প্ৰাণৰ মাজত,
নিজক দিলেহি এৰি
প্ৰাণৰ আপোন হ'ব
সকলো বিশ্বত।"

কামনা বিলোপেই আত্মোপলব্ধিৰ একমাত্র উপায়। এয়েই গীতাৰ নিষ্কাম ভাব, বৌদ্ধৰ নির্বাণ। বাসনাৰ ব্যৱধান গুচিলে 'তুমি' আৰু 'মই' ৰ, ভক্ত আৰু ভগৱানৰ, প্রেমিক আৰু প্রেমিকাৰ পার্থক্য নাথাকে। 'তুমি'য়েই 'মই', 'মই'য়েই 'তুমি'। ঋষি বাক্যত 'তত্ত্বমসি'—জগতত যত যি আছে সকলো 'তুমি' ময়। এয়েই 'তুমি' কাব্যৰ প্রধান তাৎপর্য।

কবিয়ে বাসনাৰ অন্তৰায় গুচিলত নিজৰ প্রাণৰ মাজতেই 'তুমি'-ময় সৌন্দর্যৰ প্রতিমা উপলব্ধি কৰিলে—

"নিমাত নিশাত কত
উজাগৰে থাকি থাকি
উগ্র আৱেগত,
নেদেখা মুগুনা সেই
চাওঁ প্রতিমাটি ৰাখি
প্রাণৰ মাজত।"
"আদিহীন অন্তহীন
মোতে দেখো গঁথা তব
পূর্ণতাৰ পাৰ?"
"তোমাত হৃদয় মোৰ
মোত আৰু তযু হিয়া
ৰাখিছা প্রকাশি।"
"মোৰ ভিতৰেদি দেখোঁ
ফুলি উঠে তযু নাম
ব্রহ্মাণ্ড বিদাৰি।" ইত্যাদি।

কবিয়ে 'মই'ৰ ভিতৰতেই 'তুমি'ৰ সকলো ৰূপ, সকলো বিভৱ প্রতিভাত দেখিলে।

সপ্তম ছেদ সাধনাৰ সিদ্ধিত কবিৰ আত্মপ্রসাদৰ ভাব প্রকাশ।

"আজি মোৰ সাধনা ফুলনি,
কাৰ কিনো পাই উদগনি
পোহৰাই মহাবিশ্বখনি
উলাহেৰে হাঁহিছে।"

'তুমি' মন-গঢ়া কৃত্রিম কাব্যৰ পুথি নহয়। প্রেমিক ৰায়চৌধুৰী ডেকা বয়সত ছেলী, বায়ৰণ আদি ইংৰাজ ৰোমাণ্টিক কবিসকলৰ দৰে বহুত বাৰ প্রেমত পৰিছে, ওপঙিছে, সাঁতুৰি পাৰ হৈছে। 'তুমি' কাব্য ৰায়চৌধুৰীৰ কোনোবা বিশিষ্ট নাৰী মূর্তিৰ প্রতি প্রেমৰ সম্মোহন অনুভূতিৰ স্বৰূপ প্রকাশ।

নাৰীৰ প্রেমৰ ভিতৰেদি বিশ্বনাথৰ ৰূপ অৰু আকর্ষণ উপলব্ধি কৰা কাব্য জগতৰ ইতিহাসত বিৰল নহয়। ইটালীৰ মহাকবি ডাণ্টে বিয়েট্রিচ নামৰ ৰূপহী ছোৱালী এজনীৰ প্রতি প্রেমৰ ভিতৰেদি ঈশ্বৰৰ সাক্ষাৎ পাইছিল বুলি তেওঁৰ মহাকাব্য 'ডিভাইন কমেডি'ত বর্ণনা কৰিছে।

ৰায়চৌধুৰীৰ 'তুমি' গুৰিৰপৰাই বিশ্বনাথৰ স্বৰূপ। 'সকলো তুমিয়ে নাথ, জগতত দেখিছো যিমান।" কিন্তু এই স্বৰূপৰ প্রথম কলাই হৈছে প্রেমিকাৰ বিচিত্র সৌন্দর্যচ্ছটা। সাতোটা ৰশ্মিৰ সমষ্টিত সূৰ্যৰ সকলো পোহৰ প্রকাশ হোৱাৰ দৰে 'তুমি' কাব্যৰ সাতোটা ছেদত কবিৰ কল্পিত বিশ্বনাথৰ বিশ্ব সৌন্দর্যৰ সাতোটা কলা প্রকাশ হৈছে।

'তুমি' কাব্য বিৰাট ভাবৰ খলকনি এটিৰপৰা ওলাইছে। ইয়াৰ সকলো ছেদতেই আশ্চর্য তন্ময়তাৰ ভাব, শিলৰ ওপৰেদি তৰিৎ গতিত ছিটিকি পৰা জলপ্রপাতৰ তৰঙ্গ ভঙ্গৰ দৰে দশাক্ষৰী ক্ষিপ্রগতিৰ চুটি পদবোৰে অনুভূতিৰ তীব্রতা বিচিত্র সৌন্দর্যময়ী ভাষাৰে প্রকাশ কৰিছে।

ৰায়চৌধুৰীৰ নাট্যাবদান

ড° সত্যেন্দ্ৰনাথ শৰ্মা

ৰায়চৌধুৰী এগৰাকী কবি, বলিষ্ঠ চিন্তাশীল গদ্য শিল্পী আৰু বিপ্লৱী দেশপ্ৰেমিকৰূপেই পৰিচিত, নাট্যকাৰৰূপে পৰিচয় তেখেতৰ বিশেষ নাছিল। তেখেতৰ লগত নাট্যমঞ্চৰ গভীৰ সম্পৰ্কও নাছিল, অভিনেতাৰূপেও সুখ্যাতি লাভ কৰিবলৈ তেখেতে প্ৰয়াস কৰা নাছিল। নিজে অভিনেতা নহৈ বা নাট্যমঞ্চৰ লগত বিশেষ সম্পৰ্ক নথকাকৈ সফল নাট্যকাৰৰূপে পৰিচয় দিয়া টান, এনে হোৱা পৃথিৱীৰ নাট্যসাহিত্যৰ ইতিহাসত বৰ কমেই দেখা যায়। ৰায়চৌধুৰী আছিল হাড়ে-হিমজুৱে দেশপ্ৰেমিক। নিজৰ দেশখনৰ আৰ্থিক, নৈতিক আৰু ৰাজনৈতিক উৎকৰ্ষ সাধনাত সহায় কৰাই তেওঁৰ জীৱনৰ আদৰ্শ আছিল। এই কাৰণেই অসমৰ উন্নতিকল্পে বিভিন্ন অনুষ্ঠানত যোগ দিছিল আৰু নিজেও অনুষ্ঠান গঢ়ি তুলিছিল। চফল ডেকা বয়সৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰা কংগ্ৰেছৰ মাজেদি প্ৰৌঢ় বয়সৰ অসম সংৰক্ষিণী সংবাদলৈকে একেটা ভাবধাৰাৰ অভিব্যক্তি তেখেতৰ জীৱনত পাওঁ, সেয়ে হৈছে ভাৰতৰ ভিতৰত অসমৰ স্বকীয়া অস্তিত্ব প্ৰতিষ্ঠাপন আৰু অসমৰ সৰ্বতোপ্ৰকাৰ উন্নতি সাধন। তেখেতৰ বক্তৃতা, ভাষণাৱলী, সৰহভাগ কবিতা আৰু গদ্য ৰচনা জ্বলন্ত দেশপ্ৰেমৰে অভিব্যক্তি। সেই হিচাপে নাট কেইখনো দেশপ্ৰেমৰে এটা ভুমুক। কিন্তু কবি আৰু গদ্য শিল্পী হিচাপে ৰায়চৌধুৰীৰ স্বকীয় ব্যক্তিত্ব যেনেকৈ ৰচনাত পৰিস্ফুট হৈছে, নাটকত তেওঁৰ ব্যক্তিত্বৰ প্ৰকাশ নঘটিল। হয়তো নাট্য-মাধ্যম ৰায়চৌধুৰীৰ প্ৰতিভাৰ অনুকূল নাছিল, কেৱল দেশপ্ৰেমৰ আৱেগত ৰচনা কৰিবলৈ প্ৰয়াস কৰিছিল। দৰাচলতে ক'বলৈ গ'লে সাহিত্য ৰচনা ৰায়চৌধুৰীৰ আংশিক জীৱনাভিব্যক্তি মাথোন, ই তেওঁৰ জীৱনৰ কৰ্মব্যাকুলতাৰ আংশিক মানসিক অভিব্যক্তি।

সেইকাৰণে সকলো ৰচনাতে তেওঁৰ ব্যক্তি প্ৰতিভাৰ স্বাক্ষৰ নাই, নাটকত সেইকাৰণেই ৰায়চৌধুৰীৰ ব্যক্তি মানসৰ স্পষ্ট ছায়া দেখা নাপাওঁ। প্ৰয়োজন বোধত নাইবা নাটক লিখো বুলি লিখিলে সি নাটকৰ কায়া পৰিগ্ৰহ হয়তো কৰিব, কিন্তু নাটকৰ প্ৰাণ প্ৰতিষ্ঠা কিমান দূৰ হ'ব সন্দেহজনক।

ওপৰৰ আলোচনাৰপৰা এই কথা ক'ব পাৰি যে ৰায়চৌধুৰীৰ নাট্যৰচনাৰ অন্তৰালত নাট্য প্ৰেৰণাতকৈ দেশপ্ৰেমৰ আৱেগৰ প্ৰভাৱে অধিক-ভাৱে ক্ৰিয়া কৰিছিল। কবিতা আৰু গদ্য ৰচনাত দেশপ্ৰেমৰ লগতে আন্তৰিক প্ৰেৰণাৰ সংযোগ ঘটাত লিখকৰ ব্যক্তিত্ব সেইবোৰত মূৰ্তিমান হৈ পৰিছিল। গতিকে, নাট্য সাহিত্যই ৰায়চৌধুৰীৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে বুলি ক'লে সত্যৰ অপলাপ হ'ব, তথাপি ৰায়চৌধুৰীৰ কৰ্ম-চঞ্চল মানুহজনৰ প্ৰতিভাৰ এটি অপৰিস্ফুট বা আকৰ্ষিত দিশ এটিলৈ নাট-কেইখনে আমাৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ নাথাকে।

তেখেতে কেবাখনো নাট ৰচনা কৰিছিল যদিও তিনিখন নাটহে পূৰ্ণ অৱস্থাত পোৱা যায়। তাৰে এখন 'জয়দ্ৰথ বধ' ছপা হৈ ওলাইছে, আৰু আনখন 'কল্যাণময়ী' নামত আৱাহনত ভোৱা ছোৱাকৈ প্ৰকাশ হৈছিল। 'কল্যাণময়ী'ৰ পূৰ্ণাঙ্গ পাণ্ডুলিপিও আছে। 'বন্দিনী ভাৰত' নামে এখন দেশাত্মবোধক নাটৰ কপি চৰকাৰে বাজেয়াপ্ত কৰাত নাটখন সমূলে নষ্ট পালে। ইয়াৰ বাহিৰেও আৰু এখন নাটৰ পাণ্ডুলিপি পোৱা গৈছে। সেইখন হৈছে 'শিখিধ্বজৰ দানপৰীক্ষা' বা 'ভক্তগৌৰৱ'। গতিকে দেখা যায় যে যিহেতুকে নাট তিনিখন যাত্ৰাভিনয়ৰ উদ্দেশ্যে ৰচিত হৈছিল সেই কাৰণে বিষয়-বস্তু বিকাশত কল্পনাক বহুত খিনি স্বাধীনতা দিয়া হৈছে।

'জয়দ্ৰথ বধ' ১৯১১ চনত ৰচনা কৰিছিল; আজিৰপৰা তিনিকুৰি চৌধ্য বছৰৰ আগতে। এইখন পশ্চিমীয়া ধৰণৰ ৰঙ্গমঞ্চক উদ্দেশ্য কৰি ৰচা নাটক নহয়। মুকলি মঞ্চৰ যাত্ৰাভিনয়ৰ উদ্দেশ্যে ইয়াক ৰচনা কৰিছিল। সেই সময়ত নামনি অসমত --বিশেষকৈ বৰপেটাত বিভিন্ন উৎসৱ উপলক্ষে বঙলা যাত্ৰাভিনয় প্ৰচলন আছিল। অসমীয়া ধৰ্ম-সংস্কৃতিৰ কেন্দ্ৰস্থল বৰপেটাৰপৰা বঙলা যাত্ৰাভিনয় অপসাৰণ কৰি মাতৃভাষাৰ নাট্যাভিনয় প্ৰচলন কৰাৰ উদ্দেশ্য লৈ তেখেতে যাত্ৰাভিনয় লিখিবলৈ হাতত লয়। এই প্ৰসঙ্গত তেখেতে 'জয়দ্ৰথ বধ'ৰ পাতনিত লিখিছে—

"নিমন্ত্রিত আমি আটাইবিলাক গৈ মেলত ওলালো। উপস্থিত সকলোৱে এখন এখনকৈ ৪/৫ খন বঙলা নাটৰ কথা ক'লে, মই অকলে অসমীয়া ভাষাৰ নাটৰ কথা ক'লো। আন কেইজনে উপলুঙা কৰি ক'লে, অভিনয় কৰি সুখ পোৱা কথাবচনৰ অসমীয়া ভাষাত হেনো নাটক নাই আৰু হ'বও নোৱাৰে।...মই অপমানৰ আঘাতত জোৰেৰে প্ৰতিবাদ কৰি ওলাই আহিলো।"

"...(আইৰ কথা মতেই) কৌৰৱ পক্ষৰ সপ্তৰথীয়ে অন্যায় ৰণনীতিৰে একেলগে আক্ৰমণ কৰি অৰ্জুন পুত্ৰ বালক বীৰ অভিমন্যুক জয়দ্ৰথৰ দ্বাৰা হত্যা কৰোৱা আৰু সেইবাবে সূৰ্যাস্তৰ আগতে অৰ্জুনৰ জয়দ্ৰথক বধ কৰা কঠোৰ প্ৰতিজ্ঞাৰ আখ্যানটোকেই মই বাছি ল'লো। সেই সময়তে বৰপেটা নগৰত চাৰিটা যাত্ৰাদলে 'ৰাম বনবাস', 'সীতাহৰণ', 'কীচক বধ', 'যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞ', 'নল দময়ন্তী' আদি বঙলা নাটৰ যাত্ৰাভিনয় চলাই আছিল। মুকলি মঞ্চৰ বাবে যাত্ৰানাট লিখাৰ ধৰণ বুজিবলৈ বঙলা নাটকেইখনমান মই গোটাই ল'লো। কাৰণ সেই সময়ত এই বিষয়ত মই বৰ কেঁচা। অৱশ্যে কিছু ভাব বঙলা নাটৰপৰা লোৱা হৈছিল।"

নাট্যকাৰৰ ওপৰৰ উদ্ধৃতিৰপৰা বুজা যায় যে বঙলা যাত্ৰানাটৰ আদৰ্শত অসমীয়া ভাষাত ভঙ্গ অমিত্ৰাক্ষৰী ৰীতিত প্ৰথম নাট ৰচনা কৰিবলৈ লয়। এই যাত্ৰানাটৰ লক্ষণ 'জয়দ্ৰথ বধ'ত আৰু পৰৱৰ্তী 'কল্যাণময়ী' আৰু 'শিখিধ্বজৰ দানপৰীক্ষা'তো লক্ষ্য কৰা যায়। নাটকেইখনৰ চৰিত্ৰ-সমূহৰ ৰচনাবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে বচনবোৰৰ নাটকীয় গুণতকৈ বক্তৃতাধৰ্মী গুণ অধিক পৰিস্ফুট। চুটি, নাট্যধৰ্মী আৰু প্ৰভাৱশীল বচনতকৈ বক্তৃতাধৰ্মী উচ্ছ্বাসপূৰ্ণ দীৰ্ঘোক্তি বচনবোৰৰ বৈশিষ্ট্য। যাত্ৰানাটকৰ সংলাপ মুখ্যতঃ বিবৃত্তিমূলক, কাহিনীও সৰল গতিত আগবাঢ়ে। কাহিনী বহিৰ্দ্বন্দ্বপ্ৰধান, চৰিত্ৰৰ বিবদমান প্ৰবৃত্তিবোৰৰ মাজত সাধাৰণতে অন্তৰ্দ্বন্দ্ব নাথাকে। গীতৰ সঘন পৰিবেশন যাত্ৰানাটৰ অন্যতম বৈশিষ্ট্য। উপ-কাহিনীৰ দ্বাৰা কাহিনীৰ জটিলতা সৃষ্টি কৰা নহয়। কাহিনীৰ একোটি সামান্য সূত্ৰ অৱলম্বন কৰি চৰিত্ৰৰ ভাবাবেগ সৃষ্টি কৰা হয়, আৰু ভাবাবেগ যিমানেই প্ৰবল হয়, চৰিত্ৰৰ উক্তিও সিমানেই ভাবাবেগপূৰ্ণ আৰু দীঘলীয়া

হৈ পৰে আৰু তেনেস্থলত গীতৰ স্বাভাৱিকতে প্ৰয়োগ হয়। 'জয়দ্ৰথ বধ'লৈ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে পৌৰাণিক কাহিনীটোৰ কোনো মৌলিক পৰিবৰ্তন নকৰি সৰলভাৱেই পৰিণতিৰ পথত আগবঢ়াই নিছে। যি সামান্য পৰিবৰ্তন সাধন কৰিছে তাক প্ৰতিভাৰ পৰিচায়ক বুলি ক'ব নোৱাৰিলেও নতুনত্ব বৰ্জিত নহয়। নাটকীয় ঘটনাক ই জটিল কৰি তোলা নাই। পৰিবৰ্তনটো এনে—শ্ৰীকৃষ্ণই মায়াদেৱীৰ সহায়ত সূৰ্য মাৰ নৌ-যাওঁতেই সন্ধ্যা আগত বুলি কৌৰৱ-পাণ্ডৱ পক্ষক প্ৰতীয়মান কৰাই অৰ্জুন আৰু দ্ৰোণাচাৰ্যৰ প্ৰতিজ্ঞা ৰক্ষা কৰাত সহায় কৰিলে। মূল পৌৰাণিক কাহিনীত শ্ৰীকৃষ্ণই সুদৰ্শন চক্ৰৰ দ্বাৰা সূৰ্যক আবৰি ৰাখি অৰ্জুনৰ প্ৰতিজ্ঞা ৰক্ষা কৰাত সহায় কৰে। দ্ৰোণাচাৰ্যৰ প্ৰতিজ্ঞাৰ কথা মূল কাহিনীত নাই। নাট্যকাৰে ভক্তৰ কতো পৰাজয় নাই আৰু ভগৱানে ভক্তক সকলো সময়তে ৰক্ষা কৰে—এই ভাবটো একাধিক চৰিত্ৰৰ মাজেদি ফুটাই তুলিবলৈ চেষ্টা কৰিছে।

প্ৰথমতে ব্ৰাহ্মণ বেশেৰে কৃষ্ণই কৰ্ণক দ্ৰোণাচাৰ্যৰপৰা সেনাপতিত্ব গ্ৰহণ কৰিবলৈ বিৰত কৰিছে,.কাৰণ অৰ্জুনৰ দৰে কৰ্ণও প্ৰকৃততে মহৎ, উদাৰ আৰু পৰম ভক্ত, তেওঁ জয়দ্ৰথক ৰক্ষা কৰিবলৈ প্ৰতিজ্ঞা কৰি সেনাপতিত্ব গ্ৰহণ কৰিলে কৃষ্ণৰ পক্ষে অৰ্জুনৰ জয়দ্ৰথ বধৰ প্ৰতিজ্ঞা সাৰ্থক কৰোৱা টান। কৰ্ণ চৰিত্ৰৰ প্ৰতি নাট্যকাৰৰ সহানুভূতি প্ৰকট হৈ প্ৰকাশ পাইছে। উদাৰতা আৰু দানশীলতা তেওঁৰ চৰিত্ৰৰ প্ৰধান বৈশিষ্ট্য।

কৰ্ণক বিৰত কৰিলে যদিও, সেনাপতিৰূপে দ্ৰোণাচাৰ্যয়ো প্ৰতিজ্ঞা কৰিলে যে তেওঁ জয়দ্ৰথক অৰ্জুনৰ হাতৰপৰা ৰক্ষা কৰিবই, নহ'লে তেওঁ প্ৰতিজ্ঞাভ্ৰষ্ট হৈ যেন ঘোৰ নৰকত পৰে দ্ৰোণাচাৰ্য কৃষ্ণৰ পৰম ভক্ত অৰ্জুনৰ গুৰু। গতিকে তেওঁক প্ৰতিজ্ঞাভ্ৰষ্ট কৰি অৰ্জুনৰ প্ৰতিজ্ঞা সাফল্যোৱা কৃষ্ণৰ পক্ষে সম্ভৱ নহয়, সেইকাৰণে কৃষ্ণই কৈছে—

"জয়দ্ৰথ বধ কৰা অৰ্জুনৰ পক্ষে
নহয় কঠিন কাম,
কিন্তু দুয়োজন ভক্ত লৈ
পৰিছো বিষম সংকটত।
ভক্ত ধনঞ্জয়ে কৰিছে প্ৰতিজ্ঞা
'সূৰ্যাস্তৰ ভিতৰত জয়দ্ৰথ বধ।'

ভক্ত দ্ৰোণাচাৰ্য তাত প্ৰতিদ্বন্দ্বী হৈ
কৰিছে প্ৰতিজ্ঞা—
সূৰ্য অস্ত যোৱালৈকে নিৰ্বিঘ্নে ৰাখিব বুলি—
সিন্ধু নৃপতিক।
কাৰ কথা অৱহেলি, কাৰ কথা ৰাখোঁ
দুয়োজন সম ভক্ত মোৰ,—
সেইবাবে ভাবিছো মনত,
ছলনাৰে ভক্ত পণ কৰিম পূৰণ।"

মায়াৰ আৱৰণৰ ফলত আন্ধাৰে আৱৰি ধৰিলে। দ্ৰোণাচাৰ্যৰ ৰক্ষা ব্যূহৰপৰা সূৰ্যাস্ত হ'ল বুলি জয়দ্ৰথ ওলাই আহিল—অৰ্জুনৰ অগ্নিত আত্মদাহৰ দৃশ্য চাবলৈ। দ্ৰোণৰ প্ৰতিজ্ঞা ৰল। জয়দ্ৰথ দ্ৰোণাচাৰ্যৰ ৰক্ষা-ব্যূহৰপৰা ওলাই অহাৰ পাছতে মায়াই আন্ধাৰৰ আৱৰণি আঁতৰালে, সূৰ্য তেতিয়াও মাৰ যোৱা নাই। অৰক্ষিত জয়দ্ৰথক অৰ্জুনে সূৰ্যাস্তৰ আগতে পাই বধ কৰে। অৰ্জুনৰো প্ৰতিজ্ঞা ৰক্ষা হয়। যাত্ৰা-নাটৰ সুৰতে ইয়াতো ভক্তিবাদক প্ৰাধান্য দি কৃষ্ণৰ মাহাত্ম্য প্ৰদৰ্শিত হৈছে। উপকাহিনী সংযোজিত নোহোৱাৰ কাৰণে আৰু মূল কাহিনীত মৌলিক পৰিৱৰ্তন নঘটোৱাৰ কাৰণে কাহিনী সৰল গতিত আগবাঢ়িছে। এইখিনিতে মনত ৰাখিব লাগিব যে যিসকল দৰ্শকক উদ্দেশ্য কৰি এই নাট ৰচিত হৈছিল তাৰ সৰহ ভাগেই মুকলি মঞ্চৰ যাত্ৰাভিনয় দৰ্শনত অভ্যস্ত আছিল। সেই সময়ত লাউড্ স্পিকাৰ বা বিজুলী বাতিৰ ব্যৱহাৰ হোৱা নাছিল। গতিকে মঞ্চৰ চাৰিকাষে বহু দূৰলৈকে দৰ্শকসকলে শুনাকৈ অভিনেতাসকলে বচন মাতিব লগাত পৰিছিল। এনে পৰিস্থিতিত সংলাপ বক্তৃতামূলক আৰু উচ্ছ্বাসপ্ৰধান হোৱাটো স্বাভাৱিক। নিম্নসুৰত ৰক্ষা সংলাপ অভিনেতাই দৰ্শকৰ মনত লগাকৈ আবৃত্তি কৰা টান। জয়দ্ৰথ বধৰ সংলাপ বা চৰিত্ৰৰ বচনসমূহ সেই কাৰণেই উচ্চ সুৰত ৰক্ষা আৱেগধৰ্মী আৰু ঠায়ে ঠায়ে বিবৃত্তিমূলক। অভিনেতাই সমবেত দৰ্শকৰ সকলোৱে শুনাকৈ গুৰু গম্ভীৰ বা উচ্চস্বৰে এইবোৰ আবৃত্তি কৰিব পাৰে।

জয়দ্ৰথ বধৰ আন এটা বৈশিষ্ট্য হ'ল চোক্ৰাৰ গীত। আগতেই কৈ অহা হৈছে যে যাত্ৰানাটৰ গীত এটা প্ৰধান অঙ্গ, চৰিত্ৰৰ ভাবোচ্ছ্বাসৰ

আভিমন্যৰ মুহূৰ্ত্তত একোটি চোক্‌ৰাৰ গীতেৰে তেওঁৰ মনৰ ভাব সুৰৰ সহায়ত প্ৰকাশ কৰা হৈছে। ৰায়চৌধুৰীৰ নাটৰ পাত্ৰনিত কেনেকৈ তেওঁ অসমীয়া পুৰণি গীতপদৰ সুৰ সংযোজনা কৰি নাট্যাভিনয় দৰ্শকৰ গ্ৰহণীয় কৰি তুলিছিল সেই বিষয়ে উল্লেখ কৰিছে। যাত্ৰানাটকৰ কাহিনী সাধাৰণতে সুপৰিচিত হোৱা কাৰণে, তাৰ চৰিত্ৰৰ কাৰ্যকলাপ আৰু ঘটনাৰ পৰিণতি দৰ্শকৰ সাধাৰণতে জনা থাকে। থিয়েটাৰ নাটকৰ ঘটনাৰ চমৎকাৰিত্ব আৰু চৰিত্ৰৰ জটিলতাৰ যি আকৰ্ষণ সেই আকৰ্ষণৰ অভাৱ যাত্ৰা নাটত কিছু পৰিমাণে পূৰণ কৰা হয় সঙ্গীত মাধুৰ্যৰ দ্বাৰা। জয়দ্ৰথ বধ যাত্ৰাধৰ্মী হোৱাৰ কাৰণেই গীতৰ আধিক্য বিশেষভাৱে লক্ষ্য কৰা যায়। বহুক্ষেত্ৰত এনে ঠাইতো চৰিত্ৰৰ ভাব চোক্‌ৰাৰ গীতৰ যোগেদি প্ৰকাশ কৰিছে, যি ঠাইত আধুনিক ৰুচিৰ বা থিয়েটাৰ অভ্যস্ত দৰ্শকে সহ্য কৰিবলৈ টান পাব। যাত্ৰাৰ দৰ্শকক হয়তো তেনে ঠাইত গীতৰ সংস্থাপনে একো বিপৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰে। উদাহৰণ স্বৰূপে সদ্যবিধবা শোকাতুৰা উত্তৰাৰ কৰুণ গীত তিনিটাই থিয়েটাৰত বিপৰীত প্ৰতিক্ৰিয়াহে সৃষ্টি কৰাৰ সম্ভাৱনা আছে, যাত্ৰাভিনয়ত হয়তো দৰ্শকে চকুপানী টুকিব।

নাটখনৰ চৰিত্ৰ সৃষ্টিৰ ফালে নাট্যকাৰৰ বিশেষ দৃষ্টি নিক্ষেপ কৰা নাই, চৰিত্ৰবোৰৰ পৌৰাণিক ৰূপ অব্যাহত ৰাখিবলৈ চেষ্টা কৰিছে। অৱশ্যে পৌৰাণিক ৰূপ অব্যাহত ৰাখিবলৈ যোৱাৰ ফলত প্ৰবীণ চৰিত্ৰবোৰৰ স্বকীয় বৈশিষ্ট্য প্ৰকাশ পাইছে। মহাভাৰতৰপৰা যুধিষ্ঠিৰ, ভীম, অৰ্জুন, কৰ্ণ, দ্ৰোণাচাৰ্য, শ্ৰীকৃষ্ণ আদিৰ চৰিত্ৰ সম্পৰ্কে জনসাধাৰণৰ যি এটা সাধাৰণ ধাৰণা সৃষ্টি হয়, নাটকত তাৰ অন্যথা হোৱা নাই। কিন্তু নাটৰ প্ৰধান চৰিত্ৰ হিচাপে জয়দ্ৰথে দৃষ্টি আকৰ্ষণ কৰিব পৰা নাই, এই চৰিত্ৰক বৰ নিষ্প্ৰভ কৰি ৰখা হ'ল। খণ্ডেকৰ কাৰণে দেখা দিলেও, নাৰী চৰিত্ৰৰ ভিতৰত উত্তৰা আৰু সুভদ্ৰাতকৈ দুঃশীলা (জয়দ্ৰথ পত্নী) আৰু দ্ৰৌপদীয়ে দৃষ্টি আকৰ্ষণ কৰে। ক্ষত্ৰিয় ৰমণীৰ তেজোদীপ্ত বাক্যই দ্ৰৌপদীক স্বকীয়তা দান কৰিছে। অভিমন্যু বধৰ প্ৰতিশোধ লবলৈ পাণ্ডৱক ইতস্ততঃ কৰা দেখি দ্ৰৌপদীয়ে কৈছে—

"আহা ভেস্তে মোৰ সতে বীৰৰ ৰমণী
চাই লক বীৰশ্ৰেষ্ঠ ক্ষত্ৰিয় সমাজে,
চাওক পঞ্চ পাণ্ডৱে
চাওক পাণ্ডৱ সখি দেৱ নাৰায়ণে,
নাৰীৰ প্ৰাণত, প্ৰতিহিংসা কিমান প্ৰবল।
পুত্ৰহন্তা শত্ৰুকক ভস্ম কৰি দিয়া
কিমান প্ৰচণ্ড অগ্নি,
বুকু ভৰি আছে জননীৰ।
থাকা তুমি ধৰ্মৰাজ,
থাকা কৃষ্ণ কমললোচন
থাকা বীৰ ভীম ধনঞ্জয়
বীৰত্ব ভেমত ফুলি—
থাকা যত বীৰকুল পাণ্ডৱপক্ষৰ,
সুভদ্ৰাক লৈ আজি আহিল দ্ৰৌপদী
মৃত পুত্ৰ মুখ চিন্তি প্ৰতিশোধ ল'ব।"

যাত্ৰাভিনয়ক উদ্দেশ্য কৰি ৰচনা কৰা কাৰণেই নাটখন কলেৱৰত ডাঙৰ। পাঁচটা অঙ্কৰ ১৬ টা গৰ্ভাঙ্কত নাটক বিভক্ত। কোনো কোনো গৰ্ভাঙ্ক অস্বাভাৱিকৰূপে দীঘল। মুকলি মঞ্চত দৃশ্য পৰিবৰ্ত্তনৰ সুচল নথকা কাৰণেই গৰ্ভাঙ্ক বহুসময়ত দীঘল কৰিবলগীয়াত পৰে আৰু একোটা গৰ্ভাঙ্কতে বেলেগ দৃশ্য কৰি দেখুৱাব লগা ঘটনাও সামৰি থোৱা হৈছে (দ্বিতীয় অঙ্কৰ প্ৰথম গৰ্ভাঙ্কলৈ মন কৰক)।

'জয়দ্ৰথ বধ'ৰ প্ৰায় একে সময়তে ৰচনা কৰা আনখন পৌৰাণিক যাত্ৰানাট হ'ল 'ভক্ত গৌৰব' বা 'শিখিধ্বজৰ দান পৰীক্ষা'। কাহিনী মহাভাৰতৰ জৈমিনীয় আশ্বমেধিক পৰ্বৰ কৃষ্ণভক্ত ৰজা শিখিধ্বজ ৰজাৰ আত্মত্যাগৰ ভক্তিমূলক কাহিনী আৰু তেওঁৰ পুতেক তাম্ৰধ্বজৰ বীৰত্ব আৰু ত্যাগৰ পৰিচয়, পাণ্ডৱৰ যজ্ঞাশ্ব ৰত্নৱতী নগৰত প্ৰৱেশ কৰাত যুৱৰাজ তাম্ৰধ্বজে যজ্ঞাশ্ব বান্ধি থয়, ফলত: শিখিধ্বজৰ সৈন্যৰ লগত পাণ্ডৱ সৈন্যৰ সংঘৰ্ষ হয়। অৰ্জুনসহ পাণ্ডৱ সৈন্য তাম্ৰধ্বজৰ হাতত পৰাজিত হয়। কৃষ্ণই ছদ্মবেশেৰে শিখিধ্বজক প্ৰতিজ্ঞাবদ্ধ কৰাই তেওঁৰ

ভক্তি আৰু দানৰ চৰম পৰীক্ষা লয়। ৰজাই আত্মত্যাগৰ মাজেদি ভক্তিৰ পৰাকাষ্ঠা প্ৰদৰ্শন কৰে, অৱশেষত দুয়ো পক্ষৰ সন্ধি হয়। 'জয়দ্ৰথ বধ'ৰ দৰেই ভঙ্গ অমিত্ৰাক্ষৰ ছন্দত ৰচিত এই নাটত নাট্যকাৰে উপকাহিনী সংযোগ কৰি নাটকীয় কাহিনীৰ চমৎকাৰিত্ব বঢ়োৱাৰ চেষ্টা কৰিছে। এহাতে যুৱৰাজ তাম্ৰধ্বজৰ প্ৰেমপ্ৰাৰ্থিনী প্ৰতিভা আৰু ইন্দুমতী আৰু আনফালে সিংহাসনৰ কাৰণে ষড়যন্ত্ৰকাৰী সেনাপতি সংঘন আৰু তেওঁৰ লগৰীয়া পুষ্পক—এওঁলোকক লৈ কাহিনী জটিল আৰু কৌতুকাবহ কৰিবলৈ চেষ্টা কৰিছে। কিন্তু সংঘন আৰু পুষ্পকৰ ষড়যন্ত্ৰই বিশেষ ৰূপ লোৱাৰ আগতেই সিহঁতৰ অপমৃত্যু ঘটাই কাহিনীৰ সম্ভাৱনা বহু পৰিমাণে নষ্ট কৰা হ'ল। জয়দ্ৰথ বধৰ দৰেই সংলাপ ৰচনাত পৰিমিতাচাৰৰ অভাৱ, বক্তৃতাধিক্য লক্ষ্য কৰা যায়। উচ্ছ্বাসপূৰ্ণ, ভাবাবেগ প্ৰধান উক্তিৰ সঘন প্ৰয়োগ এটা লক্ষণীয় বৈশিষ্ট্য।

এই নাট চাৰিটা অংকত বিভক্ত, অংকৰ ভিতৰত একাধিক গৰ্ভাংক বা দৃশ্য আছে। চাৰিটা অংকত সৰ্বমুঠ ১৫ টা দৃশ্য বা গৰ্ভাংক আছে। নাটখন ফুলস্কেপ কাগজৰ ১১৫ টাত সম্পূৰ্ণ কৰিছে, দৃশ্যবোৰ যথেষ্ট দীঘল। কোনো কথা বাদ নিদিয়াকৈ অভিনয় কৰিবলৈ হ'লে অন্ততঃ চাৰি ঘণ্টা সময় লাগিব। বীৰত্ব, স্বদেশপ্ৰেম, ক্ষত্ৰধৰ্ম, প্ৰেম, পিতৃ-মাতৃভক্তি, আত্মত্যাগ, ষড়যন্ত্ৰ, কৃষ্ণভক্তি, কৰ্তব্যপৰায়ণতা আদি গুণৰ প্ৰকাশ বিভিন্ন চৰিত্ৰৰ কাৰ্যকলাপৰ যোগেদি দেখুৱাবলৈ চেষ্টা কৰিছে। শিখিধ্বজ আৰু তাম্ৰধ্বজৰ বাহিৰে সৰহভাগ চৰিত্ৰই কাল্পনিক। জৈমিনি-ভাৰতত নথকা চৰিত্ৰাৱলী হৈছে তাম্ৰধ্বজৰ মাক কুমুদ্বতী, মন্ত্ৰী সত্যশীল, তেওঁৰ কন্যা তাম্ৰধ্বজৰ প্ৰণয়প্ৰাৰ্থিনী ইন্দুমতী আৰু সৰু ভনী প্ৰতিভা, সেনাপতি সংঘন আৰু তেওঁৰ প্ৰথম অৱস্থাৰ বন্ধু কিন্তু পাছত মহাশত্ৰু পুষ্পক—এই সকলোখিনি ঘটনাত বিশেষ অংশগ্ৰহণকাৰী চৰিত্ৰ কল্পনাপ্ৰসূত। ইন্দুমতী আৰু ভনীয়েক প্ৰতিভাই তাম্ৰধ্বজক প্ৰণয়ীৰূপে চাইছিল, কিন্তু ইন্দুৱে ভনীয়েকৰ কাৰণে আত্মস্বাৰ্থ ত্যাগ কৰি তেওঁলোকৰ বিবাহৰ কাৰণে পথ এৰি দিয়ে যদিও নীৰৱে তাম্ৰধ্বজক ভাল পাই পুৰুষৰ বেশত তেওঁক অনুসৰণ কৰি যুদ্ধক্ষেত্ৰত ভালপোৱা পাত্ৰক আৱৰি মৃত্যু বৰণ কৰে। মৃত্যুৰ সময়ত প্ৰকৃত পৰিচয় দি তাম্ৰধ্বজৰ কোলাত শেষ নিশ্বাস এৰে। দ্বিতীয়

অংকৰ পৰা প্ৰতিভা আঁতৰি গৈছে। সেনাপতি সংঘন ষড়যন্ত্ৰকাৰী, কামুক আৰু মদ্যপ। তেওঁ তাম্ৰধ্বজক হত্যা কৰাৰ ষড়যন্ত্ৰ কৰি বিফল হৈ অন্ধ-যুদ্ধত মৃত্যু বৰণ কৰে। দৰাচলতে সংঘন আৰু পুষ্পকৰ কাৰ্য-কলাপে নাট্যকাহিনীত, চাঞ্চল্যকৰ পৰিস্থিতি এটা সৃষ্টি কৰাৰ বাহিৰে বিশেষ সহায় কৰা নাই। দুই বাই-ভনীৰ প্ৰেমৰ প্ৰতিদ্বন্দ্বিতা নাটৰ শীৰ্ষবিন্দুৰ আগতেই সমাধান কৰাত কাহিনীৰ এটা সম্ভাৱনা জটিলতাৰ অৱসান ঘটিল। শিখিধ্বজৰ কৃষ্ণভক্তি আৰু ব্ৰাহ্মণপুত্ৰক ৰক্ষা কৰিবলৈ নিজৰ জীৱন-উছৰ্গা কৰা নাটৰ মূল বা প্ৰধান ঘটনাটো যুদ্ধবিগ্ৰহ, ষড়যন্ত্ৰ, দেশপ্ৰেমৰ উচ্ছ্বাস আৰু অন্যান্য উপঘটনাৰ হেঁচাত উজ্জ্বল হৈ নুঠিল। আন উপঘটনাৰ দৰে ইয়ো এক উপকাহিনী হৈয়ে থাকিল। স্বদেশপ্ৰেম আৰু বীৰত্বৰ দৃশ্যই নাটত প্ৰাধান্য পালে। ভগৱতী আৰু কৃষ্ণৰ সহায়ত তাম্ৰধ্বজে অৰ্জুনক পৰাজয় কৰে যদিও তাৰ পৰিণামত তেওঁৰ নিজস্ব বীৰত্ব কিছু খৰ্ব হৈছে। মঞ্চৰ ওপৰত যাত্ৰাভিনয়ৰ কাৰণে উপযোগীকৈ নাটখন ৰচনা কৰা হেতুকে দৃশ্যৰ বহুলতা, চাঞ্চল্যকৰ ঘটনাৰ সমাবেশ, গীতৰ সংখ্যাধিক্যত উচ্ছ্বাসপূৰ্ণ উক্তিৰ প্ৰাধান্য, অবাস্তৱ দৃশ্যৰ সংযোজনা ঘটিছে। নাটখনত লেখকৰ নিজস্ব কল্পনাই প্ৰাধান্য পাইছে, পৌৰাণিক কাহিনী মাত্ৰ উপলক্ষ্য হৈছে। স্বদেশপ্ৰেম, বীৰত্ব আৰু আদৰ্শৰ কাৰণে আত্মত্যাগ নাটখনৰ প্ৰধান বস্তু ৰূপে চিত্ৰিত হোৱা দেখা যায়।

'কল্যাণময়ী' নাটৰ পটভূমি ঐতিহাসিক যদিও কাহিনীৰ ৰূপায়ণ ঐতিহাসিক তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। চক্ৰধ্বজ সিংহৰ দিনত শৰাইঘাটৰ যুদ্ধৰ আলম লৈ এই নাট ৰচিত হৈছে যদিও, ঐতিহাসিক তথ্য আৰু বিৱৰণৰ প্ৰতি নাট্যকাৰে দৃষ্টি ৰখা নাই। প্ৰধান নায়িকা কল্যাণময়ী কাল্পনিক চৰিত্ৰ, ফুকনৰ জীয়েক (কোন ফুকন নাম নাই)। এই কল্যাণময়ীয়ে মোগল সৈন্যক পথভ্ৰষ্ট কৰি শেষ যুদ্ধত নাৰী সৈন্যৰে আক্ৰমণ কৰি আহত হয়। এই কল্যাণময়ীয়ে ফুকনক যুদ্ধলৈ উৎসাহ দিয়ে আৰু শান্তিকামী কল্যাণময়ীৰ প্ৰেমাকাঙ্ক্ষী চক্ৰধ্বজক মোগলৰ বিৰুদ্ধে অস্ত্ৰ ধৰবলৈ প্ৰতিজ্ঞা কৰোৱায়। বীৰ ৰমণীয়ে বীৰকহে পূজা কৰে, কাপুৰুষক নহয়, গতিকে চক্ৰধ্বজে কল্যাণময়ীৰ প্ৰেম লাভ কৰিবলৈ হ'লে প্ৰথমতে মোগলক পৰাজয় কৰিব লাগিব—এয়ে আছিল কল্যাণময়ীৰ কামনা।

নাটৰ শেষত আমি দেখা পাওঁ যে পৰাজিত ৰামসিংহ যুদ্ধত আহত কল্যাণময়ীক নি চক্ৰধ্বজৰ হাতত সমৰ্পণ কৰিছে।

কাহিনী ঐতিহাসিক তথ্যৰ ওপৰত নিৰ্ভৰশীল নহয় আৰু ঘটনাৰ ঐতিহাসিক ক্ৰমো ৰক্ষা কৰা নাই। বৰং ই ঐতিহাসিক পটভূমিত ৰচনা কৰা কাল্পনিক নাটহে। ৰামসিংহ আৰু মিৰজুম্‌লাক একেখন ৰণৰে দুজন অধিনায়কৰূপে দেখুওৱা হৈছে, অসমৰ মন্ত্ৰী আৰু ফুকনৰ নাম নাই আৰু তেওঁলোকে নাটত প্ৰধান অংশ গ্ৰহণো কৰা নাই। মোগলৰ পৰাজয়ত কল্যাণময়ীয়ে আৰু তেওঁৰ সখী কুসুমিকাৰ নেতৃত্বত নাৰী বাহিনীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰা দেখুৱাইছে। নাৰী চৰিত্ৰকেইটাৰ কাৰ্যকলাপ অস্বাভাৱিক হৈছে,—গোটেই নাটখনত ৰোমাণ্টিক ভাবকল্পনাই প্ৰাধান্য লাভ কৰিছে। চৰিত্ৰসমূহৰ ভাবচিন্তা আৰু উক্তিত দেশোদ্ধাৰৰ জল্পনা-কল্পনাই প্ৰধানকৈ ঠাই পাইছে, সেইকাৰণে দেশপ্ৰেমৰ উচ্ছ্বাস এই নাটৰ প্ৰধান বৈশিষ্ট্য। কাহিনীৰ সুসংবদ্ধ বিকাশ আৰু বিন্যাস দেখা নাযায়, গতিকে এটি নিটোল ৰূপ ফুটি উঠা নাই। নিম্নশ্ৰেণীৰ চৰিত্ৰৰ যোগেদি সৃষ্টি কৰা খুহুটীয়া দৃশ্যকেইটাৰ লগত মূল কাহিনীৰ কোনো সংযোগ নাই, তেল-পানীৰ দৰে সি পৃথক হৈ আছে। চৰিত্ৰ সৃষ্টিতো বিশেষ সফলতা লাভ কৰিছে বুলি ক'ব নোৱাৰি, কাৰণ চৰিত্ৰবোৰ স্বকীয়তা বৈশিষ্ট্যেৰে উজ্জ্বল হৈ পৰা নাই। কল্যাণময়ীৰ চৰিত্ৰত অসাধাৰণত্ব আৰোপিত হৈছে যদিও, তাক বিশ্বাসযোগ্য স্তৰলৈ ৰূপান্তৰিত কৰিব পৰা নহ'ল। কিন্তু আটাইকেইখন নাটতে ৰায়চৌধুৰীৰ জ্বলন্ত দেশপ্ৰেম আৰু আবেগপ্ৰৱণ মনৰ পৰিচয় পোৱা যায়। তেখেতৰ জ্বালাময়ী প্ৰতিভা বিকাশৰ হয়তো উপযুক্ত মাধ্যম নাটক নাছিল। 'বীজমুণ্ডমিবোখৰে'ও হয়তো হ'ব পাৰে।

ওপৰত আলোচনা কৰা তিনিখন পূৰ্ণাঙ্গ নাটৰ উপৰিও কেইখনমান দৃশ্য-নাটিকা পাছত ৰচনা কৰিছিল। মহাত্মা গান্ধীৰ অহিংস আন্দোলনৰ প্ৰস্তাৱত ৰচনা কৰা 'বিপ্লৱৰ শেষ' নাটিকা ভাগিন ৰমেশ চৌধুৰীৰ নামত 'চেতনা'ত প্ৰকাশ হৈছিল। ইয়াত অহিংস প্ৰজাই অত্যাচাৰী ৰজাৰ বিৰুদ্ধে বিপ্লৱ কৰা দেখুৱাইছে। ৰামায়ণৰ ঘটনাৰ ভেটিত 'শ্ৰীৰামচন্দ্ৰ আৰু তাৰা" দৃশ্যটো ৰচিত। ইয়াত অন্যায়ভাৱে বালীক বধ কৰাত

বাদীপক্ষী তাৰাই ৰামক তিৰস্কাৰ কৰিছে আৰু ৰামে আত্মপক্ষ সমৰ্থন কৰি যুক্তি দাঙি ধৰিছে। ৰূপকৰ আকাৰত ৰচিত 'স্বৰ্গ-মৰ্ত্ত্য ডাক বিভাগ'ত মানুহৰ লগত প্ৰকৃতিৰ আৰু জগৎস্ৰষ্টাৰ সম্পৰ্ক, মানুহৰ দুমুখীয়া নীতি সমালোচনা কৰিছে। 'বিশ্বনাট্য' ও এখন ৰূপক। ইয়াত পুৰণিয়ে শাশ্বত প্ৰমূল্য খিনি সংৰক্ষণ কৰি নতুনক বাট এৰি দি মুক্ত জীৱনৰ প্ৰতি আগ বাঢ়ি যোৱা দেখুৱাইছে। চৰিত্ৰবোৰৰ নামো মন কৰিবলগীয়া, যথা— চুটি-চাপৰ, সৰু-সুৰা, অলপ-অচৰপ, পুৱতি নিশাৰ শীতল বায়ু ইত্যাদি। গতি ধৰ্ম প্ৰদৰ্শন কৰাই দৃশ্যকেইটাৰ প্ৰধান উদ্দেশ্য।

ৰায়চৌধুৰীয়ে নাট্যকলাক প্ৰধান প্ৰকাশ মাধ্যম ৰূপে গ্ৰহণ কৰা নাছিল। নাট-ৰচনা তেখেতৰ পক্ষে একপ্ৰকাৰ পৰীক্ষা বুলিয়েই ক'ব পাৰি।

অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ ব্যক্তিত্ব

যুগল দাস

Not armies, not notions, have advanced the race ; but here and there, in the course of ages, an individual has stood up, and cast his shadow over the world.

—E. H. Chapin.

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ হলিৰাম ডেকাদেৱে লিখি থৈ গৈছে, "ৰায়চৌধুৰীক যিসকলে নিচিনে, তেখেতসকলেও তেখেতক চিনি উলিওৱাত সময় নালাগিব। ৰায়চৌধুৰীক নেচিনা ভদ্ৰলোক এজনক যদি মই কওঁ যে গুৱাহাটীৰ যি কোনো এখন ৰাজহুৱা সন্মিলনত গৈ তেখেতে থাপ লৈ বহক, সভাপতিৰ আসন লৈ বা তেখেতৰ লগত ওখ চাঙত বহা বা সেই শাৰীত বহা কোনো ভদ্ৰলোকলৈ চাব নালাগে, কিন্তু প্ৰথম বা দ্বিতীয় সমজুৱা যিজনে শৰত লাখুটি এডাল লৈ, ডাঠ খদ্দৰৰ খঁৰা বা দীঘল হাতৰ চোলাৰে সৈতে থিয় দি, অগ্নিহি স্বৰত uncompromising বক্তৃতা দিব, সেইজনেই ৰায়চৌধুৰী বুলি ধৰি ল'ব।" (শ্ৰীউপেন্দ্ৰনাথ কটকী সম্পাদিত "অম্বিকাগিৰীৰ ব্যক্তিত্বৰ আভাস" পুথিৰ ১৭ পৃষ্ঠা দ্ৰষ্টব্য।)

এইয়া ৰায়চৌধুৰীদেৱৰ ব্যক্তিত্বৰ মনৰ পৰা নোৱাৰা, এটা চমু-মকা আভাস মাত্ৰ ব্যক্তিত্ব প্ৰকৃততে কুহকী—তাক এটা লক্ষণেৰে ঠাৱৰ কৰিবলৈ টান। তদুপৰি কিছুমানৰ ব্যক্তিত্ব বাহ্যিকভাৱে প্ৰকাশ পায়, কিছুমানৰ ব্যক্তিত্ব আভ্যন্তৰীণ, সৰ্বসাধাৰণে দেখা পোৱাকৈ ওলায় নেথাকে। ডেকাদেৱৰ উপৰোক্ত ব্যক্তিত্বৰ পৰিচিতত দুয়োটা লক্ষণ মন কৰিবলগীয়া, প্ৰথমটো হ'ল "খঁৰা বা দীঘল হাতৰ ডাঠ খদ্দৰৰ চোলা, আৰু শৰত লাখুটি ; দ্বিতীয়টো হ'ল, "অগ্নিহি স্বৰৰ uncompromising বক্তৃতা"- জীৱন দৰ্শনত আপোচৰ কথা নাছিল।

ৰায়চৌধুৰীদেৱৰ ব্যক্তিত্ব সঁচাকৈয়ে কুহেলিকাপূৰ্ণ স্বৰ্ণমৃগ। তাক বিশেষ এটা শাৰাত পেলাই ব্যাখ্যা কৰাটো সহজ নহয়। ব্যক্তিত্ব-সম্পন্ন প্ৰতিজন লোকৰে ব্যক্তিত্ব সুকীয়া বিধৰ আৰু মৌলিক গুণবিশিষ্ট। ব্যক্তিত্বৰ ভেটিটোৰ ওপৰতে মানুহজনৰ মনুষ্যত্বৰ মজবুত অট্টালিকা নিৰ্মিত হয়। ব্যক্তিত্বসম্পন্ন মুখ এখনে এটা যুগ উদ্ভাষিত কৰে, চকুযুৰিয়ে মুক্তিৰ পথৰো আভাস দিয়ে। ব্যক্তিত্ব আনৰ পৰা অনুকৰণ কৰিব নোৱাৰি। ব্যক্তিত্বক সংৰক্ষণ কৰাৰ প্ৰয়োজন আছে আৰু তাক উচিত মৰ্যাদা দান কৰিবলগীয়া হয়। এখন সমাজৰ গুৰুত্ব মূল্যায়ণ কৰা হয়, সমাজৰ প্ৰতিজন লোকৰ ব্যক্তিত্বৰ যৌথ মূল্যায়ণেৰে, কাৰণ সমাজশক্তি প্ৰতিজন সভ্যৰ সমূহীয়া যুক্ত ব্যক্তিত্বৰ পৰিণতি, কম-বেছি পৰিমাণে সকলো মানুহৰে সাধাৰণ গুণবোৰ থাকে। এই গুণবোৰ একত্ৰিত হৈ যেতিয়া এজন মানুহক বিশেষ গুণৰ অধিকাৰী কৰি তোলে, তেতিয়াই তেওঁৰ ব্যক্তিত্ব গঢ়ি উঠে, আৰু আনবোৰ মানুহৰ পৰা তেওঁ সুকীয়া হৈ পৰে। তেতিয়া আৰু আনবোৰ মানুহে এই সুকীয়া মানুহজনৰ দৰে নেভাবে, আচৰণ নকৰে। আনৰ গাত তেওঁৰ দোষ-গুণ আৰু ত্ৰুটি ওলোৱা দেখা নেযায়। পঢ়াশলীয়া কিতাপৰ বিদ্যাই এই ব্যক্তিত্ব আনি নিদিয়ে। এই ব্যক্তিত্ব গঢ়ি উঠে গভীৰ পৰ্যবেক্ষণত, বলিষ্ঠ চিন্তাধাৰাত আৰু প্ৰগাঢ় অভিজ্ঞতাৰ পৰিণতি স্বৰূপে। যেতিয়াই ব্যক্তিত্বৰ প্ৰকাশ ঘটে, তেতিয়া ই সৰ্বসাধাৰণক আকৰ্ষণ কৰে। জীৱন যে দৰাচলতে স্বাধীন, ব্যক্তিত্ব গঢ়নৰ পদ্ধতিয়ে তাৰ প্ৰমাণ। জাতি এটাই বা সেই জাতিৰ সৈন্যদলে আচলতে জাতিটোক আগুৱাই লৈ নেযায়; যুগে যুগে সমাজত ব্যক্তিত্বসম্পন্ন লোকৰ আবিৰ্ভাৱ হয়, এনে লোকবোৰেই জাতিটোৰ ওপৰত প্ৰভাৱ পেলাই, আগুৱাই লৈ যায়।

ব্যক্তিত্ব কিছুমান ধাৰাত পেলাই লৈ সৰলিকৃত কৰিব নোৱাৰি। ই ফুলৰ ৰঙৰ দৰে; মানুহ বিশেষে হেনো ভাল পোৱা ফুলৰ ৰং সুকীয়া সুকীয়া।

ভীমকায় শৰীৰ, বজ্ৰ নিনাদ কণ্ঠস্বৰ, ফুলজাৰি মৰা ভাষণ, আৰু আকাশ-কুসুম পৰিকল্পনাও ব্যক্তিত্বৰ ছাপ মৰা লক্ষণ নহয়। চাকোলা পিয়লি ফুকনৰ ইংৰাজৰ থাৰঘৰত অগ্নি-সংযোগৰ দৃঢ়তা, মৃত্যু নিশ্চিত বুলি জানিও কাচা-বায়েংকাৰ পৰিত্যক্ত আৰু বুক বুক জাহাজৰ নেতৃত্ব জয়মতীৰ পতিৰ মঙ্গলৰ কাৰণে দৃঢ়তা, ৰাণী ফুলেশ্বৰীৰ আত্মম্ভৰিতা, গান্ধীজীৰ বিপদতো সত্যৰ

ওপৰন্তু অটল বিশ্বাস, আনফালে জিন্না চাহাবৰ পাকিস্তান সৃষ্টিত অটল বিশ্বাস, আমাৰ মনঃপুত হুক বা নহক, এনেবোৰ আচৰণ ব্যক্তিত্বৰ উদাহৰণ। গান্ধীজীৰ অহিংসা সংগ্ৰাম, আনফালে সুভাষ বসুৰ প্ৰত্যক্ষ সংগ্ৰাম ব্যক্তিত্বৰ ইপিঠি সিপিঠি।

ব্যক্তিই পৰিবেশ অনুযায়ী কেতিয়াবা মোট সলায়। যি মণিৰাম দেৱান পিয়লি ফুকনক মৃত্যু দণ্ড দিয়াত ইংৰাজ চৰকাৰৰ সোঁহাত স্বৰূপ আছিল, সেই দেৱানেই ইংৰাজৰ বিৰুদ্ধে পিছত বৰলাটক এটা দাখিল কৰিছিলগৈ। এই বিষয়ে চিত্ৰ শিল্পত এটা আকৰ্ষণীয় কাহিনী আছে। এক ওজা চিত্ৰ শিল্পীয়ে এবাৰ নিৰ্দোষ মুখ এখন আঁকিবলৈ মন মেলিলে। নিৰ্দোষ মনৰ নিৰ্দোষ মুখ শিশুতহে পোৱাটো সম্ভৱ। সেইবাবে তেনে এখন মুখ বিচাৰি গ'ল তেওঁ প্ৰাক্-প্ৰাথমিক বিদ্যালয় এটালৈ। চাই চাই বিচাৰোঁতে বিচাৰোঁতে, মুখ এখন পালেগৈ। মুখমণ্ডল অন্তৰৰ দাপোণ। তেওঁ পৰম আন্তৰিকতাৰে সেই নিৰ্দোষ শিশুৰ আৱক্ষ চিত্ৰ এখন আঁকিলে। এই চিত্ৰ সম্পূৰ্ণ কৰাৰ ডেৰকুৰি-দুকুৰিমান বছৰৰ পিছত চিত্ৰকৰজনাৰ প্ৰয়াস হ'ল— এইবাৰ তেওঁ দুৰ্দান্ত, দেখিলেই ভয়লগা, আতংক সৃষ্টি কৰা দগাবাজ এজনৰ মুখ চিত্ৰিত কৰিব। সমাজৰ চোৰ, ডকাইত, ধুৰন্ধৰ, নৰঘাটকবোৰৰ থকা ঠাই হ'ল সাধাৰণতে কাৰাগাৰ। তেওঁ কাৰাগাৰলৈ গৈ এখন মুখ উলিয়ালে, মুখখন দেখিলেই গাৰ নোম সিঁয়ৰি উঠে। সেই মুখখনৰো এখন আৱক্ষ চিত্ৰ আঁকিলে। চিত্ৰ সম্পূৰ্ণ হোৱাৰ পিছত কথাই কথাই সেই ধুৰন্ধৰ কয়েদীজনৰ জন্মবৃত্তান্ত জানিবলৈ তেওঁৰ এটা প্ৰয়াস হ'ল— ক'ৰ মানুহ, কাৰ ঘৰৰ ল'ৰা ইত্যাদি। চিত্ৰকৰ গৰাকীয়ে তেওঁৰ পম খেদি আচৰিত হ'ল, তেওঁৰ তুলিকাই ৰূপ দান কৰা এসময়ৰ নিৰ্দোষ শিশুৰেই এইজন ধুৰন্ধৰ, দাগী কয়েদী। গতিকে দেখা যায় পৰিস্থিতি অনুসৰি কেতিয়াবা ব্যক্তিত্ব ৰূপান্তৰিতও হয়। থোৰতে ক'ব পাৰি ব্যক্তিত্ব একপ্ৰকাৰে মানুহৰ নৈতিক জীৱনৰ চিন্তা আৰু কাৰ্যকৰী সুকীয়া স্বতন্ত্ৰতা; দায়িত্ববোধ ব্যক্তিত্বসম্পন্ন লোকৰ এটা বিশেষ লক্ষণ, "যথেচ্ছসি তথা কুৰু" বিধৰ। তেহেলে তাৰ পৰিণাম যিহকে নহওক, আনে ভাল পাওক বা নাপাওক।

ৰায়চৌধুৰীদেৱ ব্যক্তিত্বসম্পন্ন এজন লোক আছিল, তাত অকণিকে

[illegible] পাই) [illegible] উচিত [illegible] পৰিচয় পাইছিল। ৰায়চৌধুৰীয়ে "[illegible]" (১৯ পৃষ্ঠা) কৈছে, "[illegible] মোৰ আদৰ্শ আৰু কৰ্মক [illegible] ভাল পায়, কিন্তু মই বাক্যবাণেৰে লোকক জৰ্জৰিত কৰিব পাৰো বুলি ভাবে। সেইবাবে মোৰ লগত নহয়। ইয়াৰ উত্তৰ মই কি দিম? বাক্যবাণেৰে লোকক জৰ্জৰিত কৰাটোৱেই মোৰ স্বভাৱ বা ব্যৱসায় নহয়। যদি স্বভাৱ বা ব্যৱসায় বুলি ধৰা হয়, তাৰ উত্তৰ মই এইদৰে দিম: মোৰ আদৰ্শ লাভৰ বাটটো, আনসকলৰ দুৰ্বলতা সত্বেও নিকত সাহৰ শুকান শিলত খুন্দা খাই, নিৰাশ-জনিত যি দাৰুণ আৰ্তৰাৱৰ কৰ্কশ শব্দ উঠে, সেইবিলাকেই স্বাৰ্থসৰ্বস্ব দলে, অৰ্থাৎ— যিসকলৰ অন্তৰত কোনো আদৰ্শ নাই, ময়ত গণশোষণৰ বাহিৰে গণপোষণ, গণসেৱনৰ উমান নাই, সেইসকলে তাকেই মোৰ বাক্যবাণ বুলি অভিহিত কৰি মোৰ ওপৰত দোষ দি নিজৰ চাৰিত্ৰিক দুৰ্বলতা আৰু কলুষক্লেদ ঢাকিবলৈ প্ৰয়াস কৰে।" উপৰোক্ত উক্তিত ৰায়চৌধুৰীদেৱৰ ব্যক্তিত্বৰ অকণ আভাস পোৱা যায়।

ৰায়চৌধুৰীদেৱ মানুহজন বৰ সভা শুৱনি লোক নাছিল; অনুচ্চ, মিঠাবৰণীয়া, মুখত সদায় কৰ্মক্লান্তৰ ছাঁ আৰু দুঁটা মাতৰ; পিন্ধনত খদ্দৰৰ চোলা আৰু আঠুমূৰীয়া চুৰিয়া, হাতত চিৰসংগী লাঠিডাল। কিন্তু মানুহ গৰাকীৰ অন্তৰখনৰ নিগূঢ় ৰহস্যৰ বাহ্যিক পৰিৱেশে একো অনুমান নিদিয়ে। তেখেতৰ চৰিত্ৰ অনুধাৱন কৰিলেহে মানুহজন আচলতে কেনে ধৰণৰ, তাৰ কিছু আভাস পায়। তেখেতৰ মূল বিগ্ৰহ হ'ল অসমখন আৰু সেৱাৰ মূল দেৱতা হ'ল মানুহ। ৰায়চৌধুৰীদেৱে উচিত কথাত অপৰিসীম সাহস দেখুৱাত পাছ নোহোঁহকে। দুৰ্গতজনক নিজৰ প্ৰাণ সংকটাপন্ন কৰিও সহায় কৰিবলৈ আগবাঢ়ি যায়। ৰায়চৌধুৰীদেৱে জাতিৰ পৰম্পৰাক উচ্চ আসন দি গ'ল। তেখেত অক্লান্ত কৰ্মী। সকলোৰে ওপৰত তেখেত আছিল এজন প্ৰকৃত কবি আৰু সংগীতজ্ঞ। ৰায়চৌধুৰীদেৱৰ সমসাময়িক ড' বাণীকান্ত কাকতিদেৱে লিখি থৈ গৈছে, "He is a multiple personality. But he is at bottom a poet, and his public programme is too often poetry in fire works." (অসম সাহিত্য সভাৰ জাৰ্ণালৰ ২য় ভাগৰ ৬৯ পৃষ্ঠা দ্ৰষ্টব্য।) বহু ব্যক্তিত্বৰ সমাহাৰ অম্বিকাগিৰী ৰায়চৌধুৰী

কিন্তু মূলতঃ কবি ; তেওঁৰ ৰাজহুৱা কৰ্মৰাজি কবিতাৰ আত্মচৰ্য্যী।

ৰায়চৌধুৰীদেৱৰ কাব্যিক ব্যক্তিত্বও অনন্য। তেখেতৰ শ্ৰেষ্ঠ কবিতা হ'ল 'তুমি' কাব্যখন— সৰ্বজন সমাদৃত। অম্বিকাগিৰী অকল কবি নহয়, তেখেত এগৰাকী শিল্পী। ৰায়চৌধুৰীদেৱৰ ছন্দে ছন্দে গাঁথি থোৱা অনুপম কণ কণ ছবিবোৰৰ মাজত লুকাই আছে এটা শিল্পীমন আৰু শৈল্পিক ৰচনাৰ চাতুৰ্য। ৰায়চৌধুৰীৰ কবিতাত পোন দেখনত পাওঁ যৌৱনৰ উচ্ছ্বাস, "গাভৰুৰ ৰাঙলী গাৰ্ত লাজৰ ৰাঙলী আভা", "নিতম্বিনী সাদৰীৰ নিতম্ব চুম্বিত চুলিকোছা", "নিতোল নিতম্বখনি খোজেপতি উঠে কঁপি কঁপি", "চুমাৰ হেঁপাহ এটি ভৰপূৰ জোনাকী বুকুত" ইত্যাদি। কিন্তু অম্বিকাগিৰী এজন বিশুদ্ধ ভাগৱতী ; সেয়ে কাম ভাবক তেখেতে প্ৰেমত পৰিণত কৰি ভাগৱতৰ প্ৰেম মহাৰাসত পৰিণত কৰিব পাৰে। তেখেতে "বাণী বিদ্যুত"ত নিজেই লিখি থৈ গৈছে, "নাৰী হৈছে পুৰুষৰ জীৱনৰ অমৃত ৰস। এই ৰস বিহনে পুৰুষৰ জীৱন নিৰস, শুকান, মৃতপ্ৰায়। কিন্তু পুৰুষে নাৰীক এই অমৃত দায়িনীৰূপে গ্ৰহণ নকৰি, আনভাৱে, অৰ্থাৎ কেৱল পুৰুষৰ স্বাৰ্থ পূৰক উন্মাদ আকাঙ্ক্ষাৰ প্ৰয়োজন চৰিতাৰ্থ কৰা যন্ত্ৰ এটা হিচাপে ব্যৱহাৰ কৰিলে নাৰীৰ সেই অমৃত কালকূট বিষত পৰিণত হয় আৰু সেই বিষে পুৰুষৰ জীৱনৰ গতি ধ্বংস কৰে।" (২৬ পৃষ্ঠা)। ৰায়চৌধুৰীদেৱে আকৌ কৈছে, "প্ৰেম প্ৰেমেই। তাত কামনা নাথাকে। গতিকে তাৰ পৰিণাম নাথাকে। আত্মানন্দৰ নিবিড় শান্তিয়েই প্ৰেমৰ পৰিণাম। তাত কামনাৰ স্পৰ্শ ঘটিলেই তাৰ পৰিণাম নিৰানন্দৰ অশান্তিত ভৰি উঠে।" (২৮ পৃষ্ঠা)। তেখেতৰ শ্ৰেষ্ঠ কাব্য 'তুমি'ৰ তুমিজনীৰ নাম আছিল ইন্দুমতী। এটা সময়ত দুয়োৰে দেখা দেখি সেৰেঙা পৰিলত ইন্দুমতীয়ে তেখেতক নিষ্ঠুৰ বুলি মৃদু দোষাৰোপ কৰি তেখেতৰ ছোৱালীজনীৰ প্ৰতি অবিচল প্ৰেমৰ এটা নিদৰ্শন বিচাৰিলে। পাছদিনা ৰাতিপুৱা ছোৱালীৰ ওচৰলৈ গৈ এখন কুঠাৰেৰে বাওঁহাতৰ কেঞা আঙুলিটোৰ এটা পাৰ কাটি, এটা মূল্যবান ধাতুৰ সঁফুৰাত ভৰাই, কাগজেৰে মেৰিয়াই ছোৱালীজনীক উপহাৰ দিলে। সঁফুৰাত কাগজ এখনত তেজেৰে লিখা এটা শাৰী আছিল, "ইন্দুমতী, এইয়া মোৰ অবিচল প্ৰেমৰ নিদৰ্শন।" অবিচল প্ৰেমৰ অসাধাৰণ নিদৰ্শন! এই বিষয়ে

ৰায়চৌধুৰীৰ মন্তব্যও অতি কাব্যিক। তেখেতে লিখিছে, “নীল সাগৰ দেখা নাই, কিন্তু নীল আকাশখন দিন-ৰাতি চকুৰ আগত লৈ আছো। এই ছুয়োখন আঁচলৰ মাজত স্নিগ্ধোজ্জ্বল জেউতিৰে পূৰ্ণিমাৰ পয়োভৰ উপচি পৰা, সেই মুখ-চন্দ্ৰমাৰ টিপ-হাঁহিটোৰ বিজুলী চমকটোৱে, এপাৰ হানি হোৱা মোৰ বাওঁ-হাতৰ কণিষ্ঠাঙ্গুলিটোৰ ফালে চাই মোৰ চিন্তা আৰু কৰ্মধাৰাক আজি-লৈকে প্ৰেৰণা দি আছে। সেই জেউতি নিষ্প্ৰভ হোৱা নাই, একেদৰেই আলোক বিকিৰণ কৰি আছে (৪৩ পৃষ্ঠা)। তেওঁৰ কবিতাৰ দয়িতা– “আকাশতকৈ উদাৰ, আলোকতকৈও উজ্জ্বল, প্ৰেমতকৈও পবিত্ৰ।'' (ড' বাণীকান্ত কাকতি)। ৰায়চৌধুৰীদেৱ একাধাৰে কবি আৰু গীতিকাৰ তথা সু-গায়ক। অম্বিকাগিৰীয়ে “মোৰ জীৱন ধুমুহাৰ এছাটি”ৰ ২৭ পৃষ্ঠাত লিখি থৈ গৈছে “মোৰ ভিতৰত শিল্পকলাৰ তৰফে প্ৰেম-সৌন্দৰ্য-ৰসৰ যি খৰস্ৰোতা স্বচ্ছ সোঁত এটা অহৰহ বৈ থাকি অনিৰ্বচনীয় আনন্দৰ হিল্লোল তুলি মোৰ অন্তৰ্দেশ মুখৰিত কৰি আছে, সি এখন বিশাল নৈ, জুৰি নহয়।” এই নৈৰ উৎপত্তিৰ থলি ৰায়চৌধুৰীদেৱৰ কীৰ্তন-ঘোষা, নাম-ঘোষা, বৰগীত আদি শুৱলাকৈ গাব পৰা শঙ্কৰী সংস্কৃতিৰ ভাব বাহিনী তেওঁৰ মাতৃদেৱী। তাৰ পৰাই প্ৰবাহিত হৈ সৃষ্টি কৰিলে এজন কলাকাৰ কবিতা-সংগীত আৰু নাট্য শিল্পীক। শিশু সঁচাকৈয়ে মাতৃৰ সৃষ্টি। এই অম্বিকাগিৰীয়ে অসমত একালত আধিপত্য বিস্তাৰ কৰা বঙালী নাটকৰ ঘাই শিপা উঘালি পেলালে, প্ৰভাতী বৰগীত ছুখে-সুখে গালে, অকলৈ গালে, সভা মজলিচতো অসম বননিত সিংহ নাদে গালে। গীতিকাৰ হিচাপে অসমৰ পাণ্ডুত পোন প্ৰথমবাৰ বহা কংগ্ৰেছ মহাসভাৰ মুকলি সভাত ৰচনা কৰি, ভাৰত বৰেণ্য নেতাসকলৰ পৰা সম্মান লাভ কৰিলে, সকলোৱে মুক্ত-কণ্ঠে স্বীকাৰ কৰিলে—“We love your national song”, আমি তোম'লোকৰ জাতীয় সংগীত ভাল পাইছো। ৰায়চৌধুৰীৰ এই সংগীতে কাৰাগাৰত শিল ভাঙোতেও উজাৰি ওলাল “কাৰাগাৰ সংগীত” স্বৰূপে Songs of the cell.

ৰায়চৌধুৰীদেৱ অনন্য ব্যক্তিত্বৰ লোক আছিল। কেইটামান ঘটনালৈ মন কৰক। চেমনীয়া কালতে অম্বিকাগিৰীয়ে প্ৰথম ঘৰ এৰিলে

গুৱাহাটীলৈ বুলি। তেতিয়া যাতায়াতৰ একমাত্র পথ আছিল জলযাত্রা। ৰবপেটাৰ পৰা খোলাবন্ধা জাহাজ ঘাটলৈ আহিল বাট খচকি হাবি বননিৰ মাজেৰে, খাল-ডোং পাৰ হৈ,—লগত কোনো সহযাত্রী নাছিল, গধূলি ভাটিৰ জাহাজ আহিলত ৰায়চৌধুৰীয়ে টিকট কৰি জাহাজ 'ডেকত' ঠাই এডোখৰ কৰি ল'লে, নিশাটো কাটি হ'বলৈ। মাকে লগত দিয়া খোলা-চাপৰি পিঠা লহুকবাৰে লুইতৰ পানী এঘটি খাই সন্ধ্যা আহাৰ সমাপন কৰি কাটি হ'ল। পথ পদ যাত্রাৰ ভাগৰত পাটিত পৰা মাত্রকে ল'বাৰ দুৰ্যোৰ টোপনি আহিল।

খল ফাটো নাফাটোতে, খালাচিৰ চিঞৰ-বাখৰত ৰায়চৌধুৰীয়ে সাৰ পালে। জাহাজে লংগৰ পেলায়। চট্টগ্রামী খালাচীবোৰে দুৰ্ভেদ্য ভাষাৰে চিঞৰ-বাখৰ কৰি জাহাজ বান্ধিছে, মানুহ নামিবলৈ চিৰি পেলাইছে—ৰায়চৌধুৰীয়ে শুধি পুছি জানিব পাৰিলে—জাহাজ পলাশবাৰী ঘাট পালেহি। ইয়াৰ পিছৰ ঘাটটোৱেই হ'ল ৰায়চৌধুৰীৰ গন্তব্য স্থান, গুৱাহাটী। ৰায়চৌধুৰীয়ে ক্ষীণ পোহৰত মনিব পাৰিলে,—স্থানীয় বুকুত মেঠনি মৰা মহিলাকেইগৰাকীমানে আৰু গাত কাপোৰ লোৱা ছোৱালীকেইজনী মানে কল, অমিতা আদি ফলৰ পোহাৰ পাতিছে। খালাচীবোৰ আৰু দুই-এক সচৰাচৰ জাহাজত অহা-যোৱা যাত্রীয়ে চিৰিৰে নামি গৈ বজাৰ কৰাত লাগিছে। ৰায়চৌধুৰীয়ে পাটিৰ পৰা মন কৰি আছে; গুণগুণকৈ তেখেতৰ অতি প্রিয় বৰগীত "তেজৰে কমলাপতি পৰভাতে নিন্দ" টো গাই আছিলনেকি! ইতিমধ্যে মনিব পৰা পোহৰ হ'ল। অম্বিকাগিৰীয়ে এজনী পোহাৰীৰ পোহাৰৰ আগত ধুতি সোলোক-ঢোলোককৈ পিন্ধা বাবু এজন দেখিলে, হাতত এটা অমিতা। নিশ্চয় পকা অমিতা বোধহয়, দৰ-দাম চলিছিল। হঠাৎ দেখে বাবুজনে পোহাৰীৰ গালৈ কিবা এটা দলি মাৰি দিলে। বাবুজন যাবলৈ ধৰোতেই পোহাৰীয়ে বাবুজনৰ ওলমি থকা ধুতিৰ ঠোৰটোত থাপ মাৰি ধৰিলে,— টনা-আজোৰা লাগিল। এবাৰ পোহাৰীয়ে বকি বকি ঠোৰটো এৰি দিয়াত,—বাবুজন চিটিকি মাটিত পৰি গ'ল। ৰায়চৌধুৰী ঘটনাৰ গতি দেখি বিছনাতে থিয় হ'ল। বাবুজনে দেখো আকৌ উঠি আহি বহি থকা পোহাৰীজনীক কপালতে

পিন্ধা জোতাৰে এক গোৰ দিলে। পোহাৰীয়ে দুয়ো হাতেৰে কপালখন মচিবলৈ ললে। ৰায়চৌধুৰীয়ে লৰি গৈ, কথা নাই বাৰ্তা নাই, বাবুজনক ধাৰাবাৰে ঘুচিয়াবলৈ ধৰিলে। বাবুজনে পলাই জাহাজত উঠিবলৈ ধৰিছিল। পানীৰ বলিতে অম্বিকাগিৰীয়ে আৰু এজাউৰি ঘোচা সোধালে। দুয়ো গৈ জাহাজত উঠিল। হৈ চৈ লাগি গ'ল। জাহাজৰ কেপ্টেইনজন আছিল এজন ইংৰাজ। যাত্ৰীৰ মাজৰ কাজিয়া। তেওঁ এখন বিচাৰ পাতিলে। বিচাৰত ওলাই পৰিল বাবুজনে পকা অমিতাটোৰ এসিকি মূল্যৰ ঠাইত চৰভীয়া এটা পোহাৰীৰ গালে দলিয়াই দি যাব খোজোতে পোহাৰীয়ে ধুতিৰ ঠোৰত খাপ মাৰি ধৰে। উচিত মূল্য তেতিয়াও নোপোৱাত শাও-শপনি পাৰি ধুতিৰ ঠোৰ এৰি দিয়ে, বাবু চিং ভোলোঙা দি পৰে। সেই অপমানতে বাবুই পিন্ধি থকা জোতাৰে পোহাৰীৰ কপালত গুৰিয়াই তেজ উলিয়ায়। বিচাৰ মতে বাবুৰ পাঁচ টকা জৰিমনা হ'ল আৰু পোহাৰীক ক্ষমা খুজিব লগা হ'ল। পোহাৰীয়ে অম্বিকাগিৰীক হাতে-মুখে চুমা খাই পকা কল একাশী দি গ'ল। এৰ বছৰীয়া ৰায়চৌধুৰীৰ জয় যাত্ৰা এনেকৈয়ে আৰম্ভ হৈছিল, ব্যক্তিত্বৰ তাৰণাত অসাধাৰণ সাহসেৰে।

গুৱাহাটীলৈ আহি ৰায়চৌধুৰীদেৱে সোণাৰাম হাইস্কুলত নাম লিখে। ছাত্ৰাৱস্থাতে ভৰবাৰিষা পানীত পৰা বঙালী ছোৱালী এজনীক বান্ধি থোৱা জাহাজৰ তলিত সোমাওঁ সোমাওঁ হওঁতেই নিজৰ জীৱন বিপন্ন কৰি কথমপি ৰক্ষা কৰে। গুৱাহাটীত থাকোতে ছাত্ৰাৱস্থাত আৰু এটা মৰসাহসৰ কাম সম্পাদন কৰে। এদিন লুইতত লগৰীয়া কেইজনমানেৰে গা ধুবলৈ লওঁতে এজন বাঁহ-খেৰৰ বেপাৰীয়ে হেঁপাই-কোঁপাই লৰাইঁতক ক'লেহি বোলে এখন বেপেৰুৱা নাৱে, নাৱৰে এজন ডেকা ল'ৰাৰ হাইজা লগাত কামাখ্যা পাহাৰৰ নামনিৰ আন্ধাৰ আলিতে দলিয়াই থৈ, নাও পাল তৰি ভাটি মুৰা হ'ল। লৰাটোৱে পিয়াহত আৰু অসুখত ছটফট্‌ কৰিছে। তাকে দেখি ওপৰত শগুণ এজাকে উৰিব ধৰিছে। অস্থিৰ হৈ পৰিল অম্বিকাগিৰীৰ মন, স্কুললৈ যাবৰ পৰ হোৱাত লগৰ ল'ৰাবোৰ যাবলৈ মান্তি নহ'ল। তেওঁলোকে পাণবজাৰ ঘাটত গা ধুই আছিল। তাৰ পৰা আন্ধাৰ বালি ভালেখিনি দূৰ— তাতে পকা বালিৰে যোৱাহে চমু বাট। কিন্তু

পঞ্চা বালিত খোজ কাঢ়ি যাবলৈ টান, লৰি যাবলৈ আৰু টান। তথাপিতো লগৰ লগৰীক তাতে এৰি, ৰায়চৌধুৰী লৰি গ'ল, আন্ধাৰ বালিৰ কালে পানীখুঁৱলিৰ কিনাৰেৰে, অষ্ঠ কণ্ঠ শুকাই ভাগৰি-জোগৰি ৰায়চৌধুৰীয়ে বেমাৰী ডেকাজনক দেখিলেগৈ। বেচেৰীয়ে চুঁচৰি চুঁচৰি পানী খুঁৱলি পাওঁ পাওঁ হৈছে। হাইজা ৰোগীৰ উৎকট পানীৰ পিয়াহ লাগে। ৰায়চৌধুৰীয়ে প্ৰথমে মাটিৰ চপৰা মাৰি ওপৰত উৰিফুৰা শগুণজাক আঁতৰালে। ডেকাজনক গু-মুত-বমি ধুই-পখালি নিকাকৈ ল'লে। তাক কেইচলুমান পানীও মুখত দিলে। গা ধুই উঠি পিন্ধিবলৈ অনা ধুতিখনকে বেমাৰীৰ গাত লেটিয়াই দি, কান্ধত লৈ, থিয় গৰা উঠি পকী আলিৰে তেতিয়াৰ গুৱাহাটীৰ পশ্চিম প্ৰান্ত ভৰলুমুখৰ, এতিয়াৰ শ্মশানৰ গাতে পতা কলেৰা হস্পিতালৰ নামত, কেইটামান খেৰৰ জুপুৰিৰ ঘৰ এটাত সাৰি পুছি চাফকৈ লৈ বেমাৰীক থলেহি। এটা মাটিৰ মাদি জোগাৰ কৈ এঘৰৰ পৰা পানী যোগাৰ কৈ বেমাৰীৰ ওচৰত থলে। এজন নিশা পৰ দিবলৈ মানুহ যোগাৰ কৰিলে। এইবাৰ বেমাৰীৰ চিকিৎসাৰ বাবে স্বয়ং হৰেকৃষ্ণ দাস ডাক্তৰৰ কাষত উপস্থিত হ'ল। ডঃ হৰেকৃষ্ণ দাসো এগৰাকী সদাশয় লোক আছিল। ৰায়চৌধুৰীৰ আতুৰণি আৰু আন্তৰিকতাত সঁহাৰি জনালে। দিহনাবীৰ দৰে দুয়ো সেৱা-শুশ্ৰূষা কৰি বেমাৰীক ভালকৈ পেলালে। মৰা মানুহ জী উঠিল। ৰায়চৌধুৰীৰ স্বকীয়া ব্যক্তিত্ব নথকা হ'লে এনে মৰসাহ কৰিবলৈ মানুহ পোৱা টান।

ৰায়চৌধুৰীদেৱে এটা কবিতাত লিখিছে,—"মই বিপ্লৱী, মই তাণ্ডৱী"। ৰায়চৌধুৰীদেৱৰ দেৱতা আছিল মানুহ আৰু দেশ মাতৃকা। "বিদ্যুৎ বাণী"ত (২২ পৃষ্ঠা,) ৰায়চৌধুৰীদেৱে লিখি থৈ গৈছে—"মৃত্যুক ভয় কৰিলে জীৱনৰ সৌন্দৰ্য ফুটি নুঠে। মৃত্যুক আলিঙ্গন কৰিবলৈকে আনন্দেৰে লৈ থকা প্ৰস্তুতিৰেহে মহান জীৱনৰ অধিকাৰী হ'ব পাৰি। দেশৰ সেৱাত, জাতিৰ সেৱাক, আঁতুৰৰ সেৱাত, মানৱীয়তাৰ সেৱাত দ্বিধাশূন্য নিৰ্ভীক সাহসিকভাৱে জীৱন উছৰ্গা কৰাটোৱেই এই প্ৰস্তুতি।" হক কথাত মৃত্যুক আলিঙ্গন ৰায়চৌধুৰীদেৱৰ ব্যক্তিত্বৰ এক জ্বলন্ত নিদৰ্শন। প্ৰথমবাৰ ঘৰৰ পৰা ওলাই আঠৌতে পলাশবাৰী জাহাজঘাটত সামান্য পোহাৰী এজনীক

বাবু একজনে অন্যায় বৰাৰ প্ৰতিবাদত ঘোচাবর্ষণ, নিজৰ জীৱন বিপন্ন কৰি বুক বুক সক ছোৱালীক লুইতৰ প্ৰবল সোঁতৰ পৰা ৰক্ষা কৰা, মৃত্যু-মুখী-হাইজা লগা ৰেমাৰীক অকলে শুশ্ৰূষা কৰি উদ্ধাৰ কৰা,— এইবোৰ উদাহৰণ ৰায়চৌধুৰীদেৱৰ মৃত্যুৰ সৈতে ভেটাভেটি। কিন্তু মৃত্যু ভয়লৈ তেওঁ অকণিকে ভ্ৰূক্ষেপ নকৰিলে। কুৰি শতিকাৰ প্ৰথম আৰু দ্বিতীয় দশকত চুবুৰীয়া বঙ্গদেশত বৃটিছ বিতাৰণৰ বাবে সন্ত্ৰাসবাদে গা কৰি উঠিছিল। গুলিবিদ্ধ কৰি, বোমা নিক্ষেপ কৰি বাটে-পথে অনেক বৃটিছক মৰা হৈছিল। সেই উগ্ৰতাৰ খলকনিয়ে ৰায়চৌধুৰীদেৱৰ কর্ণগহ্বৰতো প্ৰৱেশ কৰিলে। অম্বিকাগিৰীয়ে সন্ত্ৰাসবাদী দল গুৱাহাটীতো গঠন কৰিলে। গুৱাহাটীৰ ইংৰাজ প্ৰমোদ ভৱন "ইউৰোপীয়ান ক্লাব"— জনসাধাৰণৰ "আড্ডা বাংলা" চ'ত মহীয়া ধুমুহাৰ অমাৱশ্যাৰ অমানিশা জুই লগাই ভস্মসাৎ কৰিলে। ১৯০৬ চনত তেওঁ গুৱাহাটীৰ পৰা ৬ মাইল আঁতৰত শ্বিলং ৰোডৰ ওপৰত এটা ডিনেমাইট পুতিছিল, সেই সময়ত পূর্ব বঙ্গ আৰু অসমৰ চুবলীয়া লাট ছাৰ বেম্‌ফিল্ড ফুলাৰ চাহাবক হত্যা কৰিবৰ কাৰণে। সময়মতে ডিনেমাইটটো নুফুটিল।

সর্বশেষত অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ দেশসেৱাৰ যি নিৰ্বিবিল ব্যক্তিত্ব তাৰ চুৰাৰ কথাৰে এই প্ৰবন্ধৰ সামৰণি মৰা হ'ল। ভাৰতে স্বাধীনতা লাভৰ সময়ত দেশ বিভাজনৰ সময়ত 'গ্ৰুপিং' আঁচনিৰ জৰিয়তে অসমখনক পাকিস্তানৰ লগত সাঙোৰাৰ এটা কুচক্ৰান্ত চলিছিল। এই বিষয়ে অসমৰ তেতিয়াৰ মুখ্য মন্ত্ৰী গোপীনাথ বৰদলৈকে প্ৰমুখ্য কৰি অসমৰ নেতাসকলে গান্ধীজীৰ আশীৰ্বাদলৈ অসমক এই সর্বনশীয়া ঘৰপতাৰ পৰা ৰক্ষা কৰাৰ কথা সর্বজনবিদিত। কিন্তু ৰায়চৌধুৰীদেৱ তেতিয়া নিতাল মাৰি আছিলনে? তেখেতে অকংশৰীয়াভাৱে যে মহৎ এটা অৰিহণা আগবঢ়াই গ'ল,— এই কথা কিন্তু তেনেভাৱে সদৰি নহ'ল। তেখেত আছিল এজন সাংবাদিক আৰু সংবাদ মাধ্যম যে জনসংযোগৰ বলিষ্ঠ মাধ্যম তাক তেখেতে ভালদৰে হৃদয়ঙ্গম কৰিছিল। বংগ দেশৰ পৰা প্ৰকাশিত হোৱা ইংৰাজী আৰু বঙলা বাতৰি কাকতসমূহ আছিল তেতিয়া অতি জনপ্ৰিয় আৰু নিৰ্ভীক। বংগ দেশৰ বাতৰি কাকতবোৰৰ সমালোচনাবোৰে

ভাৰতীয়ৰ অনন্ত চেতনা জাগৰিত কৰাত সিদ্ধহস্ত আছিল। ৰায়চৌধুৰী-দেৱে ব্যক্তিগত প্ৰেৰণাত কলিকতালৈ চাপলি মেলিলে অকলে। দুজন অসমীয়া ডেকাক ক'লে, "তুমহঁত দুটাৰ এটাই মোৰ লগত অলপ আজি কষ্ট কৰ্‌বা লাগ্‌বো। অসমখান যায়। আসাম পাকিস্তান হলি তুহঁতৰ মায়ে-পিতেৰ লগত নয়ো জিয়া চাহাবৰ ঘাঠিবোৰা জোতা চাফা কৰ্‌বা লাগবো। একদিন আমাৰ মণিৰাম দেৱানেও বাঙালীৰ সহায় বিচাৰি কলিকাতা পাইছিল, আসামখান ৰক্ষা কৰ্‌বা। আজিময়ো আইছো বাঙালী কাগজৰ সম্পাদকৰ সহায় বিচাৰি। তাহঁন যদি মোক সহায় কৰে একবাৰ শেষ চেষ্টা দিম যাতে আসামখান গ্ৰুপিঙত নপৰে। নহলি বিদেশীয়ে আসামৰ সৰ্বনাশ কৰিছে এৰ্‌বো।"

ৰায়চৌধুৰীদেৱে বঙালী কাগজৰ সম্পাদকসকলক লগ ধৰিছে এৰিলে। সেইদিনাখন কলিকতীয়া শক্তিমান কাকতৰ সম্পাদকসকলে ৰায়চৌধুৰীৰ ব্যক্তিত্বত মোহিত হৈছিল। পিছদিনাখন বৰ হুৰফেৰে অসমীয়া প্ৰাণ ৰায়চৌধুৰীদেৱৰ বিবৃত্তি প্ৰকাশ কৰিছিল। ৰায়চৌধুৰীদেৱে বিশুদ্ধ বঙলা ভাষাৰে সম্পাদকসকলৰ সৈতে সলসলিয়াকৈ কথা পাতিছিল। তেখেতৰ ৰাজনৈতিক আৰু সাংস্কৃতিক দৰ্শনৰ সৈতে সম্পাদকসকল পৰিচিত হ'বলৈ পাই ধন্য মানিছিল। এজন সম্পাদকে এই বুলিও ৰায়চৌধুৰীদেৱক কৈছিল, "ৰায়চৌধুৰী মহাশয়, এতদিন আমৰা আপনাকে ভুল বুঝে 'ৰাঙাল খেদা' আন্দোলনেৰ হোঁতা বলে ভেবেছিলাম। আজকে বুঝলাম আপনি একজন অসমীয়া কবি দাৰ্শনিকেই নন, আপনি ভাৰত আত্মাৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰে একজন সত্যিকাৰ ভাৰতীয় হ'তে পেৰেছেন।" (শ্ৰীকমল নাৰায়ন চৌধুৰী প্ৰণীত, "হাঁহি-কান্দোনৰ মেলা' ৯৯-১০০ পৃষ্ঠা)

পৰিয়ালৰ লোকৰ পৰা শুনা এটা কাহিনী: এই শতাব্দীৰ দুই দশকত কবিগুৰু ৰবীন্দ্ৰনাথ আহিছিল গুৱাহাটীলৈ। আলহী হৈছিলহি জ্ঞানদাভিৰাম বৰুৱাৰ (জে. বৰুৱা) ঘৰত। বৰুৱাদেৱে ঠাকুৰ পৰিয়ালৰ সৈতে বৈবাহিক সম্বন্ধ ঘটায়। সেই যাত্ৰাত কবিগুৰুৱে গুৱাহাটীৰ জুবিলী বাগিচাত অনুষ্ঠুপীয়া ৰাজহুৱা সভা এখনত ভাষণ দিয়ে। বৰুৱাদেৱৰ ঘৰতো নগৰৰ গণ্যমান্য ব্যক্তিসকলৰ সাক্ষাতকাৰৰ আয়োজন কৰা হৈছিল। অম্বিকাগিৰী ৰায়চৌধুৰীদেৱেও সেই সাক্ষাতকাৰলৈ নিমন্ত্ৰণ পায়, —বোধহয় অধ্যক্ষ জে. বৰুৱাদেৱৰ আগ্ৰহত।

বৰুৱাদেৱৰ আছিল বহল কোঠা। এটাত এখন মাত্র চকি, সমুখত গালিচা পৰা। কবিগুৰুৱে আসন গ্ৰহণ কৰিছিল সেই চকিখনত। ৰবীন্দ্র প্ৰেমী লোকসকলে আসন গ্ৰহণ কৰিলে মজিয়াত পৰা গালিচাখনত।

ৰায়চৌধুৰীদেৱ সোমাই গ'ল সেই কোঠাটোলৈ, কিন্তু তেওঁ গালিচাত আসন গ্ৰহণ নকৰি থমকি দণ্ডায়মান হৈ ৰ'ল কিছুসময়। ৰায়চৌধুৰীদেৱ চকুত পৰিল গৃহস্থ বৰুৱাদেৱৰ। চতুৰ বৰুৱাদেৱে পৰিস্থিতি তৎক্ষণাৎ উপলব্ধি কৰিলে। লৰালৰিকৈ কোঠাটোত আৰু এখন চকি পাৰি দিলে। তেতিয়াহে ৰায়চৌধুৰীদেৱে আসন গ্ৰহণ কৰি কবিগুৰুৰে আলাপ আলোচনাত প্ৰবৃত্ত হ'ল। এয়া ৰায়চৌধুৰীদেৱৰ অহংকাৰ নহয়— গুৰুজনাৰ পৰিয়ালৰ ৰামৰায়ৰ বংশধৰৰ ব্যক্তিত্বহে—

ৰায়চৌধুৰীদেৱৰ গত ব্যক্তিত্বই ভালদৰে লক্ষিছিল। এই ব্যক্তিত্ব—

"একেলগে তুমি শান্ত, ৰুদ্র
সুপ্ত, জাগ্ৰত, বিৰাট, ক্ষুদ্র
কঠিন, কোমল
মলিন, বিমল
অধঃ আৰু উৰ্দ্ধ।" (বাণী বিদ্যুৎ, ৫৬ পৃষ্ঠা)

অহৰহ এই ব্যক্তিত্বই ৰায়চৌধুৰীদেৱক ঘূৰ্ণিয়াই ফুৰাইছিল। তেওঁ লিখি থৈ গৈছে:

"আহিছিলোঁ
কিবা এটা হ'ম বুলি —
আন কিবা এটা হ'লোঁ,
হাঁহিছিলো
বেদনাত পল তুলি
বেদনাতে পমি গলোঁ।" (বাণী বিদ্যুৎ, ৫৯ পৃষ্ঠা)

ৰায় চৌধুৰীদেৱৰ ব্যক্তিত্বই মানবীয়তা।

"সকলোতকৈ জীৱন শ্ৰেষ্ঠ
তত বাদে একো সত্য নাই
সেই জীৱনৰে জেউতি চৰায়,
বিৰাট বিশাল মানৱতাই।
মানবীয়তাত জীৱন জাগে,
অমানবীয়তত জীৱন ক্ষয় হয়।"

(বাণী বিদ্যুৎ, ৫৫ পৃষ্ঠা)

ৰায়চৌধুৰীৰ জীৱন ঃ এটা সাঁথৰ

সতীশ চন্দ্ৰ কাকতী

বিগত এশ বছৰৰ কালছোৱাত অসমৰ যিসকল ব্যক্তিয়ে দেশৰ বিশেষকৈ অসমৰ জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা যোগাইছিল, তেওঁলোকক ভিন ভিন গোষ্ঠীৰ লোক বা অনুষ্ঠানে ভিন ভিন ৰূপত প্ৰশংসা বা সমালোচনা কৰিছিল। যিসকলে দেশৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি নানাভাৱে ত্যাগ কৰিছিল আৰু বিদেশী চৰকাৰৰ ৰোষত পৰি জেল, জৰিমনা আদিৰে হাৰাশাস্তি হৈছিল, ৰাইজে তেনে লোকক 'দেশভক্ত', 'কৰ্মবীৰ', 'দেশপ্ৰাণ', 'লোকপ্ৰিয়', ত্যাগবীৰ', 'লোকনায়ক' আদি বিশেষণমূলক শব্দেৰে তেওঁলোকৰ দেশপ্ৰেম স্বীকাৰ কৰিছিল। সেইদৰে অসমীয়া ভাষা-সাহিত্যলৈ অৰিহণা যোগান ধৰোতা-সকলক 'সাহিত্যৰথী', 'ৰসৰাজ', 'ধ্বনি কবি', 'বকুল বনৰ কবি' আদিৰে প্ৰশংসা কৰা হৈছে; শেহতীয়াকৈ, অসম সাহিত্য সভাই কেইগৰাকীমান সাহিত্যিকক 'সাহিত্যাচাৰ্য' উপাধিৰে সন্মান কৰিছে। নাট্য, সংগীত, কলা-কৃষ্টিৰ ক্ষেত্ৰত যি চামে উল্লেখযোগ্য সেৱা আগবঢ়াইছে, তেওঁলোকক নাট্যাচাৰ্য', 'নটসূৰ্য', 'কলাগুৰু' আদি প্ৰশংসাসূচক শব্দেৰে সেৱাৰ স্বীকৃতি দিছে। এওঁলোকৰ ভিতৰৰ যিজন সাহিত্যিক, তেওঁ সাহিত্যসেৱীৰ দ্বাৰাহে সমাদৃত হৈছে; আন গোষ্ঠীৰ দ্বাৰা তেনেভাৱে সমাদৃত হোৱা নাই। কোনো জনে দেশপ্ৰেমৰ পৰম চিনাকি যদি দিছিল, সেইজনে সাহিত্যিক গোষ্ঠীত হয়তো উচ্চ স্থান পোৱা নাই, পাইছে মুক্তি-যুঁজাৰু মহলত। সেইদৰে সাংবাদিকে সাংবাদিক মহলত, সমাজ সংগঠকে সমাজ সংগঠকৰ শ্ৰেণীত সন্মান পাইছে। মাত্ৰ অসমৰ দুজন বিশিষ্ট ব্যক্তিৰ ক্ষেত্ৰত তাৰ ব্যতিক্ৰম দেখা যায় অৰ্থাৎ এই দুজনক বিদ্ৰোহী, মুক্তি-যুঁজাৰু, সাহিত্যিক, গীতিকাৰ,

সাংবাদিক আৰু সংগঠন বুলিব পাৰি একধাৰে। এওঁলোকৰ এজন অম্বিকাগিৰী ৰায়চৌধুৰী আৰু আনজন জ্যোতিপ্ৰসাদ আগৰৱালা।

স্বাধীনতা যুঁজত অম্বিকাগিৰী ৰায়চৌধুৰীৰ ভূমিকাৰ মূল্যাঙ্কন কৰিলে মুক্তি-যুঁজাৰুসকলে তেওঁৰ দেশপ্ৰেম অস্বীকাৰ কৰিব নোৱাৰে। ১৯০৫ চনত আৰম্ভ হোৱা বংগ ভংগ আন্দোলনৰ সময়ৰ পৰা গান্ধীজীৰ নেতৃত্বত পৰিচালিত স্বাধীনতাৰ ৰণত ১৯২১ চনৰ পৰা ১৯৩০ চনলৈ ৰায়চৌধুৰী আছিল অসমৰ এজন আগশাৰীৰ বিপ্লৱী মুক্তিযোদ্ধা। স্কুলীয়া ছাত্ৰ হিচাপেই তেওঁ বিদেশী আমোলৰ বিৰুদ্ধে থিয় হ'বলৈ মানসিক প্ৰস্তুতি কৰিছিল যাৰ ফল স্বৰূপে বিদেশী চৰকাৰৰ কোপত পৰি শিক্ষাৰ ক্ষেত্ৰত তেওঁ আগ বাঢ়িব নোৱাৰিছিল। বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষাৰ পৰা ৰায়-চৌধুৰী বঞ্চিত হ'ব লগাত পৰিছিল যদিও, তেওঁৰ দেশাত্মবোধ আৰু স্বাধীনতা যুদ্ধৰ বাবে ভূমিকা ব্যাহত হোৱা নাছিল ; বৰঞ্চ, তেওঁৰ যৌৱনসুলভ ঐকান্তিকতাৰে দেশ-মাতৃকাৰ বেদীত জঁাপ দি পৰিছিল। তেওঁৰ যৌৱনৰ উদ্দাত্ত মনত বিদ্ৰোহৰ জুই প্ৰজ্বলিত হৈছিল।

মন কৰিবলগীয়া যে লৰ্ড কাৰ্জনৰ বংগ ভংগ অঁাচনিৰ প্ৰতিক্ৰিয়া হিচাপে ১৯০৫ চনত বংগদেশত এচাম উগ্ৰ দেশপ্ৰেমী ডেকাই সন্ত্ৰাসবাদৰ নীতি গ্ৰহণ কৰি ভাৰতৰ স্বাধীনতা যুদ্ধত জঁপিয়াই পৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে সাম্ৰাজ্যবাদী বৃটিছে ভাৰতবাসীৰ হাতত আনকি আংশিকভাৱেও ক্ষমতা হস্তান্তৰ কৰিবলৈ আগ্ৰহী নাছিল। এই চাম দেশ প্ৰেমিকৰ বিচাৰ-বিবেচনাত ভাৰতৰ স্বাধীনতা লাভৰ বাবে সন্ত্ৰাসবাদৰ বিকল্প ব্যৱস্থা নাছিল। অৱশ্যে তাৰ পূৰ্বেও মহাৰাষ্ট্ৰ আৰু পঞ্জাৱত দেশৰ স্বাধীনতাৰ বাবে সন্ত্ৰাসবাদক এচাম উগ্ৰ দেশপ্ৰেমীয়ে আহিলা হিচাপে গ্ৰহণ কৰিছিল আৰু তাৰ শাখা-প্ৰশাখা বিদেশতো স্থাপন কৰিছিল। ১৯০৮ চনলৈ সন্ত্ৰাসবাদ অসমত স্বাধীনতা লাভৰ আহিলা হিচাপে প্ৰৱেশ কৰা নাছিল। কিন্তু বংগ ভংগ আন্দোলনৰ পৰিপ্ৰেক্ষিতত যেতিয়া স্বদেশী আন্দোলন আৰু সন্ত্ৰাসবাদ বংগদেশত তীব্ৰ হৈছিল, তেতিয়া অসমেও তাৰ প্ৰভাৱত নপৰাকৈ থকা নাছিল। অৱশ্যে এই নীতি গ্ৰহণ কৰি-বলৈ অসমত বেছি সংখ্যক যুৱক ওলাই অহা নাছিল। যিকেইজনে

সন্ত্ৰাসবাদ মানি গোপন কাৰ্যত লিপ্ত হৈছিল তাৰ ভিতৰত কিন্তু অম্বিকা-গিৰী ৰায়চৌধুৰী আছিল অন্যতম। তেওঁৰ সংগী হিচাপে আন চাৰিজনমান অসমীয়া ডেকা আছিল আৰু এই চাম অসমৰ 'এনাৰ্কিষ্ট' দল বুলি জনাজাত আছিল যাৰ ফলত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ৰাজঘৰৰ কোপত পৰি নিজা চহৰ বৰপেটাত প্ৰায় সাত বছৰ কাল অন্তৰীণ বন্দী হিচাপে দিন কটাব লগাত পৰিছিল। সেই সময়চোৱাত (১৯০৮-১৫) তেওঁ কেবাখনো নাট-নাটিকা লিখিছিল আৰু সাহিত্য-চৰ্চা কৰাত মনোযোগ দিছিল, কিন্তু তেওঁৰ সাহিত্য-কবিতা, নাট আদিত স্বদেশ প্ৰেমৰ ধ্বনিহে প্ৰতিধ্বনিত হৈছিল। সেইবাবে তেওঁ এজন বিদ্ৰোহী বুলি জনাজাত।

কংগ্ৰেছ মহাসভাত গান্ধীজীৰ নেতৃত্ব আৰম্ভ হোৱাৰ লগে লগে ৰায়-চৌধুৰীৰ ৰাজনৈতিক মতবাদত আকস্মিক পৰিবৰ্তন হয় আৰু মহাত্মাৰ অহিংসা নীতিক তেওঁ সম্পূৰ্ণভাৱে গ্ৰহণ কৰি কংগ্ৰেছৰ এজন নিষ্ঠাবান কৰ্মী হয়। ১৯২১ চনৰ অসহযোগ আন্দোলনত কাৰাবৰণ কৰা কৰ্মী-সকলৰ ভিতৰত অম্বিকাগিৰী আছিল আনজন। ১৯২১ চনৰ ২১ জানুৱাৰীত গ্ৰেপ্তাৰ বৰণ কৰি তেওঁ ছমাহ সশ্ৰম দণ্ডেৰে দণ্ডিত হয় আৰু এশ টকা জৰিমনা দিবলৈ হাকিমে তেওঁক হুকুম দিয়ে; লগতে ভাৰতীয় দণ্ডবিধি আইনৰ আন দুটা বিধানমতে সুকীয়াকৈ দুশ টকাকৈ জৰিমনা দিবলৈ বিচাৰত হুকুম হয়। কিন্তু ৰায়চৌধুৰীয়ে জৰিমনা দিবলৈ ৰাজি নোহোৱাত তাৰ বিকল্প হিচাপে এবছৰ সশ্ৰম কাৰাদণ্ড ভুগিব-লগীয়া হয়। জেলত ঘানি-টনা আদি কঠোৰ সশ্ৰম দণ্ড ভুগিছিল।

ৰায়চৌধুৰীৰ কাৰাজীৱনে তেওঁৰ সাহিত্য সাধনা, বিশেষকৈ দেশপ্ৰেম-মূলক গীত ৰচনা কৰাত যথেষ্ট অনুপ্ৰেৰণা দিছিল। তেওঁৰ কবিতাত যেনেকৈ জাতীয় প্ৰেমৰ চৰম উৎসৰ চিনাকি পোৱা যায়, তেনেকৈ ৰায় চৌধুৰীৰ কাব্যত আধ্যাত্মিকতাবাদ আৰু অতীন্দ্ৰিয়বাদো প্ৰকাশ পাইছিল। তেওঁৰ ৰচিত 'শংখধ্বনি', 'Songs of the Cell' (ড° বাণীকান্ত কাকতিৰ দ্বাৰা অসমীয়াৰ পৰা ইংৰাজীত অনূদিত) আৰু আন বহুতো কবিতা, প্ৰবন্ধই ৰায়চৌধুৰীৰ দেশপ্ৰেমৰ জ্বলন্ত প্ৰমাণ দিয়ে। সেইবাবে তেওঁ যে এজন সংগ্ৰামী নপ্ৰবী, উগ্ৰ জাতীয়তাবাদী আছিল তাক খি কোনো মহলে স্বীকাৰ নকৰি নোৱাৰে। ১৯৫০ চনলৈ ৰায়চৌধুৰীয়ে প্ৰায়

পঁচিশ বছৰ কাল প্ৰথমতে সন্ত্ৰাসবাদী তাৰ পাছত পৰম গান্ধীবাদী হিচাপে স্বাধীনতা আন্দোলনত একাগ্ৰচিত্তে লাগি আছিল। ১৯৩০-৩২ ত অসহযোগৰ আন্দোলনৰ উত্তৰ কালত তেওঁ কংগ্ৰেছৰ সক্ৰিয় সদস্য নাছিল; কিন্তু কংগ্ৰেছ আৰু গান্ধীজীৰ আদৰ্শ তথা দেশৰ স্বাধীনতা যুদ্ধৰ পৰা যে ৰায়চৌধুৰী আঁতৰি গৈছিল তেনে নহয়, গান্ধীজীৰ আদৰ্শ আৰু কংগ্ৰেছৰ উদ্দেশ্যত তেওঁ পৰম বিশ্বাসী হৈ দেশসেৱাত আজীৱন লাগি আছিল। সেইকাৰণে মুক্তি-যুঁজাৰুসকলৰ মানত অগ্নিকাগিৰী ৰায়চৌধুৰী আছিল এজন সংগ্ৰামী নেতা, যদিও তেওঁৰ সমসাময়িক দেশ-সেৱকসকলৰ দৰে নেতৃত্বৰ চানেকি হিচাপে কোনো উপাধিৰে তেওঁ স্বীকৃত হোৱা নাছিল। ভাৰত চৰকাৰৰ দ্বাৰা গৃহীত স্বাধীনতা সৈনিকে মুক্তি-যুদ্ধত তেওঁলোকৰ ত্যাগ আৰু ভূমিকাৰ স্বীকৃতি স্বৰূপে চৰকাৰৰ তাম্ৰপত্ৰ আৰু মুক্তি-যুঁজাৰু পেঞ্চন তেওঁ ভোগ কৰিব নোৱাৰিলে, কাৰণ এই আঁচনি তেওঁৰ মৰণোত্তৰ কালতহে প্ৰৱৰ্তন কৰা হয়। তথাপি ৰায়চৌধুৰীৰ পত্নীলৈ এই পেঞ্চনৰ সুবিধা চৰকাৰৰ পক্ষৰ পৰা দিয়া হৈছে।

ৰায়চৌধুৰীৰ ৰাজনৈতিক জীৱন বিশ্লেষণ কৰিলে দেখা যায় যে এই শতিকাৰ তৃতীয় দশকত তেওঁৰ দৰ্শন কিছু পৰিমাণে পৰিৱৰ্তন হয়। মন কৰিবলগীয়া যে বৃটিছ আমোলত গুৰিতে অসমীয়া ভাষা আৰু সাহিত্যৰ যি সংকট হৈছিল আৰু বৃটিছৰ ভাষা নীতিৰ ফলস্বৰূপে অসমত অসমীয়া ভাষা শিক্ষানুষ্ঠান আৰু কাছাৰী ঘৰৰ ব্যৱহৃত ভাষা হিচাপে এলাগী হৈ পৰিছিল, সেইদৰে অসমৰ প্ৰশাসন, ভাৰত চৰকাৰৰ দপ্তৰ-সমূহ আৰু বৃটিছ-চলিত চাহ বাগিচা, তেল কোম্পানী, জাহাজ কোম্পানী আদিত অনা-অসমীয়াৰ প্ৰভুত্ব গজগজীয়া হৈছিল অৰ্থাৎ শিক্ষিত অসমীয়া ডেকা শ্বিলঙৰ চৰকাৰী সচিবালয়, ডাক-তাঁৰ, ৰেল, জাহাজ আদিৰ চাকৰিত বিমুখ হৈছিল। এনে পৰিস্থিতিত, ৰায়চৌধুৰী ডাঙৰীয়াই অসমৰ ন্যায্য দাবী বিশেষকৈ চাকৰিত অসমীয়া ডেকাৰ নিযুক্তি আদিৰ বিষয়টোত অতি গুৰুত্ব দিছিল, গুৰুত্ব দি, অসম সংৰক্ষিণী সভা আৰু পাছত অসম জাতীয় মহা সভা নামৰ সংগঠন গঢ়ি তুলিছিল। কিন্তু ৰায়চৌধুৰীয়ে 'অসম অসমীয়াৰ', 'ছিলেট-বিচ্ছেদ' আদি বিষয়ৰ আন্দোলন কৰিছিল, এই আন্দোলনবোৰক

তেওঁ কংগ্ৰেছৰ মহান ঐতিহ্য বা ভাৰতৰ স্বাধীনতাৰ বিৰোধী বুলি ভবা নাছিল। তেওঁৰ দৰ্শন মতে প্ৰত্যেক প্ৰদেশৰ (বৰ্ত্তমান ৰাজ্য) স্বাৰ্থ সৰ্বভাৰতীয় স্বাৰ্থৰ পৰিপন্থী নাছিল; বৰঞ্চ ইটো আনটোৰ পৰিপূৰক আছিল। এই মতবাদক তেওঁৰ সমালোচক বৃন্দই কটু সমালোচনা কৰিছিল। কিন্তু ৰায়চৌধুৰীয়ে তাৰ প্ৰতি ভ্ৰূক্ষেপ কৰা নাছিল আৰু তেওঁ অকলে অসমৰ তেতিয়াৰ পৰিস্থিতিত প্ৰদেশখনক বহিৰাগতৰ পৰা ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিছিল। বহিৰাগতৰ অৰ্থত তেওঁ একালে পমুৱাক আমদানি কৰি অসমীয়াৰ সামাজিক আৰু ৰাজনৈতিক জীৱন যেনেকৈ পৰম বিৰোধী কাৰ্য বুলি ভাবিছিল, সেইদৰে পমুৱা অৰ্থাৎ ৰংপুৰ, মৈয়ানসিং আদিৰ পৰা অহা মুছলমান আমদানিৰ ফলত অসমৰ ভৱিষ্যতত চৰম বিপদ হ'ব বুলি অনুমান কৰিছিল; সেইদৰে ভাৰতৰ আন প্ৰদেশৰ লোক আহি অসমৰ বিভিন্ন দিশ বিপদাপন্ন হোৱাৰ ভয়াবহ পৰিণতি হ'ব বুলি আশঙ্কা কৰিছিল।

ৰায়চৌধুৰীৰ এই মতবাদক সৰ্বভাৰতীয় দৃষ্টিৰে অসমৰ কেবাজনো কংগ্ৰেছ নেতাই চৰম প্ৰাদেশিকতা বুলি ভাবিছিল। এই চাম সমালোচকে নিষ্ঠাৰে ভাবিছিল যে প্ৰাদেশিকতাবোধ ভাৰতৰ মুক্তি-সংগ্ৰামৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভাৰতীয় জাতীয়তাবোধৰ লগত সংগতিপূৰ্ণ নাছিল। কিন্তু মনত ৰখলগীয়া যে অম্বিকাগিৰী ৰায়চৌধুৰীৰ অসমীয়াৰ স্বাৰ্থৰ প্ৰতি থকা প্ৰবল ধৰণৰ দৰ্শনৰ বাবে ৰাইজে তেওঁক 'অসম কেশৰী' বুলিহে জানিছিল। কোনো কোনোৱে ৰায়চৌধুৰীক 'অসম-হিটলাৰ' বুলি আখ্যা দিছিল। ১৯৫৫-৫৬ চনত অসম পুনৰ গঠনৰ সময়ত অসমৰ সীমা হ্ৰাস কৰাৰ বাবে, বিশেষকৈ গোৱালপাৰা জিলাক পশ্চিম বংগত চামিল কৰাৰ বাবে যি প্ৰচেষ্টা হৈছিল আৰু তাৰ পাছত অসম ভাঙি-ছিঙি ক্ষুদ্ৰ ৰাজ্যত ভাগ কৰাৰ যি প্ৰয়াস হৈছিল, তৰ পৰিস্থিতিত ৰায়চৌধুৰীৰ মৃত্যুৰ উত্তৰ কালত কংগ্ৰেছৰ এজন একনিষ্ঠ সেৱক অমিয়কুমাৰ দাসে অম্বিকাগিৰী ৰায়চৌধুৰীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে লিখা প্ৰবন্ধত এইদৰে লিখিছিল—"আজি অসমৰ পুনৰ সংগঠনৰ কথা ওলোৱাত যি পৰিস্থিতিৰ মাজেৰে আমি যাবলগীয়া হৈছে তালৈ চাই মোৰ মনলৈ ইংৰাজ কবি এজনৰ কবিতাৰ একাকি কথাৰ দৰে ক'বলৈ মন যায় —

"Thou shouldst be living at this hour.
Assam had need of thee...."

ৰায়চৌধুৰীৰ বৈ যোৱা সিৰেদি বৈ যোৱা তেজ যদি কোনোবাই বিশ্লেষণ কৰি চালেহেঁতেন, তেন্তে অসম আৰু অসমীয়ালৈ প্ৰেমৰ উপাদানেৰে তেওঁৰ তেজ গঠিত হোৱা বুলি পালেহেঁতেন। অসম আৰু অসমীয়াৰ কেনেকৈ ভাল হয়, এয়ে তেওঁৰ একমাত্ৰ ধ্যান আছিল।" অমিয়কুমাৰ দাস মুক্তি-যুঁজাৰুসকলৰ ভিতৰত এজন বিশিষ্ট ব্যক্তি আছিল আৰু তেওঁ প্ৰাক্ স্বাধীনতাৰ কালত কোনো প্ৰাদেশিকতাবাদৰ সমৰ্থক নাছিল; কিন্তু ৰায়চৌধুৰীৰ প্ৰয়াণৰ পাছত অমিয়কুমাৰ দাসেও (এওঁ 'লোকনায়ক' বুলি সম্প্ৰতি জনাজাত)। অম্বিকাগিৰীৰ 'ধ্যান' বা দৰ্শনৰ প্ৰতি শ্ৰদ্ধা দেখুৱাইছিল।

এই প্ৰসংগতে আন এটা দৃষ্টান্তও উল্লেখ কৰা প্ৰয়োজন। অসমীয়া জাতিৰ স্বাৰ্থ সংৰক্ষণত ৰায়চৌধুৰীৰ প্ৰচেষ্টা প্ৰকট হোৱা দেখি অবিভক্ত বংগদেশৰ বহুত লোক অতিষ্ঠ হৈছিল আৰু অম্বিকাগিৰী ৰায়চৌধুৰীক অসমত 'বঙাল খেদা আন্দোলনৰ' নেতা বুলি তীব্ৰ সমালোচনা কৰিছিল। আনকি বহু প্ৰচাৰত জাতীয়বাদী দৈনিক বাতৰিকাকত 'আনন্দ বজাৰ পত্ৰিকা' ই সম্পাদকীয় স্তম্ভত 'আসামে বঙাল খেদা আন্দোলন' শীৰ্ষক প্ৰবন্ধ লিখিছিল। এই সন্দৰ্ভত কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈকো সাঙুৰিছিল। তাৰ প্ৰত্যুত্তৰ স্বৰূপে কৰ্মবীৰ বৰদলৈয়ে আনন্দ বজাৰ পত্ৰিকালৈ এটা সুদীৰ্ঘ প্ৰবন্ধ পঠাইছিল। (১৯৩৪ চনত বোধহয় এই প্ৰবন্ধটো পঠাইছিল আৰু 'পত্ৰিকা'ৰ সম্পাদকে তাৰ পূৰ্ণপাঠ প্ৰকাশ কৰিছিল।) বৰদলৈদেৱে প্ৰবন্ধটোত যুক্তিৰে পত্ৰিকাৰ অভিযোগ খণ্ডন কৰি কৈছিল যে অসমত কোনো বঙাল খেদা আন্দোলন হোৱা নাছিল; যি আন্দোলন হৈছিল যি অসমীয়া জাতিৰ আত্মৰক্ষাৰহে আন্দোলন আছিল। ইয়াৰ পৰা দেখা যায় যে সৰ্বভাৰতীয় নেতা কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ লেখীয়া ব্যক্তিয়েও অম্বিকাগিৰী ৰায়চৌধুৰীৰ দৰ্শন তথা অসমীয়া জাতিৰ সংৰক্ষণৰ দৰ্শন সম্পূৰ্ণৰূপে সমৰ্থন কৰিছিল। প্ৰায় অৰ্দ্ধ শতাব্দী কালৰ পাছত ৰায়চৌধুৰীৰ দৰ্শন সমাদৃত হোৱা বুলি ক'লে অত্যুক্তি

কৰা নহয়। সেইবাবে তেওঁক সেই সময়তে যে 'অসম-কেশৰী' বুলি আখ্যা দিয়া হৈছিল সেই আখ্যাও মৰণোত্তৰভাৱে ৰায়চৌধুৰীৰ প্ৰাপ্য হিচাবে অসমৰ আগশাৰীৰ মুক্তি-যুঁজাৰুসকলক বাইজে 'দেশভক্ত', 'কৰ্মবীৰ', 'লোকপ্ৰিয়', 'লোকনায়ক' আদিৰে তেওঁলোকৰ দেশপ্ৰেমক স্বীকৃতি দিছে।

সংবাদিক মহলত অম্বিকাগিৰী ৰায়চৌধুৰীক এজন নিষ্ঠাবান সাংবাদিক বুলি স্বীকৃতি দিয়াৰ যথেষ্ট থল আছে। অৱশ্যে আধুনিক সাংবাদিকতাৰ মাপ কাঠিৰে তেওঁৰ সংবাদ-সেৱা বিচাৰ কৰিলে তেওঁ হয়তো সাংবাদিক হিচাপে পৰিগণিত ন'হব; কাৰণ বৰ্তমান সংবাদ-সেৱা যিভাৱে বৃত্তি হিচাপে গৃহীত হৈছে আৰু এই বৃত্তিত লিপ্ত ব্যক্তিসকলৰ আৰ্থিক সা-সুবিধা আইনৰ দ্বাৰা সুৰক্ষিত হৈছে, অম্বিকাগিৰীৰ বা তেওঁৰ সমসাময়িক সংবাদিকসকলৰ তেনে সা-সুবিধাতো নাছিলেই, বৰঞ্চ তেওঁ-লোকে বিদেশী কৰ্তৃপক্ষৰ হাতত নানাভাৱে লাঞ্ছিত হৈছিল। ৰায়চৌধুৰীৰ দ্বাৰা সম্পাদিত 'চেতনা' (১৯১৯-২৬) আছিল এখন মানবিশিষ্ট অসমীয়া ভাষাৰ মাহেকীয়া আলোচনী। এই আলোচনীৰ সম্পাদনাত অসমৰ 'প্ৰথমজন অসহযোগী' চন্দ্ৰনাথ শৰ্মাও জড়িত আছিল। স্বাভাৱিকতেই দুয়োজন মুক্তি-যুঁজাৰুৰ প্ৰচেষ্টাত 'চেতনা'ৰ সম্পাদকীয় আৰু প্ৰবন্ধ, কবিতা আদিত দেশপ্ৰেমমূলক সাহিত্যক অগ্ৰাধিকাৰ দিয়া হৈছিল। আলোচনীখন ৰায়চৌধুৰীৰ নিজা ছপাশাল 'অৰুণা প্ৰেছ'ত ছপা কৰা হৈছিল, যদিও তেওঁ নানা অসুবিধাৰ সন্মুখীন হৈছিল। তেওঁ কিন্তু অসুবিধা বা চৰকাৰৰ পীড়নত সেও মনা বিধৰ লোক নাছিল। 'চেতনা' বন্ধ হোৱাৰ পাছত ৰায়চৌধুৰীয়ে 'ডেকা অসম' নামৰ সাপ্তাহিক বাতৰি কাকত এখন উলিয়ায় নিজা অৰুণা প্ৰেছত। 'ডেকা অসম' নামটো তেওঁ গান্ধীজীৰ 'ইয়ং ইণ্ডিয়া' নামৰ বাতৰিখনৰ আৰ্হিতেই দিছিল আৰু 'ডেকা অসম'ৰ আকাৰো 'ইয়ং ইণ্ডিয়া' আকাৰৰ দৰে আছিল; জাননী প্ৰকাশ কৰি ধন ঘটাৰ প্ৰয়াসো ৰায়চৌধুৰীৰ নাছিল। দৰাচলতে 'ডেকা অসম', অসম সংৰক্ষিণী সভা, পাছত অসম জাতীয় মহাসভা নামৰ নিজা সংগঠন দুটাৰ মুখপাত্ৰ আছিল আৰু তাত তেওঁৰ দৰ্শন তথা অসমীয়া

জাতিৰ সংৰক্ষণৰ বিষয়টোত প্ৰাধান্য দিছিল। মন কৰিবলগীয়া যে ৰায়চৌধুৰীয়ে নিজে 'ডেকা অসম'ৰ সম্পাদক, মুদ্ৰক, কম্পোজিটৰ, বিলনীয়া সমন্বিতে সকলোখিনি কাম কৰিছিল আৰু মাজে সময়ে তেওঁৰ সীমিত পৰিয়ালবৰ্গৰ সাহায্য লৈছিল। কিন্তু বাতৰি কাকতখন যে নিয়মীয়া আছিল তেনে নহয়; তথাপি অসমৰ কোনো ঘাই সমস্যাৰ সৃষ্টি হ'লেই ধাৰ-ধুপাৰ কৰি 'ডেকা অসম'ৰ পাতখিলা প্ৰকাশ নকৰি নোৱাৰিছিল, কাৰণ তেওঁ আক্ষেপ কৰিছিল যে আন বাতৰি কাকতে তেওঁৰ বিবৃতি ছপা কৰাত কাৰ্পণ্য কৰিছিল। সি যি কি নহওক, অসমীয়া বাতৰি কাকতৰ ক্ষেত্ৰত ৰায়চৌধুৰীৰ ভূমিকা স্বীকাৰ্য আৰু তেওঁক এজন নিষ্ঠাবান সংবাদসেৱী বুলি সংবাদসেৱী জগতে মানি ল'ব লাগিব।

সাহিত্যিক হিচাপে অম্বিকাগিৰী ৰায়চৌধুৰীৰ মূল্যাঙ্কণ দীঘলীয়াভাৱে কৰিব পাৰি। তেওঁৰ দেশপ্ৰেমমূলক কবিতা, আধ্যাত্মিকভাবৰ কবিতা, মধুৰ ভাবৰ কবিতা আৰু বিভিন্ন বিষয়ে লেখা প্ৰবন্ধ সম্ভাৰে অসমীয়া ভাষা-সাহিত্য যিদৰে চহকী কৰিছে, সেইদৰে ৰাইজ আৰু ৰজাঘৰেও তাৰ স্বীকৃতি নিদিয়াকৈ থকা নাই। অসম সাহিত্য সভাৰ মাৰ্ঘেৰিটাত অনুষ্ঠিত বহুৰেকীয়া অধিবেশনত (১৯৫০) ৰায়চৌধুৰীয়ে সভাপতিত্ব কৰিছিল। সেইদৰে 'বেদনাৰ উল্কা' গ্ৰন্থৰ বাবে ভাৰত চৰকাৰৰ সাহিত্য একাডেমীৰ পৰা তেওঁ পুৰস্কাৰ লাভ কৰিছিল। ড° বাণীকান্ত কাকতিয়ে ৰায়চৌধুৰীৰ কাব্য-সাহিত্য অতি শ্ৰদ্ধাৰে প্ৰশংসা কৰিছিল আৰু ৰায়চৌধুৰীয়ে তেওঁৰ জেল-জীৱনৰ অভিজ্ঞতাৰে ৰচনা কৰা কবিতা সংকলনটো "Songs of the Cell" নামত ইংৰাজীতে অনুবাদ কৰিছিল। ৰায়চৌধুৰীক এনেভাৱে বিচাৰ কৰিলে স্বীকাৰ নকৰি নোৱাৰি যে তেওঁ এজন শীৰ্ষস্থানীয় সাহিত্যিক আছিল।

ৰায়চৌধুৰীৰ জীৱনৰ আটাইতকৈ উল্লেখনীয় বিষয়টো আছিল যে তেওঁ তেওঁৰ জীৱনৰ কোনো ঘটনা লুক-ঢাক নোহোৱাকৈ প্ৰকাশ কৰিছিল। ৰায়চৌধুৰীয়ে কোনো আত্মজীৱনী লিখা নাছিল, মাত্ৰ তেওঁৰ গুণমুগ্ধ বন্ধু-বান্ধৱৰ অনুৰোধত 'মোৰ ধুমুহাৰ এছাটি' শিতানত জীৱনৰ তিতা-কেঁহা অভিজ্ঞতাৰ বিৱৰণ আলোচনী আৰু বাতৰি কাকতত প্ৰকাশ কৰিছিল। তেওঁৰ বিখ্যাত 'তুমি' কাব্য পুথিৰ বাবে অনুপ্ৰেৰণা পাইছিল তেওঁৰ

যুৱকালত এজনী বঙালী যুৱতীৰ প্ৰেমত পৰা কাহিনীৰ পৰিপ্ৰেক্ষিতত। এই প্ৰেমৰ কাহিনীত বিফল মনোৰথ হোৱাত যে ৰায়চৌধুৰীয়ে আবেগত আত্মহত্যাৰ কথাকে ভাবিছিল, কিন্তু এই সিদ্ধান্তৰ পৰা বিৰত হ'বলগীয়াত পৰিছিল, কাৰণ তেওঁৰ মনলৈ দেশপ্ৰেমৰ অদমনীয় আদৰ্শ উপস্থিত হৈছিল। ৰায়চৌধুৰীৰ নিজৰ উক্তিমতে—"তত্তালিকে স্থিৰ কৰিলো—মোৰ দেশৰ স্বাধীন কৰা সংগঠনকো ৰাখিম আৰু তেওঁকো (অৰ্থাৎ তেওঁ প্ৰেমত পৰা পাণৰজাৰৰ বঙালী গাভৰুজনী) মোৰ লগে লগে ৰাখিম মোৰ কাৰ্যত প্ৰেৰণা দি থাকিবলৈ। কিন্তু কেনেকৈ, কি উপায়েৰে ? ব্যক্তি প্ৰেমতকৈ দেশপ্ৰেম মহীয়ান। দেশৰ আৰু জাতিৰ পৰাধীনতাত ব্যক্তিৰ সকলো ৰূপ, সকলো সৌন্দৰ্য, সকলো সম্পদ-মান নিষ্প্ৰভ-ম্লান"। ৰায়-চৌধুৰীয়ে "তোমাকো এৰিব নোৱাৰো, দেশসেৱাৰ মোৰ কৰ্মপন্থাও মই এৰিব নোৱাৰো" বুলি সিদ্ধান্ত কৰি প'ড়িত মনেৰে পিছদিনা পুৱাতেই ধৰোৱা দা এখনেৰে তেওঁৰ বাঁওহাতৰ কেঙা আঙুলিটোৰ এপাৰ কাটি, ছোৱালীজনীয়ে যে ৰায়চৌধুৰীৰ গীত ভাল পাইছিল বুলি এখন গোপন চিঠি দিছিল, সেই চিঠিখনৰ লগত তেওঁৰ কটা আঙুলিৰডোখৰ আৰু তেজুথিনি এটা ৰূপৰ টেমাত ছোৱালীজনীক গোপনে উপহাৰ দিছিল। ব্যক্তিগত জীৱনৰ এটা গোপন কাহিনী আৰু দেশপ্ৰেমৰ বাবে তেওঁৰ অপৰাজেয় সংকল্পৰ মাজত যি দ্বন্দ্ব হৈছিল, ৰায়চৌধুৰীয়ে দুয়ো ক্ষেত্ৰতে জয়ী হৈছিল বুলি ব্যাখ্যা কৰিব পাৰি, যদিও দেশপ্ৰেমক তেওঁ কিছু অগ্ৰাধিকাৰ দিছিল।

এই সন্দৰ্ভত কিন্তু উল্লেখ কৰিবলগীয়া দিশটো হৈছে ৰায়চৌধুৰীয়ে তেওঁৰ জীৱনৰ এই ঘটনাটো লুক-ঢাক নকৰাকৈ 'মোৰ জীৱনৰ ধুমুহাৰ এছাটি' শিতানৰ এলানি প্ৰবন্ধত ৰাইজৰ জ্ঞাতাৰ্থে, তেওঁৰ পৰিয়ালবৰ্গৰ আগত নিৰ্ভাজ ভাষাত প্ৰকাশ কৰিছিল। আমাৰ দেশত আত্মজীৱনী লেখাত কোনোবাই ৰায়চৌধুৰীৰ দৰে ব্যক্তিগত জীৱনৰ তেনে গোপন কথা প্ৰকাশ কৰাৰ নজিৰ আছে বুলি ক'ব নোৱাৰি। অৱশ্যে পাশ্চাত্য দেশৰ শীৰ্ষস্থানীয় ব্যক্তিসকলে 'অ'পেন ছ'চাইটী'ৰ নামত প্ৰেম বা তদ্ৰূপ ঘটনা প্ৰকাশ কৰি আত্মজীৱনী লেখা দেখা যায়। গান্ধীজী অৱশ্যে

আমাৰ দেশত তাৰ এজন ব্যতিক্ৰম ব্যক্তি আছিল যিজনে লুক-ঢাক নোহোৱাকৈ তেওঁৰ অভিজ্ঞতাৰ ভাল-বেয়া সকলো কথা 'মোৰ সত্য অন্বেষণৰ কাহিনী'ত (My Experiment with Truth) প্ৰকাশ কৰিছে। ৰায়চৌধুৰীৰ ব্যৰ্থ প্ৰেমৰ কাহিনীতে 'তুমি' কাব্য নামৰ মান বিশিষ্ট কিতাপখন সংকলন কৰিবলৈ প্ৰেৰণা লাভ কৰিছিল। লগতে তেওঁ যে জীৱনৰ ঘটনা প্ৰবাহৰ কোনো কথা গোপন কৰি ৰখা নাছিল তাৰ বিৱৰণ দি ৰায়চৌধুৰীয়ে লিখিছে :

"মই মোৰ জীৱনত কোনো সময়তেই কোনো ক্ষেত্ৰতেই লুক-ঢাককৈ কোনো চিন্তা আৰু কাম কৰা নাই। সাহিত্য, সামাজিক, ৰাজনৈতিক কোনো ক্ষেত্ৰতেই লুক-ঢাককৈ চলাটো অৰ্থাৎ ৰাজহুৱা জীৱনত ভিতৰত এটা আৰু বাহিৰত এটা বুলি দেখুওৱাটো আত্ম-চোৰৰ ব্যৱসায় বুলি মই ভাল নাপাওঁ। লোকৰঞ্জনকাৰিতা বা জনপ্ৰিয়তা অৰ্জন কৰালৈ দৃষ্টি ৰাখি অৰ্থাৎ কোনোবাই মোক ভাল বোলক বা মৰম কৰক বা ঘৃণা কৰক বুলি ভাবি চিন্তা আৰু কৰ্মপ্ৰবাহত চলা মোৰ ধাতু নহয়।" (এই উদ্ধৃতিটো 'তুমি' কাব্যৰ প্ৰেৰণা কি? শিতানত 'মোৰ ধুমুহাৰ এছাটি'ত ৰায়চৌধুৰীয়ে লিখা প্ৰবন্ধৰ পৰা দিয়া হ'ল।)

সন্দেহ নাই, অম্বিকাগিৰী একেধাৰে মুক্তি-যুঁজাৰু, কবি, সাহিত্যিক, নাট্যকাৰ, সঙ্গীতজ্ঞ আৰু গীতিকাৰ, সংবাদ-সেৱী আদি বুলি জনাজাত। কিন্তু তেওঁ যে এজন সৰ্বগুণী ব্যক্তি বা ভাৰ্চেটাইল পুৰুষ আছিল এনে নহয়। তথাপি ৰায়চৌধুৰীয়ে গধুৰ চিন্তাৰে আকাশ মাৰ্গত যে প্ৰধান শক্তিসমূহৰ মাজত আণবিক প্ৰতিযোগিতা হ'ব আৰু আকাশ মাৰ্গত সেই প্ৰতিযোগিতাৰ প্ৰতিধ্বনি উঠিব তাক ৰায়চৌধুৰীয়ে অনুভৱ কৰিছিল ; অনুভৱ কৰি, 'জগতৰ শেষ আদৰ্শ আৰু বিশ্ব-শান্তি স্থাপনৰ পথ' নামৰ এখন ক্ষুদ্ৰ পুস্তিকা প্ৰকাশ কৰিছিল আৰু তাৰ ইংৰাজী ভাঙনি "The final goal of man and lasting peace", নামেৰে উলিয়াই বিশ্বৰ শান্তিকামী বিশিষ্ট ব্যক্তিসকললৈ পঠিয়াইছিল। ১৯৬৩ চনত ড° বিৰিঞ্চিকুমাৰ বৰুৱা আমেৰিকাৰ ইণ্ডিয়ানা য়ুনিভাৰ্চিটিৰ Visiting Professor হিচাপে যোৱাত ৰায়চৌধুৰীয়ে ড° বৰুৱালৈ সেই

ক্ষুদ্ৰ পুস্তিকাখনৰ কিছুমান কপি পঠিয়াইছিল যাতে ড° বৰুৱাই নিউ ইয়র্কত ৰাষ্ট্ৰসংঘত মিলিত বিশ্বৰ নেতাসকলৰ মাজত পুস্তিকাখন বিতৰণ কৰে আৰু আনবিক সমৰ সজ্জা আৰু আকাশ মাৰ্গত বৃহৎ শক্তিবর্গৰ মাজৰ সম্ভাব্য প্ৰতিযোগিতা বন্ধ কৰি বিশ্বশান্তি সংৰক্ষণ কৰা হয়। ড° বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে পুস্তিকাখন সেইদৰে বিতৰণ কৰা হৈছে বুলি এই লেখকক জনাইছিল, যদিও সেই সময়ত ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহে আকাশ মাৰ্গত সম্প্ৰতি দেখা দিয়া সংকট বোধহয় অনুভৱ কৰিব পৰা নাছিল। ৰায়চৌধুৰীয়ে কিন্তু প্ৰায় পঁচিশ বছৰ আগতেই এনে সংকটৰ কথা অনুমান কৰিছিল।

সাংসাৰিক আৰু ৰাজহুৱা জীৱনটো অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাৰণে এটা সংঘাত আৰু সংগ্ৰামৰ জীৱন আছিল। ৰাজহুৱা জীৱনত তেওঁ যিদৰে আনৰ কটু সমালোচনা ভ্ৰূক্ষেপ নকৰি নিজৰ চিন্তাধাৰাত নিবিড়ভাৱে লাগি আছিল, সেই একেদৰে সাংসাৰিক জীৱনতো তেওঁ আৰ্থিক অনাটনক আওকাণ কৰি জীৱনযুদ্ধৰ ৰণ-থলিত পৰাজয় বৰণ কৰা বিধৰ মানুহ নাছিল। তথাপি তেওঁৰ সন্তান-সন্ততিৰ শিক্ষাৰ প্ৰতি নিৰ্বিকাৰ নাছিল; অৱস্থাপন্নলোকৰ দৰে ৰায়চৌধুৰীয়ে তেওঁৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষা দিছিল। তেওঁৰ পঁজালৈ যোৱা বন্ধু-বান্ধৱ বা দৰ্শককো সোধ-পোচ কৰাত ৰায়চৌধুৰীক কেতিয়াও পিছপৰা নাছিল। সেইবাবে তেওঁৰ জীৱনটো মোৰ বিবেচনাত এটা সঁাথৰ আছিল যেন লাগে।

সাধাৰণ দৃষ্টিত অম্বিকাগিৰীৰ স্বাস্থ্য বেয়া নাছিল। যুৱকালৰ উদ্যম আৰু শক্তি তেওঁৰ সত্তৰ বছৰীয়া জীৱনতো বহুতৰ চকুত পৰিছিল। কিন্তু ১৯৬৭ চনৰ দুই জানুৱাৰীৰ নিশা তেওঁ হৃদৰোগত আক্ৰান্ত হৈ হঠাৎ ইহলীলা সম্বৰণ কৰে। বহুত লোক হৃদৰোগত আকস্মিক বিয়োগৰ সন্মুখীন নোহোৱাকৈ থকা নাই। কিন্তু ৰায়চৌধুৰীৰ আকস্মিক বিয়োগৰ ক্ষেত্ৰত এটা ঘটনা উল্লেখ নকৰি নোৱাৰি।

১৯৬৬ চনৰ ২৩ ডিচেম্বৰৰ দিনা এই লেখকে Agene de Press International নামৰ পশ্চিম জাৰ্মানীৰ এটা বাতৰি যোগনিয়াৰ প্ৰতিষ্ঠানৰ পৰা এটি সংবাদ পায়, ডাকত টাইপ কৰা কপি এটা। এই

বাতৰি যোগনিয়াৰ প্ৰতিষ্ঠানটোৰ আন এটা নাম Agencia International de Prensa বুলিও উল্লেখ কৰা আছে। সংবাদটোত পশ্চিম বংগ আৰু পূব পাকিস্তান লগ হৈ এখন সাৰ্বভৌম স্বতন্ত্ৰ বংগদেশ গঠন হোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰা আছিল আৰু এনে ৰাষ্ট্ৰত অসমকো সামৰি লোৱাৰ ইংগিত আছিল যিহেতু সেই সময়ত নগালেণ্ড আৰু মিজোৰামত বিদ্ৰোহীসকলে বিচ্ছেদমুখী আন্দোলন কৰিছিল। ৰায়চৌধুৰী ডাঙৰীয়াই আবেলি মোৰ আসাম ট্ৰিবুনৰ অফিচলৈ যোৱাত (তেওঁ প্ৰায় সদায় তালৈ আহি মোৰ সৈতে নানা বিষয়ৰ আলোচনা কৰিছিল) মই উক্ত সংবাদ প্ৰতিষ্ঠানটোৰ সংবাদটোৰ প্ৰতি তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। সংবাদটো পঢ়িয়েই ৰায়চৌধুৰীয়ে 'বৃহত্তৰ বংগ' গঠনৰ পৰিকল্পনা কাল্পনিক নহয় বুলি উচপ খাই উঠিছিল। তেওঁক বৰ উত্তেজিত হোৱা যেন দেখা গৈছিল, কাৰণ ৰায়চৌধুৰীয়ে বৃহত্তৰ বংগ গঠনৰ ভয়াবহ কল্পনাৰ বিষয়টো আজীৱন চিন্তা কৰি অতিষ্ঠ হৈছিল। এই সংবাদটোৱে তেওঁৰ মানসিক ক্ষেত্ৰত অসহনীয় প্ৰতিক্ৰিয়া কৰিছিল নেকি ? সি যি হওক, উক্ত বাতৰিটো পোৱাৰ মাত্ৰ দহ দিন পাচতেই 'অসম কেশৰী' জন চিৰকালৰ বাবে নাইকীয়া হৈ গ'ল।

পত্নীৰ দৃষ্টিত স্বামী

অম্বিকাগিৰী ৰায়চৌধুৰী

কৌশল্যাদেৱী ৰায়চৌধুৰী

মই মোৰ পৰম আৰাধ্য স্বামী অম্বিকাগিৰী ৰায়চৌধুৰীদেৱৰ বিষয়ে 'মোৰ কথা' কি লিখিম কি নিলিখিম ভাবি পোৱা নাই। তেখেতৰ বিষয়ে ক'বলগীয়া ইমানবোৰ কথা আছে যে মই ভাবি ওৰ উলিয়াব নোৱাৰো। মই মোৰ জীৱনৰ প্ৰায় দুকুৰি বছৰৰো অধিক কাল সহধৰ্মিনীৰূপে তেখেতৰ লগত ছায়াৰদৰে লাগি থাকিও অনুভৱ কৰো, যেন আজিও তেখেত বহুত বিলাক বিষয়তেই মোৰ মনত সাঁথৰ হৈয়ে আছে। তেখেতৰ ধৰ্মপত্নী হৈ সাংসাৰিক জীৱন আৰম্ভ কৰাৰ পৰাই দেখি আহিছো, কিমান ধৰণৰ বিপদ সংকটৰ বৰ্ণাৰ নোৱাৰা ধুমুহাই তেখেতক থান-বান কৰি পেলাব খুজিছে। কিন্তু সেই বিপদ সংকটবোৰ, মানুহে দিয়াই হওক নাইবা ভগৱানে দিয়াই হওক, সকলোবোৰ সমানে বুকুপাতি লৈ তেখেতে অদ্ভুত আত্মশক্তিৰে পদে পদে নিজক চম্ভালি লৈছে। কি শক্তিৰ বলত যে তেখেতে কোনো বিপদতে বিব্ৰত হৈ বাগৰি নপৰি মোক আৰু ল'ৰা-ছোৱালী-কেইটিক ৰক্ষা কৰি মূৰ পোনাই নিজৰ আদৰ্শৰ পৰা পিছলি নপৰাকৈ সসম্মানে চলি আহিছিল, ভাবি ভাবি আচৰিত আৰু অভিভূত হওঁ। সকলো সময়তে সকলো প্ৰকাৰৰ দুৰ্যোগৰ বিৰুদ্ধে তেখেতে সংগ্ৰাম চলাইছে। অথচ সংসাৰৰ অতি নিদান কালতো কোনো প্ৰকাৰৰ দুৰ্নীতিৰ আশ্ৰয় লৈ বৈষয়িক লাভালাভৰ যত্ন কৰা নাই।

আমাৰ সংসাৰত দাৰিদ্ৰ্য কেনে ভীষণ আছিল তাৰ মাথোন এটি উদাহৰণেৰে যথেষ্ট। আমাৰ দ্বিতীয় কন্যা অণুৰ মৃত্যু হৈছিল ডিপথেৰিয়া

ৰোগত, চিকিৎসাৰ অভাৱত। তেখেতে বাকীকৈ 'ইনজেকৃশ্যন' লৈ আহিও মূল্য দিব নোৱাৰিব বুলি ভাবি ঔষধ আদবাটৰ পৰা ওভতাই দি আহিছিল। অণুৰ মৃত্যুত মই অস্থিৰ হৈছিলো। কিন্তু ভীষণ আঘাত পালেও তেখেত অবিচল হৈ আছিল। সান্ত্বনা লৈছিল এটা কবিতা ৰচনা কৰি— "ভগৱান, সৰ্বশক্তিমান! তোমাৰ যন্ত্ৰণাময় দুখ বেদনাৰ নিৰ্মম আঘাত ভৰা অবিৰল ধাৰ, মোৰ হৃদয়ত, বুকুৰ পাতত, মই ধৰি নোবোধিলে ৰোধে সাধ্য কাৰ? মই জয় নকৰিলে কৰে কোনে? —অজেয় দুৰ্বাৰ?"

মই আমাৰ অসমৰ সমসাময়িক প্ৰায়বিলাক বিখ্যাত ব্যক্তিৰ বিষয়ে যিমানখিনি জানো,—তেওঁলোকৰ কোনোজনৰ জীৱনতেই মোৰ স্বামী ৰায়চৌধুৰীৰ নিচিনাকৈ আৰ্থিক দুৰ্ভোগ, বন্ধু-বান্ধৱ আত্মীয় স্বজনৰ বিৰূপ মনোভাব, অৱজ্ঞা আৰু ঈৰ্ষা-পৰায়ণসকলৰ বিবিধ ষড়যন্ত্ৰ উপস্থিত হোৱা নাই। মোৰ এনে বিশ্বাস, যে মানুহৰ পৰাই হওক অথবা ভগৱানৰ পৰাই হওক, তেখেতে জীৱনত যিমানবিলাক বিপদৰ আঘাত নিৰ্বিকাৰভাৱে সহি গৈছে, এনে আঘাত দুই-এটাও যদি আন কাৰোবাৰ ওপৰত পৰিলহেঁতেন, তেনেহ'লে, আদৰ্শ ৰক্ষা কৰাটোতো দূৰৰ কথা, নিজ অস্তিত্বকেই হেৰুৱাই পেলালেহেঁতেন।

অসম দেশ আৰু অসমীয়া জাতিক আশ্ৰয় কৰি গোটেইখন ভাৰতবৰ্ষ আৰু সমগ্ৰ মানৱ জাতিৰ মঙ্গল চিন্তা কৰা, সেৱা কৰাটোৱেই মোৰ স্বামী ৰায়চৌধুৰীৰ জীৱনৰ আদৰ্শ আৰু ব্ৰত। সকলোৱে আগ সামূহিক জীৱন, তাৰ পিছতহে ব্যক্তিগত জীৱন, —এই কথা তেখেতে হাতে কামে পালন কৰি চলে। ময়ো তেখেতৰ পৰা লাভ কৰা সকলো শিক্ষাৰ এই সাৰমৰ্ম লৈয়েই চলি আছো। অসমৰ সাম্প্ৰতিক সমস্যাৱলীৰ সমাধানৰ আশা নেদেখি, অসমত অসমীয়াৰ ভৱিষ্যত লোপ পাই যাব ধৰা দেখি, একো কৰিব নোৱাৰি চিন্তাত তেখেত নিদ্ৰাহীন, যন্ত্ৰণাত কাতৰ হৈ পৰি আছিল। সদায়েই দেখি আহিছো যে যেতিয়াই কোনো মানুহ তেখেতৰ ওচৰলৈ আহে, তেতিয়াই পোন প্ৰথমে তেখেতে মানুহজনৰ ব্যক্তিগত ভাল-বেয়া একেষাৰতে সুধি শেষ কৰি আন কোনো কথা নুতুলি মাত্ৰ দেশৰ সমস্যাৰ বিষয়েহে কথা পাতে। ছাত্ৰ-ছাত্ৰীসকলক, তেওঁলোক দেশৰ সমস্যাৰ বিষয়ে সচেতন হয় নে নহয়, পৰীক্ষা কৰি চায়। গাঁও অঞ্চলৰ মানুহ আহিলে প্ৰথমে গাঁৱত খেতি-বাতি কেনে

হৈছে, বেমাৰ-আজাৰ কেনে, আৰ্থিক অৱস্থা কেনে হৈছে ইত্যাদি খা-খবৰহে লয়। বহুত সময়ত এনে হয় যে তেখেতে মানুহক, কোনো নেতৃস্থানীয় লোক হ'লেও, বহিবলৈ ক'বলৈও পাহৰে। থিয়ৈ থিয়ৈ দেশৰ সমস্যাৰ কথা পাতি নিজেও থিয় হৈ থাকে। আন বহুত ক্ষেত্ৰতো দেশৰ সমস্যাৰ কথাত তেখেতৰ এনে আপোনভোলা স্বভাৱ দেখা যায়। ঘৰুৱা জীৱনতো আমাৰ অভ্যাস যে দেশৰ সমস্যাৱলী সম্পৰ্কে তেখেতে অকলে চিন্তা কৰিয়েই ক্ষান্ত নাথাকে, মোক আৰু ল'ৰা-ছোৱালীকেইটিকো মাতি আনি বহুৱাই লৈ দেশৰ, সমাজৰ সমস্যাবিলাক সম্বন্ধে এটা এটাকৈ আলোচনা কৰে। তাৰোপৰি তেখেতে বিশেষ এটি খবৰ, বিশেষ এটি প্ৰবন্ধ বা সম্পাদকীয় পঢ়িবলৈ দিয়ে আৰু সেই সংক্ৰান্তত মোৰ আৰু ল'ৰা-ছোৱালীকেইটিৰ লগত আলোচনা কৰে, নিজৰ ক'ব লগাখিনি কয় আৰু আমাৰো মতামত শুনে। কিবা ভুল হ'লে শুধৰাই দিয়ে।

॥ দুই ॥

তেখেতৰ লগত মোৰ বিয়াৰ কথা অলপ কোৱা ভাল হ'ব বুলি ভাবো। আমাৰ কায়স্থ সমাজত তেতিয়া বাল্য-বিবাহ প্ৰথা আছিল। সেইমতে মোৰ ৯/১০ বছৰ বয়সৰ পৰাই বিয়াৰ কথা উঠিছিল। মোৰ পিতৃ কালীচৰণ চৌধুৰীয়ে প্ৰথমৰ পৰাই ৰায়চৌধুৰীদেৱৰ সৈতে মোক বিয়া দিয়াৰ বাবে ইচ্ছা কৰিছিল। সেই বিষয়ে তেখেতে আবুৰ (পিতাৰ মাক) লগত আলোচনা কৰিছিল। সেই কথা অলপ-অচৰপ মোৰ কাণতো পৰিছিল। পিতাই এই বিবাহৰ কাৰণে অধিক আগ্ৰহ কৰাৰ কাৰণে বোধহয় এয়ে আছিল যে তেখেতে ৰায়চৌধুৰীদেৱৰ 'চেতনা' নামৰ আলোচনীখনৰ মাজেৰে তেখেতৰ স্বদেশপ্ৰেমমূলক কথাবোৰ পঢ়ি মুগ্ধ হৈছিল। মনত পৰে, পিতাই আমি ভাই-ভনীকেইজনক ঘৰতে লিখা-পঢ়া শিকোৱাৰ সময়ত ৰায়চৌধুৰীৰ লিখা 'চেতনা'ৰ কথাবোৰ পঢ়ি তাৰ মৰ্ম আমাক বুজাই দিবলৈ যত্ন কৰিছিল। সেই গধুৰ কথাবোৰ তেতিয়া ভালকৈ বুজা নাছিলো। কিন্তু আমাৰ দেশ যে বিদেশীৰ অধীন, আমি যে স্বাধীন হ'ব লাগে— এনেবোৰ কথাৰ কিছু আভাস পিতাই আমাক দিছিল। লগতে পিতাই ৰায়চৌধুৰী-দেৱৰ বিষয়েও আম'ৰ আগত কৈছিল যে—"আমাৰ কায়স্থ সমাজত এনে মানুহ

এজনো নাই।” একালে পিতাই এনেদৰে কয়, আনফালে মোৰ কাণত পৰে ‘সেইজন’ৰ লগতেই মোক বিয়া দিবলৈ পিতাৰ মন। গতিকে বয়স কম হ’লেও মোৰ মনটো অলপ সচেতন হৈ উঠিছিল। পিতাই ‘চেতনা’ পঢ়ি শুনালে একমনে শুনি থাকি মোৰ ভাল লাগিছিল। বাল্য বিবাহৰ প্ৰচলন আছিল বাবেই হয়তো গাঁৱত আমাক অতি কম বয়সৰ পৰাই আবু আদিয়ে ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, হৰ-গৌৰী আদিৰ কাহিনী বৰ্ণনাৰ মাজেৰে স্বামী-স্ত্ৰী সম্বন্ধ, সাংসাৰিক জীৱন আদিৰ বিষয়ে কিছুমান ধাৰণা দিবলৈ যত্ন কৰিছিল। তেনেবোৰ কথাৰ ফলতেই বয়স কম হ’লেও সেই সময়ত মই এইখিনি বুজিব পৰা হৈছিলো যে মোৰ বিয়াৰ বয়স হৈ আহিছে। লগতে বিবাহ, সংসাৰ আদিৰ বিষয়েও অস্পষ্ট ধাৰণা কিছুমান ঠাই পাইছিল।

বিয়াখন যাতে সোনকালে হয় তাৰ বাবে পিতাই বৰ আগ্ৰহ দেখুৱাইছিল। মাই, আবু আৰু আন সকলোৱে বিশেষ আপত্তি নাছিল। কিন্তু দুটা আপত্তি উঠিছিল। এটা আপত্তি আছিল যে, যাৰ লগত মোক বিয়া দিবলৈ বিচৰা হৈছে তেখেতৰ বয়সৰে সৈতে মোৰ বয়সৰ প্ৰাৰ্থক্য প্ৰায় ২৯/৩০ বছৰৰ আছিল। আনটো আপত্তি আছিল, ৰায়চৌধুৰীদেৱ বৰ খঙাল আৰু দুঁটা লোক। মোৰ বয়সৰ কোমলমতীয়া ছোৱালী এজনীয়ে তেখেতৰ সৈতে তাল মিলাই চলিব নোৱাৰিব। এইদৰে আপত্তি উঠি বিয়াখনৰ বিষয়ে সম্প্ৰতি কথা কিছু তল পৰা যেন হ’ল।

এনেতে মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন সম্পৰ্কত (ইং ১৯২০ চন) এখন ডাঙৰ সভা আমাৰ গাঁৱত পিতা আৰু গাঁও সম্পৰ্কীয় দাদা মুকুন্দমল্ল বৰুৱাৰ যত্নত পতা হৈছিল। সেই সভালৈ গুৱাহাটীৰ পৰা তৰুণৰাম ফুকন আৰু নবীন চন্দ্ৰ বৰদলৈদেৱৰে সৈতে আন কেইবাজনো নেতৃস্থানীয় লোক আমাৰ গাঁৱলৈ গৈছিল। সেইসকলৰ ভিতৰত ৰায়চৌধুৰীদেৱও আছিল। তেখেতে সেই সভাত বক্তৃতা দিছিল আৰু নিজে লিখা স্বদেশী গানকেইটামান গাইছিল। তেখেতৰ কথা আৰু গীতবোৰে আমাৰ ভাই-ভাগীসকলোকে মুগ্ধ কৰিছিল। সভাৰ পিছত, ৰায়চৌধুৰীদেৱ সম্পৰ্কে মোৰ বিয়াৰ প্ৰসঙ্গ লৈ আকৌ আলোচনা হ’বলৈ ধৰাৰ উমান মই পাইছিলো। এইবাৰ বিয়াৰ সম্পৰ্কত আগেয়ে উঠা আপত্তিবোৰ তল পৰিছিল। মুকুন্দমল্ল বৰুৱা দাদাই

আগ ভাগ লৈ সকলো আপত্তি খণ্ডন কৰিছিল। মই বুজি পাইছিলো তেখেতৰ লগত মোৰ বিয়া হ'বই। সকলোৰে মন কুমলিছে। মোৰ মনতো কিবা এটা আনন্দৰ ভাব সোমাইছিল। মাজতে এবাৰ 'ৰত্নজনা' ৰায়চৌধুৰীয়ে আহি আমাৰ ঘৰ-বাৰী চাই গ'ল।

ইয়াৰ পিছতে অসহযোগ আন্দোলন দমন কৰিবলৈ পুলিচে চাৰিওফালে নেতাসকলক বন্দী কৰি জেললৈ নিবলৈ আৰম্ভ কৰিলে। মুকুন্দ দাদা আৰু আমাৰ পিতাই শিক্ষকতাৰ চাকৰি ইস্তফা দি আন্দোলনত যোগ দিছিল কাৰণে তেখেত দুজনকো পুলিচে ধৰি নিছিল। শুনিবলৈ পালো ৰায়চৌধুৰীদেৱকো জেললৈ নিয়া হৈছে। মই মনে মনে আমাৰ গোঁসাই ঘৰৰ থাপনাৰ আগত পিতা আৰু ৰায়চৌধুৰীদেৱৰ মঙ্গলৰ বাবে আৰু জেলৰ পৰা ওলাই অহাৰ পিছত যেন বিয়াখন নিৰ্বিঘ্নে হৈ যায় তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই থাকিলো। মনে প্ৰাণে মই 'তেখেতকে'ই স্বামীবৰণ কৰি ল'লো।

ভগৱানৰ কৃপাত পিতা জেলৰ পৰা সোনকালেই ওলাল। ৰায়চৌধুৰীদেৱৰ জেল হৈছিল বেছি দিনীয়াকৈ। তেখেত পিছতহে ওলাল। জেলৰ পৰা ওলোৱাৰ পিছত বিয়াৰ বিষয়টোত ৰায়চৌধুৰীদেৱ নিজেও আগুৱাই আহিছিল আৰু বিয়াৰ বন্দোবস্ত হ'ল। ভগৱানক মই হিয়া উবুৰিয়াই ধন্যবাদ জ্ঞাপন কৰিলো।

বিয়াৰ দিন-বাৰ স্থিৰ হোৱাৰ পিছত কইনাক গহনা পিন্ধাবলৈ 'ৰত্নজনা' ৰায়চৌধুৰীদেৱে সমাজৰ মাঙ্গলিক প্ৰথা মতে গহনা, মাছ, দৈ, তামোল-পাণ-মছলা আৰু কন্যাক ধুওৱা, পিন্ধোৱা, কাপোৰ কানিৰে 'তেলৰ-ভাৰ' লৈ তেখেতসকলৰ কুল পুৰে হিতৰে সৈতে আমাৰ ঘৰ পালেহি। তেখেতসকলে কন্যা ধুওৱা আৰু পিন্ধোৱা যি সাজ পাৰ দিছিল সেই সাজ-পাৰ আটাই-খিনিয়েই চাৰখৰা ৰঙীন খদ্দৰ কাপোৰ আছিল। আমাৰ সামাজিক প্ৰথা আছিল, এতিয়াও আছে, যে বৰ পক্ষই কইনাক গহনা পিন্ধোৱা 'তেলৰ ভাৰ'ৰ লগত বেনাৰসী পাটৰ শাৰী, পাটৰ 'দোলাই' আৰু পাটৰ 'উপৰেণী' আদি কাপোৰ দিব লাগে। তাৰ সলনি যেতিয়া খদ্দৰৰ ডাঠ কাপোৰ দিয়া হ'ল, তেতিয়া মোৰ আবু জ্বলি-পকি উঠিল। ইয়াৰ উপৰিও আন এটি কথাই আবুৰ ধৈৰ্য নোহোৱা যেন কৰিলে। গুৱাহাটীৰ পৰা বৰ অহা-যোৱাত

অসুবিধা আৰু খৰচ-পাতি অধিক হ’ব বুলি তেখেতসকলে নলবাৰীৰ মৌজাদাৰ ৰায়চাহাব প্ৰতাপ নাৰায়ণচৌধুৰী আতাৰ ঘৰত বিয়াৰ বাহৰ পাতিছিল। নলবাৰীৰ পৰা আমাৰ গাঁও (পকোৱা) প্ৰায় তিনিমাইল দূৰ। শুনা গ’ল যে এই বাটখিনি ৰায়চৌধুৰীদেৱে চিৰাচৰিত নিয়ম অনুসাৰে হাতী নাইবা দোলাৰে নগৈ, খোজ কাঢ়িহে যাব। এই কথা লৈ আৰু এটা ডাঙৰ হুলস্থূল হ’ল। বিয়া ভাঙো ভাঙো যেনেই হৈছিল। শেষত বৰজনা’ ৰায়চৌধুৰী-দেৱৰ যুক্তিসঙ্গত কথাত সকলোৱে মান্তি হ’ল যে বৰপক্ষই দিয়া খদ্দৰ কাপোৰ পিন্ধায়েই কইনাক বিয়া দিয়া হ’ব, আৰু নলবাৰীৰ পৰা বৰ হাতীত উঠিয়েই আহিব। এইবোৰ হুলস্থূলৰ বিষয়ে মই সবিশেষ পিছতহে জানিছিলো। বৰযাত্ৰী বুলিবলৈকো তেখেতে মাথোন লগত চাৰিজন লোকহে লৈ গৈছিল। তাকো মই তেতিয়া জনা নাছিলো।

প্ৰচলিত সামাজিক ৰীতি অনুসাৰে আগ-বিয়াৰ কইনাক স্বামীৰ ঘৰলৈ এসপ্তাহৰ কাৰণে নিয়া হয় আৰু সেই সাতদিনৰ পিছত আকৌ পিতৃ গৃহলৈ পঠিয়াই দিয়া হয়। পাছ-বিয়া (শান্তি বিয়া) নহয় মানে কইনা পিতৃ-গৃহতে থাকে। মোৰ ক্ষেত্ৰত সেই নিয়মৰো ব্যতিক্ৰম ঘটিল। সৰু ছোৱালী বুলি তেখেতে সম্প্ৰতি অসুবিধা হ’ব বুলি মোক বিয়াৰ পিছত ‘পিতৃ-গৃহ’তে ৰাখি থলে। মই তিনি বছৰৰ পিছতহে প্ৰথমবাৰ ‘স্বামী-গৃহ’ দেখা পাইছিলো। এই তিনি বছৰে মই তেখেতক ধ্যান কৰি থাপনাৰ আগত ভগৱানক প্ৰাৰ্থনা কৰিছিলো মই যেন মোৰ খণ্ডাল, আকোৰগজালি স্বামীৰ যোগ্যা পত্নী হৈ তেখেতক শান্তি দিব পাৰো। তিনি বছৰৰ পিছত নিয়মানুসাৰে পিতৃদেৱে হাতধৰি তিৰোতা এগৰাকীৰে সৈতে মোক গুৱাহাটীলৈ আনি যেতিয়া হোম পুৰি পাছ বিয়া দিয়ে, তেতিয়া মোৰ বয়স পোন্ধৰ বছৰ।

পাছ বিয়াৰ পিছত মই ‘স্বামী গৃহ’লৈ আহিলো। তেতিয়া ‘বৰজনা’ আছিল সপৰিবাৰে শদিয়াত নিজ কৰ্মস্থলত। ঘৰত তেতিয়া অকল শাহু আইদেৱী লগুৱা এজনক লৈ আছিল। শাহু আইদেৱীয়ে মোক মৰমেৰে আকোৱালি ল’লে। ভগৱান নামৰ লগুৱাজনে “খুড়ী আই আহিল, খুড়ী আই আহিল” বুলি আনন্দত তত নোপোৱা হ’ল। সি মোক ক’ত থব ক’ত নথবকৈ একো কাম কৰিবলৈ নিদিছিল। শাহু আইদেৱীক সি কৈছিল, ‘আবু, খুড়ী আইক একো কাম কৰিব নিদিব।

মই সকলো কাম কৰিম।” মই ঘৰলৈ অহাৰ দ্বিতীয় দিনা শাহু আয়ে মোক বুকুত সাবটি লৈ মৰম কৰি গা পিহি পিহি কৈছিল, “আই তই সৰু ছ’লী, মোৰ ল’ৰা বৰ খঙাল আৰু হুঁটা। তই তাৰ বেহ-ৰকম বুজি চলিবি, যেন তাৰ খং নুঠে।” ময়ো ভগৱানক একান্ত মনেৰে তেখেতক সন্তুষ্ট কৰি ৰাখিবলৈ প্ৰাৰ্থনা কৰিলো। তৃতীয় দিনাখন চাহ-জলপান খাই উঠাৰ পিছত তেখেতে মোক প্ৰেছ ঘৰটোলৈ মাতি নি প্ৰেছৰ সকলো কাৰ্য-কাৰখানা দেখুৱাই ক’লে যে মই তেখেতক প্ৰেছৰ সকলো কামতে সহায় কৰিব লাগিব। শুঁটা মাতেৰে মোক সুধিলে মই পাৰিম নে নোৱাৰিম। চুক্তি হেবোৱাৰ দৰে হ’ল যদিও মূৰ দুপিয়াই পাৰিম বুলি ক’লো। আকুল মনেৰে বাৰে বাৰে ঈশ্বৰক প্ৰাৰ্থনা কৰিলো, “প্ৰভু! স্বামীৰ অগ্নি পৰীক্ষাত উত্তীৰ্ণ হ’বলৈ মোক বল দিয়া।” তেতিয়া তেখেত জেলত থাকোতে পুৰি যোৱা প্ৰেছ জেলৰ পৰা গুলাই আহি নতুনকৈ স্থাপন কৰা প্ৰেছ আছিল।

॥ তিনি ॥

ভগৱানে কৃপা কৰিলে। এমাহমানৰ ভিতৰতে মই প্ৰেছৰ আখৰ বাছি কেছত ভৰোৱা, কম্পোজ কৰা, ‘চেতনা’ৰ ফৰ্মা ভাজ দিয়া, ‘চেতনা’ চিলাই কৰা (ফৰ্মাবোৰ গোট খুৱাই কিতাপ আকাৰত তেখেত আৰু মই নিজে চিলাই কৰিছিলো। দপ্তৰীৰ তাত সেইবোৰ কাটি অনাহে হৈছিল।) গ্ৰাহকৰ লেবেল লগোৱা, টিকট লগোৱা,— এনেকি বোলাৰ বনোৱা চিয়াহী দিয়া চেতনা ছপা কৰা দুয়োটা ‘হেণ্ড প্ৰেছ’ আছিল। আদি সকলো শৰণৰ কাম তেখেতৰ নিৰ্দেশ মতে মই শিকি গৈছিলো। মোৰ বয়স কম আৰু শৰীৰ ক্ষীণ আছিল বাবে তেখেতে মোক বহুপৰলৈ কাম কৰিব নিদিছিল। কিন্তু অলপ অলপকৈ কৰিয়েই সকলো কষ্ট সহ্য কৰিব পৰা হৈ আহিছিলো। মনৰ আনন্দেৰে মই সকলো কাম কৰি গৈছিলো। প্ৰথমতে তেখেতক মোৰ যিমান ভয় লাগিছিল, তেখেতৰ মৰম দেখি সেই ভয় লাহে লাহে আঁতৰি যাবলৈ ধৰিলে। মই আখৰে আখৰে তেখেতৰ নিৰ্দেশ পালন কৰি তেখেতক সুখ দিব পৰা হ’লো। আনন্দত মোৰ মন ভৰি পৰিল। কামত মোৰ উৎসাহ বাঢ়ি গ’ল। প্ৰেছত কাম কৰা মানুহে আবেলি আধা কৰাকৈ এৰি যোৱা

ৰচিদ, চিঠি আদি সৰু-সুৰা কামবোৰ গধূলি লেম্প লগাই তুয়ো কম্পোজ কৰো আৰু পুৰা প্ৰেছৰ কৰ্মচাৰীবিলাক আহি পোৱাৰ আগতেই তুয়োজনে ছপাই শেষ কৰো। তেখেতে প্ৰেছ টানে, মই চিয়াহী দিওঁ। মোক তেখেতে প্ৰেছ টানিবলৈ নিদিছিল। মই শৰণ নোলোৱা পৰ্যন্ত 'হাইহাল'ত (হাড়িশাল) সোমোৱাৰ অধিকাৰ পোৱা নাছিলো। গতিকে ভাত ৰন্ধা, চাহ-জলপান আদি তৈয়াৰ কৰা কাম আয়ে কৰিছিল। লগুৱাটোৱে ঘৰৰ অন্যান্য বাহিৰা কাম কৰিছিল। সেইবাবেই মই এনেকৈ প্ৰেছৰ কাম শিকিবলৈ সুবিধা পাইছিলো। পুৱা গা-পা ধোৱাৰ পিছত আয়ে দিয়া জলপান খাই উঠি গৈ প্ৰেছৰ কামত লাগিবলৈ মোৰ কোনো অসুবিধা হোৱা নাছিল। তেখেতে মোক প্ৰায়েই কৈছিল, 'কামেই জীৱন' বুলি। ময়ো তাকেই সাৰোগত কৰি লৈছিলো। আজিও সেই আদেশ উপদেশকে মই পাৰ্যমানে মানি চলিছো।

'প্ৰেছ'টো প্ৰকৃততে তেখেতৰ মনত সৰু ঘৰুৱা শিল্প এটাৰ দৰে আছিল। সৰুৰে পৰা মোৰ ধাৰণা আছিল যে ঢেঁকীশাল, ভাতৰ চৰু আৰু তাঁত শালখন লৈয়েই তিৰোতাৰ জীৱন। গতিকে 'মোৰ স্বামী-গৃহ'ত সম্পূৰ্ণ নতুন কাম কৰিব লগীয়া হোৱা এটা অভিজ্ঞতা মোৰ বাবে অভিনৱ আছিল। প্ৰেছৰ কাম কৰি থাকোতে কেতিয়াবা মোৰ ভাগৰ লাগিলেও নাইবা তিতি কষ্ট পালেও তেখেতৰ খং উঠিব পাৰে বুলি মই মোৰ অসুবিধাৰ কথাটো প্ৰকাশ নকৰি আনন্দমনে নীৰৱেই কাম কৰি গৈছিলো। কিন্তু তেখেতে সদায় মোৰ অৱস্থাৰ প্ৰতি চকু ৰাখিছিল আৰু ভাগৰি পৰা যেন দেখিলে নিজেই আহি মোৰ হাতৰ পৰা কাম এৰুৱাই দি কৈছিল, "যোৱা, তোমাৰ ভাগৰ লাগিছে। হাত-পাত ধুই অলপ জিৰণি লৈ কিবা এবিধ খোৱাগৈ।" কথাৰ সুৰ আৰু ভঙ্গী কোমল নহয়, কঠোৰ আদেশৰ দৰে। কিন্তু তাৰ মাজত ভৰি থকা মৰম সহানুভূতিখিনি অনুভৱ কৰি মই আনন্দ পাইছিলো। মোক পঠিয়াই দি তেখেতে নিজে মনপুতি কামতেই লাগি থাকে। যেন ভোক, পিয়াহ, ভাগৰ একো নাই। কাম কৰি থাকোঁতে থাকোঁতে সময়বোৰ কোনফালে গুচি যায় তেখেতে যেন গমকেই নাপায়। কাম এৰি, গা ধুই তুপৰীয়াৰ সাজ খাওঁতে তেখেতৰ প্ৰায় আবেলি তিনি-

চাৰিমান বাজে। ৰাতিও একেদৰেই প্ৰায় ২-৩০ বাজে। মোৰো তেতিয়ালৈকে খোৱা নহয়। স্বামীয়ে খোৱাৰ পিছতহে স্ত্ৰীয়ে সেই পাতত খাব লাগে। শাহু আয়ে ৰান্ধি-বাঢ়ি আমাৰ দুয়োৰে ভাত সাজি থৈ খাই-বই লগুৱাটোক শুবলৈ কৈ নিজেও শোৱেগৈ। ময়ো টোপনিয়াই টোপনিয়াই শুই পৰো। তেখেতে কাম শেষ কৰি আহি মোক জগায়। দুয়ো ভাত-পানী খাই উঠি শোওঁ। মোৰ খোৱা-লোৱাত অনিয়ম হোৱাৰ বিষয়ে শাহু আয়ে কোৱাত তেখেতে মোক শাহু আইৰ আদেশ লৈ নিয়মমতে আগতেই খাবলৈ অনুমতি দিছিল। ৰাতি খাওঁতে-শোওঁতে আমাৰ যিমানেই পলম নহওক তেখেতে পুৱা পাঁচ বজাত সাৰ পাই উঠিবই। ক্ৰমে ময়ো সেইটো অভ্যাস কৰি লৈছিলো। আজিও তেখেতৰ এটা কড়া নিয়ম আছে,— শুই উঠিয়েই চেঁচা পানীৰে চকু-মুখ ধুই পেলাবই। তেতিয়া-হ'লে এলাহ নাথাকে। সেইটো অভ্যাসো মই লৈছিলো।

তেতিয়া আমি প্ৰাণবজাৰত আছিলো। ব্ৰহ্মপুত্ৰ নৈখন ঘৰৰ পৰা বৰ বেছি দূৰত নহয়। তেখেতে উঠি চকু-মুখ ধুই শৌচাচাৰ কৰি সদায় নদীলৈকে গৈছিল। তাত তেখেতে কিছুপৰ প্ৰাণায়াম কৰি উঠি একেবাৰে গা ধুই আহিছিল। ইফালে ঘৰত ময়ো প্ৰাতঃকৃত্য সমাপন কৰো। তেখেত গা ধুই আহি (মই শৰণ নোলোৱা পৰ্যন্ত) নিজে চাহ তৈয়াৰ কৰে। নিজে খায় আৰু মোকো দিয়ে। শাহু আয়ে সাৰ পালেও ইমান পুৱাই উঠি নাহে। পিছতহে লাহে লাহে উঠি গা-পা ধুই, নাম-গুণ লৈ নিজে চাহ-জলপান কৰি খায়। লগুৱাটি সৰু ল'ৰা। ৰাবে তাক মাতি সুতুলি তেখেতে তাৰ বাবেও চাহ-জলপান অলপমান থৈ দিয়ে। এই ব্যৱস্থাটো সি জানে। গতিকে সিও নিয়মমতে উঠি সেই চাহ-জলপান খায়। তাৰ পিছতে সেই আকৌ ভোক পিয়াহ, চুৰ্তি নোহোৱাকৈ তেখেত কামৰ মাজত সোমাই পৰে। ময়ো গৈ লাগো। অৱশ্যে মই শৰণ লোৱাৰ পিছত আৰু ল'ৰা-ছোৱালীৰ জন্ম হোৱাৰ পিছত প্ৰেছৰ কামত বেছিকৈ লাগিব নোৱাৰা হৈছিলো। গৃহিণীৰূপে সাংসাৰিক কাম-কাজ শেষ কৰি উঠি পোৱা জিৰণি সময়ৰ মাজতো 'লেবেল লগোৱা' আদিৰ দৰে গাত জোৰ নপৰা কাম দুই-এটা কৰি মই মোৰ স্বামীক সহায় কৰিবলৈ যত্ন কৰিছিলো।

'চেতনা' বন্ধ হোৱাৰ পিছতে তেখেতে 'ডেকা অসম' প্ৰকাশ কৰিছিল। সেই সময়ত প্ৰেছটো 'ডেকা-অসম' ছপোৱাৰ বাবেই ব্যৱহাৰ কৰা হৈছিল। ল'ৰা-ছোৱালীকেইটি কিছু ডাঙৰ হোৱাৰ পৰাই তেখেতে সিহঁতকো প্ৰেছৰ ইটো-সিটো কামত লগাইছিল। প্ৰথমা কন্যা ৰেণুৱে (শুচিব্ৰতা) ৬/৭ বছৰ বয়সৰ পৰাই 'ডেকা-অসম' কাগজ ভাজ দিয়া আদিৰ দৰে কামত পিতাকক সহায় কৰিছিল। ইমান সৰুৰে পৰা সিহঁতৰ হতুৱাই কাম কৰোৱাৰ কাৰণ স্বৰূপে মোৰ স্বামীয়ে কৈছিল যে সৰুৰে পৰা শিকিলেহে মানুহৰ কাম কৰা অভ্যাস হয়। জীয়াই থাকিবলৈ হ'লে সৰু ডাঙৰ সকলো আৱশ্যকীয় কাম নিজে কৰিব জানিব লাগে। তেতিয়াহ'লে মানুহ পৰমুখাপেক্ষী হ'ব নেলাগে। আনৰ ওপৰত নিৰ্ভৰশীল হ'লেই মানুহে শোষণ কৰিবলৈ শিকে, এয়ে তেখেতৰ বিশ্বাস।

তেখেতে নিজ হাতেৰে কাপোৰ সীয়া, মাছ বছা, পাচলি কুটা, ভাত-আঞ্জা ৰন্ধা আদি ঘৰুৱা ভালেমান সৰু-সুৰা কাম কৰে। ভিন্ ভিন্ ধৰণৰ মাছ কি ভাগত কেনেকৈ কাটিব লাগে, মাছেৰে কিহৰ আঞ্জা কেনেকৈ ৰান্ধিব লাগে ইত্যাদি ৰন্ধাৰ বহুত কথাবেই শিক্ষা মই মোৰ স্বামীৰ পৰা পাইছো। মই 'পাগৰ বাহিৰ' হোৱাৰ সময়ত তেখেতে নিজেই ৰন্ধা-বঢ়া কৰিছিল। বাহিৰা কামত বেছি ব্যস্ত থাকিলে অকণমানি 'ৰেণু'ৰ হতুৱাই ৰন্ধাইছিল আৰু মাজে মাজে আহি চাই-চিতি দেখুৱাই দি গৈছিল। এনেদৰে ভাত ৰান্ধোতে পাঁচ বছৰ বয়সত 'ৰেণু'ক জুয়ে পুৰিছিল।

'চেতনা' বন্ধ হোৱাৰ পিছত তেখেতে অন্ন সংস্থানৰ উপায় বিচাৰি আৰু লগতে এটি অসমীয়া ব্যৱসায় প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ 'কামৰূপ মায়াবিনী কেমিকেল ৱৰ্কচ' নামেৰে এটি প্ৰতিষ্ঠান ভাৰত চৰকাৰৰ ওপৰত ৰেজিষ্ট্ৰি কৰি লৈছিল। বহুবিলাক বঙলা আৰু ইংৰাজী ভাষাত লিখা স্বাধীন ব্যৱসায় সম্পৰ্কীয় পুথি পঢ়ি পঢ়ি তেখেতে 'জয়মতী স্নো', 'চেনেহী চিয়াহী' (পে'নৰ বাবে) 'অসম ইঙ্ক' (কলম জবুৰিয়াই লিখাৰ বাবে), 'জিলিকনি' (জোতাৰ ৰং) আৰু 'মায়াবিনী তেল' (চুলিৰ বাবে) তৈয়াৰ কৰিছিল। সেইবোৰ তৈয়াৰ কৰা কামতময়ো লাগিছিলো। যথাৰ্থ জ্ঞানৰ অভাৱত বহুত সময়ত কোনোৱে৷ বস্তুত কেতিয়াবা কিবাটো, মিহলি কৰিব-

লগীয়া বস্তুৰ পৰিমাণ কম-বেছি হ'লে দেখিছিলো যে তেখেতে লোকচানৰ বিষয়ে চিন্তা নকৰি সেইবোৰ বস্তু ঢালি পেলাই দিছিল। তেখেতৰ চৰিত্ৰৰ এইটো এটা বিশেষত্ব যে কাম নিখুঁত হ'বৰ বাবে তেখেতে লোকচান ভৰি হ'লেও কাম কৰিবলৈ বেয়া নাপায়। ব্যৱসায়ত ফালৰ পৰা এইদৰে পৰীক্ষামূলক ভাবে প্ৰচেষ্টা চলাই লাভবান হোৱা টান। তেনেবোৰ কাৰণতেই অৱশেষত 'কেমিকেল বৰ্ক'টো অচল হৈ পৰিছিল। তদুপৰি 'দেশৰ কাম' আৰু ব্যৱসায় এই দুটাৰ ভিতৰত মনটো বেছিকৈ 'দেশৰ কাম'ত লিপ্ত থকা বাবেও ব্যৱসায়ত একো উন্নতি নহ'ল।

তদুপৰি 'চেতনা', 'ডেকা অসম' নাইবা 'কেমিকেল ৱৰ্কচ' আদিৰ মাজেৰে উপাৰ্জন কৰা পইছা তেখেতে সংৰক্ষিণী সভা বা জাতীয় মহাসভাৰ কামত নিৰ্বিবাদে খৰচ কৰিছিল। আকৌ সেই ধনৰ পৰাই বিপদে-আপদে মানুহক সহায়ো কৰিছিল। পৰিস্থিতিৰ গুৰুত্ব অনুসাৰে তেখেতে টকা-পইছাৰ নাটনিৰ ফাললৈ কাণসাৰ নকৰাকৈয়ে কাম কৰিছিল। প্ৰেছৰ কৰ্মচাৰীক দৰমহা দিবৰ বাবে হাতত পইছাৰ নাটনি হোৱাত আৰু 'সংৰক্ষিণী সভা' বা 'জাতীয় মহাসভা'ৰ দিবলগীয়া টেলিগ্ৰাম আদি কৰাৰ বাবে পইছাৰ অভাব হ'লে মোক বিয়াত 'বৰজনা'ই দিয়া আঠ তোলা সোণৰ গহনাৰ কেইপদমান তেখেতে বন্ধকীত থৈ পইছাৰ জোগাৰ কৰিছিল। এনেদৰে চলোতে চলোতে শেষত গৈ হাতত যিখিনি সোণ আছিল সেই সোণখিনিও তেখেতে 'জাতীয় মহাসভা'ৰ সংগঠনৰ কামত ঘূৰাৰ সময়ত ইং ১৯৪৬—৪৭ চনৰ 'গ্ৰুপিং আন্দোলন'ৰ কালত গুৱাহাটীৰ ডাঃ পোৱাল চন্দ্ৰ দুৱৰাদেৱৰ তাত অতি কম মূল্যতে বিক্ৰী কৰি খৰচ উলিয়াইছিল।

তেখেতে মানুহ এনেয়ে বহি থকাটো মুঠেই সহ্য নকৰিছিল। এদিনতকৈ অধিক কাল যদি কোনোবা আহি তেখেতৰ ঘৰত আলহী থাকি গৈছে, তেনেহ'লে সেইসকলে নিশ্চয় গম পায় যে আলহীকো তেখেতে ঘৰৰ এজনৰ দৰেই ইটো-সিটো কামত খটুৱায়। 'ডেকা অসম' বা 'চেতনা'ৰ লেবেল লগোৱা বা লিখা নাইবা প্ৰয়োজনমতে দুই-এডাল খৰি ফলা অথবা চোতালৰ ঘাঁহ-বন নিকাই চাফা কৰা আদি সহজ সাধ্য কাম কৰাৰ কথা বহুত আলহীৰেই মনত থাকিব পায়। অৱশ্যে আলহীৰ নিজৰ কিবা কাম থাকিলে নিদিছিল। আনকি, মোৰ পিতাদেউ যেতিয়া কিবা

কামত গুৱাহাটীলৈ আহিছিল তেতিয়া তেখেতেও তেনে কামবোৰ কৰিব লগীয়া হৈছিল। তদুপৰি, আলহীৰ বাবে বিশেষ ধৰণৰ আজ্ঞা-পাত্তিৰ যোগাৰ কৰাৰ নিয়মো তেখেতে ভাল নাপায়। ঘৰত যি ৰন্ধা আলহীয়েও ঘৰৰ মানুহৰ দৰে তাকেই খাব,— এয়ে তেখেতৰ অভিমত।

॥ চাৰি ॥

সাংসাৰিক জীৱন ঘৰুৱা ফালটোৰ ভাৰ যদিও মোৰেই ওপৰত তথাপি মোৰ স্বামীয়ে কিন্তু সৰু-সুৰা প্ৰতিটো কথালৈ মনোযোগেৰে চকু ৰাখে। ঘৰৰ সকলোৰে স্বাস্থ্য ভালে থাকে আৰু সকলোৱে যাতে কাম-কাজ কৰি নিৰোগীভাৱে চলিব পাৰে তাৰ বাবেও তেখেত যত্নশীল। তাৰ মাজতো কাৰোবাৰ যদি কিবা অসুখ-বিসুখ হয়, তেনেহ'লে তেখেতে মনত বৰ অশান্তি পায়। কিন্তু সেই বুলি প্ৰয়োজনীয় তত্ত্বাৱধানৰ বাবে হেলা নকৰে।

যি আদৰ্শৰ কথা তেখেতে সকলোকে কয় আৰু লিখা-লিখিত প্ৰচাৰ কৰে, সেই আদৰ্শ তেখেতে নিজেও হাতে-কামে পালন কৰে। মুখেৰে যি উপদেশৰ কথাবোৰ নিজৰ জীৱনত প্ৰয়োগ কৰাটোকেই তেখেতৰ স্বভাৱ। নিজে পালন নকৰা কথা তেখেতে আনক পালন কৰিবলৈ নকয়। সেৱা ধৰ্মই ডাঙৰ ধৰ্ম বুলি তেখেতে যিদৰে কয়, সেইদৰে কামতো তাকে পালন কৰে।

ইং ১৯৩৮/৩৯ চন মানত এবাৰ মোৰ প্ৰায় যোৱা-খোৱা নৰিয়াৰ সময়ত তেখেতে যিদৰে মোৰ শুশ্ৰূষা কৰিছিল, ভাবিলে আজিও মোৰ শিৰ অসীম কৃতজ্ঞতাৰে দো খাই যায়। মই তিনিমাহমান শয্যাশায়ী হৈ থকা অৱস্থাত তেখেতে সকলো ধৰণৰ শুশ্ৰূষা কৰিছিল। আনকি কাপোৰ-কানি পৰ্যন্ত ধুই পৰিষ্কাৰ কৰি দিছিল। মইহে মাথোন আজিকোপতি সেইদৰে তেখেতৰ শুশ্ৰূষা কৰিবলৈ সুযোগ পোৱা নাই। মাজে মাজে যি অলপ-অচৰপ কৰিছো, সেইখিনি আমাৰ ভাৰতীয় নাৰীৰ স্বামীৰ প্ৰতি কৰিবলগীয়া কৰ্তব্য হিচাপেই কৰা হৈছে।

তেখেতৰ স্বাস্থ্য সদায়েই ভাল আছিল। গতিকে কেতিয়াবা সামান্যভাৱে নিজৰ জ্বৰ-কাহ আদি হ'লেও তেখেতে বৰ অস্বস্তি অনুভৱ

কৰিছিল। বহু দিন আগতে এবাৰ ব্ৰঙ্কাইটিচ, এবাৰ হাৰ্নিয়াৰ অপাৰেশ্যন আৰু মাজে সময়ে হোৱা ইনফ্লুয়েঞ্জাৰ বাবে ভুগি থকা ৰক্তচাপৰ অসুখটো আৰু বাৰ্দ্ধক্যজনিত কাৰণত কাণেৰে কম শুনা, চকুৰে কম দেখা হোৱাৰ বাদে তেখেতৰ আন অসুখ হোৱা বুলি মোৰ মনত নাই। বিয়াৰ কিছু দিন পিছতেই কেইদিনমান কলিক পেইনত ভোগা অৱস্থাত তেখেতক মই লগ পাইছিলো। কিন্তু প্ৰাণায়াম কৰা, খাদ্য বাছি খোৱা আদিৰ ফলত অচিৰেই সেইটো ভাল হৈ গৈছিল। বহু দিনলৈ তেখেতৰ এটা বৰ বেয়া মূৰৰ বিষ আছিল। কিন্তু নিজে 'মেটেৰীয়া মেডিকা' চাই চাই হোমিওপ্যাথিক আৰু বায়োকেমিক চিকিৎসা কৰাৰ ফলত সেই মূৰৰ বিষো সমূলি নোহোৱা হৈ গৈছে। প্ৰয়োজন হ'লে যদিও অন্যান্য প্ৰক্ৰিয়াৰ চিকিৎসা কৰা হয়, তথাপি তেখেত 'হোমিওপ্যাথিক'ত অতি বিশ্বাসী।

নিৰোগী শৰীৰ আৰু ভাল স্বাস্থ্যৰ গৰাকী মানুহে আন একোৰে বাবে আশা কৰিব নালাগে বুলি তেখেতে সদায় কয়। সেই বাবেই স্বাস্থ্য ভালে ৰখাৰ প্ৰয়োজনত সামৰ্থ্যৰ ভিতৰতে পুষ্টিকৰ খাদ্য খাবলৈ তেখেতে যত্ন কৰে। আন বাহিৰা বিলাসিতাত খৰচ কৰাতকৈ ভাল ৰৌ মাছৰ মূৰ, চিতল মাছৰ কলঠি, আৰি মাছৰ কুজ আৰু যিচা, ডাঙৰ ডাঙৰ পাভ মাছ, ভাল সৰ থকা দৈ, ক্ৰিম বা ঘিউৰ বাবে খৰচ কৰিবলৈ তেখেতে ভাল পায়। গৰমৰ দিনত মাহৰ দালি আৰু বিস্কিত দিয়া কাঙ্কুলি মাছেৰে পইতা ভাত, টেঙাৰ আঞ্জা আদি তেখেতৰ প্ৰিয় খাদ্য। সামান্য উপাৰ্জনৰ বেছি অংশই তেখেতে খাদ্যৰ বাবে খৰচ কৰে। কিন্তু হাতত পইছা নাথাকিলে বাকীকৈ নাখায়। বাকী খোৱা বা বাকী দিয়া দুয়োটাকেই বেয়া বুলি তেখেতে গণ্য কৰে। বিলাসিতা নকৰাকৈ চাফ-চিকুণ হৈ নিয়াৰিকৈ থকাটোহে তেখেতে ভাল পায়। তেখেতৰ মূৰত তেল লোৱাৰ অভ্যাস নায়েই। সাজ-পাৰৰ ক্ষেত্ৰতো তাহানিৰ পৰাই তেখেতে খদ্দৰৰ চুটি ধুতিখন আৰু হাতকটা চুটি চোলা আৰু কেতিয়াবা পাঞ্জাৰী চোলা পিন্ধে। জাৰৰ দিনৰ বাবেও খদ্দৰ উলৰ কোটহে তেখেতে লয়। অসমৰ বয়নৰ খদ্দৰ কাপোৰহে তেখেতে বিচাৰি কিনি আনে।

বিয়াৰ আগতে মই চিলাইৰ কাম, বিশেষকৈ চোলা আদি তৈয়াৰ কৰিব নাইবা উলৰ চুৱেটাৰ, মোজা আদি তৈয়াৰ কৰিব নাজানিছিলো। কিন্তু তেখেতৰ উদগনিত নিজে নিজে সেইবোৰ অলপ–অচৰপকৈ শিকোঁ। সম্পূৰ্ণ পটু নহ'লেও মই কাম চলাব পৰা হৈছিলোগৈ। ল'ৰা-ছোৱালীহঁতৰ ফ্ৰক, চোলা, জাঙিয়া আদি কৰিছিলো যদিও, বহু দিনলৈ তেখেতৰ বাবে চোলা এটা চিলাই কৰাৰ আগ্ৰহটো মই পূৰণ কৰিব পৰা নাছিলো। অৱশেষত এবাৰ যত্ন কৰি চালো। প্ৰথমে যিটো চোলা মই তেখেতৰ বাবে যত্ন কৰি চিলালো সেইটোৰ গঢ় সঠিক ন'হল। সোঁ-বাওঁসিৰ কান্ধৰ চিলাইটো যদি বেছি ওপৰলৈ উঠি আহিছে বাওঁ-বাউসিৰ কান্ধৰ চিলাইটো হয়তো তললৈ নামি গৈছে ;— এখন হাতৰ ঘেৰ বহল আৰু আনখনৰ ঘেৰ হয়তো হৈছে চিপা, তথাপি তাকে পিন্ধি সভাই সমিতিয়ে ঘূৰি ফুৰিছিল। বাহিৰৰ পৰা আহি তেখেতে সেই চোলাটো পিন্ধাৰ কাৰণে তৰুণ ফুকন, নবীন বৰদলৈ, গোপী বৰদলৈ আৰু আন আন সকলে কেনেকৈ হাঁহি ঠাট্টা আমোদ কৰিছিল, তাকো মোক তেখেতে কৈছিল। আৰু কৈছিল 'তুমি লাজ নাপাবা মই তেখেতসকলক কৈ দিছো যে, মোৰ পৰিবাৰে নিজে কাটি সা দিয়া চোলাটো পিন্ধি মই যি গৌৰৱ কৰো তেখেতসকলৰ নাই, গা ঢাকিবলৈ দৰ্জীৰ শৰণ ল'ব লাগে তেখেতসকলে।"

সাজ পাৰৰ বিষয়ে তেখেতৰ অমনোযোগিতাৰ কথা, যেয়ে তেখেতক দেখিছে সেয়ে জানে। জাৰ-জহৰ পৰা ৰক্ষা পাবৰ বাবেহে কাপোৰ-কানি মানুহক লাগে, দেহ সজ্জাৰ বাবে নহয় বুলি তেখেতে কয়। সেইবাবেই তেখেতে এখন কাপোৰ যিমান বেছি দিনলৈ ব্যৱহাৰ কৰে। ধুতি পুৰণি হ'লে তাৰে আকৌ গেঞ্জী বা চোলা কৰি লৈ তেখেতে ব্যৱহাৰ কৰে। এইদৰে যদিও সাজ-পাৰৰ প্ৰতি তেখেতৰ ভ্ৰূক্ষেপ নাই, তথাপি সৌন্দৰ্যবোধ বা সুকুমাৰতাৰ কথা চিন্তা নকৰা মানুহ তেখেত নহয়। তেখেতৰ মতে সৌন্দৰ্যবোধৰ কথাটো সাজ-পাৰ আদিৰ বিষয়তেই সীমাবদ্ধ নহয়। ঘৰুৱা জীৱনৰ সৰু-সুৰা বহুত বহুত কামৰ ক্ষেত্ৰতেই তেখেতে সৌন্দৰ্যবোধ যে প্ৰয়োজনীয়, সেই কথা কয়। খাবলৈ ভাত সাজি দিওঁতে কাঁহীত ভাত কোনখিনিত, ভাজি কোনখিনিত দিব লাগে, নেমু

টুকুৰা কেনেকৈ সহজে ৰস উলিয়াব পৰাকৈ ধুনীয়া গঢ়েৰে কাটিব লাগে, পিঠা-পনা পোৰোতে পিঠাৰ গঢ় কেনে সুন্দৰ দেখি ইত্যাদি বিষয়বোৰো তেখেতে লক্ষ্য কৰে। সুন্দৰ ফুলৰ গোন্ধ, ফুলনিৰ সৌন্দৰ্য আদি যদিও তেখেতে ভাল পায়, তথাপি হাবি-জঙ্গল হ'লে, নাইবা সাপ আদিৰ পৰা আশঙ্কা হ'লে, তেখেতে ফুলি উঠা সুন্দৰ সুগন্ধি ফুল গছবোৰ কাটি পেলায়, দ্বিধা নকৰে। এইকাৰণে ঘৰৰ কোনোৱে বেজাৰ কৰিলে তেখেতে কয়— প্ৰথমে নিজে সংশয়হীন হৈ বৰ্তি থাকিব লাগিব। জীয়াই থকাটোহে প্ৰথম কথা।

প্ৰবল খং উঠিলেও তেখেতে কেতিয়াও কাকো শাৰীৰিক শাস্তি দি মাৰধৰ নকৰিছিল। মাথোন অতি তীব্ৰ ভাষাত তিৰস্কাৰ কৰিছিল। তেখেত খঙাল মানুহ বুলি জানিছিলো বাবেই মই প্ৰথমৰ পৰাই তেখেতে কেনে কথাত শান্তি পায়, কেনে কথাত খং উঠে সেইবোৰলৈ বিশেষভাৱে চকু ৰাখি সকলো বুজি সেইমতে চলিবলৈ চেষ্টাৰ ত্ৰুটি নকৰিছিলো। কিন্তু তথাপি তাৰে মাজতে কেতিয়াবা ভুল হৈ যায়, আৰু তেনে মুহূৰ্ত্ততে তেখেতৰ খং উঠে। কিন্তু তেখেতৰ এনে খং ক্ষন্তেকৰ বাবেহে মাথোন। সি বেছিপৰ নাথাকে।

সাধাৰণভাৱে তেখেতে কোনো মানুহকেই বেয়া নাপায়। কিন্তু মানুহৰ যিবোৰ দোষ-ত্ৰুটি তেখেতৰ চকুত পৰে, সেই দোষ-ত্ৰুটিবোৰৰ কথা পাহৰি মানুহক গ্ৰহণ কৰিবলৈ তেখেতে টান পায়। আনহাতে মানুহৰ বিষয়ে প্ৰথম পৰিচয়তে যেনে ধাৰণা তেখেতৰ জন্মে তেনে ধাৰণাটোৱেই প্ৰায় ৰৈ যায়। তাৰ ফলত, এনে বহুকেইটা ঘটনা ঘটিছে যে প্ৰথম পৰিচয়তে নানা কথাৰে মন জয় কৰি বহুত দুষ্ট লোকে তেখেতক ঠগাইছে আৰু কেতিয়াবা হয়তো ভুলক্ৰমে কোনো ভাল মানুহৰ বিষয়ে পোনতে বেয়া ধাৰণা জন্মাৰ ফলত সেই মানুহৰ বিষয়ে তেনে ধাৰণা ৰৈয়েই গৈছে। অতি সহজে মানুহক বিশ্বাস কৰে কাৰণেই তেখেতক 'মানুহৰ বিষয়ে প্ৰথম ধাৰণা'টোৱে ইমান প্ৰভাৱান্বিত কৰে। এনে স্বভাৱৰ কাৰণেই এসময়ত এজন অসমীয়া ঠিকাদাৰৰ হৈ 'কাবুলী'ৰ ওচৰত জামিন হৈ অৱশেষত নিজে তেখেতে বহুত টকা ভৰি ক্ষতিগ্ৰস্ত হৈছিল। লোকৰ সুবিধা-অসুবিধা

আদিৰ কথা তেখেতে বৰ বেছিকৈ বিবেচনা কৰে। আনৰ বিপদ-আপদত গা-পাতি উপযাচি সহায় কৰিবলৈ যায় কাৰণেই বহু লোকৰ লগতেই তেখেতৰ ভুল বুজা-বুজিৰ সৃষ্টি হৈ মনত আঘাত পায়। তথাপি এই অভ্যাসটো তেখেতে এৰিব পৰা নাছিল। আনৰ পৰা পাবলগীয়াটোতকৈ দিবলগীয়াটোৰ বিষয়ে তেখেত অধিক সজাগ। তাৰ বাবে বহুত ঠাইত নিজ প্ৰাপ্যৰ পৰা বঞ্চিত হোৱা সত্বেও কিন্তু তেখেতে বেজাৰ অনুতাপ নকৰিছিল।

॥ পাঁচ ॥

ঘৰৰ বাহিৰৰ কৰ্মক্ষেত্ৰত আবদ্ধ থাকিলেও মোৰ 'স্বামী'য়ে ল'ৰা-ছোৱালীকেইটিৰ শিক্ষা আৰু চৰিত্ৰ গঠন আদিৰ ফালে সততে চকু ৰাখিছিল। সিহঁতৰ ওপৰত যাতে "তেখেতে ভাল নোপোৱা" প্ৰভাৱ কিবা পৰিব নোৱাৰে তাৰ বাবে তেখেতে বৰ সতৰ্ক আছিল আৰু ল'ৰা-ছোৱালীহঁতক সকলে পৰা বহু দিনলৈ নিজৰ লগত লৈহে ফুৰাইছিল। আনৰ সৈতে ফুৰা-চকা কৰিব নিদিছিল। বিশেষ কাম নাথাকিলে সন্ধিয়া আলিবাটৰ লাইট জ্বলি উঠাৰ লগে লগেই ঘৰৰ সকলোৱে আহি ঘৰ সোমাব লাগিব – এয়ে তেখেতৰ নিয়ম। আত্মবিশ্বাস, আত্মনিৰ্ভৰশীলতা, সততা আৰু অন্যান্য নৈতিক গুণাৱলী আদিয়েহে যে মানুহক মানুহ ৰূপে থিয় কৰাব পাৰে, সা-সম্পত্তি বা ধন-সোণে নোৱাৰে— সেই কথা তেখেতে ল'ৰা-ছোৱালীক কৈ থাকে।

আমাৰ প্ৰথমা কন্যা শুচিব্ৰতাৰ বয়স যেতিয়া দুই-আঢ়ৈবছৰমান তেতিয়া এবাৰ এটা ঘটনা ঘটিছিল। তেখেতে তেতিয়া ধপাত খাইছিল। ধপাত খাই উঠি হোকাটো বেৰৰ গাতে এডাল হাকোটাত ওলোমাই থোৱা হৈছিল। মন নকৰোতেই এবাৰ শুচিব্ৰতাই গৈ হোকাত এটা টান মাৰিলে। মই দেখা পাই লৰালৰিকৈ তাইক লৈ আহিলো। বুজাই ক'লো, "নাপায় নহয়, ছিঃ হোকা মুচুৰা।" তাই তপৰাই মাত দিলে "পিতাৰ দৰে ডাঙৰ হ'লে খাম।" লগে লগে তেখেতে হোকাটো হাতত চিলিমেৰে সৈতে দলিয়াই পেলাই দিলে আৰু স্থিৰ কৰিলে যে সিদিনাৰ

পৰা ধপাত্ত নাখায়। সঁচাকৈয়ে সিদিনাৰ পৰা আৰু তেখেতে হোকা চিলিম হাতত লোৱা নাই।

তেখেতে ল'ৰা-ছোৱালীক যিদৰে কঠোৰ শাসনৰ মাজত ৰাখে সেইদৰে বৰ বেছি মৰমো কৰে। সিহঁতৰ মঙ্গলা-মঙ্গল চিন্তা কৰিয়েই সিহঁতৰ অসুখ পাতি বা বিপদ আদিত অতি সহজে বিচলিত হৈ পৰে।

॥ ছয় ॥

তেখেত বাহিৰে ভিতৰে এক মানুহ বুলি বহুতে জানে। কোনো মানুহৰ প্ৰতি ভাল বা বেয়া যি কোনো ভাব তেখেতৰ মনত উদয় হ'লে, সেই ভাবটো তেখেতৰ মুখৰ ভাব চাৱনি আৰু ব্যৱহাৰত ফুটি উঠে। লুকাই ৰাখিব নোৱাৰে। হয়তো মনৰ ভাব মানুহজনৰ সন্মুখতে খোলা-খুলি-ভাৱে কৈ দিয়ে। সেইবাবে বহু সময়ত তেখেত আনৰ অপ্ৰিয়ভাজনো হয়। কিন্তু যিসকলে তেখেতক নিবিড়ভাৱে জানে সেইসকলে তেখেতৰ চৰিত্ৰৰ শিশুসুলভ সৰলতাৰ গম পায় আৰু সেইবাবেই তেখেতক বেয়া পাব নোৱাৰে। এই স্বভাটোৰ বলতেই সন্তুৰ জীৱনৰ ইমান দুখ নিৰ্যাতনৰ মাজতো তেখেতে নানান কল্পনা, পৰিকল্পনাৰ আঁচনি ভাঙি-পাতি আপোন মনতে খেলি থাকি ৰং পায়।

॥ সাত ॥

মোৰ ধাৰণাত তেখেত ৰাজসিক প্ৰকৃতিৰ লোক। কিন্তু তথাপি টকা-পইছা, সা-সম্পত্তিৰ প্ৰতি অনাসক্ত। স্বভাৱত এই ধৰণে দুটা প্ৰকৃতিৰ সান-মিহলিয়ে তেখেতক এজন অদ্ভুত ব্যক্তিত্বৰ মানুহ কৰি তুলিছে। অনাসক্ত প্ৰকৃতিৰ বাবেই সৰু কালৰে পৰা গুৱাহাটীত থকা সত্বেও তেখেতে নিজা মাটি-বাৰী কৰা নাছিল। নীজ লৈ লৈ ইঠাইৰ পৰা সিঠাইকৈ ঘূৰি ফুৰিবলগীয়া হোৱাত মই থকা ঘৰটো অন্ততঃ সাজিবলৈ মাটি এডুখৰি কৰিব লাগে বুলি কোৱাত তেখেতে উত্তৰ দিছিল, "প্ৰথমবাৰ উচ্ছেদ হওঁতেই ৰিহাবাৰীত ডঃ কাকতিৰ ওচৰতে কিনা জঙ্গলী মাটি বিঘা কিনাদাম তিনিশ টকাতে 'গুৱাহাটী বেঙ্কৰ' বন্ধকীত গ'ল।

তাক মুকলি কৰিব নোৱাৰিলো। গতিকে মাটি আঁক নকৰো। কৰিলেও তাৰ সেই একে দশাই হ'ব। ব্যক্তিগত সম্পত্তি মোক নালাগে। যদি ল'ৰা-ছোৱালীকেইটিক ভালকৈ গঢ়ি তুলিব পাৰো তেন্তে সিহঁতেই মোৰ সম্পত্তি হ'ব। যদি মোৰ দেশখন ৰক্ষা পৰে, তেন্তে ময়ো বাচি থাকিব পাৰিম। গোটেই দেশখনেই মোৰ মাটি।" তেখেতৰ এই কথা উচ্চ আদৰ্শবাদৰ কথা, কিন্তু বাস্তৱ ক্ষেত্ৰত নিজৰ থকা ঘৰটি সজাৰ প্ৰয়োজনীয়তা তেখেতে এবাৰো যাব পৰা নাই। নানা বিৰোধ-বিপত্তিৰ মাজেৰে আজি কেইবছৰমান আগতে অসম চৰকাৰৰ অনুগ্ৰহত মাথোন বৰ্তমানৰ থকা ঘৰ মাটিখিনিৰ জোগাৰ কৰি লৈছিল। সা-সম্পত্তিৰ বাবে আকাংক্ষা থাকিলে তেখেতে জীৱনত বহুত সুযোগেই পাইছিল। তেখেতৰ আৰ্থিক টনাটনিৰে চলা অৱস্থাটো দেখিযেই তেখেতৰ কংগ্ৰেছী বন্ধু কোনো কোনোৱে কণ্ট্ৰোলৰ সময়ত গোটেই অসমৰে সূতা, গুড় আদিৰ পাৰ্মিট জোগাৰ কৰি দিবলৈ ওলাইছিল। তেখেতসকলে কৈছিল যে কোনো মূলধন নাথাকিলেও আন বেপাৰীৰ লগ লাগি সেই পাৰ্মিটৰ বলত বেপাৰ কৰিব পৰা যাব। কিন্তু তেখেত মান্তি নহ'ল। দ্বিতীয় মহাযুদ্ধৰ সময়তো 'ডেকা অসম'ৰ বাবে পোৱা নিউজ প্ৰিণ্টৰ পাৰ্মিট এখন কিনিবলৈকো কোনো কোনো ব্যৱসায়ী লোকে আহি তেখেতক প্ৰলুব্ধ কৰিছিল। কিন্তু তেনেবোৰ প্ৰলোভনৰ ওচৰত তেখেত সৈমান নহ'ল। নিজে কিনিব নোৱাৰাত পাৰ্মিট বাতিল হৈ গ'ল। তাহানি এবাৰ চৰকাৰৰ পক্ষৰ পৰা তেখেতক শ্বিলং-গুৱাহাটী বাটৰ বাছৰ পাৰ্মিট এখন কোনো সহৃদয় নেতা বন্ধু এজনে দিবলৈ বিচাৰিছিল। কিন্তু তেখেতে ন'ললে। আকৌ 'লাইন প্ৰথা'ৰ বাবে কাম কৰাৰ সময়ত মৈমনসিঙীয়া মাতব্বৰ কিছুমানে তেখেতক কেবা হাজাৰো টকা ভেটি দি সিহঁতৰ বিৰুদ্ধে আন্দোলন বন্ধ কৰিবলৈ যত্ন কৰিছিল। মনটো পৰীক্ষা কৰাৰ কাৰণেই, এইবোৰ ক্ষেত্ৰত তেখেতে সদায় মোক এইদৰে অৰ্থ উপাৰ্জন কৰিবলৈ পোৱা সুবিধাবোৰৰ কথা কৈছিল আৰু মোৰ মনোভাবনো কি জানিব বিচাৰিছিল। ভগৱানক ধন্যবাদ যে মই মোৰ স্বামীক এনেবোৰ সুযোগ সুবিধা ল'বলৈ উদগনি দিয়া নাছিলো।

ৰাজহুৱা স্বাৰ্থ ৰক্ষাৰ কামত তেখেতে নিজকে আগুৱাই দিছিল। তাৰ মাজত মোৰ বা আমাৰ ক্ষুদ্ৰ সাংসাৰিক স্বাৰ্থই যাতে ব্যাঘাত জন্মাব নোৱাৰে তাৰ বাবে মই সততে যত্ন কৰিছিলো। সদায় বিচাৰিছিলো যে মোৰ স্বামী

সদায় মানুহৰ চকুত মহৎ হৈ থাকক। পৃথিৱীৰ ধূলি-মাটিয়ে যেন ‘তেখেত’ক মলিন কৰিব নোৱাৰে। তেখেতে ‘শুদ্ধি আন্দোলন’ত অংশ গ্ৰহণ কৰি কেইবাজনীও নিৰাশ্ৰয়া আৰু বিধৰ্মীয়ে বলেৰে ধৰ্মান্তৰীতা কৰা ছোৱালীক উদ্ধাৰ কৰি আনি নিজৰ ঘৰত আশ্ৰয় দি ৰাখিছিল আৰু পিছত ভালদৰে বিয়া দিছিল। সেইসকলৰ চাৰিজনী এতিয়াও গুৱাহাটীতে ল’ৰা-ছোৱালী লৈ ঘৰ-সংসাৰ কৰি আছে। সিহঁতক গ্ৰহণ কৰিবলৈ মোৰ মনৰ সংস্কাৰে প্ৰথমে অলপ অসুবিধা পালেও তেখেতে ‘সেৱাধৰ্ম’ৰ প্ৰভাৱত সেই দ্বিধা নোহোৱা কৰি দিছিল। ঘৰৰ মানুহৰ দৰেই সিহঁতক মই ব্যৱহাৰ কৰিছিলো। বহু সময়ত বাটত পৰি থকা অসমৰ্থ ক্ষুধাতুৰক আৰু অসমৰ্থ মগনীয়াক তেখেতৰ সাজি থোৱা ভাত সাজো খুৱাইছে। সেইটো তেখেতৰ স্বভাৱ আছে। এইদৰে বাহিৰৰ কৰ্কশতা আৰু ভিতৰত হৃদয়ৰ অনুপম কোমলতা আৰু মহৎ গুণাৱলীৰে মই মোৰ স্বামীক সদায় ভক্তি, শ্ৰদ্ধাৰ মনোভাবেৰে দেখি আহিছো আৰু চিৰকাল তেখেতৰ প্ৰবল ব্যক্তিত্বৰ মাজত মোৰ নিজৰ যদি কিবা ব্যক্তিত্ব আছে, তেন্তে তাক পৰিপূৰ্ণভাৱে মিলাই দি সংসাৰৰ সুখ আৰু শান্তি ৰক্ষা কৰি চলিবলৈ যত্ন কৰি আহিছো। মোৰ ধাৰণাত ভাৰতীয় নাৰীৰ বাবে স্বামীৰ ব্যক্তিত্বৰ মাজত নিজক একাত্মক ৰূপে মিলাই দিব পৰাটোৱেই জীৱনৰ সাৰ্থকতা।

মোৰ স্বামীগুৰুৰ ৰাজনৈতিক আৰু সামাজিক ৰাজহুৱা আন্দোলন আৰু কামবিলাকৰ লগত যদিও ঘনিষ্ঠ জনা-শুনা আছে, সেইবিলাকৰ কথা ইয়াত কোৱা নাই। ইয়াত আমাৰ ঘৰুৱা ফালটোৰ কথাহে কৈছো। পঢ়ি ভাল পাওঁ যদিও লিখা অভ্যাস মোৰ নাই। এইখিনি কথা মই কৈ যাওঁতে মোৰ ছোৱালীজনীয়ে লিখি গৈছিল। *

---

* ‘অসম বাতৰি’ৰ (২৮ জুলাই, ১৯৬৫) সৌজন্যত

পিতৃদেৱৰ স্মৃতি

শুচিব্ৰতা ৰায়চৌধুৰী

বৈচিত্ৰ্যময় এই বিশ্বৰ কোলাত পাৰ্থিৱ-অপাৰ্থিৱ সকলো সুখ-দুখৰ মাজেদি পোহৰতকৈও বেগী মনক অনন্তৰ অভিমুখে পৰিচালিত কৰিব পৰা অপৰিসীম শক্তিৰ অধিকাৰী মানৱ জন্ম লাভ কৰাৰ গৌৰৱ অৰ্জন কৰাৰ সৌভাগ্য যাৰ জৰিয়তে হয় তেওঁলোক হ'ল পিতৃ আৰু মাতৃ। সেইকাৰণেই ভাৰতীয় শাস্ত্ৰত পিতৃক প্ৰায় ভগৱানৰ ওচৰত স্থান দি থৈছে—

পিতা স্বৰ্গ, পিতা ধৰ্ম পিতোহি পৰমং তপঃ। সেইদৰে পৃথিৱীৰ সকলো মুখ্য ধৰ্মেয়ো ভগৱানক পিতৃ বুলি কয়, কাৰণ সৃষ্টিৰ বীজ পৰম পিতা পুৰুষোত্তমৰ পৰা আহে আৰু মাতৃ প্ৰকৃতিয়ে তাক ধাৰণ আৰু লালন কৰে।

মোৰ পিতৃদেৱৰ বহু স্মৃতি, বহু চিত্ৰ মোৰ মানসপটত, মোৰ অন্তৰাত্মাত প্ৰোথিত আছে,—যি আনন্দৰ, যি যন্ত্ৰণাৰ, যি বেদনাৰ, ক্ষোভৰ, যি তপস্যাৰ। কিছুমান হৈ গৈছে অৱচেতনাৰ অংশ, কিছুমান মোৰ অস্তিত্বৰ। এই অস্তিত্বৰ সূত্ৰ ধৰি মোৰ প্ৰথম স্মৃতি হ'ল—এটা টেবিল লেম্প, তাক ঘেৰা এটি লোহাৰ তিনি ঠেঙীয়া বেৰিয়া, তাৰ ওপৰত চচপেনত তুলি থোৱা পানী আৰু অদ্ভুত হাতত কম্পোজিং ষ্টিকলৈ কৰ্মৰত পিতৃদেৱ! এটি মৃদু খিচ্ খিচ্ আখৰ গঠাৰ শব্দৰ বাহিৰে আৰু কোনো শব্দ নাছিল। নিশাৰ গভীৰ নীৰৱতা ভঙ্গ কৰিবলৈ একাগ্ৰভাৱে কামত ৰত পিতৃদেৱৰ মন উৎকণ্ঠাই কেতিয়াবা সঁচৰিত কৰি তোলে আৰু তেতিয়া আহি মোৰ কপালত জলপটী দি যায়। গাৰ কাপোৰখন ঠিক কৰি থৈ যায়। শুকাই যোৱা ওঁঠত এটোপ পানী চামোচেৰে লগাই দিয়ে। আই

তেতিয়া মোৰ ভাতৃৰ জন্ম সংক্ৰান্তত মামাৰ ঘৰত—নলবাৰীৰ পকোৱাত। তাতেই মোৰ টায়ফয়েদ হোৱাত পিতৃদেৱে ডা° ৰুদ্ৰ শৰ্মাদেৱক লৈ গৈ তেখেতৰ উপদেশমতে চিকিৎসাৰ বাবে গুৱাহাটীলৈ লৈ আহি জীৱন সংগ্ৰাম আৰু প্ৰথমা কন্যাৰ মৃত্যুৰ লগত সংগ্ৰাম—এই কঠিন যুগল সংগ্ৰামত অকলশৰীয়াভাৱে লিপ্ত হৈছিল। মোৰ সপোনৰ দৰে মনত পৰে, মই সেই সময়ত মোৰ মূৰ শিতানত ৰঙা বগা ছা দেখা পাইছিলো। সেই ছা মৃত্যু দূতৰ নে কি মই নাজানো। আজিও থাকো কোৱা নাই। জ্বৰ ভাল হোৱাৰ পিছতো মই বহুদিন বিছনাত পৰি আছিলো। সেই টেবিল লেম্পটোৰ তাপতে পিতাই মোক পথ্য কৰি খুৱাইছিল। আঁতৰত এটা স্পিৰিট ষ্টোভ আছিল যেন লাগে। অলপ ভাল পোৱাত মোৰ গাত পিহি পিহি উঠি যোৱা ছালবোৰ পিতাই আলফুলে ধুই দিছিল। সেই সংগ্ৰামত পিতৃদেৱ জয়ী হৈছিল।

তাৰ পাছত মনত পৰা ঘটনাটো হ'ল—পাণবজাৰ বালিকা বিদ্যালয়ৰ। বেঞ্জিত প্ৰথমে সূতা ভৰাই হেম বৰিয়া চিলাই কৰিবলৈ আৰম্ভ কৰিছো। ডাঙৰ ঘৰটোৰ ইমূৰৰ পৰা সিমূৰলৈকে পাঁচটা শ্ৰেণী। বাইদেৱে মাজত বহি দুই তিনিটা শ্ৰেণীৰ পঢ়া, হাতৰ কাম ইত্যাদি শিকাই আছিল। হঠাতে আনটোমূৰৰ পৰা গোৱালীবোৰৰ গিৰ্জনি হাঁহি শুনি মই সেইফালে চালো। ঠিক তেনে সময়ত বাইদেৱে মই তেখেতৰ কথাত মন নিদিয়া যেন দেখি মোৰ মুখলৈ চাই মই আনফালে চাই থকা দেখি মোৰ গালত ঠাচ্‌কৈ চৰ এটা মাৰি দিলে। মোৰ চকুপানী ওলাইছিল কিন্তু কন্দা নাছিলো। ঘৰলৈ অহাত পিতাই গালত আঙুলিৰ ছাব সিৰপাতি উখহি উঠা দেখিলে। শেষত ঘটনাটো ক'লো। পিতাই মোক নকলে কিন্তু পিছদিনা বিদ্যালয়লৈ যাওঁতে পিতাই টান চিঠি লিখা বুলি বাইদেউৰ পৰা বক্ৰোক্তি শুনিছিলো।

এইবোৰ কথা উল্লেখ কৰিছো এই কথাটোৰ বাবেই যে, পৰম পূজনীয় পিতৃদেৱ অতি ব্যস্ত ব্যক্তি আছিল যদিও জীৱন যুদ্ধত জৰ্জৰিত দেহাটোক কোনো ভিৰণি নিদি মনটো সদায় সতৰ্ক আৰু সচেতন ৰাখিছিল যাৰ ফলত কৰণীয় কোনো কৰ্তব্যৰ পৰা তেখেত কেতিয়াও চ্যুত নহৈছিল।

সন্তানক দিব লগা ৰক্ষণাবেক্ষণ এনেকি শুশ্ৰূষাৰ দৰে কঠিন কামো বিনা দ্বিধাই মূৰ পাতি লৈছিল।

অকল শাৰীৰিক নিৰাপত্তাই নহয় মানসিক বিকাশৰ প্ৰতিও তেখেতৰ সদা জাগ্ৰত দৃষ্টি আছিল। পিতৃদেৱে সঙ্গীত ভাল পাইছিল। বেহেলা, এস্ৰাজ আৰু হাৰমনিয়াম লৈ আমাৰ একমাত্ৰ বহল বিছনাখনত নাইবা বাহিৰৰ কোঠাটোৰ খাটখনত কেতিয়াবা বহি আমাক ওচৰত বহুৱাই লৈ আপোন মনে বেহেলা বা এস্ৰাজ বজাইছিল আৰু মাজে মাজে স্বৰবোৰ কৈ দিছিল। কেতিয়াবা হাৰমনিয়াম লৈ বৰগীত আৰু নিজৰ ৰচনা কৰা গীত গাইছিল আৰু আমাকো লগে লগে গাবলৈ কৈছিল—ভুল হ'লে শুধৰাই দিছিল। হাৰমনিয়ামটো মোক বজাবলৈ শিকাইছিল। স্বৰগ্ৰামৰ স্তৰ আৰু বিচিত্ৰতা সম্পৰ্কে বুজাবলৈ যত্ন কৰিছিল আৰু স্বৰ সাধনা কেনেদৰে কৰিব লাগে দেখুৱাই দিছিল। অলপ ডাঙৰ যেতিয়া হ'লো, মোক নিজাকৈ এটা এস্ৰাজ দিছিল। শিশুৰ মনৰ আকৰ্ষণৰ বাবেই হয়তো এস্ৰাজৰ খোলাটোত কাঠৰ ধুনীয়া মানুহৰ মুখ এখন খোদিত কৰাই দিছিল। এনেকি কেতিয়াবা আগত বহুৱাই লৈ যি মন যায় আঁকিবলৈ চিলট-পেন্সিলো দি ছবি আঁকাত উদ্‌গনি দিছিল। নিজে কামত ব্যস্ত থাকে আৰু তাৰ মাজতে বাহিৰৰ কোনোবা কিবা বিষয় আলোচনাৰ বাবে বা সমস্যালৈ আহিলে তেখেতসকলক মোৰ আঁকা ছবি দেখুৱাই প্ৰশংসা কৰিছিল আৰু কৈছিল, "ইমান ধুনীয়া আঁকিছে চোৱা। এই পাৰিব—নহয়নে?"

পাণবজাৰত যিটো ঘৰত আমি আছিলো; তাত ওলোৱা-সোমোৱাৰ কোনো ঠাই নাছিল। বাটৰ কাষৰ প্ৰথম কোঠাটো আছিল পিতাৰ অফিচ। উত্তৰৰ ফালে বেৰত লগোৱা বহল কেইবা খলপ থকা ৰেকখন ন-পুৰণি বাতৰি কাকত আৰু চিঠি-পত্ৰৰ টোপোলাৰে ঠাহ খাই আছিল। তাতে বহি পিতাই পঢ়েও, লিখেও আৰু আৰামীও সোধে। দক্ষিণৰ বেৰৰফালে কাঠৰ দীঘলীয়া বেঞ্চি এখন। খাটখনৰ কাষতে এখন সৰু মেজ য'ত পিতাই লিখে। বেঞ্চখনত আলহী বহে। কেতিয়াবা কেতিয়াবা বিশেষকৈ মোক বহুৱাই থৈ ৰেকখনৰ এটা খলপৰ কাষত চূণৰ ফোঁট এটা দি তলৈ স্থিৰ হৈ চাই থাকিবলৈ কয়, যাতে শাৰীৰিক আৰু মানসিক সংযমৰ অনুশীলন হয়। এই অফিচটোৰ ঠিক পিছফালে আছিল লাইব্ৰেৰী।

লাইব্ৰেৰীত কিছুমান ৰেক আছিল· আৰু ৰেকবোৰত বহুতে. কিতাপ আছিল। মই পঢ়িব পৰা হোৱাত ত.ত সোমাই কিতাপবোৰ পঢ়ি গৈছিলো। কিছু বুজিছিলো—কিছু বুজা নাছিলো। তেতিয়াই এখন সৰু কিতাপ পাইছিলো —শতধাৰ। তাত লিখা আছিল জালিয়ানৱালাবাগৰ এখন বজাৰে ঘেৰা পথাৰত বহু মানুহে মিটিং কৰি থাকোতে কেনেদৰে তাৰ পৰা ওলোৱা বাটবোৰ চিপাহীৰে বন্ধ কৰি দি গুলীয়াবলৈ আদেশ দিছিল বৃটিছ চাহাবে। বহু মানুহ কেনেদৰে মৰিল আৰু কিছুমানে কেনেদৰে বুকুৰে বগুৱা বাই বাই পলাল। সকলো কথা বুজা নাছিলো। পিতাই মোৰ হাতত কিতাপখন দেখি লৈ গৈছিল আৰু কৈছিল যে কিতাপখন চৰকাৰে বন্ধ কৰিছে। ডাঙৰ হোৱাৰ পাছত পিতাই কৈছিল ‘শতধাৰ’ পিতাই আনৰ নাম দি লিখিছিল। ড° সূৰ্যকুমাৰ ভূঞাই কিতাপখন তেখেতৰ তাত থকা বুলি কৈছিল। অ মাৰ তাত থকাখন পাছত আমি আৰু নাপালো। ১৯৪১–৪২ চনত কিতাপবোৰ পিতাই মামাইঁতৰ গাঁৱলৈ পঠিয়াই দিছিল। এখন চাংঘৰত আছিল। তাতেই বহু কিতাপ, বহু কাগজ নষ্ট হ’ল আৰু হেৰাল। বহুতে পঢ়িবলৈ নি বহু কিতাপ নিদিলে। আমিও যত্ন ল’ব পৰা নাছিলো। তাৰ পাছত বহু হেৰাল ১৯৫২ চনৰ উচ্ছেদৰ সময়ত। উচ্ছেদৰ দিনা ৰবযুগত বহু নষ্ট হৈ উটি গ’ল।

পাণবজাৰৰ ঘৰত থাকোতেই মনত পৰে এবাৰ নগাঁৱত ভীষণ বানপানী হৈছিল। পিতাও ৰিলিফৰ কামত গৈছিল—ঘৰে ঘৰে মুষ্টি-ভিক্ষা কৰি দুৰ্গতৰ সহায়ৰ বাবে চাউল আৰু পইছা সংগ্ৰহ কৰিছিল। তাতে থাকোতেই বঙ্গদেশৰ পৰা অহা পমুৱাৰ লগত থলুৱা কৃষকৰ দ্বন্দ্বৰ কথা কিছু কিছু শুনিছিলো। মানুহবোৰে আহি আহি পিতাক জনাইছিল তেওঁলোকে পাম পাতি থাকিব নোৱাৰা হৈছে। পমুৱাসকলৰ কিছুমান দুষ্ট মানুহে পথাৰলৈ খাবলৈ অনা ভাত তেওঁলোকৰ গালৈ দলিয়াই দিয়ে। মৰা গৰুৰ মূৰ আৰু হাড় পথাৰত পেলায় আৰু গৰু সুমুৱাই দি শস্য নষ্ট কৰে। ভয়তে সেই থলুৱা জনজাতীয় আৰু ৰাজবংশী, কলিতা মানুহবোৰে পাম এৰি পলাই আহে। এই মানুহবোৰৰ কিছুমানে ডুবা-কাছৰ কণী, কাঠ আলু আৰু সৰু কণীধান কিছুমান লৈ আহিছিল। তাৰ পাছতেই ‘মিলিত জন সংঘ’ৰ মন্ত্ৰীসভাৰ বিৰুদ্ধে বিক্ষোভৰ আয়োজন কৰিছিল আৰু আমি

"এসমীয়াৰ মুখৰ ভাত কাঢ়ি আনক খুৱো মন্ত্ৰীমণ্ডলৰ পতন হওক" বুলি লিখা কথা প্লেকাৰ্ড লৈ ঘৰৰ বাহিৰত ৰাস্তাৰ ওচৰত থিয় হৈ আছিলো।

এই সকলোবোৰ ব্যস্ততাৰ মাজতো কিন্তু পিতাই আইৰ অসুখৰ সময়ত নিজে ৰন্ধা-বঢ়াও কৰিছিল। পিতাই ৰৌ মাছ, চিতল মাছৰ কলঠি আৰু ডাঙৰ কাৰ্ৰ মাছত নেমুৰ ৰসেৰে টেঙাৰ জোল, ৰহৰৰ দাইল, মাহ দিয়া অমিতৰ খাৰ, গুৰি মাছৰ আদাৰ জোল, মাছৰ মুখেৰে লাও বা মগু দাইলৰ ঘণ্ট আৰু মাছেৰে বিলাহী টেঙা বৰ সোৱাদ লগাকৈ ৰান্ধিছিল। খাওঁতে পাৰাপক্ষত সদায় আমাক লৈ খাইছিল আৰু ভাল ভাল অংশবোৰ আমাক দিছিল।

সন্তানৰ স্বাস্থ্যৰ প্ৰতি পিতৃদেৱৰ তীক্ষ্ণ দৃষ্টি আছিল। বতৰৰ পৰিবৰ্তনৰ লগে লগে শিশু বা কিশোৰ বয়সত কেনে ধৰণৰ আৰু কি কি খাদ্যৰ আৱশ্যক সেই সম্পৰ্কে অতি সচেতন আছিল আৰু বেলেগ বেলেগ সময়ত বতৰৰ ফল যেনেকৈয়ে হওক যোগাৰ কৰি আনি আমাক দিছিল আৰু কেনেকৈ খাব লাগে শিকাই দিছিল। ক'লা জামুৰ বতৰত কচুৰ পাতৰ ঠোঙা ভৰাই ক'লা জামু আনি দি আমাক তাত কটাৰীৰে দুটাকৈ আঁচ দি লোণ পানীত কিছুমান সময় তিয়াই থবলৈ দি পাছত তুলি আনি আ'টাইকে ভগাই দি খাবলৈ দিছিল। বহাগ বিহুৰ পাছত ঢেকীয়া, কলমৌ শাক, হেলচী, বেতৰ গাজ, পচলা বিচাৰি বিচাৰি আনিছিল। ওলকচুৰ ঠোৰ আনি টেঙা আৰু বৰ ভাজি খোৱাটো নিয়ম এটা যেন আছিল। ফাগুন, চ'তত কেঁচা হালধী আৰু গুৰ; মাঘৰ পৰা চিৰতা তিতা তিওৱা পানী, এইবোৰ সৰু-সুৰা ঘৰুৱা দৰৱ যেনেকৈয়ে হওক যাতে সময়ত আমি খাওঁ তাৰ প্ৰতি লক্ষ্য ৰাখিছিল আৰু আমাক খুৱাইছিল।

পিতা কেতিয়াবা অসমৰ বাহিৰলৈ গৈছিল। অৱশ্যে দুই-এবাৰহে তেনেদৰে যোৱা মনত পৰে। আমি তেতিয়া সৰু আছিলো—কি কামত গৈছিল সেই সম্পৰ্কে কোনো কথা নাজানিলেও কিন্তু ঘৰলৈ আহোঁতে পিতাই আখৰোট, কিচমিচ, শুকান আমসিঠা, পেস্তা, চপেটা আদি লৈ আহিছিল। আমি সেইবোৰ পাই বৰ ভাল পাইছিলো বাহিৰত কি দেখিলে সেইবোৰ কওঁতে পিতাই বিলো ঠকুৰ আৰু দুই-এগৰাকী গাভৰুৰ কথা কৈছিল—বৰ ভাল বক্তৃতা দিয়ে বুলি। এখন আবাসিক মহিলা

শিক্ষানুষ্ঠানৰ কথা কৈছিল তাত হেনো ছোৱালীবোৰক লাঠি খেল, চুৰি খেল যোগাসন ব্যায়াম, ঘোঁৰাত উঠা, সকলো শিকায়। পিতাই পাৰিলে মোক তালৈ পঠিয়াব বুলি কৈছিল। কিন্তু টকা-পইছাৰ অভাৱত পঠিয়াব নোৱাৰিলে। যোগাসন শিকাই থাকিবলৈ পিতৃদেৱৰ সময় নাছিল কিন্তু এখন যোগাসন আৰু ব্যায়ামৰ ছবি থকা প্ৰাচীৰ ফলক আনি বেৰত আঁৰি দিছিল আৰু সেই ব্যায়ামবোৰ কৰিবলৈ কৈছিল। পিতাই নিজে প্ৰাণায়াম কৰিছিল কেতিয়াবা—কেতিয়াবা। ঘৰত ঠাই নাই, পৰিৱেশো নাই। দিনটো অত্যন্ত পৰিশ্ৰম কৰি প্ৰায়ে শেষ নিশা শুইছিল গতিকে প্ৰায়ে টোপনিৰ পৰা উঠোঁতে পলম হৈছিল অৰ্থাৎ ৬/৭ বাজিছিল। কিন্তু যেতিয়া পুৱা ৪/৫ বজাত সাৰ পায় আমাকো জগাই লগত লৈ প্ৰাতঃ ভ্ৰমণলৈ ওলাই গৈছিল। বাটত তেতিয়া কোনো মানুহ নাথাকে। আলিবাটত লণ্ঠনবোৰ খিমিক্ ধামাক্ জ্বলি থাকে—ভালদৰে পোহৰো নাথাকে। পিতৃদেৱ লাঠি লৈ বেগাই গৈছিল আৰু আমাক দৌৰি দৌৰি আগবাঢ়িবলৈ দিছিল। নৈৰ পাৰ পাই তাত থকা বেঞ্চৰ ওপৰত পদ্মাসনত বহি পিতাই অলপ সময় নিজে প্ৰাণায়াম কৰিছিল আমাকো দীঘল দীঘল উশাহ ল'বলৈ শিকাই দিছিল। কেতিয়াবা পিতৃদেৱ ব্ৰহ্মপুত্ৰ নৈ লৈ গৈছিল গা ধুবলৈ। ময়ো লগত গৈছিলো। তাতে পানী যুঁৰলিত দুয়োখন হাতৰ আঙুলিবোৰ ইটোৰ লগত সিটোৰে বান্ধি মোক হাতৰ মাজেৰে সুমুৱাই লৈ পানীত হাত-ভৰি মাৰি সাঁতুৰিবলৈ শিকাবলৈ যত্ন কৰিছিল। কিন্তু পিতায়ো যথেষ্ট সময় দিব নোৱাৰিলে, মোৰ নিজৰো হয়তো ইচ্ছা আৰু সাহস কম আছিল, বয়সতো সৰু আছিলো; মোৰ সাঁতোৰ শিকা নহ'ল।

আগতেই উল্লেখ কৰিছো যে মোৰ পিতৃদেৱ বৰ ব্যস্ত মানুহ আছিল। আৰাম বা আয়াসৰ বাবে অকণো সময় নাছিল। এফালে বিশ্ৰামৰ অৱকাশ নোহোৱা জীৱন সংগ্ৰাম আনফালে সমাজৰ প্ৰতি অহৰহ কৰ্তব্যৰ আহ্বান। কিন্তু ইয়াৰ মাজতো আমাৰ পঢ়া-শুনাৰ প্ৰতি পিতাৰ লক্ষ্য আছিল। মই সৰু থাকোঁতে পিতাৰ ওচৰতে বহি পঢ়িছিলো। পিতাই পঢ়া নাইবা প্ৰেছৰ কাম কৰি থাকে আৰু তাৰে মাজতে সুকণ্ঠা উলিয়াই পঢ়া চায়। মই ক মানত পঢ়া নাই খ মানত নাম লগাই তাৰ পাছত ডবল প্ৰমোচন পাই দ্বিতীয় মান পালো। পিতৃদেৱে মোক ক'লে বৃত্তি

নাপালে পঢ়া বন্ধ। বৃত্তি পৰীক্ষাৰ আগতে ৰাতিপুৱাই হেড পণ্ডিতৰ ঘৰলৈ যাওঁ। অসমীয়াত বানান ভুল হ'লে হেড্ পণ্ডিতে কৈছিল, "তোমাৰ দেউতাৰা সাহিত্যিক, কবি। তোমাৰ বানান ভুল হ'ব নালাগে। মই বৰ সন্ত্ৰস্ত হৈ পৰিছিলো। বৃত্তি পৰীক্ষাৰ পাছত হাইস্কুলত নাম লিখিবলৈ পৰীক্ষা দিব লাগিছিল। ইংৰাজী আখৰবোৰ পিতৃদেৱৰ নিৰ্দেশত আয়েই শিকাইছিল। পৰীক্ষাত কোন বিষয়ত কিমান নম্বৰ পাওঁ তাৰ খা-খবৰ লৈছিল আৰু পৰীক্ষাৰ আগতে ৰাতি পঢ়া বন্ধ কৰি সোনকালে শুই মনতে পৰীক্ষাৰ সাম্ভাব্য প্ৰশ্ন উত্তৰবোৰ জুকিয়াই ল'বলৈ সঁহতে কৈছিল। মেট্ৰিক পৰীক্ষাৰ আগতে মই কোন বিষয় টান পাওঁ কিবা গৃহ শিক্ষক লাগেনেকি খা-খবৰ ৰাখিছিল আৰু যেতিয়াই যাকে পায় মোক অলপ দেখুৱাই দিবলৈ কৈছিল। পৰীক্ষা দি অহাৰ পাছত কি কি প্ৰশ্ন আহিছিল ঠিকমতে উত্তৰ দিছো নে নাই তাৰো খা-খবৰ লৈছিল।

আমাৰ জীৱন যাত্ৰা বৰ কঠিন আছিল। লগৰ ছোৱালীবোৰে দামী দামী কাপোৰ পিন্ধে; ঘৰত বিভিন্ন সা-সৰঞ্জাম থিবোৰৰ কথা আমি চিন্তাই কৰিব নোৱাৰিলো। দেখি-শুনি আমাৰো তেনেবোৰ বস্তুলৈ হাবিয়াস হয় বুলি আৰু অভাৱবোধে মনত নীচাত্মিকা ভাবৰ সৃষ্টি কৰে বুলি পিতৃদেৱে কেতিয়াবা সন্দেহ কৰিছিল আৰু সাজ-পাৰৰ বিলাসিতা যে জীৱনৰ বাবে ক্ষতিকৰ সেই কথা আমাক বুজাই দিবলৈ চেষ্টা কৰিছিল। মহাত্মা গান্ধীৰ গ্ৰাম-স্বৰাজ্য আৰু স্বাৱলম্বিতাৰ আঁচনিৰ সম্পৰ্কে আমাৰ লগত আলোচনা কৰিছিল আৰু জীৱনত সেই আদৰ্শ প্ৰয়োগ কৰিবলৈ হাতে কামে শিক্ষা দিবলৈ যত্ন কৰিছিল।

পিতৃদেৱে সন্তানক যে পিতৃ-মাতৃৰ সঙ্গ নিতান্তই আৱশ্যক সেইটো বুজিছিল। গতিকেই ব্যস্ত জীৱনটোত যেতিয়াই পাৰিছিল আমাক লগত লৈ বহিছিল; গান গাইছিল-গোৱাইছিল আমাক লিখিবলৈ উদগাইছিল আৰু লিখাবোৰ চাই-চিতি শুধৰাই দিছিল।

আমাৰ ঘৰটো সৰু আছিল, বস্তু বাহানিও কম আছিল কিন্তু দৈনন্দিন জীৱনত দৰকাৰী সকলো বস্তু যেনে-বেজী, সূতা, দা, কৰত, হাতুৰা কেচি, ৰাচ, সকলোবোৰ পিতৃদেৱে গোটাই থৈছিল। প্ৰত্যেকৰে বাবে

একোটি বিশেষ স্থান নিৰ্দ্ধাৰিত আছিল। আৰম্ভণিৰ সময়ত যাতে এটা বস্তু বিচাৰি হায়ৰান হ'ব নালাগে, সময়ো নষ্ট নহয়—তাৰ বাবেই সদায় 'যথা বস্তু তথা' থব লাগে বুলি আমাক বুজাইছিল। তাৰোপৰি আন এটা অভ্যাস ৰখাৰ কথা আমাক কৈছিল—সেইটো হৈছে 'দৈনন্দিনী' অর্থাৎ Diary লিখা। অৱশ্যে এই সম্পর্কে অভ্যাস কৰিবলৈ পিতৃদেৱৰ নিজৰো সময় নাছিল আৰু আমিও তাৰ কোনো মূল্য বুজা নাছিলো। গতিকে এই অভ্যাসটো একেবাৰেই নহ'ল। দৈনন্দিন লিখাৰ অভ্যাস থাকিলে বহু সৰু সৰু অথচ গুৰুত্বপূর্ণ ঘটনাৰ আঁত বিচাৰি আজি দুর্বল স্মৃতি-পটত খেপিয়াই ফুৰিব নালাগিলহেঁতেন।

পিতৃদেৱ নিয়মানুবর্তীতা আৰু সময় সম্পর্কে বৰ সচেতন আছিল। আমাক বাহিৰত ফুৰা-চকাত অবাধ স্বাধীনতা দিছিল কিন্তু বন্ধু-বান্ধৱৰ লগত অবাৰত ঘূৰি ফুৰি যাতে কর্তব্যত অৱহেলা নঘটাওঁ তাৰ প্ৰতি লক্ষ্য ৰাখিছিল। গধূলিৰ পাছত আমি কোনো ঘৰৰ বাহিৰত থকাটো পছন্দ নকৰিছিল—বাৰেবাৰ বিবাহ বাৰণত পলম হ'লেও তাৰ সম্পূর্ণ কাৰণ ব্যাখ্যা কৰিব লাগিছিল।

আমাক লৈ পিতাৰ নিজস্ব স্বপ্ন আছিল, আশা আছিল আমি যেন সমাজৰ আদর্শ স্বৰূপ হওঁ। ব্যক্তিগত জীৱনত যেন আমাৰ দ্বাৰা কাৰো অন্যায় নহয় আৰু সামাজিক জীৱনত যেন আমি স্বাধীনচিতীয়া আৰু ত্যাগী হওঁ ইয়াকে পিতৃদেৱে বিচাৰিছিল। সেইবাবেই ময়ো যেন এটি স্বাধীন জীৱিকা লওঁ সেইটোকে পিতৃদেৱে বিচাৰিছিল। মোক সাংবাদিক কৰি গঢ়ি তুলিব খুজিছিল আৰু যাতে 'ডেকা অসম' খন চলাওঁ সেইটো আশা কৰিছিল। এই উদ্দেশ্যকে আগত ৰাখি ময়ো স্নাতক মহলাত বুৰঞ্জী আৰু অর্থনীতি লৈছিলো। কিন্তু সংসাৰৰ প্ৰয়োজনত মই যেতিয়া স্কুলৰ চাকৰিত সোমালো আৰু পাছত 'অসম অসামৰিক সেৱাৰ' বাবে চৰকাৰৰ ওচৰত আবেদন কৰিলো—এটা দুর্বল আপত্তি দিয়াৰ বাহিৰে পিতৃদেৱে কোনো জোৰ খটুৱাব নোৱাৰিলে। কাৰণ পিতৃদেৱ তেতিয়া কর্পদকহীন। পৰিয়ালক নিৰাপত্তা দিবলৈ ধন-বল, শাৰীৰিক শক্তি সকলো কমি আহিছিল। মাটিৰ পৰা মাটিৰ মালিকে ঘৰ ভাঙি উচ্ছেদ কৰিছিল। অন্যায়ৰ প্ৰতিবাদত 'ডেকা অসম'ত লিখা বাবে ৰাজ

শক্তিৰ বোধগ্ৰন্থহে পৰিছিল আৰু একমাত্ৰ শৰৎ চন্দ্ৰ বৰুৱাদেৱৰ বাহিৰে কোনো বিশেষ বিপদৰ বন্ধু পিতৃদেৱৰ তেতিয়া নাছিল। তথাপি পিতৃদেৱে অন্যায় উৎপীড়নৰ ওচৰত মূৰ দোঁৱোৱা নাছিল, কাৰো ওচৰত দয়া ভিক্ষা কৰা নাছিল—নিজৰ আদৰ্শৰ বাবে অকলে অকলে নিঃসঙ্গ সংগ্ৰাম চলাই গৈছিল, সংসাৰৰ শিকলিয়ে ব্যাহত কৰা এক দুৰ্দান্ত দুৰ্দমনীয় মানসিক শক্তি লৈ।

অম্বিকাগিৰী

হোমেন বৰগোহাঞি

অম্বিকাগিৰী মোৰ প্ৰিয়তম কবি। মানুহ হিচাপেও তেওঁ এক অসাধাৰণ আৰু বিস্ময়কৰ ব্যক্তিত্বৰ অধিকাৰী। তেওঁৰ চৰিত্ৰৰ মহত্ত্ব, মাধুৰ্য আৰু বৈচিত্ৰ্যৰ তুলনা নাই। বাল্য কালৰ পৰাই অম্বিকাগিৰীৰ অনুপম ব্যক্তিত্ব আৰু কাব্য-প্ৰতিভাই মোক আকৃষ্ট কৰি আহিছে। আজিও সেই আকৰ্ষণৰ ওৰ পৰা নাই, বৰং বাঢ়িছেহে। অসমৰ সকলো কবি-সাহিত্যিকৰ ভিতৰত একমাত্ৰ তেওঁৰ লগতেই মোৰ হৃদয়ৰ কিছু যোগাযোগ আছে। আচৰিত হ'বলগীয়া কথা এয়ে যিজন মানুহক মই ইমান ভাল পাওঁ, ইমান শ্ৰদ্ধা কৰো, তেওঁক মই জীৱনত লগ পাইছিলো মাত্ৰ এবাৰ। অৱশ্যে কোনোবাই যদি ভাবে যে প্ৰৌঢ় কবি আৰু তেওঁৰ তৰুণ গুণগ্ৰাহীৰ এই প্ৰথম সাক্ষাৎ মধুৰ আৰু আৱেগমণ্ডিত হৈ উঠিছিল, তেন্তে তেওঁ খুব ভুল কৰা হ'ব। সঁচা কথা খুলি ক'বলৈ হ'লে এই প্ৰথম সাক্ষাততে মই অম্বিকাগিৰীৰ ইমানখিনি ক্ৰোধ আৰু বিৰক্তিৰ কাৰণ হৈ উঠিছিলো যে তেওঁ মোক চুই কিলাবলৈহে বাকী থকা বুলি ক'ব পাৰি। সেই অবিস্মৰণীয় সাক্ষাতৰ কথাকে আগতে কৈ লওঁ।

১৯৫৭ চনৰ কথা। ফেব্ৰুৱাৰী কি মাৰ্চ মাহৰ কোনোবা এদিন গধূলি পৰত মই বন্ধুবৰ মহেন্দ্ৰ বৰাৰ ঘৰলৈ ফুৰিবলৈ গৈছিলো। বৰা তেতিয়া কটন কলেজৰ ইংৰাজীৰ অধ্যাপক, থাকে চেনিকুঠিৰ এটা ভেৰোণীয়া ঘৰত। আমি দুয়ো ইটো-সিটো কথা পাতি চাহ-তামোলৰ শৰাধ কৰি বহি আছো, এনেতে 'বৰা আছানে' বুলি কৈয়েই হাতৰ লাখুটি-ডালেৰে দুৱাৰখন ঠেলা মাৰি খুলি এজন মানুহ সোমাই আহিল। মানুহ-জনক আগতে লগ পোৱা নাছিলো যদিও দূৰৰ পৰা দেখিছিলো, গতিকে

টিনি পালো। অম্বিকাগিৰী ৰায়চৌধুৰী। ইয়াৰ মাত্ৰ কেইদিনমান আগতে তেওঁ নলবাৰী কলেজৰ বাৰ্ষিক উৎসৱত মুখ্য অতিথি হিচাপে যোগ দিছিল আৰু তাতে বক্তৃতা-প্ৰসঙ্গত মোৰ গল্পৰ বিষয়ে কেইটামান অতি নিন্দাসূচক মন্তব্য কৰিছিল। গতিকে ৰৱাই যেতিয়া মোক তেওঁৰ লগত চিনাকি কৰি দিলে, তেওঁৰ বোধহয় লগে লগে সেই নিৰ্মম সমালোচনাৰ কথা মনত পৰি গ'ল, আৰু মোক সান্ত্বনা দিবৰ কাৰণে কেইআষাৰমান উৎসাহব্যঞ্জক কথা কৈ শুনালে। অৱশ্যে তাৰ একো দৰকাৰ নাছিল। প্ৰতিকূল সমালোচনা আৰু নিন্দাৰ কাৰণে মই সদায়েই নিজকে এনেভাৱে প্ৰস্তুত কৰি ৰাখো যে সি কেতিয়াও মোক আঘাত কৰিব নোৱাৰে। যি মানুহে সদায় আনৰ প্ৰশংসা পাবলৈহে আশা কৰে আৰু সামান্য নিন্দাও সহ্য কৰিব নোৱাৰে, তেনে মানুহ অতি সহজেই ভীৰুতা আৰু নৈতিক দুৰ্বলতাৰ দ্বাৰা কবলিত হৈ পৰে বুলি মোৰ বিশ্বাস। তদুপৰি অম্বিকাগিৰীৰ দৰে মানুহৰ নিন্দা বা সমালোচনাক সাধাৰণ মাপ-কাঠিৰে বিচাৰো কৰিব নোৱাৰি। সকলো মানুহৰ মঙ্গল-চিন্তাই তেওঁলোকৰ একমাত্ৰ ধ্যান-জ্ঞান আৰু তেওঁলোকে যদি কেতিয়াবা নিন্দা কৰে, কৰে এইকাৰণেই যে সেই মানুহৰ কোনো বিশেষ কথা বা কাৰ্যক তেওঁলোকে মানুহৰ কল্যাণৰ পৰিপন্থী বুলি ভাবে। মানুহৰ কল্যাণ-চিন্তাৰ দ্বাৰা উদ্বুদ্ধ তেওঁলোকৰ এই ক্ৰোধ আৰু অসহিষ্ণুতাৰ উৎস হ'ল এনে হৃদয় য'ত কোনো প্ৰকাৰৰ ৰোগ, দ্বেষ, নীচতা আৰু ঈৰ্ষাৰ স্থান নাই। তেওঁলোকৰ বিচাৰ ভুল হ'ব পাৰে, কিন্তু উদ্দেশ্যৰ সততা আৰু আন্তৰিকতা সম্পৰ্কে কেতিয়াও কোনো প্ৰশ্ন উঠিব নোৱাৰে।

সি যি কি নহওক, অম্বিকাগিৰীয়ে মোক কেইআষাৰমান প্ৰবোধ বাক্য শুনায়েই আৰম্ভ কৰিলে তেওঁৰ সেই অন্তহীন বক্তৃতা—অসমৰ সমস্যা, অসমৰ সংকট, অসমৰ ভৱিষ্যত, অসমীয়া ডেকা-গাভৰুৰ কৰ্তব্য। বহুত সময় ধৰি একেবোৰ কথাকে শুনি শুনি মই বিৰক্ত হৈ উঠিলো আৰু প্ৰসংগ পৰিবৰ্তন কৰিবৰ কাৰণে আন দুই-চাৰিটা বেলেগ বিষয়ৰ কথা উলিয়াবলৈ চেষ্টা কৰিলো।

বাৰ্ট্ৰাণ্ড ৰাছেলৰ এবাৰ এটা বেছ আমোদজনক আৰু স্মৰণীয় অভিজ্ঞতা হৈছিল। ১৯১৭ চনত তেওঁ জীৱনত প্ৰথম আৰু শেষবাৰৰ

কাৰণে ভ্লাদিস্লাভ পেট্ৰ নিভিক্ নামৰ এজন যুগোশ্লাভ দাৰ্শনিকক লগ পাইছিল। যুগোশ্লাভিয়াৰ এটা সৈন্যবাহিনীয়ে সেই সময়ত জাৰ্মানীৰ লগত বীৰত্বপূৰ্ণ সংগ্ৰাম কৰি অৱশেষত কোনো এখন বিশেষ ৰণাঙ্গনৰ পৰা পশ্চাদপসৰণ কৰিবলৈ বাধ্য হৈছিল। ৰাছেলে পেট্ৰনিভিকৰ পৰা এই পশ্চাদপসৰণৰ এটা প্ৰত্যক্ষদৰ্শীৰ বিৱৰণ শুনিবলৈ অতিশয় ইচ্ছা কৰিছিল, কিন্তু পেট্ৰনিভিক সম্পূৰ্ণ মগ্ন আৰু আত্মবিস্মৃত হৈ আছিল তেওঁৰ দ্বাৰা নতুনকৈ উদ্ভাৱিত এটা গাণিতিক তত্ত্বৰ চিন্তাত। তেওঁলোকৰ মাজত কথা-বাৰ্তা কেনেকৈ আগবাঢ়িছিল ৰাছেলে তাৰ এটা বিৱৰণ দিছে : "মই শুধিলো—'আপুনি সেই পশ্চাদপসৰণ কৰা দলত আছিলনে?' তেওঁ উত্তৰ দিলে—'হয়, কিন্তু দেশ-মাত্ৰাত বিন্দুৰ সংখ্যা গণনা কৰিবৰ উপায় হ'ল।' মই শুধিলো— 'আপুনি খোজ কাঢ়ি গৈছিলনে?' তেওঁ ক'লে, 'হয়, কিন্তু সেই সংখ্যাটো এটা প্ৰাইম্ হ'ব লাগিব।' মই শুধিলো—'আপুনি এটা ঘোঁৰা পাবলৈ চেষ্টা কৰা নাছিলনেকি?' তেওঁ ক'লে, 'মই ঘোঁৰাৰ ওপৰতেই যাত্ৰা আৰম্ভ কৰিছিলো, কিন্তু এবাৰ পৰি গ'লো, আৰু সেই প্ৰাইম্‌টোনো কি হ'ব সেইটো বিচাৰি উলিওৱা অসম্ভৱ নহয়।'

অম্বিকাগিৰীৰ লগত মোৰো প্ৰায় একে অভিজ্ঞতাই হৈছিল। মই যি কথাই মুলিয়াওঁ, তেওঁ দুই-এবাৰ মাত্ৰ হয়-নহয় কিবা এটা কৈ বাৰে বাৰে ঘূৰি আহে সেই একেটা কথালৈ—অসমৰ সমস্যা, অসমৰ সংকট, অসমৰ ভৱিষ্যত, অসমীয়া ডেকা-গাভৰুৰ কৰ্তব্য। অৱশেষত মোৰ এনে-ভাবে ধৈৰ্য্যচ্যুতি ঘটিল যে তেওঁক একো নোকোৱাকৈ মই এবাৰ পুলুকা মাৰি বৰাইতৰ পাক ঘৰলৈ সোমাই গ'লো আৰু তাতে জুই শালৰ ওচৰত বহি বৰানীয়ে ৰন্ধা মাংস আঞ্জাৰ জুটি ল'বলৈ ধৰিলো। মই এনেভাবে পাকঘৰত আত্মগোপন কৰি থকা পাঁচ মিনিট মাত্ৰ হৈছিল বোধহয়, এনেতে বৰাই উধাতু খাই সোমাই আহি মোক ক'লে, "বুঢ়াই আপোনাক খাব আজি, খঙত টিঙিৰি-তুলা হৈ উঠিছে। আপোনাক এই মুহূৰ্ত্তে মাতিছে।" ভয়ে ভয়ে মই অম্বিকাগিৰীৰ ওচৰ পালোগৈ। মোক দেখা মাত্ৰেই হাতৰ লাখুটিডালেৰে পকা মজিয়াত গাৰ জোৰেৰে খুন্দা এটা মাৰি তেওঁ

গৰজি উঠিল—'মই কথা কৈ থাকোতেই তুমি কিয় ভিতৰলৈ সোমাই গৈছিলা? মই যে এই বুঢ়া বয়সত মানুহৰ ঘৰে ঘৰে ঘূৰি ঘূৰি দেশ-খনৰ কথা আটাহ পাৰি কৈ ফুৰিছো, তুমি এইবোৰ পাগলৰ প্ৰলাপ বুলি ভাবিছা নহয়?....' বহুত সময় ধৰি তেওঁ মোক ভৎর্সনা কৰি কৰি কথা কৈ থাকিল, গোটেইবোৰ কথা মোৰ মনত নাই, মনত আছে কেৱল অম্বিকাগিৰীৰ উত্তেজিত অৱস্থাৰ সেই আশ্চৰ্য মুখখন,—আৰু যিহেতু দ্বিতীয়বাৰ মই তেওঁক দেখা নেপালো, সেই মুখখনেই মোৰ স্মৃতি-পটত চিৰকালৰ কাৰণে খোদিত হৈ গ'ল। বৃদ্ধ কবি আৰু দেশ প্ৰেমিকৰ জীৱনৰ সমস্ত পুঞ্জীভূত ক্ৰোধ, হতাশা, যন্ত্ৰণা যেন সেই মুখখনত ঘনীভূত হৈ থুপ খাই উঠিছিল, যেছিপৰ সেই মুখখনৰ ফালে চাই থকা মোৰ পক্ষে সম্ভৱ নহ'ল। স্তম্ভিত আৰু অধোবদন হৈ মই বহি ৰ'লো, বুঢ়াও এসময়ত ক্লান্ত হৈ নীৰব হৈ পৰিল।

সন্দেহ নাই যে প্ৰথম সাক্ষাততে মই অম্বিকাগিৰীৰ লগত অমাৰ্জনীয় অশোভন ব্যৱহাৰ কৰিছিলো। সঁচা কথা খুলি ক'বলৈ হ'লে সেইদিনা মই এটা নিতান্ত ব্যক্তিগত কাৰণত মানসিকভাৱে কিছু অপ্ৰকৃতিস্থ অৱস্থাত আছিলো। কিন্তু আজি মই এই ঘটনাৰ মাজত বেলেগ এটা তাৎপৰ্যও বিচাৰি পাইছো। সেইদিনা যেন অম্বিকাগিৰীয়ে মোৰ মাজত সমগ্ৰ অসমীয়া জাতিটোৰ মুখামুখি হৈ থিয় দিছিল। স্বদেশ আৰু স্বজাতিৰ কাৰণে তেওঁ সমস্ত জীৱন যি অপৰিমেয় বেদনা বহন কৰি লৈ ফুৰিছিল তাকে তেওঁ মোৰ আগত ঢালি দিব খুজিছিল, আৰু অসমীয়া জাতিয়ে তেওঁৰ কথালৈ কৰ্ণপাত নকৰি মুখ ঘূৰাই নিয়াৰ দৰে ময়ো অক্ষমনীয় মূৰ্খতাবশত: তেওঁক অৱজ্ঞা কৰি আঁতৰি গৈছিলো। এই পাপৰ প্ৰায়শ্চিত্ত আমি সকলোৱে এদিন কৰিবই লাগিব।

অম্বিকাগিৰীৰ লগত মোৰ সেই প্ৰথম আৰু শেষ সাক্ষাৎ। তাৰ পাছত কিন্তু এদিন অতি অভাৱনীয়ভাৱে পত্ৰালাপৰ যোগে আমি দুয়ো পৰস্পৰৰ অতি কাষ চাপি আহিছিলো, দুয়ো দুয়োৰে নিভৃত বেদনাৰ অংশীদাৰ হৈ পৰিছিলো। ১৯৬১ চনত তেওঁ মোলৈ এখন অতি দীঘলীয়া চিঠি লিখে, সেই চিঠিখনক অম্বিকাগিৰীৰ জীৱনৰ চিৰকাল সংৰক্ষিত কৰিবলগীয়া এখন দলিল বুলি ক'ব পাৰি। তাৰ পাছতো

তেওঁ মোলৈ কেবাখনো চিঠি লিখিছে, যোৱা কেইবছৰত প্ৰকাশিত হোৱা প্ৰত্যেকখন নতুন কিতাপকে মোলৈ উপহাৰ স্বৰূপে পঠাই লগত পঠাইছে তেওঁৰ অননুকৰণীয় ভাষাৰ আৱেগময় আশীৰ্বাণী। সৰ্বশেষ চিঠিখন পাইছিলো মাত্ৰ সিদিনা, ২৭ নৱেম্বৰৰ 'অসম বাতৰি'ত প্ৰকাশিত হোৱা মোৰ 'গৰু' নামৰ প্ৰবন্ধটো পঢ়ি তেওঁ সেই চিঠিত মোলৈ আগবঢ়াইছিল উচ্ছ্বসিত অভিনন্দন। সহৃদয় পাঠকক নিবেদন কৰিব খুজো যে এই ব্যক্তিগত কথাবোৰৰ উল্লেখৰ দ্বাৰা মই আত্ম-প্ৰচাৰতকৈ (যিটোক মই মানুহৰ আটাইতকৈ ঘৃণনীয় মনোবৃত্তি বুলি ভাবো) বেলেগ এটা কথাহে প্ৰকাশ কৰিব খুজিছো। সেইটো হ'ল এই যে মোৰ লগত হোৱা এই পত্ৰালাপৰ মাজেদি ফুটি উঠিছিল অম্বিকাগিৰীৰ হৃদয়ৰ এটা মহৎ বৈশিষ্ট্য, অশীতিপৰ বৃদ্ধ বয়সতো যৌৱনৰ লগত তেওঁৰ অবিচ্ছিন্ন একাত্মবোধৰ বিৰল ক্ষমতা। বেছিভাগ মানুহ বুঢ়া হৈ আহে, ৰুগ্ন, দুৰ্বল, ক্লান্ত হৈ আহে, সংসাৰৰ প্ৰতি তেওঁলোকে ক্ৰমে ক্ৰমে অনুভৱ কৰিবলৈ ধৰে বৈৰাগ্য আৰু উদাসীনতা। আন বহুতে হয়তো অনুভৱ কৰে এটা নিৰ্বিকাৰ নিৰ্বিকল্প প্ৰশান্তি। কিন্তু চিৰ-সংগ্ৰামী চিৰ-বিপ্লৱী অম্বিকাগিৰীৰ যৌৱন আছিল অন্তহীন আৰু অপৰাজেয়। যি কবিয়ে স্বয়ং সৃষ্টিকৰ্তা ভগবানক এ ত্যাহবান জনাই কৈছিল—

হেৰা বিশ্ব-কৰ্মকাৰ !
তোমাৰ ৰুদ্ৰ-ৰোষ হাতুৰীৰে
পিটি-পিটি মোক ভাঙি তুপি তিৰে
গঢ়ি তোলা কৰি বিশ্বৰ ঝাৰুদাৰ—
হেৰা বিশ্ব-কৰ্মকাৰ।

তুলনাহীন বীৰ্য আৰু স্পৰ্দ্ধাৰে যি কবিয়ে আৰু কৈছিল—

সুধিছা,
সাৰি-পুচি থম ক'ত।
বুজিছা!
ভৰাম সকলো মোত;
তোমাৰ সৃষ্টি কদাকাৰ কৰা
মল-মামৰৰ দ'ম
বিশ্বৰ পৰা সাৰি-পুচি আনি
ময়েই গৰাকী হ'ম,
তাৰ ময়েই গৰাকী হ'ম।

সেই কবি কোনোদিন বৃদ্ধ নহ'ল, ক্লান্ত নহ'ল, তেওঁ কোনোদিন কাৰো লগত, আনকি স্বয়ং ভগবানৰ লগতো আপোচ নকৰিলে, প্ৰকৃতিৰ এটা প্ৰচণ্ড শক্তিৰ দৰে তেওঁ আমৰণ প্ৰতীক হৈ ৰ'ল এক অন্তহীন যৌবনৰ, এক অবিনাশী সৃষ্টি-চেতনাৰ, এক মহৎ প্ৰতিবাদৰ। সৰ্বমানৱৰ বেদনাক আত্মসাৎ কৰি লোৱাৰ কি চৰম দুঃসাহস, অপৰাজেয় মানবাত্মাৰ কি মহিমাময় প্ৰকাশ ফুটি উঠিছিল এই নিঃসংগ কবিৰ জীৱনত। আমি ধন্য যে মানুহৰ চাৰিত্ৰিক বীৰ্যৰ এই প্ৰচণ্ড প্ৰকাশ আমি নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ সৌভাগ্য লাভ কৰিলো।

প্ৰিয় পাঠক, এটা আচৰিত ঘটনা ঘটিল, আপোনালোকে বিশ্বাস কৰিব। দুই জানুৱাৰী তাৰিখে গধূলি পৰত মই 'অসম বাণী' লৈ পঠাম বুলি এই প্ৰবন্ধটো লিখি আছো, অলপ আগতে মাত্ৰ অম্বিকাগিৰীলৈ এখন চিঠি লিখি শেষ কৰিছো, এনেতে গধূলিৰ আঞ্চলিক বাতৰিৰ সময় হোৱাত প্ৰবন্ধটো আধা লিখাতে এৰি মই ৰেডিঅ'টো খুলি দিলো। কিছু সময়ৰ পিছতে কাণত আহি পৰিল সেই মৰ্মঘাতী সংবাদ : অম্বিকাগিৰীয়ে পৰপাৰলৈ গমণ কৰিছে।

অম্বিকাগিৰীক ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনাবৰ কাৰণেই মই এই প্ৰবন্ধটো লিখিছিলো, আশা কৰিছিলো যে চিৰকাললৈ চকু মুদাৰ আগতে তেওঁ তেওঁৰ ভক্তৰ এই শ্ৰদ্ধাৰ অঞ্জলি চাই যাব পাৰিব। কোনে বিশ্বাস কৰিব যে ঠিক যি মুহূৰ্ত্তত মই তেওঁৰ মহৎ জীৱনৰ চিন্তাত মগ্ন হৈ আছিলো, ঠিক সেই মুহূৰ্ত্ততে তেওঁ ব্যস্ত হৈ পৰিছিল পঞ্চভূতৰ নগ্নৰ সংগ্ৰামত। যি কবিয়ে মানুহৰ ভাষাত আত্মাৰ অনুপম বিষাদ আৰু সৌন্দৰ্য ঢালি দি প্ৰশ্ন কৰিছিল—

এটাক এৰি আনটো ধৰি
কোন অজানক লক্ষ্য কৰি
কত শত জনম যুগৰ
ডেওনা চেৰাই
চেকুৰিছে উদাস প্ৰশ্ন মোৰ—
কোন সুদূৰৰ সীমাৰ শেষত,
কোন অজানাৰ বিলাস দেশত
চলি যোৱাৰ অবাধ-ভাগৰ
জুৰাই – সথাই
পৰি তাৰ চঞ্চলতাৰ ওৰ?

আজি বোধহয় তেওঁ সেই প্ৰশ্নৰ উত্তৰ বিচাৰি পাইছে। আমি কি কৰো? আন এজন কবিৰ ভাষাতে আমি কেৱল নিজকে ক'ব পাৰো—

Why then? Why there?
Why thus, we cry,
did he die?
The heavens are silent.
What he was, he was:
What he is fated to become
Depends upon us
Remembering his death,
How we choose to live
Will decide its meaning.
When a just man dies,
Lamentation and praise,
Sorrow and joy are one.

পুনঃমুদ্ৰিত। অসম বাণী, জানুৱাৰী ১৩, ১৯৬৭ চন।

পিতাৰ কথা

ভগগিৰী ৰায়চৌধুৰী

পিতাৰ কথা যেতিয়া ভাবোঁ, মনৰ মাজেৰে বাগৰি যায় ভালেমান টুকুৰা টুকুৰ ছবি। বহুত সময়ত তাৰ ক্ৰমাগত ধাৰাবাহিকতা অক্ষুণ্ণ নাথাকে। কিন্তু সেই বিছিন্ন ছবিবিলাকৰ সামগ্ৰিকতাই কিন্তু মোৰ মানস-পটত উজ্বলাই তোলে পিতাৰ সেই স্নেহাৰ্দ্ৰ অন্তৰৰ স্মৃতি,—যি পিতৃ স্মৃতি সকলো মানৱ সন্তানৰ বাবেই জীৱনৰ অগ্ৰগতিৰ পথৰ এটি পৰম আনন্দদায়ক মহান সম্বল।

সময় আবেলি। মোৰ বয়স পাঁচ বছৰমান হ'ব। আমি তেতিয়া আছিলো পাণবজাৰত। আজিকালি 'নিউ বুক ষ্টল' যি ঠাইত আছে, তাত। আবেলি ফাঁচি বজাৰৰ ফালৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰৰ আলিটোৰে আহি আছিলো পিতা আৰু মই। বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে। মহা আপদ। পিতাৰ হাতত লাঠি আৰু ছাতি এটা। কাষে কাষে সৰু সৰু খোজ পেলাই, মই। বৰষুণ পৰিবলৈ আৰম্ভ কৰাত আহুকালৰ সৃষ্টি হ'ল। কাৰণ, গাত পানী নপৰিবলৈ ছাতিটোৰ তলত থাকি পিতাৰ লগে লগে খোজ পেলাই যোৱাটো মোৰ পক্ষে সম্ভৱ নহয়। আনহাতে হাতেৰে ছাতি মেলি, লাঠি লৈ মোক কাষ-কোলাকৈ দাঙি লৈ যাবলৈও পিতাই অসুবিধা পালে। এতেকে, সুবিধা হ'ব ভাবি পিতাই মোক কান্ধত তুলি ল'লে, পিতাৰ ডিঙিৰ দুয়ো কাষেৰে মোৰ ভৰি দুখন তললৈ ওলোমাই দি বহিবলৈ কৈ। ছাতিটো মেলি ধৰিলে ওখকৈ ওপৰলৈ আৰু ক'লে "ভয় নকৰ্‌বি। ঘৰাত উঠাৰ দৰে বহি থাক, বাপা। মই খোজকাঢ়ি লৈ যাম।" পিতাৰ ডিঙিৰ ওপৰত তেনেকৈ বহাত মই বৰ অসুবিধা পাইছিলো। পোনকৈ বহিব নোৱাৰি কুঁজা হৈ বহিছিলো। তাকে দেখি পিতাৰ টিঙিচ

কৈ থং উঠিছিল আৰু কান্ধৰ পৰা মোক জোকাৰ মাৰি নমাই দি ধম্‌কিৰ সুৰত কৈছিল, "থাক ইয়াতে পৰি, বাটে-পথে জুলুমৰ বাঁহা এখেন।"

সম্ভৱ সেইদিনাই মই জীৱনত পিতাৰ পৰা প্ৰথম ধমকি খাইছিলো। তেনে কাৰণতে ঘটনাটো মোৰ মনত আছে। আন এবাৰ, সেই একে সময়তে অৰ্থাৎ পাণবজাৰত থাকোতেই, এদিন দুপৰীয়া। মই ঘৰতে আখৰ লিখিবলৈ শিকিব ধৰিছো, স্কুলত দিয়া নাই। পিতাই খাই-বৈ উঠি অলপ তপকা মাৰিছে। শোৱাৰ আগতে মোক পিতাই পেঞ্চিল আৰু চিলথ দি আখৰ লিখি থাকিবলৈ কৈছে। মই নিশ্চয় কিছুপৰ আখৰ লিখি আছিলো। পিছত আমনি লগাত আৰু আনফালে পিতাবো টোপনি অহা যেন দেখি চিলথ-পেঞ্চিল থৈ আমাৰ ঘৰৰ কিছু দূৰত থকা হৰিনাথ পাঠক চৌধুৰীৰ ঘৰলৈ কলৰ-গান (গ্ৰামোফ'ন) শুনিবলৈ গুচি গলো। গান শুনি মজি থাকোতেই হঠাৎ পিছফালৰ পৰা এটা এছাৰিৰ কোব আহি মোৰ পিঠিত পৰিল। তৎ ধৰিবই নোৱাৰিলো। উভতি চাই দেখিলো হাতত চেকনি এডাল লৈ পিতা। উভতি চোৱাৰ লগে লগে পিতাই আকৌ চেকনি জোকাবিলে। বতাহত শব্দ এটা হ'ল। মই আৰু থাকো ক'ত? একে চিপেই উঠি দিলো ঘৰলৈ ভিৰাই লৰ, কান্দি কান্দি। ঘৰ পাই মাত-বোল নকৰি উচুপি উচুপি চিলথ-পেঞ্চিল লৈ লাগি গ'লো আখৰ লিখাত।

এঘণ্টামানৰ পিছত পিতা আহি মোৰ কাষত থিয় হ'ল। মুখেৰে নামাতি কিছু সময় মোক লক্ষ্য কৰিলে। তাৰ পাছত ওচৰ চাপি গৈ লাহে লাহে মোৰ পিঠিত হাত বুলাবলৈ ধৰিলে আৰু সুধিলে—'কি ? আখৰ লেখা হ'ল না?' মই কিজানি আদৰতে ফেঁকুৰিলো আৰু ক'লো—'হৈছে।'

'অহয় আন।' বুলি পিতাই চিলথখন মোৰ হাতৰ পৰা আনি লিখা আখৰকেইটা চালে আৰু আনন্দৰ সুৰত বখানিলে—'বাৰে....বা, হৈছে এ। ভাল হৈছে। ....আৰো সুন্দৰ হ'বা লাগে। সদায় লেখ্‌বি দে বাপা। সনকালে লেখণা শিখ্‌বা শিখ্‌। তেহে স্কুলক যাবা পাৰ্‌বি।"

পিতাৰ স্নেহ আৰু উৎসাহ পাই মুহূৰ্ত্ততে মই সকলো দুখ, ভয় পাহৰি পেলালো। পিতা আমাৰ তেনেকুৱাই আছিল। ল'ৰা-ছোৱালীক

শাসন ঠিকেই কৰিব। চাল-চলন, আচাৰ-ব্যৱহাৰত নিয়মানুবৰ্ত্তীতা যাতে আমি মানি চলো তাৰ প্ৰতি যথাৰ্থভাৱে লক্ষ্য ৰাখিব কিন্তু তাকে কৰিবলৈ যাওঁতে অধিক কঠোৰতা দেখুৱাই মাৰধৰ বিশেষ নকৰে। যথাৰ্থতে ওপৰত উল্লেখ কৰা ঘটনাটোৰ বাহিৰে আন কেতিয়াবা পিতাই মোক শাৰীৰিকভাৱে আঘাত কৰাৰ কথা মনতেই নপৰে। তাকো, সেই সিদিনাৰ কোৰটোও আছিল মাত্ৰ লেহুকা চেকনি এডালৰ সামান্য কোব এটাহে।

পাণবজাৰৰ যিটো ঘৰত আমি আছিলো সেই ঘৰটো স্বাস্থ্যকৰ ঘৰ নাছিল। বহলে বাৰ-চৈধ্য ফুটমান আৰু দীঘলে পিছফাললৈ এশ ফুট আকাৰৰ গুদাম ঘৰৰ আকৃতিৰ ঘৰ। তাত ৰ'দ-বতাহৰ চাল-চলন কম। সেইবাবে সৰুৰে পৰা আমি ল'ৰা-ছোৱালীকেইটিৰ স্বাস্থ্য ৰক্ষাৰ প্ৰতি পিতা বৰ সচেতন আছিল। বতৰৰ শাক-পাচলি, ফল-মূল, মাছ আৰু গাখীৰ আদি নিজ শক্তি অনুসাৰে আমাৰ কাৰণে পিতাই সততে যোগাৰ কৰিছিল। পাণবজাৰৰ ঘৰটোৰ সীমাতে এডাল মিঠা কৰ্দৈ গছ আছিল। সেই কৰ্দৈডালৰ কৰ্দৈ, পৰ্বতীয়া গোঁসাইৰ বাৰীত থকা মধুৰী আম আদি, বজাৰৰ পৰা সময়ে সময়ে কিনি অনা লিচু, আম, আনাৰস ইত্যাদি ফল পিতাই আমাক সুবিধা পালেই খুৱাইছিল। একেদৰে সৰ থকা দৈ, ক্ৰিম, মাখন, ঘিউ আদি আৰু সময়ে সময়ে মিঠাই কিনি আনি পিতাই আমাক খাবলৈ দিছিল। মিঠাই খাই পিতাই নিজেও ভাল পাইছিল। এসময়ত হেনো পাণবজাৰৰ হৰি মিঠাইৱালাৰ দোকানত তৈয়াৰ কৰা খেজুৰৰ গুড়ৰ সন্দেশ, লাবৰি আদি উৎকৃষ্ট মিঠাই তৈয়াৰ কৰিলেই দোকানীয়ে নিজে পিতালৈ পঠিয়াই দিছিল। চিতলৰ কোলথি, বৌ মাছৰ মূৰ, আৰি মাছৰ কুঁজ, ডাঙৰ ডাঙৰ কাৰৈ মাছ, শলাত বিন্ধি দকুদকীয়া আওঠাত সেকি সেকি—বিন্ধিত দিয়া কান্দুলি মাছ প্ৰভৃতি খোৱাত পিতাৰ চখ আছিল অশেষ। কিন্তু আৰ্থিক কাৰণতে সেইবোৰ চখ পূৰণত সঙ্গতিপূৰ্ণ মিতব্যয়িতা মানি চলিব লগাত পৰিছিল। তাৰ মাজতো পানী লাগিলেই গৰম জিলাপি কিনি অনা আৰু দুৰ্গা পূজাৰ দশমীৰ দিনা কাছাৰীৰ মেলাৰ পৰা খেজুৰী আৰু আমৃতাৰ পেকেট পিতাই কিনি

আনি আমাক খুওৱাটো মোৰ মনত আছে। স্বাস্থ্য ৰক্ষাৰ প্ৰয়োজনীয়তাৰ প্ৰতি পিতা বেছি সচেতন আছিল কাৰণেই পিত্মা-উৰাতকৈ খাদ্যৰ প্ৰতি তেখেতে বেছি চকু দিছিল। শাক-পাচলিৰ অভাৱ পূৰাবলৈ ঘৰৰ পিৰালি ঘৰৰ পিছফালে থকা চোতাল নামৰ হুম-পৰিসৰৰ ঠাইত যি পাৰি শাক-পাচলি লগোৱা আদিলৈও পিতাই চকু ৰাখিছিল আৰু সময়ত বিবিধ কাম-কাজৰ মাজতো কোৰ আৰু খন্তিৰে ইটো-সিটো খেতি লগাইছিল। আন সময়ত মদাৰ গছৰ কুঁহিপাত, পচতিয়া, নৰসিংহ আদিৰ পাতৰ ৰসেৰে ৰন্ধা মাছৰ আঞ্জা, কচু, ঢেঁকীয়া, বেতৰ গাজ আদিয়েও আমাৰ পাচলিৰ অভাৱ পূৰ্ণ কৰিছিল। আলুৰ বাহিৰে আন পাচলি বজাৰৰ পৰা কমেই কিনা হৈছিল। কিন্তু তাৰ বাবে আমাৰ কাৰো মনত কেতিয়াও অৰুচিৰ সৃষ্টি হোৱা নাছিল। শাক-শোকোতা একোতেই পিতাৰ অতৃপ্তি নাছিল। পিতাই প্ৰায়েই কৈছিল, "পাতত যি পৰে, তাকেই আনন্দ মনে খাব লাগে। খোৱাৰ সময়ত মনে মনে কথা নোকোৱাকৈ একাগ্ৰ-চিত্তে এনে মনোভাৱেৰে খাব লাগে যে,—খাদ্যৰ প্ৰতিটো কণিকাৰ পৰা মই প্ৰাণ শক্তি আহৰণ কৰিছো। যি খাইছো তাৰপৰা মোৰ শক্তি, সামৰ্থ্য, গঠন, সৌন্দৰ্য আদিৰ শ্ৰীবৃদ্ধি হ'ব।"

ইয়াৰ উপৰিও আমাৰ স্বাস্থ্য অটুট ৰখাৰ কাৰণে পিতাই আমাক নিচেই সৰুকালৰে পৰা দোকমোকালিতে উঠি নৈৰ পাৰে পাৰে ফুৰিবলৈ যোৱাৰ অভ্যাস কৰিব দিছিল। পাণবজাৰত থাকোতে শুক্লেশ্বৰ ঘাট, কাছাৰী ঘাট আৰু পিছত উজানবজাৰত থাকোতে উজানবজাৰ ঘাটত নৈৰ পাৰেৰে প্ৰাতঃভ্ৰমণ কৰাটো আমাৰ বহু দিনলৈ অভ্যাস আছিল। পাণবজাৰত থাকোতে যেতিয়া মই সৰু তেতিয়া, খৰালি হ'লে পিতাই আমাক ব্ৰহ্মপুত্ৰৰ বালি লৈ নামি যাবলৈ দিছিল। আলিবাটত খোজ কাঢ়িলে লৰ'লগীয়া সাৱধানতাৰ চিন্তা তাত নাই। আমি অৰ্থাৎ বাইদেউ (শুচিব্ৰতা) অনু বাইদেউ (যাৰ আঠ বছৰমান বয়সতে অকাল মৃত্যু হৈছিল) আৰু মই বালিৰ বুকুত লৰি-ঢাপলি ফুৰো আৰু পিতাই কিছু আঁতৰত থিয় হৈ আমালৈ চাই থাকে। মই তেতিয়া বেছ নিশকতীয়া। বিশেষতঃ ভৰিৰ দুৰ্বলতাৰ কাৰণে, অলপ উজুতি খালেই বাগৰি পৰো। এবাৰ নে দুবাৰ তেনেকৈ ফুৰিবলৈ যাওঁতে বাটতেই হ'ল নে নৈৰ বালি-

তেই হ'ল হাম্‌খুৰি খাই পৰি মোৰ নাক ভাঙে আৰু সোঁ-সোঁৱাই তেজ যাবলৈ ধৰে। তেনেদৰে তেজ যাবলৈ ধৰা দেখি পিতা বৰ বিব্ৰত হৈ পৰিছিল।

একেদৰে, এবাৰ পিতাই নিজ হাতেৰে মোৰ চুলি কাটি দিবলৈ গৈ অসাৱধানতাবশতঃ কেঁচিৰ আগটোৰে কাণৰ লটিত চিকুট এটা মাৰিলে। তেজ বৰলৈ আৰম্ভ কৰিলে। পিতাই হাহাকাৰ লগাই দিলে—"আ-হা-হা! ওঃ....সো....সো,...." কিং কৰ্তব্যবিমূঢ় হৈ পৰিল যেন! ভাগ্য ভাল এনেবোৰ পৰিস্থিতিত আমাৰ আই সহজে অধৈৰ্য হৈ নপৰে। পিতাৰ হাহাকাৰ শুনি আই লৰ মাৰি আহিল আৰু মোক পথালি কোলাকৈ দাঙি লৈ গ'ল। লৰালৰিকৈ আৰৈ চাউলৰ লগত দুবৰি বন খেতেলাই বটি লৈ কটা ঠাইত লগাই দি তেজ যোৱা বন্ধ কৰিলে।

সমপৰ্যায়ৰে আন এটি ঘটনা ঘটিছিল আমি উজানবজাৰত থাকোতে। মই তেতিয়া আঠ বছৰীয়ামান হ'ম। গধূলি সোনকালে ভাত খাই শুই আছিলো। মই শোৱা খটখনৰ শিতানৰে কাঠৰ বাৰ-এডাল আছিল। আঁঠুৱা খুঁহি লৈ শুই থকাত গাৰুৰ ওপৰত থকা মোৰ মূৰটো আৰু কাঠৰ বাৰ-ডালৰ মাজত অলপ খালি ঠাইৰ সৃষ্টি হৈছিল। মেকুৰী এজনী আহি সেই খালি ঠাইখিনিত সোমাই কুঁচ-মুচি বহি আছিল। মোৰ ঘোৰ টোপনি। একোকে গম নাপাওঁ। পিতা বাহিৰৰ পৰা ঘূৰি-পকি আহি ঘৰ সোমাই মোৰ শিতানত খাটৰ ওপৰত বহি থকা মেকুৰীজনী দেখা পালে। তাইক তাৰপৰা খেদাবলৈ যত্ন কৰি যেতিয়া দেখিলে যে তাই লৰচৰ কৰিব খোজা নাই, তেতিয়া পিতাই হাতৰ লাঠিডালেৰে মেকুৰীজনীৰ উদ্দেশ্যে মাৰিলে এটি কোব। অতি সাৱধানে মাৰিলেও কোবটোৰ এটা ফাল মেকুৰীৰ গাৰ পৰা পিছলি গৈ লাগিল মোৰ মূৰত। উচপ খাই টোপনি ভাঙি মই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলো। কিহৰ পৰা কি হৈছে, মই তেতিয়া তলকিবই পৰা নাছিলো। কিন্তু লাঠিৰ কোবৰ অংশিক আঘাতটোত বেছ যন্ত্ৰণা অনুভৱ কৰিছিলো। পিতাই ভাবিবই পৰা নাছিল যে কোবটো গৈ মোৰ মূৰত লাগিব। গতিকে বৰ অধীৰ হৈ পৰিছিল। আইয়ে লৰালৰিকৈ মোক দাঙি নি পানী

চলাত লাগিল আৰু পিতাই লবালৰিকৈ গৈ হোমিও নে বায়োকেমিক ঔষধ এপালি আনি মোক খাবলৈ দিলে। ঘৰুৱা চিকিৎসাৰ কাৰণে হোমিওপেথিক আৰু বায়োকেমিক দৰৱ পিতাই ঘৰত সততে মজুত ৰাখিছিল। মেটেৰীয়া মেডিকা পুস্তক অধ্যয়ন কৰি স্বাস্থ্য ৰক্ষাৰ কাৰণে হোমিওপেথিক আৰু বায়োকেমিক ঔষধ ঘৰৰ বোৱাৰীহঁতক খুওৱাটো পিতাৰ এটা অভ্যাসৰ কথা যেন হৈ পৰিছিল। কেতিয়াবা আনকি দুদিনৰ বাবে ফুৰিবলৈ অহা আলহীকো পিতাই আমাৰ লগতে ঔষধ খুৱাইহে এৰিছিল। কোনো কোনো অসুখত এলোপেথিক চিকিৎসা ঘৰতো চলিছিলেই কিন্তু সেই চিকিৎসা চলি থকাৰ মাজতো পিতাই সময়ে সময়ে দুই-এপালি হোমিও-বায়ো ঔষধ দিবলৈ এৰা নাছিল। অসুখ নিৰাময় হ'লে, হাঁহি হাঁহি কৈছিল, "মোৰ হোমিওপেথিক ঔষধেহে বেমাৰ ভাল কৰিছে।" বায়োকেমিক ঔষধৰ বিষয়ে পিতাই কৈছিল যে, খাদ্যৰ পৰিপূৰক ৰূপে এই ভেজাল যুগত বায়োকেমিক ঔষধ মানুহে নিতৌ খাবই লাগে। সম্ভৱ ভেজাল-যুগৰ প্ৰকোপত পৰি যে হোমিওপেথিক বা বায়োকেমিক ঔষধো যে ভেজাল বা কৃত্ৰিম হ'ব পাৰে তেনে সম্ভাৱনাও পিতাই গুই কৰা নাছিল।

প্ৰাণ ৰক্ষা আৰু ৰোগ নিৰাময়ৰ কাৰণে আখুৰী বেজ-বেজালিৰ পৰা আৰম্ভ কৰি আন যি কোনো চিকিৎসাৰ আশ্ৰয় লোৱাত পিতাৰ আপত্তি নাছিল যদিও হোমিওপেথিক, বায়োকেমিক আৰু কবিৰাজী চিকিৎসা পদ্ধতি পছন্দ কৰিছিল। পাণবজাৰৰ কৃষ্ণকান্ত কবিৰাজৰ দৰে গভীৰ নাড়ীজ্ঞান থকা কবিৰাজক পিতাই বৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছিল। একেদৰে মোৰ ডেৰ বছৰ বয়সত বিহফোঁহা হৈ প্ৰায় মৃত প্ৰায় হৈ পৰা অৱস্থাত প্ৰখ্যাত হোমিওপেথিক চিকিৎসক ৰুদ্ৰকান্ত শৰ্মাই মাত্ৰ চাৰিপালি ঔষধেৰে মোৰ প্ৰাণ ৰক্ষা কৰা ঘটনায়ো সম্ভৱ হোমিও চিকিৎসাৰ প্ৰতি পিতাক আসক্ত কৰিছিল।

ঘটনাটো আইৰ মুখত শুনা। মোৰ সমস্ত শৰীৰতে মুখ নথকা ফোঁহা কিছুমান ওলাইছিল। সেইবোৰ পকি তুলতুলীয়া হৈছিল যদিও তেজ-পুঁজ ওলাব পৰা নাছিল। যিদিনা মোৰ খোৰা-খোৰা অৱস্থা সিদিনা হেনো পুৱাৰে পৰা জ্বৰ। ডিঙিৰ ওপৰত থুঁতৰিৰ তলতে ওলোৱা ফোঁহা

এটাৰ কাৰণে মুখ মেল খাই জিভাখন ওলাই পৰিছে। সাৰ-সুৰ নাই। আয়ে নিৰুপায় হৈ মোক কোলাত লৈ কপালত জলপটি দি নিচুকাই ৰাখিছে আৰু নিৰাময়ৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে।

পিতা পুৱাৰ পৰাই প্ৰেছৰ কামত ব্যস্ত। দুপৰীয়া বাৰমান বজাত যেতিয়া গা ধুবলৈ ভিতৰলৈ আহিল, আয়ে মোৰ অৱস্থাটো দেখুৱালে। পিতাই লৰালৰিকৈ গা ধুই, ওলাল মোক কোলাত লৈ দিদাৰ ডাক্তৰৰ ওচৰলৈ। ঘোঁৰাই টনা বাগী-গাড়ীত গৈ ডাক্তৰৰ ওচৰ পালত তেওঁ ক'লে, "সমস্ত শৰীৰৰ তেজ দূষিত হৈ গৈছে। গতিকে 'চাৰ্জন'ৰ পৰামৰ্শ ল'ব লাগে। সেই সময়ত গুৱাহাটীত 'চাৰ্জন' আছিল বোধহয় ডাঃ হৰেকৃষ্ণ দাস, জেঠা। পিতা গৈ তেওঁৰ ওচৰ পালে। তেখেতে চাই-চিন্তি ক'লে, "অম্বিকা, অপাৰেশ্যন কৰিব লাগিব। পিছে, ছলি বাচে না নাবাচে ক'ব নোৱাৰোঁ।"

ডাক্তৰ জেঠাৰ মন্তব্য শুনি পিতাৰ টিঙিচ কৈ খং উঠি গ'ল। --"উঃ ডাক্তৰে মোক ভৰসা দিব ক'ত, ভয় খুৱাই হে দিলেনে ?"

বাক্য ব্যয় নকৰি পিতাই মোক লগে লগে সেইখন গাড়ীৰেই উজানবজাৰলৈ লৈ আহিল, ডাঃ রুদ্ৰকান্ত শৰ্মা দেৱৰ ওচৰলৈ। তেখেতে অনুযোগ কৰিলে অসুখ ইমান টান হ'বলৈ বাট চাই থকা বুলি আৰু বিবেচনা কৰি পৰীক্ষা-নিৰীক্ষাৰ পিছত কেইপালিমান হোমিওপেথিক দৰৱ বান্ধি দিলে। এপালি ঔষধ তাতেই খুৱাই দি তেখেতে সময়ৰ অন্তৰে অন্তৰে আন কেইপালি যেতিয়া খুৱাব লাগিব লৈ মোৰ অৱস্থাৰ উন্নতি-অৱনতিৰ বিষয়ে তেখেতক জনাবলৈ পৰামৰ্শ দিলে। তাকে সম্বল কৰি লৈ পিতা ঘৰলৈ উভতিল। ঘৰত আয়ে উপকৰুৱাকৈ মোৰ বাওঁ-কামলতিৰ তলত পকি থকা মুখ নথকা ফোঁহোৰা এটাত মচুৰৰ দালিৰ পুল্টিচ দি মাজতে এডাল খৰিকাৰে অকমানকৈ কড়িৰ চন্দনৰ ফোঁট এটি দি থৈছিল। সেইদিনাই আবেলিৰ ফালে কড়িৰ চন্দন লগোৱা ঠাইতে ফোঁহোৰাটোৰ মুখ ওলাল। সেইটো ফাটি সেইফালেৰেই মোৰ শৰীৰত জমা হোৱা তেজ-পুঁজ আৰু বদ্‌ৰসবোৰ ওলাবলৈ ধৰিলে। তাৰ পাছত ক্ৰমে ক্ৰমে আন ফোঁহোৰাবোৰো বহি গৈ নোহোৱা হ'বলৈ আৰম্ভ কৰিলে। ডাক্তৰ রুদ্ৰকান্ত শৰ্মাদেৱৰ চিকিৎসাতেই মই সুস্থ হৈ আহিলোঁ।

সকলো সময়তে আমি ল'ৰা-ছোৱালীকেইটাৰ অসুখ-বিসুখৰ সময়ত হেজাৰ ব্যস্ততাৰ মাজতো পিতা অতি সচেতন-সচকিত আছিল। আইৰ মুখে শুনিছো যে মোৰ জন্মৰ আগতে আমাৰ বাইদেউ শুচিব্রতা যেতিয়া সৰু, যকৰা কাৰণত আইক পিতাই মামাহঁতৰ গাঁৱত কিছু দিনৰ বাবে থৈ নিজে গুৱাহাটীত থকাৰ সময়ত, বাইদেউৰ টাইফয়েড জ্বৰ হোৱাৰ পিছত তেওঁক নিজৰ লগত আনি ৰাখি চিকিৎসা-তদাৰক কৰিছিল আৰু প্রেছৰ কামত ব্যস্ত থকাৰ মাজতো টেবুলত জ্বলাই থোৱা উজ্জল পোহৰৰ বৈথক-লেম্পৰ চিমনিৰ উত্তাপতে কোমলকৈ ভাত সিজাই সিজাই খুৱাইছিল। একেদৰে, অনুবাইদেউৰ অসুখৰ সময়তো চিকিৎসাৰ কাৰণে পিতৃৰ কৰণীয় কৰ্তব্য সকলো প্ৰকাৰে পালন কৰিও, একমাত্ৰ আৰ্থিক–অনাটনৰ বাবেই মুৰামুৰি সময়ত কিনি অনা ইঞ্জেকশ্যন প্ৰয়োগ কৰাত ব্যৰ্থ হোৱাৰ ফল স্বৰূপে পিতাই নীৰৱে অশেষ মানসিক-যন্ত্ৰণা ভোগ কৰিছিল। সেই সময়ৰ বেদনাক্ৰান্ত মনেৰেই পিতাই ৰচনা কৰিছিল তেখেতৰ 'বেদনা বিজয়' কবিতাটি।

মোৰ বিকলাঙ্গ ভাই টুকু ধনুষ্টঙ্কাৰৰ দ্বাৰা আক্ৰান্ত হৈ বিফল অৱস্থা প্ৰাপ্ত হোৱাৰ পিছত সকলো প্ৰকাৰে পিতাই তাৰ চিকিৎসা কৰাইছিল। এবাৰ ডাক্তৰ কদ্ৰকান্ত শৰ্মাই হেনো টুকুৰ কাৰণে কিবা ঔষধ দি কৈছিল— "এই ঔষধ খুৱাই চাওক। যদি ভগৱানে দয়া কৰে সি ভাল হ'ব। ন'হলে সম্পূৰ্ণ নিস্কৃতি পাব, অৰ্থাৎ তাৰ মৃত্যু হ'ব।" পিতাই ঔষধ লৈ আহিল সঁচা, কিন্তু খুৱাবলৈ দ্বিধা কৰিলে। সেই ঔষধ খুওৱাৰ অনিশ্চিত পৰিণামৰ সন্মুখীন হ'বলৈ আই আৰু পিতা দুয়ো টান পালে। যিটো, অতি স্বাভাৱিক কথা। সেই বিকলাঙ্গ ভাই আজীৱন শয্যাশায়ী টুকুক পিতাই ভগৱানৰেই এটি দান বুলি মানি লৈ নিজৰ চিন্তা জগতত তাকো এটি অনুপ্ৰেৰণাৰ স্থলী বুলি ভাবিছিল। আনকেইটি ল'ৰা-ছোৱালীক দান কৰা সমতুল্য স্নেহ আৰু পৰিচৰ্যাৰেই পিতাই টুকুকো প্ৰতিপালন কৰিছিল। বৰং কোনো কোনো ক্ষেত্ৰত তাৰ প্ৰতি অলপ অধিক স্নেহ হে পিতাই দেখুৱাইছিল আৰু কৈছিল—"বুজিছা না, এই টুকুটো মোৰ আই অসম দেশখনৰ দৰেই বিকলাঙ্গ। নিজে একো কোৰ্‌বা নোৱাৰে। অন্যই কিবা এটা দিলি হে লয়, কিবা এটা খুৱালি হে খায়। দেশৰ মানুহে

নিজে বুদ্ধি-বাজি দেশখনৰ কাৰণে নকৰ্‌লি যেনেকে নহয়, তেনেকে এই বাচা টুকুকো আমি কুনবাই খুৱাই দিলি হে খাবা পাৰে, জীয়াই থাক্‌বা পাৰে।"

প্ৰয়োজনৰ সময়ত ৰুগী-পৰিচৰ্যাৰ কামত পিতাই কেনে একনিষ্ঠতাৰে শুশ্ৰূষাৰ কাম কৰিছিল তাৰ চানেকি মই দেখিছিলো, যেতিয়া মোৰ আঠমান বছৰ বয়সত আমাৰ আইৰ এবাৰ বৰ শকত নৰীয়া হৈছিল। আই অতি দুৰ্বল হৈ তিনিমাহমান শয্যাশায়ী হৈ পৰি আছিল। মই সৰু, বিশেষ একো সহায় কৰিব নোৱাৰো। পিতাৰ সহায় মাত্ৰ বাইদেউ। তেওঁ তেতিয়া পাণবজাৰ ছোৱালী হাইস্কুলত চতুৰ্থ নে পঞ্চম মান শ্ৰেণীত পঢ়ে। মই চেনিকুঠী প্ৰাথমিক বিদ্যালয়ৰ থ-মান নে প্ৰথম মান শ্ৰেণীৰ ছাত্ৰ। ঘৰত থকাৰ সময়ত বাইদেৱে পিতাক সহায় কৰে। কিন্তু স্কুল খোলা থকাৰ কালত আমি দুয়ো যেতিয়া ঘৰত নাথাকো, দিনৰ দিনটো পিতায়েই আইক চোৱা-চিতা কৰে। ঘৰত তেতিয়া আন কোনো মানুহ, এনেকি কাম কৰা লগুৱাও নাছিল। এতেকে মাজে-সময়ে পিতাই ৰন্ধা-বঢ়াৰ কামো কৰিছিল। দুয়ো ভনীয়েক লক্ষ্মী আৰু ৰোহিনীক সকলোকে বিয়া দি উলিয়াই দিয়াৰ পৰাই পিতাই আবুক অৰ্থাৎ মাক দৈৱকী দেৱীক নিজৰ লগত ৰাখিছিল আৰু সৰুৰে পৰা ঘৰুৱা কাম-কাজতো পিতায়েই সহায়-সাৰথি কৰিছিল। তেনেকৈয়ে ৰন্ধা-বঢ়া প্ৰভৃতি ঘৰুৱা কাম কৰাৰ অভ্যাস পিতাৰ হৈছিল আৰু লাগিলে কৰিব পাৰিছিল।

পৰিয়ালৰ মানুহৰ উপৰিও চিনাকি আন মানুহৰ অসুখ-বিসুখৰ কথা শুনিলে সেইসকলৰ খা-খবৰ লোৱাৰ উপৰিও পিতাই কেতিয়াবা কেতিয়াবা নিজে বায়োকেমিক আৰু হোমিওপেথিক ঔষধ নিৰ্ণয় কৰি গৈ দি আহিছিল। মোৰ মনত পৰে যে চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ লগত 'জয়ন্তী' আলোচনীখন যুটীয়াভাৱে সম্পাদন কৰোতা কমল নাৰায়ণদেৱৰ অসুখৰ সময়ত পিতাই তেনেকৈ ঔষধ লৈ গৈছিল। উজানবজাৰৰ লাৱণ্য-প্ৰেছৰ সন্মুখৰ এটি ঘৰত কমল নাৰায়ণদেৱে তেতিয়া সপৰিয়ালে বাস কৰিছিল। হিন্দীভাষী লোক হৈও বিবাহ সূত্ৰে অসমীয়া সমাজৰ আত্মীয় হৈ পৰা আৰু অসমীয়া ভাষা সাহিত্য-চৰ্চাত সহযোগিতা কৰা কমল নাৰায়ণদেৱৰ প্ৰতি পিতাৰ অত্যন্ত স্নেহ আছিল। কিয়নো,

অসমীয়াৰ জাতীয় শক্তি বৃদ্ধি কৰাৰ কাৰণে অসমবাসী সকলো মানুহকে— —"আহিছা যদি মোৰ লগত এটা হৈ মিলি যোৱা" বুলি আহ্বান জনাই জনাই এটি মহান সম্মিলিত অসমীয়া মহাজাতি গঢ়ি তোলাৰ কথা চিন্তা কৰোঁতা পিতাই কমল নাৰায়ণদেৱ আদিৰ দৰে লোকৰ মাজত নিজৰ আকাঙ্ক্ষাপূৰ্ণ হোৱাৰ চিনিগুনি দেখা পাইছিল।

অসমত অসমীয়াৰ জাতীয়-স্বাৰ্থ ৰক্ষাৰ প্ৰশ্নত বাঙহুৱাভাৱে বহুতৰে লগত যদিও পিতাৰ বিৰোধৰ ভাব প্ৰকাশ পাইছিল তথাপি ব্যক্তিগত জীৱনত কাৰো প্ৰতি কোনো বিৰোধী মনোভাব পিতাৰ নাছিল। প্ৰকৃতাৰ্থতে তেখেত মানৱ-দৰদী আছিল বুলি মই ক'ব পাৰো। অসমৰ বুকুত বঙ্গীয় সম্প্ৰসাৰণৰ বিৰুদ্ধে আদৰ্শগত বিৰোধৰ ভাব থকাৰ কাৰণে বহুতেই যদিও পিতাক বঙাল খেদা নেতা আখ্যা দিছিল তথাপি সকৰে পৰা দেখিছিলো যে পাণবজাৰত থকাৰ সময়ত আমি থকা ঠাইৰ চাৰিওফালে বসবাস কৰা বঙালী পৰিয়ালবিলাকৰ লগত পিতাৰ তথা আমাৰ পৰিয়ালৰ অতি সহৃদয় আদান-প্ৰদান আছিল।

'চেতনা' বন্ধ হোৱাৰ পাছত 'মায়াবিনী কেমিকেল বৰ্কচ' স্থাপন কৰি 'স্বাৱলম্বী ব্যৱসায়' কৰাৰ মানসেৰে পিতাই যেতিয়া চেনেহী চিয়াহী, জয়মতী স্নো, জিলিকনি নামৰ জোতাৰ ৰং আৰু মায়াবিনী তেল উলিয়ায় তেতিয়া সেই তেলৰ বটলত আমাৰ ঘৰৰ সন্মুখতে কৃষ্ণ বৰুৱাৰ ঘৰৰ ওচৰত থকা জ্যোতিষ গাঙ্গুলী নামৰ বঙালী ভদ্ৰলোকৰ সুকেশিনী সুন্দৰী কন্যা জোৎস্নাৰ ফটো এখনৰ ব্লক এটি কৰাই আনি, লেবেল হিচাপে ব্যৱহাৰ কৰিছিল। সেইটোৱে যেনিবা ছোৱালীজনীৰ বিয়াৰ বন্দোবস্ত হোৱাত সহায় কৰিলে। ছোৱালীজনীৰ বিয়াৰ পিছৰ পৰা পিতাই নিজেই তেলৰ বটলৰ পৰা সেইটো লেবেল উঠাই দিয়ে। মায়াবিনী কেমিকেল বৰ্কচ মুঠতে তিনি বছৰমান চলিছিল। পিছত, প্ৰধানভাৱে আৰ্থিক সঙ্গতিৰ অভাৱত সেইটো বন্ধ হৈ যায়।

মুঠতে ন্যায় আৰু সত্যৰ ভেটিত অসমত অসমীয়াৰ জাতীয় অধিকাৰ ৰক্ষা কৰিবৰ কাৰণে জাতীয়-অস্তিত্বৰ বাবে বিপদৰ কাৰণ হ'ব পৰা যি কোনো পক্ষৰে অন্যায় আব্দাৰক প্ৰশ্ৰয় নিদি তাৰ বিৰুদ্ধে সাহসেৰে সংগ্ৰাম

চলাই থাকিও স্বপক্ষীয়-বিপক্ষীয় সকলোৰে প্ৰতি উদাৰ মানৱীয় আচৰণ অব্যাহত ৰখাৰ ক্ষমতা পিতাৰ চাৰিত্ৰিক গুণ আছিল বুলি ক'ব পাৰি। অসমীয়া বা বঙালী বুলি নহয়, হিন্দু বা মুছলমান বুলি নহয়, ধনী বা দুখীয়া বুলি নহয়, মানুহক মানুহ হিচাপে আচৰণ কৰিছিল, পিতাই।

আয়ে শুনিছিল আবুৰ পৰা, আমি শুনিছিলো আইৰ পৰা। জাৰৰ দিনত বাটত বুঢ়া-থেৰা, দুৰ্বল, হাড়ে-চালে লগা মানুহে কষ্ট পাই থকা দেখিলে পিতাই হেনো নিজে গাত উৰি থকা চাদৰখনকেই একো একো দিন দান কৰি আহি আবুৰ মৰম সনা ভৰ্ৎসনাৰ সম্মুখীন হৈছিল। কেতিয়াবা আকৌ দুপৰীয়াখন ঘূৰি পকি আহি আবুৱে যতনেৰে পিতাৰ কাৰণে সাজি থোৱা ভাত সাজো নিজে নাখাই দাণ্ডি নি কোনোবা ভোকাতুৰ মগনীয়াক খাবলৈ দিছিল। কিন্তু দোদ হৈ খুজি মাগি ফুৰা ভিক্ষাৰীক কেতিয়াও লাই নিদিছিল।

এবাৰ জাৰৰ দিনত এটা বুঢ়া মানুহক পিতাই পিন্ধি থকা জৰহৰ কোট এটাকে গাৰ পৰা সোলাকাই দি দিয়াটো মই নিজে দেখা ঘটনা। সেইদৰে মনত পৰে,—এজন হিন্দুস্থানী বুঢ়া মানুহ মাজে মাজে প্ৰায় প্ৰতি মাহেই ভিক্ষা বিচাৰি আমাৰ ঘৰলৈ আহিছিল। আহিয়েই সি মাত দিছিল—"চবকো ভালা" অৰ্থাৎ, সকলোৰে ভাল হওক। পিতাই এইবুঢ়া জনক আহিলেই পঞ্চাচ পইচা দান দিছিল। এদিন মই পিতাক সুধিছিলো—"বুঢ়াক বেছিকৈ পইছা কিয় দিয়ে?" পিতাই উত্তৰ দিছিল—"হক্ দে বাপা, বুঢ়া মানুহ, কেইদিন খাব? দেখহাহ না বুঢ়া হলি মানুহৰ অৱস্থা কেনা হয়?"

দৰাচলত পিতাৰ এখন অতি বহল সহানুভূতিপূৰ্ণ অন্তৰ আছিল। সেই অন্তৰখনেৰে পিতাই জগতৰ সকলো প্ৰাণীকে সহানুভূতিপূৰ্ণ বিচাৰ-বিবেচনাৰে ব্যৱহাৰ কৰিছিল। সময়ে সময়ে আমাৰ ঘৰত কাম কৰিবলৈ ৰখা আপা-আপি, প্ৰেছত কাম কৰা কম্পোজিটৰ আনকি ঘৰৰ পোহনীয়া কুকুৰ, মেকুৰী, গৰু বা ছাগলীৰ সুখ দুখৰ প্ৰতিও পিতাৰ এটি দায়িত্ববোধ-যুক্ত সম-দৃষ্টি আছিল। শ্ৰীমন্ত শঙ্কৰদেৱে "কীৰ্ত্তন"ত লিখা—"কুকুৰ, চণ্ডাল, গৰ্দ্দভৰ আত্মা ৰাম" কথাষাৰ যেন পিতাই বাস্তৱ জীৱনত মানি চলিছিল।

গাখীৰৰ অভাৱ পূৰণৰ বাবে কিছু দিনৰ কাৰণে ছাগলী এজনী পোহাৰ কালত, ছাগলীজনীৰ খোৱা-মিলাত যাতে ঘাটি নপৰে তাৰ প্ৰতি পিতাই সততে চকু ৰাখিছিল। বাইদেউ শুচিব্ৰতা ৰায়চৌধুৰীয়ে অসমৰ প্ৰথম মহিলা হাকিম হিচাপে গুৱাহাটীৰ আদালতত কামত যোগদান কৰাৰ পাছত ঘৰত পুহিবলৈ লোৱা গাইজনীৰ দানাপানী, ঘাঁহ আদি উচিত মতে দিয়া হৈছে নে নাই, গোহালিত সন্ধিয়া ধুপা দিয়া (ধোঁৱা দিয়া) হ'ল নে নাই, গৰুৰ পোৱালিয়ে মাকৰ গাখীৰ পেটপূৰ হোৱাকৈ পালে নে আধাপেটি হৈ থাকিল ইত্যাদি প্ৰতিটো কথালৈ পিতাৰ মনোযোগ আছিল। কেতিয়াবা কিবা হেৰফেৰ দেখিলে খং কৰি, নিজেই তদাৰক কৰিবলৈ আগবাঢ়ি গৈছিল।

প্ৰথমে 'বাঘা' আৰু পিছত 'ৰানা' নামেৰে দুটা কুকুৰ আমাৰ ঘৰত পোহা হৈছিল। 'বাঘা' বলিয়া হোৱাৰ উপক্ৰম দেখি ওচৰতে থকা মোহন নাথ ককাইটিক মাতি আনি পিতাই নিজেই তাক গুলিয়াই মৰোৱায়। 'ৰানা' বহু দিন থাকি বুঢ়া হৈ মৰে। দুয়োটা কুকুৰৰ বাবে শিলপুখুৰী বজাৰৰ পৰা পঠাৰ টেংৰি আৰু কুকিচ বিস্কুট পিতাই নিজে প্ৰতিদিনেই কিনি আনিছিল। ঘৰৰ দৈনন্দিন বজাৰ নকৰিলেও সেই দুবিধ বস্তু কিনাত ঘাটি নপৰিছিল। কুকুৰৰ বিষয়ে পিতাই কৈছিল—"বুজিছা না তুহুন মানুহ মাথাই কেতিয়াবা বিশ্বাসঘাতকতা কৰিলিও কুকুৰে কেতিয়াও নকৰে।"

ৰগৰ কৰি আমি কেতিয়াবা কৈছিলো—"তাৰমানে মানুহৰ ওপৰত আপোনাৰ বিশ্বাস নাই ?"

পিতাই নিঃশব্দে হাঁহি চেপি ৰাখি উত্তৰ দিছিল—"অঁ, নাইতো। নেদেখিছাহ মানুহৰ মাজত কিমান খোৱা-কামোৰা ?"

যথাৰ্থতে পিতাই মানুহ আৰু মানৱতাক সকলোৰে উৰ্দ্ধত ঠাই দিছিল। সেইকাৰণেই কৈছিল—"মানুহে নিজৰ চিন্তা-ভাৱনা, কৰ্ম-প্ৰেৰণা আদি সকলোতে নিজৰ মৰ্যাদা নিজে ৰক্ষা কৰি চলিব লাগে। মনৰ ভাব মুখ ফুটাই প্ৰকাশ কৰাৰ ক্ষমতা মানুহৰ আছে। ভাষা তাৰ প্ৰধান সম্বল। সি চিন্তা কৰিব পাৰে, বিবেকেৰে গমি পিতি চাই মনৰ গতি নিয়ন্ত্ৰণ কৰিব পাৰে। সেই ক্ষমতাৰ বলতে মানুহে পৰস্পৰে পৰস্পৰক বুজি চমজি চলিলে কোনো অসুবিধা নাই। দাঁতে-ওঁঠেও কামোৰ নালাগে।

তাৰ ঠাইত যদি মাত্ৰ মুখৰ কথাত সকলো মানুহ সমান বুলি কৈ কাৰোবাৰ পৰা সুবিধাহে আদায় কৰাৰ ফান্দ পাতে, সেইটো মই মানি ল'ম কিয়? মোৰ নিজস্ব ব্যক্তিত্ব বিলোপ হ'বলৈ দিম কিয়? সেইটো মানুহৰ কথাই নহয়। প্ৰত্যেকৰে নিজস্বতা ৰক্ষা কৰি পাৰস্পৰিক সহযোগিতাৰে বিৰাটৰ পৰা বিৰাট হৈ যাব খোজাৰ আকাংক্ষাটোহে মানুহৰ ধৰ্ম। অমাত জীৱৰ সেইটো গুণ নাই কাৰণেই সিহঁত মানুহতকৈ হেয়। গতিকে মানুহেই সিহঁতক নিৰাপত্তা দি ৰক্ষা কৰিব লাগে। পাৰিলে বনৰীয়া জীৱ-জন্তুকো পোহনীয়া কৰি নিজৰ অংশভাগী কৰি ল'বলৈ সেইকাৰণেই মানুহে যত্ন চলাই আছে। তাকে কৰিবলৈ যাওঁতে অৱশ্যে বাঘ-ভালুকে খাব খুজিলে সিহঁতক বধ কৰিব লগাও হয়। কাৰণ, জীৱনৰ গতিটোৱেই তেনে। নিজক ৰক্ষা কৰাটো জীৱৰ প্ৰথম কাম।"

জীৱনৰ দৈনন্দিন তুচ্ছতাই আমনি কৰা সময়ৰ ফাঁকে ফাঁকে অবিৰত উৎসাহ প্ৰদায়ক হিচাপে যিবিলাক দাৰ্শনিক-চিন্তা, উৎসাহ প্ৰদায়ক কথা-বতৰা, আলাপ-আলোচনা পিতাই আমাৰ লগত অৰ্থাৎ ল'ৰা-ছোৱালীকেইটিৰ (আৰু আইৰ) আগত তুলি ধৰিছিল তাৰ পৰা আমাৰ মানসিকতাই কিমানখিনি উপলব্ধ-জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছে নাজানো, কিন্তু পিতাৰ কণ্ঠ-নিসৃত তেনে অলেখ কথাৰ ৰিং, আজিও ৰৈ ৰৈ যেন মোৰ কাণত বাজি আছে,—এনে হেন লাগে। মন মোৰ কেতিয়াবা এই কথা ভাবি বিমোৰ হয়, —পিতা বাৰু আমাৰ বাবে আছিল কি? আছিল কোন? মাত্ৰ জন্ম দাতা পিতৃ? ....সুহৃদ বন্ধু? ....নে পথ-প্ৰদৰ্শক গুৰু? —এই প্ৰশ্নৰ উত্তৰ আনে দিব নোৱাৰে।

অম্বিকাগিৰী ৰায়চৌধুৰী আৰু অসম সাহিত্য সভা

যতীন্দ্ৰনাথ গোস্বামী

অম্বিকাগিৰী ৰায়চৌধুৰীৰ নাম ল'লেই স্বদেশ আৰু স্বজাতিৰ সেৱাত আত্মনিয়োগ কৰা এজন দেশপ্ৰাণ ব্যক্তিৰ কথা মনলৈ আহে। ধমনীত দেশপ্ৰেম সঞ্চাৰিত হোৱা এইজন ব্যক্তিৰ মানত "জাতি মোৰ তেজ, জাতি মোৰ মঙহ, জাতি মোৰ অস্থি, জাতি মোৰ মজ্জা। জাতিৰ গতি যিফালে, সেইফালে কাতি হোৱাটো মোৰ অনিবাৰ্য কথা।"

বৰপেটাৰ পৰা গুৱাহাটীৰ ইংৰাজী স্কুলত পঢ়িবলৈ যোৱা চৈধ্য বছৰীয়া ল'ৰাই পলাশবাৰী ঘাটত বাবু এজনে পোহাৰী এজনীক অশালীন ব্যৱহাৰ কৰা দেখি ক্ষুব্ধ হৈ বাবুজনক ঘোঁচা মাৰি পেলাই সাহ-পিতৰ পৰিচয় দি 'সিংহৰ সন্তান সিংহহে হ'ব' মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্যৰ এই প্ৰশংসা লাভ কৰা অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৰ্মৰ মাজত এই কথাষাৰিৰ প্ৰাসঙ্গিকতা উপলব্ধি কৰিব পাৰি। ১৯০৫ চনৰ "বঙ্গৰ পৰা উজাই অহা দেশ সেৱাৰ সংগ্ৰামমুখী সাঙ্গীতিক প্ৰভাৱে" উন্মনা কৰি তোলা আৰু জ্বালামুখী গীত-কবিতাৰ সম্ভাৰেৰে অসমীয়া কাব্য-সাহিত্য সমৃদ্ধ কৰা বঙলা যাত্ৰাৰ ঠাইত অসমীয়া যাত্ৰা প্ৰৱৰ্তন কৰা, নিভাঁজ দেশ-প্ৰেমে অসমীয়া জাতিক দেশ-ৰক্ষাৰ মহামন্ত্ৰত উদ্বুদ্ধ কৰিবৰ কাৰণে অসমীয়া সংৰক্ষিণী সভা স্থাপনত ইন্ধন যোগোৱা, "সমাজনীতি, ৰাজনীতি, কৃষি, শিল্প, বাণিজ্য ইত্যাদিৰ সহায়েৰেই জাতীয়তাৰ ডাঙৰ-দীঘল, আহল-বহল ৰাজআলি বান্ধিব'ল" প্ৰয়াস কৰা, সমাজৰ দুৰ্নীতি, শঠতা, ভণ্ডামি আদিৰ বিৰুদ্ধে বিপ্লৱ কৰা, ১৯৪৬ চনত অসমক বঙ্গদেশৰ লগত 'গ্ৰুপিঙ'ত সুমুৱাৰ জল্পনা-কল্পনা চলা সময়ত অসম জাতীয় মহাসভাৰ পক্ষৰ পৰা দিল্লীলৈ গৈ সেই পৰিকল্পনাৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱা ইত্যাদি কাৰ্যৰদ্বাৰা অনুমান কৰিব পাৰি যে দুজনা গুৰুৰ চৰণ

বেণুৰে বন্দিত পবিত্ৰধাম বৰপেটা সত্ৰত ভূমিষ্ঠ হোৱা অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ হকে উৎসৰ্গিত হৈছিল, তেওঁ জাতীয়তাৰ মহামন্ত্ৰত দেশবাসীক উদ্বুদ্ধ কৰিবৰ কাৰণে অহো-পুৰোষাৰ্থ কৰিছিল।

১৯০৮ চনৰ পৰা ১৯১৫ চনলৈকে অম্বিকাগিৰীৰ সাহিত্য সৃষ্টিৰ পয়োভৰৰ কাল। এই সময়তে তেওঁ দুখন নাটক (জয়দ্ৰথ বধ আৰু কল্যাণময়ী) আৰু তুমি, বীণা আদি কবিতা পুথি ৰচনা কৰে। বৰপেটাত নজৰবন্দী হৈ থকা কালৰ অন্ত পৰিলত তেওঁ ১৯১৫ চনত ডিব্ৰুগড়লৈ যায়। "ইং ১৯১৫ চনৰ পৰা ১৯১৭ চনলৈকে মই তেতিয়া ডিব্ৰুগড়ত। অসমীয়া ভাষাত কামৰূপী শাব্দিক (ভাব প্ৰকাশক হ'লেও), আৰু প্ৰত্যয়িক ৰূপ (যেনে,—চখু-চকু, তাৰা-তৰা, ৰাজা-ৰজা, ৰাঙা-ৰঙা, ঘৰক-ঘৰলৈ, হাতেদি-হাতেৰে আদি) ব্যৱহাৰৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদিত 'বাঁহী'ৰ বিৰোধিতাৰ প্ৰত্যাহ্বান স্বৰূপে সেই সময়ত ডিব্ৰুগড়বাসী ডা° হৰেকৃষ্ণ দাস, কালীৰাম মেধি, ভাৰত চন্দ্ৰ দাস, গঙ্গাৰাম চৌধুৰী আদিৰ পৃষ্ঠাপোষকতাত পণ্ডিত তাৰানাথ চক্ৰবৰ্তী কাব্যবিনোদৰ সম্পাদনাত প্ৰকাশ হোৱা মাহেকীয়া 'আসাম-বান্ধব'ৰ মই সহকাৰী সম্পাদক" (মোৰ জীৱন ধুমুহাৰ এছাটি)। ডিব্ৰুগড়ত থকা কালতেই প্ৰকাশিত অম্বিকাগিৰীৰ কবিতা পুথি বীণা আৰু তুমিয়ে আলোড়নৰ সৃষ্টি কৰে। এই ঠাইতে তেওঁ ডিব্ৰুগড় সাহিত্য সভা স্থাপনত আগভাগ লয়।

অসম সাহিত্য সভাৰ লগত অম্বিকাগিৰীৰ সম্বন্ধ জন্ম লগ্নৰ পৰা। এই সভা স্থাপনত অসম এছোচিয়েচনৰ বৰঙণি নোহোৱা নহয়। ১৯১৫ চনৰ ডিচেম্বৰ মাহত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ সভাপতিত্বত ডিব্ৰুগড়ত অসম এছোচিয়েচনৰ অধিবেশন অনুষ্ঠিত হয়। সভা শেষ হোৱাত এছো-চিয়েচনৰ উদ্যোগত সেই ঠাইত ৩০ ডিচেম্বৰ তাৰিখে ফণীন্দ্ৰ চলিহাৰ সভাপতিত্বত এখন 'ডাঙৰ সাহিত্য সভা' বহে। উক্ত সভাত সত্যনাথ বৰা, বেণুধৰ ৰাজখোৱা, পদ্মনাথ গোহাঞিবৰুৱা, তফজল হুচেইন হাজৰিকা, দুৰ্গানাথ চাংকাকতি আদিয়ে একোটি বক্তৃতা দিয়ে। "ইয়াৰ পিছত গুৱাহাটীৰ পৰা দুৰ্গেশ্বৰ শৰ্মা, চন্দ্ৰনাথ শৰ্মা আৰু গৌৰীনাথ তালুকদাৰ প্ৰভৃতি কেইগৰাকীমান লোকে গোট খাই অসম সাহিত্য সন্মিলন হ'ব লাগে বুলি চেষ্টা কৰিছিল।" এই চেষ্টাৰ ফলত ১৯১৭ চনৰ ২৮ ছেপ্টেম্বৰ

তাৰিখে শিৱসাগৰৰ ক্লাবঘৰত তাৰাপ্ৰসাদ চলিহাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা বহে। সেই সভাতে ১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত হ'বলগীয়া অসম এছোচিয়েচনত অধিবেশনৰ সময়তে "অসমৰ শিক্ষিত আৰু সাহিত্যানুৰাগী পুৰুষসকলক নিমন্ত্ৰণ কৰি এখনি সদৌ অসম সাহিত্য সভা গঠন কৰিবলৈ" সিদ্ধান্ত কৰা হয়। সেইমতে ২৬।২৭ ডিচেম্বৰত শিৱসাগৰত অসম এছোচিয়েচনৰ সভাঘৰত পদ্মনাথ গোহাঞিবৰুৱাৰ সভাপতিত্বত অসম সাহিত্য সম্মিলনীৰ অধিবেশনত অসম সাহিত্য সভাই জন্ম লাভ কৰে। এই অধিবেশনত অম্বিকাগিৰীয়ে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰতিনিধিৰূপে যোগ দিয়ে। এই অধিবেশনত অম্বিকাগিৰী ৰায়চৌধুৰী আৰু ককাইদেৰক গিৰীশ্চন্দ্ৰ ৰায়চৌধুৰী উভয়ে নতুন কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য হয়। কিন্তু দেশৰ চিন্তা আৰু আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামে তেওঁক অসম সাহিত্য সভাৰ পৰিপুষ্টি সাধনত বৰঙণি যোগোৱাৰ পৰা বঞ্চিত কৰিলে। অসহযোগ আন্দোলন আৰু ৰাজনৈতিক চিন্তা-চৰ্চাই তেওঁক উদ্‌বাউল কৰিলে। ১৯২৬ চনত অসমীয়া সংৰক্ষিণী সভা স্থাপন কৰি অসম আৰু অসমীয়া জাতিৰ বিভিন্ন সমস্যাৰ কথা চিন্তাত ব্যাপৃত থাকিল।

১৯৪৪ চনৰ অক্টোবৰ মাহত বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উনবিংশ অধিবেশনৰ সঙ্গীতজ্ঞ অম্বিকাগিৰী ৰায়চৌধুৰী সঙ্গীত শাখাৰ উদ্বোধক আছিল। ১৯৫০ চনৰ ১১ আৰু ১২ মাৰ্চত মাৰ্ঘেৰিটাত বহা অসম সাহিত্য সভাৰ একবিংশ অধিবেশনৰ তেওঁ সভাপতিৰ আসন অলঙ্কৃত কৰে। তেওঁ তেওঁৰ উদ্দীপনাময়ী ভাষণত অসমৰ বিভিন্ন সমস্যাৰ বিষয়ে কয়, "মোৰ অস্তিত্বৰ ওপৰত চাৰিওফালৰ পৰা প্ৰচণ্ড আক্ৰমণ চলিছে—মোৰ পৈতৃক ঘৰ-ভেটিৰ ওপৰত, পিতৃ-পিতামহৰ পুণ্য-স্মৃতিৰাজিৰ ওপৰত, ভাষা-সংস্কৃতি, সমাজ, অৰ্থনীতিৰ ওপৰত। যদি মই আত্মজ্ঞান আৰু আত্ম-মৰ্যাদাশীল জীৱ হওঁ, তেন্তে জীৱ ধৰ্ম অনুপ্ৰেৰণাত উদ্দীপিত মোৰ ওচৰত, সেই আক্ৰমণ চূৰ্ণ কৰি মোৰ আত্মৰক্ষা কৰিবলৈকে কি ৰাজনৈতিক আৰু সাম্প্ৰদায়িক বাধা নিষেধৰ মূল্য থাকিব পাৰে?" তেওঁৰ মতে, "আত্মৰক্ষাৰ জ্ঞান নাথাকিলে আত্ম-নিঃসৃত সাহিত্যও ওলাব নোৱাৰে।" তেওঁ জাতিক সাৱধান বাণী

শুনায়, "অসমীয়া ৰাইজ, পবত-ভৈয়ামৰ অসমীয়া ভাই-ভনী! আজি আপোনাৰ পৈতৃক ঘৰ-ভেটি, ভাষা-সংস্কৃতি, সমাজ, অৰ্থনীতি, অস্তিত্ব সকলো বলিশালত। সকলো কথা জল্ জল্, পট্ পট্ কৈ আপোনাৰ চকুৰ আগত পৰি আছে। নিঃসঙ্কোচে নিৰ্ভয়েৰে আপুনি আত্মস্থ হৈ উপলব্ধি কৰক, চিন্তা কৰক। বাহিৰত আস্ফালন তোলা আপোনাক ধ্বংসকাৰী ক্ৰিয়াবোৰৰ প্ৰচণ্ড প্ৰতিক্ৰিয়া চলাব উপযুক্ত কৰি অন্তৰ্জগত ফৰকাল কৰি তোলক। শেষ মুহূৰ্ত। মই যোৱা ৩০ বছৰ আগৰেপৰা আজিলৈকে যি সতৰ্ক বাণী আপোনালোকক শুনাই আহিছো অথচ আপোনালোকে তালৈ কাণ কৰা নাই, সেই কথাকে আজি নিৰপেক্ষ চিন্তাশীল অসমৰ ৰাজ্যপাল শ্ৰীশ্ৰীপ্ৰকাশ, বিশিষ্ট ছচিয়েলিষ্ট নেতা পুৰুষোত্তম দাস ত্ৰিকমদাস আদিয়ে মুক্তকণ্ঠে ক'বলৈ ধৰিছে। ইয়াৰ সত্যতা সম্বন্ধে দ্বিধা নকৰিব। সমগ্ৰ অসমৰ পৰ্বত-ভৈয়াম জুৰি কট্‌কটীয়া সংঘবদ্ধভাৱে আত্মৰক্ষাৰ বাবে উঠি পৰি লাগক। নিজে নিজক ৰক্ষা নকৰিলে আনে কাকো ৰক্ষা নকৰে।" তেওঁ আৰু কয়, "আত্মৰক্ষা কৰিবলৈকে অদম্য উৎসাহেৰে সাজু হৈ উঠক, নিৰ্ভীক বীৰদৰ্পেৰে আগবাঢ়ক, শই শই, হাজাৰ হাজাৰ অসমীয়া ডেকা-গাভৰু কঠোৰ নিয়মানুবৰ্তীতাৰে, সুশৃঙ্খলিত দৃঢ়তাৰে। আজি আমাৰ মাতৃভূমিৰ, ভাষা-সংস্কৃতিৰ, সমাজ-অৰ্থনীতিৰ ঘোৰ দুৰ্দিনত কঠোৰ সেবা ব্ৰতেৰে কৰ্মক্ষেত্ৰত জপিয়াই পৰক। যাওক, এনে সেবাব্ৰতী শৃঙ্খলিত এদল আমাৰ পৰ্বতীয়া ভাইসকলৰ ঘৰে ঘৰে, যাওক এদল থকা মিলা খোৱা-লোৱাত অনভিজ্ঞ, অশিক্ষিত এন্ধাৰত পৰি থকা প্ৰত্যেকখন গাঁৱৰ চোতালে-পদূলিয়ে, যাওক এদল আমাৰ হাটে-বজাৰে,—ধৰক এদলে একাগ্ৰভাৱে সাহিত্য সেৱাত - যাওক এদল পতিত হৈ পৰি থকা মাটি কেড়ুখৰিলে'। পৰ্বতীয়া অসমীয়াসকলক নিজৰ বুকুলৈ টানি আনক,—গাঁৱলীয়াসকলৰ মনত শিক্ষাৰে জাতীয় চেতনা জগাই তোলক,—নিজ দেশৰ মাটিখিনিৰ লগত। নিজ দেশৰ ভাই-ভনী কিটিৰ নাড়ীৰ সম্বন্ধ স্থাপন কৰি একাগ্ৰভাৱে হাতত লওক,—মাটি কেড়ুখৰিত খেতি কৰি অপৰ্যাপ্ত শস্য উৎপন্ন কৰক। অসমীয়া সাহিত্যৰ বিৰাট স্ফুৰণ ঘটাই তোলাৰ পথ বিৰাটভাৱে মুকলি কৰক।" তেওঁ তেওঁৰ অভিভাষণত "সাহিত্য সৃষ্টিৰ প্ৰকৃত পথত আগুৱাই যোৱা সম্পৰ্কে কিছু ইঙ্গিত" দিয়ে।

এইদৰে অম্বিকাগিৰীয়ে অসমৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু সৰ্বতোপৰি জাতীয় ঐক্যলৈ দৃষ্টি ৰাখি বৃহত্তৰ অসমৰ বাণী শুনায়। অসম সাহিত্য সভাৰ এই অধিৱেশনতে অসমীয়া ভাষা অসমৰ ৰাজ্যভাষা হ'ব লাগে বুলি প্ৰস্তাৱ গৃহীত হয়। সেই বছৰ সদৌ অসমতে ৰাজ্যভাষা দাবী দিৱস পালন কৰা হয়। দিল্লীত অনুষ্ঠিত হোৱা সদৌ ভাৰত সাংস্কৃতিক সভাত সভাপতি অম্বিকাগিৰী ৰায়চৌধুৰী, প্ৰধান সম্পাদক কেশৱনাৰায়ণ দত্ত আৰু সহকাৰী সম্পাদক হেম দত্তই যোগ দিয়ে, আৰু অসমীয়া পুথিৰ এখন প্ৰদৰ্শনীৰো আয়োজন কৰে। সভাপতি ৰায়চৌধুৰীৰ কাৰ্যকাল ওৰ পৰাৰ পাছতো বিভিন্ন সময়ত ৰাজ্যভাষা প্ৰস্তাৱটো দোহাৰিবৰ কাৰণে পৰামৰ্শ আগবঢ়ায়। সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সপ্তবিংশ অধিৱেশনত (নগাঁও, ১৯৫৯) ৰাজ্যভাষা প্ৰস্তাৱ পুনৰ গৃহীত হোৱাত তেওঁ কিছু দূৰ আশ্বস্ত বোধ কৰে। ১৯৬০ চনৰ মাৰ্চ মাহত ৰাজ্যভাষা দাবী দিৱস পালন কৰা হয়। গুৱাহাটীৰ নবীন' বৰদলৈ হলত অনুষ্ঠিত ৰাজহুৱা সভাত ভাষণ প্ৰসঙ্গত তেওঁ কৈছিল, "দেশৰ অসমীয়াই আজি মাতৃভাষাক স্থাপন কৰিবলৈ যদি অন্তৰত সাহ আৰু বুকুত বল বান্ধিব নোৱাৰে তেন্তে সেই সাহস বান্ধিব কোনে?" সেই বছৰ অসমীয়া ভাষাক চৰকাৰী ভাষাৰূপে স্বীকৃতি দিয়াত অৰ্থাৎ 'অসম শাসকীয় ভাষা অধিনিয়ম' গৃহীত হোৱাত সভাৰ দাবীয়ে কিছু দূৰ স্বীকৃতি লাভ কৰে।

অসম সাহিত্য সভাৰ বিভিন্ন অধিৱেশনলৈ পঠোৱা তেওঁৰ শুভেচ্ছা বাণীসমূহো দেশপ্ৰেমৰ জ্বলন্ত নিদৰ্শন। অসম সাহিত্য সভাৰ ঊনবিংশ সম্মিলনলৈ (গোৱালপাৰা, ১৯৬১) পঠোৱা বাণীত তেওঁ এটা মাত্ৰ বাক্য লিখি সভাক সচেতন কৰি দিয়ে এইদৰে।

"প্ৰচণ্ড দেশাত্মবোধৰ অনিবাৰিত ধনেৰে জীৱনৰ কৰ্ম-প্ৰবাহ অচল আৰু পঙ্গু কৰি ৰখা দুৰ্বলতা-সম্ভূত পুঞ্জীভূত অলসতা, কৰ্তব্যবিমুখতা, কলুষ-ক্লেশ, দুৰ্নীতিৰ আৱৰ্জনা উটাই দি জঠৰতা ভাঙি, অসমীয়াৰ সামূহিক জীৱন ফুল-নিকা কৰি সফল একাত্মবোধ সাধি, বিপুল জীৱন্ত কৰ্মোল্লাসেৰে তাক বিশ্বমানবীয়তাবোধলৈ আগুৱাই নিয়া সক্ৰিয় যোগ্যতা অৰ্জাৰ পথত লেখনি ধৰিবলৈকে অসমীয়া কবি, সাহিত্যিক, গাল্পিক,

ঔপন্যাসিক, প্ৰাবন্ধিক, সাংবাদিকসকলক অসম সাহিত্য সভাই কঠোৰ আহ্বান দিয়ক।”

ধ্বনি-কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ সভাপতিত্বত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত হোৱা দ্বাত্ৰিংশ অধিবেশনলৈ (১৯৬৬) প্ৰেৰণ কৰা শুভেচ্ছা বাণীত তেওঁ সভাৰ দায়িত্ব আৰু কৰ্তব্যৰ কথা দোহাৰে এইদৰে, “মোৰ সুস্থিৰ মত, অসমীয়া ভাষাই সৰ্বপৰ্যায়ত অসমৰ ৰাজ্যিক ৰাষ্ট্ৰীয় মৰ্যাদা নাপালে অসম ৰাজ্যত অসমীয়াৰ জাতীয় প্ৰতিষ্ঠা চিৰকাললৈকে লোপ পাব। উচিত সময়ত আমাৰ দূৰদৃষ্টিহীন নেতাসকলে আৰু সাহিত্য সভায়ো এই বিষয়ত অৱহেলা কৰা বাবে বিষয়টো জটিল হৈ পৰিছে। যদি সাহিত্য সভা এই অৱস্থাৰ বিৰুদ্ধে জয়যুক্ত হৈ উঠিবলৈ কঠোৰ-ভাবে সংগ্ৰামশীল হৈ উঠিব. নোৱাৰে তেন্তে পৰিস্থিতি শোচনীয় হৈ পৰিব। সাহিত্য সভাৰ শুভৰত তাৰে আকাঙ্ক্ষা কৰিলো।”

এইদৰে অম্বিকাগিৰী ৰায়চৌধুৰীৰ শুভেচ্ছা বাণীসমূহে অসম সাহিত্য সভাৰ দিক নিৰ্ণয় কৰাত সহায় কৰে। দৰাচলতে অম্বিকাগিৰীৰ জীৱন-টোৱেই তেওঁৰ বাণী। শয়নে-সপোনে দেশেই আছিল তেওঁৰ একমাত্ৰ আৰাধনা। দেশেই ভগৱান।

ৰায়চৌধুৰীৰ সাহিত্য-প্ৰতিভা

ৰাম গোস্বামী

মানুহ এজনক আমি কৃতজ্ঞতাৰে কিয় স্মৰণ কৰো? কিয় সেই মানুহজনক উপলক্ষ্য কৰি বিশেষ উৎসৱ পাতো, শতবাৰ্ষিকী উদযাপন কৰো? সাধাৰণ মানুহে ব্যক্তিজীৱনত বৰ্তমানকে ডাঙৰ বুলি ভাবে, কিন্তু জ্ঞানবান ব্যক্তিয়ে বৰ্তমানৰ প্ৰয়োজনতে তেওঁৰ জীৱনৰ সকলো সময় যাতে ক্ষয় হৈ নাযায় তাৰ প্ৰতি সজাগ দৃষ্টি ৰাখে। কাৰণ তেওঁ বুজে যে কেৱলমাত্ৰ দৈহিক অস্তিত্ব বজাই ৰখাই জীৱনৰ আদৰ্শ হ'ব নোৱাৰে। প্ৰকৃততে মানুহ জীয়াই থাকে তেওঁৰ কীৰ্তিৰ মাজেদি, যিজনে নিজ সাধনাৰ বলত জীৱনৰ আদৰ্শ গঢ়ি তুলিব পাৰে তেনেজন ব্যক্তিয়ে জনসাধাৰণৰ মাজত সন্মান আৰু আদৰ লাভ কৰিবলৈ সমৰ্থ হয়। কীৰ্তিৰ বাবেই তেনে মানুহক আমি ৰাজহুৱা জীৱনত শ্ৰদ্ধাৰ্ঘ আগবঢ়াওঁ। ক্ষমতা, প্ৰতিপত্তি, জন্মগৌৰৱ, কুল-মৰ্যাদা আদিৰে সাধাৰণ মানুহক বিচাৰ কৰিব পাৰি, তেওঁলোকৰ সামাজিক প্ৰতিপত্তিৰ মানদণ্ড বিশ্লেষণ কৰিব পাৰি। প্ৰকাৰান্তৰে এই বিচাৰ বিশ্লেষণৰ মাজেদি তেনে প্ৰকৃতিৰ মানুহজনৰ অহংভাৱ আৰু ক্ষমতাৰে জয়গান গোৱা হয়। কিন্তু যি ব্যক্তি গুণী, জ্ঞানী আৰু আদৰ্শবান তেনেজন সমাজৰ বট বৃক্ষৰ দৰে উচ্চ আৰু উন্নত। জীৱনৰ কঠোৰ কৰ্ত্তব্য পালন কৰি তেওঁ সংকীৰ্ণতাৰ উৰ্দ্ধত উঠি মহত্বৰ পৰিচয় দিয়ে। তেওঁ সকলোৰে পূজ্য, আদৰণীয় আৰু দৃষ্টান্তস্বৰূপ। কবি, সাহিত্যিক ঔপন্যাসিক, গল্পকাৰ, নাট্যকাৰ, বুৰঞ্জীবিদ, দাৰ্শনিক, বিজ্ঞানী, সমাজকৰ্মী, শিল্পী, দেশবৰেণ্য নেতা প্ৰভৃতিৰ জীৱন কাহিনীৰ মাজত সাধাৰণতে শ্ৰদ্ধাবাদ গঢ়ি উঠে। তেওঁলোকৰ ব্যক্তিত্ব আৰু কীৰ্তি-প্ৰতিভাক জীৱনীকাৰে পাঠকৰ আগত দাঙি ধৰে, মহত্বৰ বিচাৰ বিশ্লেষণ কৰে। জৰ্জিয়াৰ বিখ্যাত কবিৰ এটা ক্ষুদ্ৰ কবিতাৰে

এইখিনিতে স্মৰণ কৰিব পাৰি। কবিতাটোৰ লেখক খুতা বেৰুলাভা, সাৰাংশ হ'ল: এইটো পৰম্পৰাগত সম্মান প্ৰদৰ্শন; মানুহ যেতিয়া মৰে তেতিয়া তেওঁক এই মাটিতেই কবৰস্থ কৰা হয়। সেই বৰৰতে তেওঁ শান্তি আৰু নিৰাপদে থিতাপি লয়। তেওঁৰ কবৰৰ ফলিত দুটা তাৰিখ আমি লিপিবদ্ধ কৰো—এটা হৈছে জন্মৰ, আনটো হৈছে মৃত্যুৰ দিন। এইটো এটা সময় সাপেক্ষ সম্মান প্ৰদৰ্শন কৰা পৰম্পৰা। কিন্তু কিছুমান মানুহ আছে 'যসকলৰ এটা দিনহে লিপিবদ্ধ কৰিব পাৰি, সেইটো হৈছে জন্মৰ দিন। তেওঁলোকৰ মৃত্যুৰ তাৰিখটো কিন্তু লেখা নহয়। কাৰণ, তেওঁলোকে সদায় জীয়াই থাকে, তেওঁলোকৰ মৃত্যু নাই।

প্ৰশ্নটোৰ যথোচিত উত্তৰ বিচাৰি আমাৰ স্বদেশপ্ৰেমী ব্যক্তিসকললৈ শ্ৰদ্ধা নিবেদন কৰা কথাটো মোৰ মনলৈ আহিছে। স্বদেশৰ প্ৰতি ভালপোৱা সহজাত ভিত্তিৰ লগতে তেওঁলোকৰ প্ৰতি মোৰ শ্ৰদ্ধা গাঢ় হৈছে। কাৰণ, তেওঁলোকে অসমীয়া জাতীয় চেতনাক কৰ্তব্যনিষ্ঠাৰে জাগ্ৰত কৰিছিল। স্বদেশ প্ৰেমৰ ক্ষেত্ৰত তেওঁলোকে ভীৰুতা আৰু কাপুৰুষালি নেদেখুৱাই বীৰৰ ধৰ্ম পালন কৰিছিল। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ উন্নতিৰ হকে তেওঁলোকৰ অৱদান প্ৰকৃতপক্ষে স্বাৰ্থহীন আৰু মৌলিক শিখৰত সু-প্ৰতিষ্ঠিত হৈছে। সন্দেহ নাই, তেওঁলোকৰ মহত্বৰ মাজত অসমীয়া জাতিয়ে স্বাধীন মনৰ সেউজী আনন্দৰ আমেজ উন্মাদনা আৰু প্ৰেৰণা বিচাৰি পাইছিল। আনন্দৰাম ঢেঁকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য, অম্বিকাগিৰী, জ্যোতিপ্ৰসাদ, নীলমণি ফুকন আদি অনেকৰ নাম ল'ব পাৰি যিসকল লোকে অসমীয়া ভাষা-সাহিত্যৰ স্বকীয় মৰ্যাদা প্ৰতিষ্ঠিত কৰিবলৈ একনিষ্ঠভাৱে সংগ্ৰাম চলাইছিল। বঙালী ভাষাৰ কবলৰ পৰা অসমীয়া ভাষা-সাহিত্যক ৰক্ষা কৰিবলৈ এইসকলে নিঃস্বাৰ্থভাৱে জেহাদ ঘোষণা কৰিছিল। অসমীয়া জাতিটোক এওঁলোকে মনে-প্ৰাণে ভাল পাইছিল আৰু জাতিটোৰ ভাষা সাহিত্য কলা-সংস্কৃতিৰ ওপৰত গভীৰ আস্থাৰে আত্মীয়তা গঢ়ি তুলিছিল। সেই সময়ৰ অসংখ্য বাধাক তেওঁলোকে সাহসেৰে অতিক্ৰম কৰি অসমীয়া জীৱনৰ মূৰ্তিমন্ত ছবি দাঙি ধৰিছিল। তেওঁলোকৰ যি বিশাল অৱদান তাক আমি কোনোকালে পাহৰিব নোৱাৰিম।

অম্বিকাগিৰী ৰায়চৌধুৰী আছিল এসময়ৰ বহু আলোচিত, গুণবান ব্যক্তি। আধুনিক যুগৰ নবীন পাঠকসকলে এই গৰাকী পুৰুষক বৰ্তমান সময়ত জীৱিত আৰু কৰ্মঠ অৱস্থাত পোৱা হ'লে কিমান অনুপ্ৰাণিত হ'লহেঁতেন তাক কোৱা নিষ্প্ৰয়োজন। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে তেওঁ যি ধৰণেৰে যুঁজিছিল তাক ভাবিলে স্তম্ভিত হ'ব লাগে। অসম আৰু অসমীয়াৰ কেনেকৈ অস্তিত্ব ৰক্ষা হয়, কেনেকৈ মংগল হয়, কেনেকৈ জাতিটোৱে আত্মচেতনাৰে নিজ অধিকাৰ স্থাপন কৰি বাহিৰৰ গোজপোটা অভিসন্ধিৰ পৰা ৰক্ষা পাব পাৰে তাকে তেওঁ সৰ্বদা চিন্তা কৰিছিল। অসমৰ সমস্যাই তেওঁৰ মূৰৰ ভিতৰত অজস্ৰ চিন্তা-ভাৱনাৰে তোলপাৰ লগাইছিল। তেওঁৰ মস্তিষ্কত 'ক্ৰশ্ ফাৰ্টিলাইজেশ্যন্' হৈছিল অবিৰাম। অসম আৰু অসমীয়াৰ প্ৰতি হোৱা অন্যায়, অত্যাচাৰ, অৱহেলা কেনেকৈ আঁতৰ কৰিব পাৰি, কেনেকৈ জাতিটোৰ বেয়া স্বভাৱ গুচাই ভাল কৰিব পাৰি, এয়ে আছিল তেওঁৰ কামনা। অম্বিকাগিৰীক যিসকলে বুজিছিল, সেই সকলে এটা কথা মৰ্মে মৰ্মে উপলব্ধি কৰি কৈছিল যে অম্বিকাগিৰী আছিল নিৰ্ভীক দেশপ্ৰেমিক। তেওঁৰ মন-প্ৰাণত, আনকি কাৰ্য-কলাপত সংকীৰ্ণ জাতীয়তাবাদ মুঠেই নাছিল। অসমক এখন সন্মানজনক আসনত সু-প্ৰতিষ্ঠিত কৰাই আছিল তেওঁৰ একমাত্ৰ আশা-আকাঙ্ক্ষা। অসমীয়া জাতিৰ মনুষ্যত্বৰ অপমান তেওঁ কেতিয়াও সহ্য নকৰিছিল।

অম্বিকাগিৰীৰ সাহিত্যকীৰ্তি তেওঁৰ চৰিত্ৰৰে এটা নিখুত প্ৰতিফলন। প্ৰচণ্ডভাৱে দেশমাতৃকাক ভাল পাইছিল বাবেই কোনো দুখজনক ঘটনা, দুৰ্ভগীয়া মানুহ, সকৰুণ দৃশ্য আৰু তিক্ত অভিজ্ঞতা যি কোনো উপায়েৰে প্ৰকাশ কৰিবলৈ তেওঁ ব্যাকুল হৈ পৰিছিল। প্ৰকাশৰ উপায় বিচাৰি নাপালে, বা কিবা এটা পৰিত্ৰাণৰ উপায় দিব নোৱাৰিলে তেওঁ অস্বস্তি বোধ কৰিছিল। তেওঁ শিল্পসম্মত বাটতে খোজ পেলাই শিল্প ৰচনা কৰিছিল আৰু সাফল্যৰ জয় তিলক পৰিধান কৰিছিল। জীৱনৰ দুখ-বেদনা, অভিমান প্ৰবাহিত হৈছিল তেওঁৰ সাহিত্যকৰ্মৰ মাজেদি। চৰম অৰ্থত সকলো শিল্পসাধনাৰ তদাৰককাৰী অদৃশ্য শক্তি হৈছে কবিতা। সকলো সংকটকাল বা সন্ধিক্ষণত বোলে কবিতাই মানুহক চূড়ান্ত বিন্দুত থিয় কৰাই ঠিক স্থানত নিৰাপদে পৌছাই দিয়ে। কবিতা ৰচনাই বোলে হাতৰ আঙুলিকো শিক্ষিত কৰি তোলে, নিয়ন্ত্ৰিতো কৰে।

অম্বিকাগিৰীৰ কবিতাৰ পুথি 'তুমি' অবিস্মৰণীয় সাহিত্য সৃষ্টি। ১৯০৭ চনত ৰংপেটাতে এই শ্ৰেষ্ঠ কবিতাৰ পুথিখন তেওঁ ৰচনা কৰে। ১৯১৬ চনত ডিব্ৰুগড়ৰ পৰা প্ৰথমে প্ৰকাশ পায়। সেই সময়ত তেওঁৰ কবিতাই আছিল জ্ঞান-ধ্যান। কবি পৰিচিতি ঘটিছিল ডেকাবয়সৰ সংকট মুহূৰ্ত্তত। তেওঁৰ মনত উদ্দীপ্ত হৈ উঠিছিল দেশপ্ৰেমৰ অগ্নিশিখা। সন্মুখৰ খোলা দুৱাৰেদি বাহিৰৰ পৰা প্ৰবেশ কৰিছিল ৰোমাণ্টিক স্বপ্ন। এই দুই চিৰন্তন উত্তেজনাত ডেকা অম্বিকাগিৰীৰ কলমৰ পৰা অমৰ কবিতা 'তুমি'য়ে জন্ম লাভ কৰিছিল। ডেকা কবিৰ ক্ষুধা-তৃষ্ণাত কবিতাৰ কেনভাচত উজ্জীৱিত হৈছিল সন্মোহন অনুভূতি। হৰ্ষ, বিষাদ, উন্মাদনা, আতংক, বিস্ময় আৰু চৰম উপলব্ধিয়ে তুমি কাব্যক অমৰ কবিতাত ৰূপায়িত কৰিলে। স্বনাম-ধন্য সাহিত্যিক, কবি আৰু গৱেষক ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই উত্তৰ নৱন্যাস যুগৰ অসমীয়া সাহিত্যৰ অন্যতম উল্লেখযোগ্য ৰচনা বুলি 'তুমি' কাব্যক অলংকৃত কৰিছে। ইংৰাজ কবি শ্বেলীৰ জগত বিখ্যাত কবিতা স্কাইলাৰ্কৰ দৰেই অম্বিকাগিৰীৰ তুমি কাব্যত এটা অনিৰ্বচনীয় সৌন্দৰ্য সাতোটা তৰংগত, ক্ৰমে প্ৰথমটিত তেওঁৰ 'বিশৃঙ্খল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্‌ভ্ৰান্ত প্ৰেমটো', দ্বিতীয়টিত 'সমজাতীয় সহানুভূতি আৰু অনুভূতি', তৃতীয়টিত 'প্ৰকৃতিৰ বিশ্বভৰা উদাৰ সৌন্দৰ্য', চতুৰ্থ, পঞ্চম আৰু ষষ্ঠটিত 'বিৰহ-অভিমান আদি নানা অৱস্থাৰ মাজেদি সকলোবিলাক আসক্তিৰ হাত এৰাই,' শেষ বা সপ্তমটি তৰংগত অনন্তৰ লগত সানমিহলি হৈ পৰিবৰ প্ৰয়াস কৰিছে। নেওগে প্ৰত্যেকটো তৰংগ সুন্দৰভাৱে বিশ্লেষণ কৰি শেষত কৈছে যে সপ্তম তৰংগটোতে ভাবৰ চূড়ান্ত-স্পৰ্শী হৈছে, আৰু কবিতাটি সজোৱাৰ গঢ়ে ইয়াক এক অভিনৱত্ব দান কৰিছে। কবিতাটি সাধাৰণতে ইন্দ্ৰিয়গাহ্য আৰু ইন্দ্ৰিয়াতীত সৌন্দৰ্যৰ চিত্ৰেৰে ভৰপূৰ। কল্পনাচিত্ৰত আৰু কবিত্বপূৰ্ণ খণ্ডবাক্যত মৌলিকতা লক্ষ্য কৰিব-লগীয়া। লেখকৰ সৰহখিনি উপমাই যেনে মৌলিক, তেনে সাহসী আৰু বিচিত্ৰ। নেওগ ডাঙৰীয়াই 'তুমি' প্ৰসংগত অভিমত দিছিল যে ইটালীয় মহাকবি ডাণ্টেৰ কাব্যৰ দৰেই এটা তেনেভাৱে ৰায়চৌধুৰীৰ তুমি কাব্যত চিৰন্তন সৌন্দৰ্যৰ ৰূপত বিকশিত হৈছে।

মৰ্ত তৰঙ্গত আছে মানুহৰ কাণে-কাণে ধ্যান নিমীলিত অতুলনীয় অমৰলোকৰ বাণী। কবিৰ ছন্দত যেন উচ্চৰিত হৈছে 'তুমি ভগৱানৰ' মিলনৰ উপায়।

"নিজক বিলাই দিব,
তাতেহে নিজক পাব
প্ৰাণৰ মাজত ;
নিজক দিলেহে এৰি
প্ৰাণৰ আপোন হ'ব
সকলো বিশ্বত।"

ক্ষত-বিক্ষত মানুহৰ অন্তৰৰ মৰ্মস্থলত কামনা বিলোপৰ নিৰ্দেশ ইয়াত ফুটি উলাইছে। অপৰাধী মানুহৰ মাজত জ্বলন্ত আৰু জাগ্ৰত বিশ্বাসৰ নিষ্কামভাব ৰোপণ কৰিবলৈ কবি অম্বিকাগিৰীৰ এইয়া প্ৰেৰণাদায়ক উপলব্ধি। কবিয়ে এই উক্তিৰ মাজেদি বিশ্বৰূপ উদ্ঘাটন কৰিছে বুলি ড° বাণীকান্ত কাকতিয়ে বৰ্ণনা কৰিছে। সচাঁ কথা, অম্বিকাগিৰীৰ তুমি কাব্যত সঞ্চাৰিত হৈছে বিশ্ব সৌন্দৰ্যৰ পৰম বিস্ময়। কল্পনা, ধ্যান, বুদ্ধি, বিশ্লেষণ আৰু প্ৰজ্ঞাৰ মাজেদি তুমি কাব্যই বিচিত্ৰ সৌন্দৰ্যক মানুহৰ মহত্তম সঙ্গীৰূপে আলোকিত কৰিছে।

'তুমি'ৰ বাহিৰেও ৰায়চৌধুৰীৰ কবিতাৰ পুথি কেইবাখনো আছে। বীণা, অনুভূতি, স্থাপন কৰ স্থাপন কৰ, বেদনাৰ উল্কা, দেশেই ভগৱান আদি তেওঁৰ কাব্যজীৱনৰ উল্লেখযোগ্য অৰিহণা। এই পুথিসমূহে পাঠক সমাজৰ অকুণ্ঠ প্ৰশংসা লাভ কৰিছে। একালে কাব্যিক অনুভূতিৰ উদ্দাম তাড়না, আনকালে নীতিৰ কঠোৰ নিৰ্দেশ। অম্বিকাগিৰীয়ে উদ্বেগবিহীন আৰু শান্তিপূৰ্ণ জীৱন অতিবাহিত কৰিব নোৱাৰিলে। সহস্ৰ বান্ধৱ, অসংখ্য অনুৰাগী-ভক্ত আৰু আপোনজনৰ মাজত জীৱন নিৰ্বাহ কৰিও তেওঁ আছিল নিঃস্ব অভাৱগ্ৰস্ত। যুধিষ্ঠিৰে যুদ্ধৰ নিৰ্মম-পৰিণতি জানিও কুৰুক্ষেত্ৰ মহাৰণত লিপ্ত হৈছিল। কিহৰ বাবে? ইয়াৰ উত্তৰ হয়তো জ্ঞানী, তত্ত্বদৰ্শীয়ে পানী যেনকৈ ক'ব পাৰিব। অম্বিকাগিৰীৰ ক্ষেত্ৰত আমি স্বীকাৰ কৰিব লাগিব যে ব্যক্তিগত চিন্তাতকৈ, পাৰিবাৰিক সুখ-সম্ভোগতকৈ দেশৰ চিন্তা, জনসাধাৰণৰ চিন্তাই তেওঁ অভাৱগ্ৰস্ত, বেদনাবহুল জীৱনযাত্ৰাক বহুত

তলত থৈছিল। নিজে নিঃস্ব হৈয়ো দেশখনক তেওঁ নিঃস্ব হ'বলৈ দিয়া নাছিল। সৰ্বসাধাৰণৰ মাজতে তেওঁ নিজক বিলাই দি ফকিৰৰ দৰে বাটে-পথে ভ্ৰমি ফুৰিছিল। লোভ, লালসা, ধন-সম্পত্তি, ঘৰ-বাৰী, জয়-পৰাজয় সকলোৰে উৰ্দ্ধত আছিল অম্বিকাগিৰী ৰায়চৌধুৰী। তুমি কাব্যৰ পৰিপূৰক হিচাপে ৰায়চৌধুৰীৰ বীণাই ব্যাপক সমাদৰ লাভ কৰিছে। একে সময়তে ৰচিত এই দুয়োখন কবিতাৰ পুথিতে সৌন্দৰ্যৰ অপূৰ্ব সংযোজনা ঘটিছে। ন'কলেও হ'ব যে কাব্যৰ দুখে আমাক আনন্দ দিয়ে। কবিয়ে দুখৰ কাব্যক মনোগ্ৰাহী কৰি তোলে বাবেই তাক পাঠ কৰি আমি আনন্দ উপভোগ কৰো। কবিয়ে মানৱ বেদনাক প্ৰকৃতিৰ কল্পিত জীৱনৰ লগত সংযোগ ঘটাই দুখৰ উপভোগ্য ৰসগ্ৰাহী কৰি তোলে। যুগে যুগে কবিয়ে কল্পনাৰ মাজেদি নাৰীৰ সৃষ্টি কৰি তেওঁৰ কল্পিত বেদনাক কাব্যৰ মৰ্যাদা দিয়া আমি লক্ষ্য কৰো শ্ৰেষ্ঠ কবিসকলে নিজ নিজ জীৱনৰ চিত্তব্যথা, অতীতৰ ঘটনা, প্ৰেয়সীৰ প্ৰত্যাখ্যান, হৃদয়হীন ৰমণীৰ ছলনা প্ৰভৃতিক উপাদান হিচাপে লৈ শ্ৰেষ্ঠ কবিতা প্ৰণয়ন কৰিছে অম্বিকাগিৰীৰ বীণাতো আমি এগৰাকী অভিমানিনী নাৰীৰ সন্ধেদ পাওঁ। ড° কাকতিৰ ধাৰণা যে এই বিশিষ্ট নাৰীমূৰ্তিয়ে তুমি কাব্যতে কবিৰ জীৱনত বিচিত্ৰবেশে আবিৰ্ভাৱ হৈছে আৰু মৃদু হাঁহি মাৰি কবিৰ সবুজ, অবুজ, যৌৱনৰ দুৱাৰ দলিত ভুমুকি মাৰিছে। বীণাৰ প্ৰতিটো কবিতাত কবিৰ প্ৰেমৰ যৌৱনোচ্ছল আমি দেখিবলৈ পাওঁ। কবিয়ে বাৰু সেই নাৰীক কিমান ভাল পাইছিল? চাৰ্লছ ডিকেন্সক প্ৰত্যাখ্যান কৰা নাৰীগৰাকীৰ কথা এই প্ৰসংগত মনলৈ আহিছে। তেওঁ আছিল মাৰিয়া বিড্‌নেল। মাৰিয়াই চাৰ্লছক প্ৰত্যাখ্যান কৰি কৈছিল, "ডিকেন্স এজন চকুত লগা ডেকা প্ৰেমিক, সন্দেহ নাই; কিন্তু এজন গল্প লেখক হৈ তেওঁ মোক কেনেকৈ ভৰণ পোষণ দিব, মোৰ আভিজাত্য ৰক্ষা কৰিব?" ডিকেন্স আছিল কপৰ্দশূন্য। কিন্তু মাৰিয়াক প্ৰাণঢালি ভাল পাইছিল। এটা উত্তৰত তেওঁ প্ৰকাশ কৰিছিল "...that there was no woman in the world and few men who could realize how much" (The World's Ten Greatest Novels) চাৰ্লছ ডিকেন্সৰ বয়স তেতিয়া একৈশ। বীণাৰ কবিয়ে তেওঁ ভালপোৱা

ৰমণীগৰাকীক বোলে শেওঁৰ বাওঁ হাতৰ কেঞ্চু আঙুলিটো কাটি ভাল পোৱাৰ নিদৰ্শন দাঙি ধৰিছিল। ৰ'ণাৰ এটা কবিতাত আছে--

চেনেহী ৰাক্ষসী।

মোৰ ফুল-নিকা কলিজাৰ জুই-ৰঙা তেজ

খাই যদি খুজিছ হাঁহিব,

তোৰ উপহাৰ দিবলৈকে কাটিছো কেনেকে'

চাচোঁ আহি নালাগে মাতিব।

দুখৰ জগতে কবিয়ে সংযোগ কৰে সান্ত্বনা আৰু আশ্বাস। যি বেদনাক আশ্ৰয় কৰি অমৰ কাব্য 'মেঘদূত' ৰচিত হৈছিল সেই বেদনাই অৱশেষত প্ৰত্যাবৰ্ত্তন কৰিছিল মোহভঙ্গৰ মাজেদি আধ্যাত্মিক জীৱনৰ অপৰূপ উপলব্ধিলৈ। অম্বিকাগিৰীয়েও এই জীৱন জিজ্ঞাসাৰ গভীৰতাত প্ৰত্যাৱৰ্ত্তনৰ আনন্দ বিচাৰি পাইছিল। তেওঁ দুঃসহ অন্তৰ্জ্বালা অব্যক্ত গভীৰ আনন্দ বেদনাত ভৰপূৰ হৈ পৰিছিল। এইয়া'ই হৈছে কবি অম্বিকাগিৰীৰ সহৃদয় হৃদয়। ৰসগ্ৰাহী পাঠকৰ বাবে পৰম উপভোগৰ কাব্যসুধা।

'বেদনাৰ উল্কা'ই সাহিত্য একাডেমীৰ পৰা মৰণোত্তৰ পুৰস্কাৰ লাভ কৰিছিল। খ্যাতিৰ সুসজ্জিত ৰথখন চিৰকালেই পলমকৈ আহে। অম্বিকাগিৰীৰো একে অৱস্থা। যিটো জীৱিত কালতে হ'ব লাগিছিল সেইটো আহিল পিছত। অৱশ্যে অম্বিকাগিৰী কেতিয়াও পুৰস্কাৰ প্ৰত্যাশী নাছিল। সন্মান, ক্ষমতা, ধনবিত্ত, সুখ, আৰাম, একো তেওঁ বিচৰা নাছিল। তেওঁৰ নাম ছুবাৰো ৰাজ্য সভাৰ সদস্য ৰূপে নিৰ্বাচিত কৰিবলৈ কোনো কোনোৱে চেষ্টা চলাইছিল। কিন্তু নহ'ল। ৰায়চৌধুৰীয়ে নিজৰ পৰা একোৱে নকৰিলে। সেইবোৰ কথা ৰায়চৌধুৰীৰ পৰিয়ালে যথাস্থানত বৰ্ণনা কৰিব। আমি মাথোন তেওঁৰ সাহিত্য কীৰ্ত্তিৰ বলিষ্ঠ দিশটোকে চকু ফুৰাবলৈ যত্ন কৰিছো। বাৰ্ত্তাৰ মাজেদি মহত্বৰ বিচাৰ নচলে। অম্বিকাগিৰী বিত্তবান নহ'লেও তেওঁ আছিল এক উদ্দীপনাময়ী শক্তি, কবি, সাহিত্যিক, নাট্যকাৰ, দাৰ্শনিক, গীতকাৰ, ৰাজনৈতিক আৰু বলিষ্ঠ সাংবাদিক। সৰ্বোপৰি তেওঁ আছিল আশ্চৰ্য প্ৰকৃতিৰ মানুহ। সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাই মহৰ্ষি কমলাকান্ত ভট্টাচাৰ্যৰ দেশপ্ৰেম অথবা অসম প্ৰেমৰ লগত ৰায়চৌধুৰীৰ দেশপ্ৰেমৰ এটি উপাদেয় তুলনা কৰিছে ভট্টাচাৰ্যৰ 'চিন্তানল'

আৰু ৰায়চৌধুৰীৰ 'বেদনাৰ উল্কা' দুয়োখনতে দেশপ্ৰেমৰ মৰ্মকথা ব্যক্ত হৈছে। বেদনাৰ উল্কাত ৪৬ টা কবিতা সন্নিবিষ্ট হৈছে। ৰচনাৰ কাল ১৯২০-১৯৬০ খৃঃ, প্ৰথম প্ৰকাশ, গুৱাহাটী ১৯৬৯। সংকলনখনত থকা কবিতাসমূহৰ মাজেদি জাতীয় জীৱনৰ যথাযথ মূল্যবোধ সংগ্ৰামী ভাবধাৰাৰে প্ৰকাশ পাইছে। অম্বিকাগিৰীৰ পৰৱৰ্তী কালৰ কবিতাত ৰাজনীতিৰ গভীৰ আৰু ব্যাপক প্ৰভাৱ আমি লক্ষ্য কৰোঁ। আজি অনেকে ভাবে যে সংগ্ৰামী ৰাজনীতিৰ নগৰীয়া হিচাপে সাহিত্য-সংস্কৃতিৰ এটা আকৰ্ষণীয় দিশ আছে। বুদ্ধিজীৱীয়ে তাত্ত্বিক ভাষাৰে ৰাজনীতিৰ মৰ্যাদা শক্তিশালী কৰে। বিগত তিনিকুৰি বছৰ ধৰি মাৰ্ক্সীয় আন্দোলনৰ পদযাত্ৰাত এচাম বুদ্ধিজীৱীয়ে (বাওঁপন্থী) বুদ্ধিগতভাৱে প্ৰাধান্য লাভ কৰিছে। আমি অৱশ্যে এই উক্তিৰ দ্বাৰা অম্বিকাগিৰীৰ ৰাজনৈতিক চিন্তাধাৰা কেনেভাৱে প্ৰভাৱান্বিত হৈছিল তাক ক'ব খোজা নাই সংগ্ৰামী অৱদান প্ৰচুৰ থাকিলেও প্ৰকৃততে তেওঁ আছিল সম্পূৰ্ণ পৃথক। বেদনাৰ উল্কাত থকা এফাকি কবিতা গাইছোঃ

ভাঙি গুৰি কৰা ধুমুহা আহিছে-আহক
বিশ্বাশৰদে বজ্ৰ গাজিছে-গাজক
আগ্নেয়গিৰি উল্কা উৰিছে-উৰক
ভূমিকম্পত ধৰিত্ৰী ফাটিছে-ফাটক
আকাশলজ্মী প্ৰলয় নাচিছে-নাচক
দৈত্য-দানৱ শত্ৰু নামিছে-নামক।

জীৱনব্যাপী সংগ্ৰাম পৰা অম্বিকাগিৰীৰ ওজস্বী ভাষাৰ এইয়া দেশ-প্ৰেমৰ এক জ্বলন্ত নিদৰ্শন। তেওঁ এটা আদৰ্শৰ হকে অহৰহ যুঁজিছিল। ৰাজনৈতিক চেতনা আৰু সাংস্কৃতিক সংহতিয়ে তেওঁৰ দেশপ্ৰেমক সৰ্বত্ৰত বিদ্যমান কৰি তুলিছিল। তেওঁৰ কৰ্মশক্তিৰ আৱৰ্তনত গভীৰ মানৱতাই সৰ্বকালৰ বাবে আবেদন জনাইছিল। চূড়ান্ত দুৰ্দিনত অসমীয়া জাতিক তেওঁ অগ্নিমন্ত্ৰৰে প্লাবিত কৰিছিল। বেদনাৰ উল্কাত কবিয়ে কৈছে,

মাটিয়েই দেশ দেশেই আত্ম,
মাটি দেশ গলে আত্ম নাই,
সেই আত্ম লটি-ঘটি হ'লে
এৰি গুচি যায় মানৱতাই।

মানুহে কৰ্ষিত নিজ ভূমিৰ কাৰণে কিমান কঠোৰতা আৰু দুখ-কষ্টৰ মাজত সোমাই পৰে! তাতে মানুহে শিকলি লগাই বৈ থাব খোজে। মাটি-ভেটি নোহোৱা বা হেৰুৱা জ'তিৰ আত্মমৰ্যাদা ক'ত? অসমৰ ভয়াবহ ছবিখন দাঙি ধৰি অম্বিকাগিৰীয়ে ডেকা শক্তিক সচেতন কৰিছিল। অসমৰ ডেকা-ডেকেৰীয়ে জড়ৰতাৰ কৰাল একৰাই নিকা হ'বৰ হ'ল। কথাই কামে এক হৈ তেওঁলোকে কামত ধৰিবৰ হ'ল। অসমৰ যুৱক-যুৱতীয়ে দিক্‌ভ্ৰান্ত নহৈ 'কৰ্ম-বিজয় শঙ্খ বজাই জীৱনটো নতুন বৰ, এলাহ এৰি কামত পৰ, জীৱনটো তোৰ বিৰাট কৰ' বুলি ৰায়চৌধৰীয়ে উদাত্তবাণী শুনাইছিল। সন্দেহ নাই, এলেহুৱা বৈশিষ্ট্যবিহীন, সংকীৰ্ণ আৰু পৰমুখাপেক্ষী জীৱন পৰিহাৰ কৰি আত্মবিকাশৰ পৰম হাবিয়াস বুকুত বান্ধি মানুহ নামৰ সাৰ্থকতা প্ৰতিপন্ন কৰিবলৈ ৰায়চৌধৰীয়ে ডেকা অসমক আহ্বান জনাইছিল।

কৰ্মবিমুখ এলেহুৱাৰ ওফোন্দনিত ভৰি থকা
ভেষ ভাণ্ডাৰ আৱৰ্জনাত
কৰ্মধাৰাৰ দীপ্ত শিখা জ্বলাই দে
জ্বলাই দে।

অম্বিকাগিৰী আছিল অসীম সাহসী। তেওঁৰ স্মৃতিকথা পঢ়ি বুজিব পাৰি, যৌৱনত তেওঁ আছিল ৰোমান্টিক প্ৰকৃতিৰ। অৱশ্যে প্ৰকৃত বিপ্লৱী কবিৰ এইটো এটা লক্ষণীয় গুণ বুলিয়েই আমি গণ্য কৰিব লাগিব। কিন্তু তেওঁলোকৰ অন্তৰ্দৃষ্টি অত্যন্ত প্ৰখৰ আৰু মানৱতাৰ আদৰ্শত উদাৰ। অম্বিকাগিৰীৰ কবিতা নিৰীক্ষণ কৰিলে আমি জাতীয় জীৱনৰ অপূৰ্ব অভিব্যক্তি প্ৰতিবিম্বিত হোৱা দেখিবলৈ পাওঁ। তেওঁৰ জীৱিত কালছোৱাত দেশৰ পৰাধীনতাৰ অন্ধকাৰত তেওঁৰ দেশাত্মমূলক কবিতা আৰু গীতবোৰে প্ৰজ্বলিত অগ্নিশিখাৰে বাৰে বাৰে সিহঁৰিত হৈ অসমৰ ডেকা শক্তিক অনুপ্ৰেৰণা যোগাইছিল।

আজি অৱশ্যে, অম্বিকাগিৰীৰ সাহিত্যকৰ্ম এজন ব্যক্তিগত মানুহৰ স্মৃতি সংগ্ৰহ হৈ থকা নাই। অসমীয়া সাহিত্যৰ এক দুৰ্লভ আৰু চিৰন্তন সাহিত্য ৰূপে ই স্বীকৃতি পাইছে, অবিস্মৰণীয় সাহিত্য সম্ভাৰ হিচাপে পৰিগণিত হৈছে। অকল কবি বুলিয়েই তেওঁক আমি আখ্যা দিব খোজা

নাই। কবিতা কিন্তু প্ৰায়বিলাক আৰ্টমিডিয়ামৰ লগত তেওঁ জড়িত আছিল। নাটাকাৰ, গীতিকাৰ, নিবন্ধকাৰ, সংবাদিক হিচাপেও তেওঁ আমাৰ সদা স্মৰণীয় ব্যক্তি। আমাৰ আত্মাৰ লগত তেওঁ আত্মীয়তা স্থাপন কৰি বন্ধুত্বৰ সুগভীৰ বন্ধন দৃঢ় কৰি গৈছে। তেওঁৰ সাহিত্যৰ স্বৰূপটো ফুটি ওলাইছে তেওঁ ৰচনা কৰা বিভিন্ন সম্ভাৰ ৰাজিবে। আত্মপ্ৰচাৰ বিমুখ এই শিল্পীজনৰ নিজকে জাহিৰ কৰা কোনো প্ৰবৃত্তি নাছিল। কিন্তু অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ লগত সুনিবিড়ভাৱে পৰিচয়ৰ আলেখ নক্সিৰ তেওঁৰ কবিতাৰ বাহিৰেও গদ্য ৰচনাত সিৰ্চৰতি হৈ আছে। এজন প্ৰতিভাবান কবিৰ প্ৰতিভা অকল কবিতাতে সীমাবদ্ধ নাথাকে। তেওঁৰ তৰুণ বয়সৰ কবিত্বময় ভাৱধাৰাই পৰৱৰ্তী সময়ত সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত সম্প্ৰসাৰণ হৈ পৰে। তেওঁৰ ক্ৰিয়েটিভিটি পৰিলক্ষিত হয় গল্প, উপন্যাস, নাটক, ইতিহাস ৰচনাত আৰু প্ৰবন্ধত। অম্বিকাগিৰী ৰায়চৌধৰীয়ে দীৰ্ঘকাল কবিতাতে আবদ্ধ নাথাকি আন আন ৰচনাটো মনোনিবেশ কৰিছিল। আহুতি, শতধাৰ, ডেকা-ডেকেৰীৰ বেদ, ভাৰতীয় স্বৰাজ আৰু অসমীয়া স্বৰাজ, সাহিত্য মঞ্জৰী, মোৰ জীৱনৰ ধুমুহা এছাটি আদি অজস্ৰ গদ্য ৰচনাৰ নাম দিব পাৰি যিবোৰৰ মাজেদি ৰায়চৌধুৰীৰ সাহিত্যিক ৰূপটো পৰিস্ফুটিত হৈছে। কথাশিল্পী ৰূপে আন এটা পৰিচয় চিহ্নিত হৈ আছে তেওঁৰ প্ৰকাশিত আৰু অপ্ৰকাশিত বিবিধ প্ৰবন্ধৰ মাজেদি। 'চেতনা' নামৰ আলোচনীখনকে মুখপাত্ৰ হিচাপে লৈ 'উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য বৰান্নিবোধতে' মূলমন্ত্ৰ বুলি ধৰি তেওঁ সমকালীন অসমীয়া জীৱন আৰু সমাজৰ যথাযথ বিশ্লেষণ কৰিছিল। অসমীয়া মানুহৰ মনত চৈতন্য জাগ্ৰত কৰিবলৈকে তেওঁ চেতনা আলোচনীখন বহু কষ্টেৰে সম্পাদনা কৰিছিল। তেওঁৰ মন যন্ত্ৰণাবোধৰ পৰা মুক্ত হ'ব পৰা নাছিল। সচাঁ কথা তেওঁ বৰ্ণনা কৰিছিল অকপটভাৱে। 'অসমীয়াৰ আত্মকথা, অসমীয়া হিন্দু-মুছলমান, অসমীয়া সংৰক্ষিণী সভা, স্বৰাজ, বৃটিছ পণ্য বৰ্জন, অসমীয়া লোকৰ সংখ্যা, জাতীয় ভাব, অসমীয়া দেশৰ সমস্যা, নিবনুৱা সমস্যা, মহাত্মাৰ কথা' আদি অনেক প্ৰবন্ধৰ দৃষ্টান্ত দিব পাৰি যিবোৰে অসমীয়া মানুহৰ জাতীয় চেতনাক জোকাৰ মাৰি গৈছিল। নাটকৰ ভিতৰত বন্দিনী ভাৰত, কল্যাণময়ী, জয়দ্ৰথ বধ, ভক্তগৌৰৱ বা শিখিধ্বজ আদি তেওঁৰ আবেগময়ী আৰু সংলাপ

গধূৰ ৰচনা যিবোৰে এসময়ত প্ৰচলিত বঙলা নাটকৰ স্থান পূৰণ কৰিবলৈ সমৰ্থ হৈছিল।

ৰায়চৌধুৰী ১৯৭০ চনত মাৰ্ঘেৰিটাত বহা অসম সাহিত্য সভাৰ সভাপতি ৰূপে নিৰ্বাচিত হৈছিল। সেই অধিবেশনতে অসমীয়া ভাষাক চৰকাৰী ভাষাৰূপে ঘোষণা কৰিবলৈ প্ৰস্তাব লোৱা হয়। তেওঁৰ সভাপতিৰ ভাষণ আছিল অগ্নিবৰ্ষী। অসমৰ ভাষা-সংস্কৃতিৰ বাহিৰেও অসমৰ অৰ্থনীতি, সমাজনীতি, পৰ্বত-ভৈয়াম সম্প্ৰীতি আদি সমস্যাৰ প্ৰতি তেওঁ উদ্দীপনাময়ী ভাষণ দিছিল। অম্বিকাগিৰীৰ 'ডেকা অসম'ত বহুতো মূল্যবান প্ৰবন্ধ ওলাইছিল যিবোৰে অসমীয়া ভাষা-সাহিত্যৰ সংৰক্ষণৰ হকে মনোযোগ আকৰ্ষণ কৰিছিল। ৰায়চৌধুৰীৰ গদ্য ৰচনাৰ বিশেষত্ব আছিল ভাষা প্ৰয়োগত। তেওঁৰ গদ্য-পদ্যত আমি এনেকুৱা কিছুমান শব্দ পাওঁ, যিবোৰ সাধাৰণতে আনৰ লেখাত চকুত নপৰে।

ৰায়চৌধুৰী আৰু তেওঁৰ মধুৰ উন্মাদনা

সদানন্দ চলিহা

উন্মাদনাগ্ৰস্ত ৰায়চৌধুৰী

শাস্ত্ৰকাৰসকলে কয়, মানুহ বোলে দুবিধ। এবিধ হ'ল মনোধৰ্মী (বুদ্ধি প্ৰধান) আৰু আনবিধ প্ৰাণধৰ্মী (হৃদয় প্ৰধান)। মনোধৰ্মীসকলৰ সঞ্চালিকা শক্তি হ'ল মস্তিষ্ক; প্ৰাণধৰ্মীৰ হৃদয় বা অন্তৰ। অম্বিকাগিৰী ৰায়চৌধুৰী হ'ল প্ৰাণধৰ্মী লোক। আৱেগ বা উচ্ছ্বাসত তেওঁ আত্মহাৰা হৈ পৰে। কি কয়, কি ভাবে, তেওঁ হয়তো নিজেই ক'ব নোৱাৰে; কিন্তু যিটো ভাবে বা যিটো কৰে, সেইটোত কৃত্ৰিমতা নাই; অন্তৰৰ অনুভূতি, হিয়াৰ স্পন্দন তাত উথলি উঠে।

আমাৰ শাস্ত্ৰকাৰসকলৰ এই দ্বিবিভাজন প্ৰতীচ্য দৰ্শনতো আছে। প্ৰাচীন কালত গ্ৰীকসকলৰ ধাৰণা আছিল যে কিছুমান কবি যুক্তিপ্ৰধান বা জ্ঞানযোগী আৰু কিছুমান উন্মাদনাগ্ৰস্ত। দ্বিতীয় বিধ কবিক কিবা এটা মাদকতাই টানি নিয়ে আৰু সেই মাদকতাৰ জোৰত তেওঁলোকৰ কাপৰ পৰা কিবা কালজয়ী ৰচনা ওলাই আহে। কেতিয়া, ক'ত, কেনেকৈ তেওঁলোকৰ লেখনিত এনে কাব্য ওলাল, সেইটো তেওঁলোকে নিজেই হয়তো ক'ব নোৱাৰে। যুক্তিপ্ৰধান কবিসকলে তেনে নকৰে। তেওঁলোকে ভাবি-চিন্তি সকলো কথা মনতে জুকিয়াই লৈ সুসংবদ্ধভাৱে ৰচনা কৰে।

এই উন্মাদনা বা মাদকতাক গ্ৰীকসকলে 'এন্থওছিয়াজমো' (enthousiasmos) বুলিছিল। এই শব্দটোৰ মূলগত অৰ্থ হ'ল এই যে কোনো এজন দেৱতাক দেহ-প্ৰাণ সপি দি উপাসনা কৰিলে সেই দেৱতাজন উপাসকৰ গাত লম্ভে। তেওঁ তেতিয়া 'দেওধনী' হৈ পৰে। দেও লম্ভা মানুহজন হ'ল 'দেওধনী' আৰু সেই অৱস্থাত তেওঁৰ মুখৰ পৰা যিবোৰ বচন ওলায়, সেইবোৰ

হ'ল 'দেওধ্বনি' (দেৱধ্বনি)। গ্ৰীক ভাষাত 'এন্' (en) হ'ল 'ভিতৰ' (ইংৰাজী 'ইন্'-in) আৰু 'থিয়ছ' (theos) হ'ল 'দেৱ'। দেৱ দেহৰ ভিতৰত থাকি যিটো উচ্ছ্বাস তোলে, সেইটো হ'ল 'এন্থওছিয়াজ্মো'। ইংৰাজী 'এন্থুছিয়াজ্ম' (enthusiasm) শব্দটো ইয়াৰ পৰাই ওলাইছে। কিন্তু ইংৰাজী ভাষাত 'এন্থুছিয়াজ্ম' বুলিলে সাধাৰণতে মানুহে প্ৰবল অনুৰাগ বা পৰম উৎসাহ বুজে। সেইদেখি ইংৰাজ সাহিত্যিকসকলে গ্ৰীক 'এন্থওছিয়াজমো'ৰ প্ৰতিশব্দ উলিয়াইছে fine madness বা 'মধুৰ উন্মাদনা'। এস্কিলাছ (Aeschylus, খৃঃ পূঃ ৫২৫ ৪৫৬) হ'ল মধুৰ উন্মাদনাগ্ৰস্ত। ছফক্লিজ (Sophocles, খৃঃ পূঃ ৪৯৫–৪০৬) তেনে নহয়; তেওঁ মানসিক সংযমনিষ্ঠ কবি। ইংৰাজী সাহিত্যত এনে দুটা উদাহৰণ হ'ল যথাক্ৰমে ক্ৰিষ্টফাৰ মাৰ্লো (১৫৬৪—৯৩) আৰু শেক্ছপীৰ (১৫৬৪—১৬১৬)[১]।

অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫—১৯৬৭) আছিল এজন মধুৰ উন্মাদনাগ্ৰস্ত কবি। কবি হিচাপে তেওঁ যে অমৰত্ব লাভ কৰিব, সেইটো তেওঁ বিজানি ভবা নাছিল। অসমীয়া জাতিটো সংৰক্ষণ কৰাটোহে তেওঁ নিজৰ জীৱনৰ ব্ৰত হিচাপে লৈছিল। অসমীয়াক সংৰক্ষণ কৰিবৰ বাবে যিখিনি চিন্তা-চৰ্চা কৰিব লাগিব, তাকে তেওঁ 'সংৰক্ষিণী ফিলছফি' আখ্যা দিছিল। এই ফিলছফি কিতাপৰ আকাৰত ক'তো পোৱা নাযায়। ই 'চেতনা' আৰু 'ডেকা অসম'ৰ পাতত সিঁচৰতি হৈ আছে।

অম্বিকাগিৰীৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাইছিলো; প্ৰায় ১২ বছৰ তেওঁৰ আলেখ-লেখ চালো। তেওঁক জোকাই লৈ গালি-শপনি খোৱাটো আমাৰ—বিশেষকৈ মোৰ—নিতানৈমিত্তিক স্বভাৱত পৰিণত হৈছিল। সংৰক্ষিণী ফিলছফিত মোৰ বিশ্বাস নাই; কিন্তু সেই বুলি অম্বিকাগিৰীক শ্ৰদ্ধা-ভক্তি কৰাত কাৰ্পণ্য যাতে হোৱা নহয়, সেই অৰ্থেও সততে চেষ্টান্বিত হৈছিলো। আক্ৰমণাত্মক আৰু উগ্ৰ অসমীয়াত্ববাদী লোক কিছুমান যে অসমত আছে আৰু অম্বিকাগিৰী যে সেইবোৰৰ নেতা, সেইটো দেখুৱাই সৰ্বভাৰতীয়

(১) ইংৰাজী বানানটোলৈ (Shakespeare) চাই আমাৰ বহুতে 'শেক্সপীয়েৰ' লেখে। শুদ্ধ উচ্চাৰণ হ'ল 'শেক্ছপীৰ'।

দৰবাৰত অসমীয়াৰ বাবে সন্মানজনক চৰ্ত কিছুমান আদায় কৰিব পৰা যাব বুলি ধাৰণা এটা আমি পোষণ কৰিছিলো।

কিছুমান সৰু-সুৰা ঘটনাই এই মানুহজনৰ প্ৰকৃত সত্তাৰ সন্ধান দিয়ে। যুক্তি অৱশ্যে কম, আৱেগ বেছি। তথাপি তেওঁ যে অসমীয়া জাতিটোৰ বাবে মৰিব পাৰে, প্ৰাণ ঢালি অসমীয়াক ভাল পায়, সেইটো এইবোৰ ঘটনাই সুন্দৰকৈ দেখুৱাইছে।

'গিৰি' নে 'গিৰী'?

কাগজে পত্ৰই 'অম্বিকাগিৰী' বানানটো দেখি মই সেইটো ছপাৰ ভুল বুলি ভাবিছিলো। পিছত দেখিলো, তেওঁ নিজেও ভুলকৈ (?) লেখে। (মাজে-সময়ে অজানিতভাৱেই 'গিৰি'ও লেখে)। এদিন তেওঁক সুধি পেলালো, 'গিৰি'টো তেওঁ কিয় 'গিৰী' লেখে। তেওঁ ক'লে, পৰ্বত-পাহাৰ যিটো 'গিৰি', তেওঁ সেইটো নহয়। তেওঁ হ'ল 'গিৰী', গৰাকী অৰ্থাৎ মাটিগিৰী। আগৰ কালত কামৰূপখন কোচ ৰাজ্যৰ ভিতৰত আছিল। নৰনাৰায়ণৰ মৃত্যুৰ পিছত কোচবেহাৰখন দুভাগ হ'ল। পূবৰ ভাগত ৰজা হ'ল চিলাৰায়ৰ পুতেক ৰঘুদেৱ আৰু পশ্চিমৰ ভাগত থাকিল নৰনাৰায়ণৰ পুতেক লক্ষ্মীনাৰায়ণ। কালক্ৰমত ঢাকাৰ নবাবে মুকৰম খাঁ নামে এজন সেনাপতি পঠাই কামৰূপখন দখল কৰিলে। কামৰূপত তেতিয়া নতুনকৈ মোগল প্ৰণালীত ভূমি আৰু ৰাজহ বন্দৱস্তি কৰা হ'ল। যিজন বিষয়াৰ ওপৰত এই দায়িত্ব অৰ্পণ কৰা হ'ল, তেওঁৰ নাম আছিল ছেখ ইব্ৰাহিম ক্ৰোড়ি।[২] ইব্ৰাহিমে ভাটিৰ ফালৰ পৰা কিছুমান ৰাজহ বিষয়া আনি কামৰূপৰ ঠায়ে ঠায়ে থাপিলে। ৰায়চৌধুৰীৰ উপৰি পুৰুষো এনেদৰে অসমলৈ অহা লোক। 'ৰায়চৌধৰী'টো আছিল তেওঁলোকৰ পৈতৃক বৃত্তি।

(২) আমাৰ বুৰঞ্জী পুথিবোৰত এই 'ইব্ৰাহিম'জন 'বিৰাহিম' হৈ আছে। ফাৰ্চী ভাষাত যুগুত কৰা তেওঁৰ মাটি বন্দৱস্তিৰ দলিলখন পিছত বৃটিছ চৰকাৰৰ হস্তগত হ'ল। এইখনেই আজি পৰ্যন্ত অসমৰ মাটি আৰু ৰাজহ প্ৰণালীৰ আধাৰ হৈ আছে। এই বন্দৱস্তি ১৬২১ চনৰ।

'ৰায়' হ'ল সৰু-সুৰা ৰজা আৰু 'চৌধুৰী' (চৌপাৰী) হ'ল 'চৌথ' (খাজনা) তোলা বিষয়া। এই ৰায়চৌধুৰীসকল কলিতা নহয়; তেওঁলোক কায়স্থ। সামাজিক ৰীতি-নীতিত কায়স্থ পৰম্পৰা মানি তেওঁলোক আজিকোপতি চলি আহিছে।

ঠিক পূৰা নহ'ল

ৰায়চৌধুৰীৰ লগত মোৰ জীৱনৰ প্ৰথম দেখা-সাক্ষাতটো পাহৰিব নোৱাৰো। যোৰপুখুৰীৰ কিছু দক্ষিণলৈ চাৰিআলিটোৰ চুকটোতে তেওঁৰ প্ৰেছটো আছিল। সেইটোৱেই অৰুণা প্ৰেছ আৰু তাৰ পৰাই তেওঁৰ সম্পাদনাত সাপ্তাহিক 'ডেকা অসম'খন ওলায়। মই গৈছিলো, মিটিং এখনলৈ তেওঁক মাতিবলৈ। দেখিলো, সৰু কাঠৰ ফ্ৰেমৰ আৰামী চকী এখন আছে। মানুহজন কোনোমতেহে তাত বহিব পাৰে। চকীত লগাই থোৱা চট কাপোৰখনত ৰলিৰ ডাঠ চামনি। ওচৰতে টী-পয় এখন আছে। সেইখন হ'ল তেওঁৰ গোল টেবিল। তাতে কাচৰ থাল এখনত দোৱাত এটা আৰু জোঙা নিব লগোৱা হেণ্ডল (কলম) দুটা আছে। তেওঁ আৰামী চকীখনত বহি সেই টেবিলখন কাষলৈ টানি আনি তাতে লেখা কামটো সমাধা কৰে। মানুহ-দুনুহ আহিলে বহিবলৈ দিবলৈ এখনো চকী বা ভুল নাই। কম্পজিটৰ বহা ভুলকেইখনমান কেছৰ কাষে কাষে আছে। তেওঁ কোনোবা কম্পজিটৰক নিজৰ ভুলখন আগবঢ়াই দিবলৈ ক'বও পাৰে; কিন্তু সেই ভুলবোৰ সাধাৰণতে ওখ হোৱা বাবে কোনো আলহী তাত বহিব নোখোজে।

'ডেকা অসম'খন সৰ্বসাধাৰণে ভবা বিধৰ সাপ্তাহিক বাতৰি কাকত নহয়। ইয়াত সম্পাদকীয় প্ৰবন্ধ এটাহে থাকে। সেইটোৱেই ইমূৰৰ পৰা সিমূৰলৈ গোটেই কাগজখন জুৰি লয়। তাতে ঠায়ে ঠায়ে ছাব-হেডিং একোটা দিয়া হয়। ৰায়চৌধুৰীয়ে প্ৰেছতে বহি সম্পাদকীয়টো লেখে। এখিলা এখিলাকৈ পাত কম্পজিটৰক দি থাকে। কাচিৎহে খালি ঠাই পূৰণ কৰিবলৈ দুই-এটা বা-বাতৰি দিয়ে। যদি কম্পজিটৰে আহি কয়, 'ঠিক্ পূৰা নহ'ল', তেন্তে তেওঁ নিজে ষ্টিক্ লৈ কেছৰ কাষত বহি বাকীখিনি যোৰা লগাই দিয়ে। আগত কপি নাই; মনলৈ যি আহে, তাকে কম্পজ কৰি পেলায়।

অম্বিকাগিৰীৰ সম্পাদকীয় হ'ল একপ্ৰকাৰ এটা বক্তৃতা। চোলাৰ জেপত থকা টুকুৰা কাগজ দুই-এখনত কিবা কথা টুকি থোৱা পালে কেতিয়াবা ব্যৱহাৰ কৰে। নহ'লে নাই, এনেয়ে লেখি যায়। ই যেন থিয়েটাৰ কৰোতে কোনোবা অভিনেতাৰ মুখত ওলোৱা স্বগত উক্তি। আন কিতাপ-কাগজো তেওঁৰ টেবিলত একো নেদেখিলো। 'আনন্দবাজাৰ পত্ৰিকা'খন অৱশ্যে মাটিত পৰি থকা দেখিলো ; কিন্তু সেইখন তেনেই আওপুৰণি যেন লাগিল।

তেওঁৰ প্ৰেছলৈ পিছে-পৰেও মই কেইবাৰমান গৈছিলো। একো পৰিবৰ্তন নেদেখিলো। বৰঞ্চ প্ৰেছৰ অৱস্থা আগতকৈ বেয়া হোৱা যেনহে ধাৰণা হ'ল। কম্পজিটৰ কমি গ'ল। চকীদাৰ-চাপৰাছি, কেৰাণী-মহৰী তেওঁৰ নায়েই ; আগৰে পৰাই নাছিল। এঠা লগোৱা, লেবেল মৰা, এড্ৰেছ লেখা সকলো কাম তেওঁ নিজেই কৰে। দূৰলৈ যাব লগা কাগজকেইখন মোনা এটাত ভৰাই তেওঁ নিজেই নি ডাকঘৰত দি আহেগৈ।

শ্লাই ফক্সামি কিহৰ ?

গুৱাহাটীত যোৰপুখুৰীৰ পাৰত সেই কালত এজন অসাধাৰণ প্ৰতিভাশালী লোক আছিল। তেওঁ হ'ল লক্ষ্মীনাথ দাস। তেওঁ আছিল নীৰৱ। সৰৱ হোৱা হ'লে তেওঁক কিজানি অসমৰ বহুতো মানুহে জানিলেহেঁতেন। অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনত তেওঁ বিজ্ঞান শাখাৰ সভাপতি নিৰ্বাচিত হৈছিল। সেয়ে তেওঁৰ সৰ্বোচ্চ ৰাজহুৱা স্বীকৃতি।

দাস আছিল বিজ্ঞানী। পদাৰ্থ বিজ্ঞানত এম.এছ.চি. পাছ কৰি উঠি তেওঁ কেইদিনমান কটন কলেজত চাকৰি কৰে। স্বাধীনচিতীয়া হোৱা বাবে চৰকাৰী চাকৰিত তেওঁৰ মন নবহিল। মিউনিচিপেলিটীৰ পানীকলৰ চুপাৰিণ-টেণ্টডেণ্ট হ'ল। সেই চাকৰিতে জীৱনৰ বেছি ভাগ সময় কটাই শেষত অৱসৰ ল'লে। তেওঁৰ উদ্ভাৱনী শক্তি আছিল অতুলনীয়। প্ৰযুক্তি বিদ্যাত তেওঁৰ সমকক্ষ লোক অসমীয়াৰ মাজত বৰ কমেই ওলাইছে। তেওঁ নিজ হাতে ষ্টীম ব'ট (ভাপ নাও) এখন তৈয়াৰ কৰি দীঘলীপুখুৰীত ইমূৰৰ পৰা সিমূৰলৈকে চলাই দেখুৱাইছিল। নিজৰ সাধাৰণ হাৰকিউলিছ বাইচাইকেলখনতে কেতিয়াবা মটৰ একোটা লগাই পেড্‌ল মাৰিব নলগা কৰি লয়। আকৌ

আমনি লাগিলে মটৰটো খুলি থয়। ৰেডিঅ' যেতিয়া নতুন বস্তু, তেতিয়া গুৱাহাটীত ৰেডিঅ' লোৱা তেওঁ প্ৰথম অসমীয়া। তেওঁৰ ঘৰ ৰেডিঅ' শুনা মানুহেৰে লোকাৰণ্য হৈ পৰে। তেওঁ স্নো, পাউদাৰ, পমেড আৰু তেল তৈয়াৰ কৰা ৰাসায়নিক প্ৰতিষ্ঠান এটাও খুলিছিল। এই উদ্যোগত তেওঁৰ ঘাই সহযোগী আছিল পি. চি. বি. (পূৰ্ণচন্দ্ৰ ভড়ালী)। ব্যৱসায়িক ভিত্তিত এই উদ্যোগ অৱশ্যে সফল নহ'ল।

এইখিনি গুণেই যথেষ্ট : কিন্তু দাস খুড়াৰ গুণৰ সিমানতে অন্ত পৰা নাই। ভাষা-সাহিত্যত তেওঁৰ যিটো দখল আছিল, সেইটো দেখি আমি ভবধ মানিছিলো। সেই কালত অসমীয়াত কিবা কথা লেখা বৰ সহজ নাছিল। মানুহে কথাবোৰ ইংৰাজী গতত ভুকিয়াই লয় আৰু তাৰ পৰা অসমীয়ালৈ অনুবাদ কৰে। ফলত অসমীয়া ঠাচটোৰ বদলি ইংৰাজী ঠাচটো আমাৰ ভাষাত সোমাই পৰিল। 'যে' শব্দটোৰ বহুল প্ৰয়োগ ইয়াৰ আটাইতকৈ ভাল দৃষ্টান্ত। "তেওঁ ক'লে যে তেওঁ আহিব নোৱাৰে" এইটো অসমীয়া গত নহয়, ইংৰাজী গত। "তেওঁ আহিব নোৱাৰো বুলি ক'লে" এই বুলি ক'লেহে শুদ্ধ অসমীয়া হ'ব : কিন্তু বহুল প্ৰয়োগৰ ফলত ইংৰাজী গতটোৱেই অসমীয়া হৈ পৰিল।

আমি লেখা অসমীয়াত দাস খুড়াই অপাৰ খুত উলিয়ায়। বাক্যবোৰ পোনাই দি কেনেকৈ লেখা হ'লে শুদ্ধ অসমীয়া হ'লহেঁতেন, সেইটো বুজাই দিয়ে। আমাৰ জবাব সদায় একেটা ; ইংৰাজীৰ 'স্পিৰিট'টো ৰাখিবৰ বাবে তেনেকৈ লেখিলো। এইটো উত্তৰে তেওঁক সন্তুষ্ট কৰিব নোৱাৰে। তেওঁৰ বক্তব্য হ'ল, ইংৰাজী 'স্পিৰিট'টো অসমীয়াত কিয় লাগে ? অসমীয়াত অসমীয়াৰ 'স্পিৰিট'টোহে লাগে।

এবাৰ দাস খুড়াই ৰসিকতা কৰি ক'লে, "হেঁৰা। তোমালোকেহে উপযুক্ত শব্দ বিচাৰি হাবাথুৰি খাই ফুৰা। আমাৰ অম্বিকাগিৰীলৈ চোৱা। শব্দ নাই কি হ'ল ? তেও বৈ থাকিবনে ? শব্দ বনাই লৈ গ'ল। এয়া চোৱা ; তেওঁ হেডিং দিছে 'শ্ৰাই ফক্সামি কিহৰ ?' 'ডেকা অসম'খনত চকু ফুৰাই দেখিলো, বেছ চকুত লগা হৰফত ৰায়চৌধুৰীৰ শিৰোনামা 'শ্ৰাই ফক্সামি কিহৰ ?' কবিতাকি আছে।

বঙাল-বিদ্বেষী নহয়

অম্বিকাগিৰীক এদিন সুধিছিলো, তেওঁ ইমান বঙাল–বিদ্বেষী কিয় হ'ল। তেওঁ টপৰাই উত্তৰ দিলে, 'মই অলপো বঙাল-বিদ্বেষী নহয়। মই বঙাল-বিদ্বেষী বুলি কলিকতীয়া কাগজবোৰে অপপ্ৰচাৰ কৰিছে আৰু তহঁতে তাকে সঁচা বুলি ধৰি লৈছ। মোৰ কথা তেনেই চাধা-চিধা, অলপো তেৰা–বেঁকা নাই। প্ৰতিটো জাতিকে থাকিবলৈ এখন ঘৰ লাগে। বঙালীসকল বংগদেশত থাকক। সেইখন তেওঁলোকৰ ঘৰ। অসমখন আমাৰ ঘৰ। আমি ইয়াত থাকিম। যদি কিবা কাম–কাজত বা বেহা-বেপাৰত লাগি বঙালী মানুহ অসমলৈ আহিছে, তেন্তে তেওঁলোক হ'ল আলহী। আলহী আকৌ গৃহস্থ হ'ব কেনেকৈ? চাহাববোৰ ইয়াত কেনেকৈ আছে? সিহঁতে মাটি–বাৰী দখল কৰি নিগাজীকৈ ইয়াত বসতি কৰিবলৈ লোৱা নাই। কাম শেষ হ'লে গুচি যাব। বঙালীসকলেও সেইটোকে কৰক। অগত্যা তেওঁলোক যদি ইয়াত থাকিবই খোজে, তেন্তে 'ছেকেণ্ড গ্ৰেড চিটিজেন' হৈ থাকক। বংগদেশত তেওঁলোকে যিবোৰ 'ৰাইট্‌ছ' পাইছে বা ভোগ কৰিছে, সেইবোৰ অসমত নাপায়। কথা ইমানেই। ইয়াৰ কোনো হেৰ–ফেৰ হ'ব নোৱাৰে।"

এই প্ৰসংগতে ৰায়চৌধুৰীয়ে তেওঁৰ জীৱনৰ বৰ ডাঙৰ ঘটনা এটাৰ বৰ্ণনা দিলে। অবিকল তেওঁৰ ভাষাটো মোৰ সিমান মনত নাই; কিন্তু ঘটনাটো হ'ল এই ঃ

বঙাল-বিদ্বেষী হোৱাটো দূৰৰ কথা, তেওঁ স্বদেশ প্ৰেমৰ মন্ত্ৰেৰে প্ৰথম আপ্লুত হৈছিল বঙালী গুৰুসকলৰ কৃপাত। তেওঁ বাংলা ভাষা ভালকৈ জানে, সলসলীয়াকৈ ক'ব পাৰে; কিন্তু 'অন্ প্ৰিন্সিপল' নকয়। তেওঁ নিজৰ ভাষাটোক বাংলাতকৈ বেছি পুৰণি আৰু ওখ থাপৰ বুলি ভাবে। অসমৰ ভৌগোলিক সীমাৰ ভিতৰত তেওঁ অসমীয়া ক'বই। ঢাকালৈ গ'লে বেলেগ কথা।[৩] তেতিয়া হয়তো বাংলা ক'ব।

(৩) ৰায়চৌধুৰীয়ে 'ঢাকা'ৰ নামহে লৈছিল, 'কলিকতা'ৰ নহয়। পিছত জানিব পাৰিলোঁ। তেওঁ ডেকা কালত ঢাকালৈ কেবাবাৰো গৈছিল। ১৯০৫ চনৰ পৰা ১৯১১ চনলৈকে ঢাকা আছিল অসমৰ ৰাজধানী।

এই বঙালী গুৰুসকলকনো তেওঁ ক'ত কেনেকৈ পালে, সুধিছিলো। তেওঁ ক'লে, ১৯০৫ চনত লৰ্ড কাৰ্জনে বংগদেশখন খণ্ডিত কৰি "পূব বংগ আৰু অসম" নাম দি ঢাকাত ৰাজধানী পাতি নতুন প্ৰদেশ এখন গঠন কৰিলে। বংগভংগ নিৰসন কৰাৰ উদ্দেশ্যে স্বদেশী আন্দোলনৰ সূত্ৰপাত হয়। তেওঁৰ তেতিয়া বয়স ১৯ কি ২০ বছৰ। তেওঁ স্বদেশী আন্দোলনৰ প্ৰতি আকৃষ্ট হ'ল আৰু বাৰীন ঘোষক ৰাজনৈতিক গুৰু হিচাপে বৰিলে।[৪] তেওঁ সন্ত্ৰাসৰ পন্থা ল'লে আৰু 'অনুশীলন সমিতি' বোলা সন্ত্ৰাসবাদী অনুষ্ঠানটোৰ সক্ৰিয় সদস্য হৈ পৰিল। এয়ে তেওঁৰ প্ৰথম ৰাজনৈতিক দীক্ষা।

পূব বংগ আৰু অসমৰ লেফ্‌টেনাণ্ট গৱৰ্ণৰ ছাৰ বেম্প্‌ফিল্ড ফুলাৰ আছিল স্বদেশী আন্দোলনৰ ঘোৰ শত্ৰু।[৫] এই আন্দোলন মষিমূৰ কৰিবলৈ গৈ তেওঁ হিন্দুসকলৰ ওপৰত নিৰ্বিচাৰে অত্যাচাৰ চলাইছিল। বাৰীন ঘোষে ফুলাৰৰ প্ৰাণ নাশ কৰিবলৈ স্থিৰ কৰিলে। ফুলাৰ শ্বিলঙলৈ ৰাওনা হওঁতে জোৰাবাটৰ পৰা তিনি মাইলমান দক্ষিণে তেওঁক খটম কৰাৰ দিহা কৰা হ'ল। এই কাম-টোৰ দায়িত্ব দিয়া হ'ল অম্বিকাগিৰীক। বোমা-বাৰুদ যি লাগে, সকলো যোগোৱা হ'ল। অম্বিকাগিৰীৰ সহযোগী হ'ল সুৰেন্দ্ৰ দাসগুপ্ত নামে আন এজন সন্ত্ৰাসবাদী। থিয় পাহাৰৰ বুকুত শিল কাটি ঘাঁহ-বনেৰে ঢাকি বোমা এটা ৰখা হ'ল। দীঘল ৰচি এডালেৰে বোমাটো সংযুক্ত কৰা হ'ল। ৰায়চৌধুৰীয়ে পাহাৰৰ সিটো ফালে থাকি ৰচি ডালত ধৰিলে। দাসগুপ্তই পাহাৰৰ টিংখোপত উঠি পেট পেলাই গছৰ ডালকেইটামান ভাঙি তাৰ আঁৰ লৈ কনভয় অহালৈ বাট চাই থাকিল। যথাসময়ত কনভয় আহিল। দাসগুপ্তই

---

(৪) বাৰীন্দ্ৰকুমাৰ ঘোষ (১৮৮০-১৯৫৯) হ'ল অৰবিন্দ ঘোষৰ (পিছলৈ ঋষি অৰবিন্দ) জ্যেষ্ঠ ভ্ৰাতা। ঘোষ ভ্ৰাতৃদ্বয় আছিল স্বদেশী আন্দোলনৰ হোতা। বোমা-বাৰুদ তৈয়াৰ কৰি ইংৰাজসকলক নিধন কৰাত বাৰীন্দ্ৰ ঘোষ উঠি-পৰি লাগিছিল।

(৫) ছাৰ বেম্পফিল্ড ফুলাৰ (Sir Bampfylde Fuller) পূব বংগ আৰু অসমৰ প্ৰথম লেফটেনাণ্ট গৱৰ্ণৰ। কুখ্যাত বৃটিছ শাসকসকলৰ ভিতৰত তেওঁ অন্যতম। "মোৰ ঘৈণী দুজনী, এজনী মুছলমান, এজনী হিন্দু। মুছলমানজনী লাগী, হিন্দুজনী এলাগি" এই উক্তিটো তেওঁৰেই। তেওঁৰ কুশাসন অসহনীয় হৈ উঠাত ভাইচৰয় লৰ্ড মিণ্টোৱে ১৯০৬ চনত তেওঁক কামৰ পৰা অব্যাহতি দিয়ে।

ইংগিত দিলে; ৰায়চৌধুৰীয়ে ৰচিত টান মাৰিলে। বোমা ফুটিল: কিন্তু খেন গণ্টি কৰোতে কিবা গলদ হৈ গ'ল। ফুলাৰ চাহাবৰ গাড়ী পাৰ হৈ গ'ল। তাৰ ঠিক পাছত যোৱাখন গাড়ীৰ সামান্য ক্ষতি হ'ল মাথোন। কোনো নমৰিল।

পুলিচ-মিলিটেৰীয়ে পাহাৰটো চলাথ কৰিলে। দাসগুপ্ত ধৰা পৰিল। অম্বিকাগিৰী পলাল। তিনি দিন পাহাৰ বগাই অনাই-বনাই ফুৰি অৱশেষত তেওঁ সমতল পালেগৈ। গাঁৱৰ মানুহে তেওঁক খাব-ব'বলৈ দিলে। তিনি দিনৰ মূৰত ভোজন; পৰম তৃপ্তিৰে খালে। মানুহৰ আগত তেওঁ পৰিচয় দিলে; বন-বাৰি কৰি খোৱা মানুহ, নাম দীঘাই কলিতা।

ইফালে দাসগুপ্তই পুলিচৰ আগত সৈ কাঢ়িলে। অধিক কি, তেওঁ ৰাজসাক্ষীয়েই হৈ পৰিল। অম্বিকাগিৰী আৰু তেওঁৰ সহযোগীকেইজনৰ বিৰুদ্ধে গোচৰ তৰা হ'ল। দাসগুপ্তই পুলিচক অম্বিকাগিৰী, বাৰীন ঘোষ আৰু অনুশীলন সমিতিৰ অন্যান্য তিনিজন কৰ্মীৰ নাম দিছিল। অৱশ্যে তেতিয়া আৰু অম্বিকাগিৰী নাই। তেওঁৰ ঠাইত আছে দীঘাই কলিতা। সি যি কি নহওক, বংগদেশৰ সন্ত্ৰাসবাদীসকলৰ সৈতে তেওঁৰ সংযোগৰ সিমানতে আধ্যা পৰিল। দাসগুপ্তৰ কথা-কাণ্ডই তেওঁক ইমান তিতা-কেঁহা লগালে যে তেওঁ বঙালীসকলক সৰল চিত্তেৰে গ্ৰহণ কৰিব নোৱাৰা হ'ল।

১৯২০-২১ চনত অম্বিকাগিৰী খিলাফৎ আৰু অসহযোগ আন্দোলনত লিপ্ত হ'ল। এইবাৰ তেওঁ হ'ল মহাত্মা গান্ধীৰ ভক্ত, অহিংসাত বিশ্বাসী। বৃটিছ চৰকাৰে তেওঁক কিন্তু পাহৰিব পৰা নাছিল। তেওঁক ধৰি নিৰ্জন কাৰাবাস দিয়া হ'ল। বন্ধ কোঠা এটাত তেওঁক ৰখা হ'ল। তাত খিৰিকি নাই; বতাহ সোমাবৰ বাবে ওপৰত সৰু জাল্না এখন দিয়া আছে। সেই কোঠাটোৰ পৰা উলিয়াই নি তেওঁক পাথৰ ভাঙিবলৈ দিয়া হয়। তাৰ পিছত মামৰে ধৰা লোহাৰ বাটিত কিবা অলপ খাবলৈ দি অন্ধকূপত আকৌ সুমাই থোৱা হয়। বেছি দিন নিৰ্জন কাৰাবাসত থাকিলে মানুহ হেনো পাগল হয়। বৃটিছ চৰকাৰৰো বোধহয় বাঞ্ছা আছিল, অম্বিকাগিৰীৰো তেনে দশাই হওক। তেওঁ নাম-গুণ গাই স্বগতঃ গীত একোটা মনেৰে ভাবি তাকে আওৰাই এই কাৰাবাসৰ ত্ৰিশ মাহ পাৰ কৰি দিলে।

জেলখানাই তেওঁক স্বভাৱ-কবিত পৰিণত কৰিলে। জীৱনৰ আগৰচোৱাত তেওঁৰ বোলে কবিতাৰ প্ৰতি বিশেষ ধাউতি নাছিল।[৬]

অসমীয়া জাতিটো গেল

গুৱাহাটীৰ ৰাজহুৱা জীৱনত সেই কালৰ এজন সৰ্বজন পৰিচিত ব্যক্তি আছিল নুৰুল হক। তেওঁ মুখফুটা উকিল। ছাত্ৰসকলৰ সভা-সমিতিবোৰলৈ তেওঁক প্ৰায়েই মতা হয়। ইংৰাজীত বক্তৃতা দিয়াটো তেওঁৰ বৰ ডাঙৰ চখ। বিচিত্ৰ অংগি-ভংগিত একপ্ৰকাৰ নাটকীয়ভাৱে তেওঁ ভাষণ দিয়ে। ভাষণত অৱশ্যে দৰকাৰী কথা বিশেষ নাথাকে। ঠিক যেন সত্যনাথ বৰাৰ 'সাৰথি'ৰ কোনো এটা পাঠৰ ইংৰাজী ভাঙনি। 'কামত আভুৱা ভাবি বহি থাকিব নালাগে। যেতিয়াই যিটো কাম আগত আহি পৰে, সেইটো ততালিকে কৰি পেলাব লাগে। বহুতে কামটো কালিলৈ কৰিম বুলি পেলাই থয়। প্ৰতিটো আজিৰে কালি এটা আছে। তোমালোকে যদি আজিৰ কামটো কালিলৈ কৰিম বুলি থৈ দিয়া, তেন্তে অহা কালিটো যেতিয়া আহিব, তেতিয়া সি আজি হৈ পৰিব আৰু সেই আজিটোৰ আকৌ এটা অহা কালি ওলাব...' ইত্যাদি।

১৯৫৮ কি '৪৫ চনত (সঠিক চনটো মনত নাই) অসমৰ কোনোবা এখন পমুৱা বসতি প্ৰধান অঞ্চলত অসম প্ৰাদেশিক মুছলিম লীগৰ মুকলি অধিবেশন বহিছিল। তাত সভাপতি আছিল নুৰুল হক। (তেওঁ ইংৰাজী গতত তেওঁৰ নামটো এ. নুৰুল. হক, আবদুল্লা নুৰুল হক বুলি লেখে।) আমি লীগৰ এই অধিবেশনৰ বিশেষ খবৰ ৰখা নাছিলো। লীগেনো কি কৰিব? পাকিস্তান বিচাৰিব। বচ্, চফা। ইয়াতকৈ বেছি জনাৰ আমাৰ একো আৱশ্যক হোৱা নাছিল। অম্বিকাগিৰীয়ে হ'লে এই সম্মিলনৰ ওপৰত শ্যেন দৃষ্টি ৰাখিছিল।

(৬) অম্বিকাগিৰীয়ে জেলত কি শাস্তি ভোগ কৰিছিল। তাৰ বৰ্ণনা তেওঁৰ সৈতে একে কাৰাগাৰতে থকা আ. বেৰাজনা মুক্তি সংগ্ৰামৰ প্ৰবীন নেতাৰ মুখত শুনিবলৈ পাইছিলো। তেনে শাস্তি আন ৰাজনৈতিক কয়দীয়ে যে পোৱা নাছিল, সেই বিষয়ত তেওঁলোক একমত।

সম্মিলন হৈ গ'ল। তাৰ কেইদিনমান পিছত এদিন কাছাৰীৰ মুখেদি অহা ৰাস্তাটোৰে আহি জজ ক'ৰ্টৰ পিনে ঘূৰি গুৱাহাটী ক্লাবৰ (বৰ্তমান হাই ক'ৰ্ট) ফালে পাকটো দিছো মাত্ৰ; তেনেতে দেখিলো, হাতত বেতডাল লৈ বৰ কোবাকুবিকৈ অম্বিকাগিৰী চকুৰ আগতে 'ধাইলা মহাবলবন্ত' হৈ ওলাই পৰিল। তেওঁৰ মূৰ্তি দেখি মোৰ চূৰ্তি হেৰাল। অজামিলে দেখা যমদূতটোলৈ মনত পৰিল। হাতে পাশ জৰি, চকু টেৰ কৰি, স্থূলতৰ তাৰ অঙ্গ, কৃষ্ণ বৰ্ণকায়, দেখি ধাতু যায়, হাতত লোহাৰ ডাঙ্গ॥

মই মাত লগাবলৈ নোপাওঁতেই অম্বিকাগিৰীয়ে বৰ কৰ্কশ মাত এটা উলিয়াই ক'লে, 'অ'ই। মই অসমীয়া জাতিটো গেল বুলি ক'লে তইঁতে পেংলাই কৰ নহয়! এতিয়া চা, গেল নে নেগেল।' এই বুলি সোঁহাতৰ জেপৰ পৰা সৰু পুস্তিকা এখন উলিয়াই তাৰ ভাঁজটো মোকলাই একেবাৰে শেষৰ পেৰাটো মোৰ চকুৰ আগত ধৰিলে। এইটো অংশ আগে-গুৰিয়ে তেওঁ 'আণ্ডাৰলাইন' কৰি থৈছেই। দেখিলো, পুস্তিকাখন বাংলাত লেখা। আণ্ডাৰলাইন কৰি থোৱা পেৰাটোহে পঢ়িব লাগে; পঢ়িলো। হুবহু মনত নাই; কিন্তু ভাষান্তৰ কৰিলে অসমীয়াত মোটামুটিভাৱে এনে ধৰণৰ হ'ব:

"সজ্জনসকল। আপোনালোকে বোধহয় জানে যে বাংলা মোৰ মাতৃভাষা নহয়। এই ভাষাটো শিকাৰ বা কোৱাৰ সৌভাগ্য মোৰ নহ'ল। তথাপি এইটো ভাষাতে মনৰ ভাব ব্যক্ত কৰাৰ ধৃষ্টতা দেখুৱাই মই অজানিতভাৱে হ'লেও নিশ্চয় অপাৰ ভুল-ভ্ৰান্তি কৰিছো। সেইবোৰ আপোনালোকে যেন নিজ গুণে মৰ্ষণ কৰে।"

মোৰ পঢ়া হোৱাৰ লগে লগে ৰায়চৌধুৰীয়ে মাত লগালে, "এতিয়া দেখিলি মুকল হকৰ কাণ্ড। বাংলা তেওঁৰ মাতৃভাষা নহয়। সেইটো ভাষা তেওঁ নক'লেও, নিশিকিলেও। এতিয়া সেইটো ভাষাত নক'লে তেওঁৰ মুখৰ থকুৰতি নমৰে। মই এই কাছাৰীলৈ ওলাইছো। ইয়াৰ জবাব দিহি কৰিবই লাগিব।"

সেই লেখাখিনি যে মুকল হকৰ, সেইটো তেতিয়ালৈকে মোৰ মগজত খেলোৱা নাছিল। যেই খেলালে, সেই দেখিলো, অম্বিকাগিৰীক যি কোনো উপায়েৰে ভেটা দিবই লাগিব। নহ'লে প্ৰথমে তৰ্কাতৰ্কি, তাৰ পিছত

হুতাহুতি আৰু তাৰ পৰা গৈ সাম্প্ৰদায়িক দাংগা। মই অবুজ বালকৰ ভাও ধৰি সুধিলো, “আতা। এই লিফ্‌লেটখন মুকল হকৰ লেখানেকি? চাওঁচোন বাৰু! তেওঁ নিজে লেখা নহ'বও পাৰে। আন কোনোবাই কিজানি লিখি দিলে।” পুস্তিকাখন তেওঁ মোৰ হাতত দিলে। ওপৰে ওপৰে লুটিয়াই-বগৰাই চালো। ওপৰত উদ্‌ধৃত কৰা পেৰাটোৰ বাহিৰে তেওঁ ক'তো কোনোটো বাক্য 'আণ্ডাৰলাইন' কৰা নাই; ক'তো সামান্য দাগ এটাও দিয়া নাই। মই ক'লো, “তেওঁ কোনটো ভাষাত অভিভাষণ পাঠ কৰিলে, সেইটো বৰ দৰকাৰী কথা নহয়। আচল প্ৰশ্ন হ'ল, তেওঁলোকক পাকিস্তান কিয় লাগে আৰু অসম, পাকিস্তানত কিয় সোমাব লাগে। আপুনি সেইটোহে চাব লাগিছিল। অথচ আপুনি চাইছে ভাষাটোহে। তেওঁ 'স্পীচ'টো ইংৰাজীত দিয়া হ'লে আপুনি কি কৰিলেহেঁতেন?”

“এৰা। তইতৰ মুখত সদায় একেবোৰ কথা। মই কৈছো নহয়, অসমীয়া জাতিটো গেল, গোল্লাই গেল। হেৰ; অসমীয়া-বঙালীৰ পাৰ্থক্যটো আছে ক'ত? ভাষাটোতহে আছে। এতিয়া মই যদি ভাষাটো চাবই ন'লাগে, তেন্তে কি চাম?” এই বুলি পুস্তিকাখন থাপ মাৰি মোৰ হাতৰ পৰা লৈ কোবাকুবিকৈ প্ৰস্থান কৰিলে।

ঘটনা অৱশ্যে বে-গতিক নহ'লগৈ। উকিলৰ বুদ্ধিৰ তলা-নলা অম্বিকাগিৰীয়ে পাব ক'ত? উকিলখানাত মুকল হক অদৃশ্য হ'ল। জুনিয়ৰ উকিল কেইজনমানে অম্বিকাগিৰীক ক'লে, “হক চাহেব যোৰহাটলৈ গ'ল। তাৰ ছেহ্‌ন্স ক'টত তেওঁৰ 'বেছ' এটা আছে। কেতিয়া আহে, ঠিক নাই।”

অসমীয়াৰ বাবে 'ছিট' নাই

মুছলিম লীগে অম্বিকাগিৰীক বাৰকৈয়ে মনস্তাপ দিলে। এই প্ৰসংগত আন এটা ঘটনালৈ মনত পৰিছে। ১৯৪৬ চনত সাধাৰণ নিৰ্বাচন হ'ল। মুছলিম লীগে দৰং মুহম্মদান সমষ্টিটোত প্ৰাৰ্থী মনোনীত কৰিলে আবদুল মতিন চৌধুৰীক। তেওঁ ছিলেটৰ মানুহ। আগেয়ে সেই সমষ্টিটোত এম.এল.এ. আছিল এজন অসমীয়া, বদৰুদ্দিন আহমদ। অম্বিকাগিৰীয়ে খবৰটো পাই

পোনেই জিন্নালৈ টেলিগ্ৰাম এখন কৰিলে, মতিন চৌধুৰীৰ মনোনয়ন বাতিল কৰি তেওঁৰ ঠাইত এজন অসমীয়াক দিব লাগে বুলি। টেলিগ্ৰামৰ কপি এটা তেওঁ জেপত ভৰাই লৈ ফুৰিছিল। সেইটোকে ইজন সিজনক দেখুৱাই তৃপ্তি লাভ কৰে। এদিন মোকো দেখুৱালে। মোৰ বৰ খং উঠিল। মই আৰু নিজকে চম্ভালিব নোৱাৰিলো। পোনেই গেঙেৰি দি ধৰিলো, "আতা। আপুনি এই নকৰিব লগা কামবোৰ কিয় কৰি ফুৰে? এফালে আপুনি পাকিস্তানলৈ নাযাওঁ, পাকিস্তান নালাগে" বুলি নেহৰু-পটেললৈ খনে খনে টেলিগ্ৰাম কৰিছে আৰু আনফালে আপুনি জিন্নাৰ ওচৰত অসমীয়াৰ বাবে ছিট এটা ভিক্ষা কৰিছে।[৭] জিন্নাক যদি অসমীয়াৰ ভাগ্যনিয়ন্তা বুলি আপুনি মানি লয়, তেন্তে পাকিস্তানো মানি ল'ব লাগিব। তেজপুৰ-মঙলদৈত অসমীয়া মুছলমান নোহোৱা হ'লনেকি? সিহঁতে কি কৰিছে? সিহঁতে যদি মতিন চৌধুৰীক নেতা হিচাপে বৰিব পাৰে, তেন্তে আপুনি ইয়াত চট্‌ফটাই থাকিলে কি হ'ব? ধৰক, আপোনাৰ তুতি-নতিত মুগ্ধ হৈ জিন্নাই অসমীয়া মুছলমান এজনকে মনোনয়ন দিলে। তেনেহ'লেও সেইজনে জানো মতিন চৌধুৰীক নেতা হিচাপে মানি নোলোৱাকৈ থাকিব পাৰিব? আপোনাৰ যদি সাহ আছে, তেন্তে তেজপুৰলৈ গৈ জিন্নাৰ প্ৰাৰ্থীকে 'ডিফিট' দি নিজৰ জিদ ৰক্ষা কৰক। যদি নোৱাৰে, তেন্তে মনে মনে থাকক। বহুতো অনিষ্ট কৰা হৈয়ে গ'ল। আপুনিতো সেইবোৰ বোধ কৰিব নোৱাৰিলে। এতিয়া সকসুৰা কামবোৰ ধৰি টানি-আজুৰি থাকিলে কি হ'ব?"

ৰায়চৌধুৰী বেয়াকৈ জব্দ হ'ল' তেওঁৰ মাত সৰু হৈ পৰিল। সুধিলে, কি কি অনিষ্ট হৈ গ'ল। মই একপ্ৰকাৰ মুখস্থ মতাৰ দৰেই কৈ গ'লো, "যোৱা চেন্সাছত (১৯৪১ চনৰ চেন্সাছ) ভাষাৰ ভিত্তিত মানুহ ভাগ কৰি দেখুওৱা হোৱা নাই। হিন্দু কিমান, মুছলমান কিমান, সেইটো আছে; কিন্তু অসমীয়া কিমান, বঙালী কিমান, সেইটো নাই। কংগ্ৰেছী নেতাবোৰ তেতিয়া

(৭) বল্লভভাই পটেল। শিৱাজীয়ে গাঁওবুঢ়াৰ পদ এটা সৃষ্টি কৰিছিল। সেইটোক মাৰাঠী ভাষাত 'পাটিল' আৰু গুজৰাটী ভাষাত 'পেটেল' বোলা হয়। আমাৰ বহুতে ভুলক্ৰমে 'পেটেল' লেখে। 'পেটেল' নহয়, 'পটেল'হে। ইংৰাজীত বানানটো ঠিকেই আছে।

জেলত আছিল ; কিন্তু আপুনিতো বাহিৰত আছিল। আপুনিনো কি কৰিলে? এতিয়া জিন্নাই যদি কয়, আসামত অসমীয়া বুলিবৰ কোনো নাই, আছে হিন্দু আৰু মুছলমানহে, তেন্তে আপুনি কি কৰিব? মতিন চৌধুৰী হওক নহওক, অসমৰ মানুহ। ধুবুৰীৰ মুছলমান ছিট কেইটাত জিন্নাই কি কৰিলে? তেওঁ ৰংপুৰৰ পৰা তালৈ এম.এল.এ. আমদানি কৰিছে। জিয়াওছ ছামছে গোৱালপাৰাৰ ক'তো এদিনৰ বাবেও ভৰি দিয়া নাই।[৮] এতিয়া ধুবুৰীৰ এম.এল.এ. হিচাপে লীগৰ মনোনয়ন পালে তেওঁহে।"

ৰায়চৌধুৰীয়ে এই কথাবোৰ মন দি শুনিলে। তেওঁ কথাৰ একো কটা-কটি নকৰিলে। আবেগ আৰু ভাবপ্ৰৱণতাৰ কোবত যে সকলো কাম নিসিজে, তেওঁ বোধ হয় সেইটো বুজি পালে।

অসমীয়া, অসমীয়া আৰু অসমীয়া

অম্বিকাগিৰীৰ এটা অভ্যাস আছে ; খং উঠিলে হাতত লৈ ফুৰা বেত-ডালেৰে ৰাস্তাৰ ওপৰতে খট্‌খট্‌কৈ কোবাই যায়। এবাৰ দেখিলো, তেওঁ এইটো মূৰ্তি ধৰি যোৰপুখুৰীৰ মাজৰ ৰাস্তাটোৰেদি আহি আছে। গোটেই বাট অসমীয়াক উৰাই-ঘুৰাই গালি পাৰি আহিছে আৰু মাজে মাজে 'অসমীয়া জাতিটো গেল' বাক্যবাৰ শুনা গৈছে। কি হ'ল, জানিব খুজি কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ ওচৰত কেবাজনো মানুহে জুম বান্ধিলে। তাতেময়ো সোমাই পৰিলো। কি হ'ল সুধিলত তেওঁ ক'লে যে দুটা উৎপতীয়া ল'ৰাই শগুণ এটা মাৰি মোনাত ভৰাই চাইকেলেৰে আহি অৰবিন্দলাল বৰুৱাৰ পকা দেৱালৰ ভিতৰত পেলাই থৈ ঊৰ্দ্ধশ্বাসে পলাল। ৰায়চৌধুৰী উজান-বজাৰৰ হাটখোলালৈ বুলি ওলাইছিল। বৰুৱাই এই ল'ৰাকেইটাৰ গহিত

(৮) আবদুল মজিদ জিয়াওছ ছামছ। ১৯৪৬ চনৰ নিৰ্বাচনত তেওঁ মুছলিম লীগৰ টিকেটত ধুবৰী পশ্চিম মুহম্মদান সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হয়। তেওঁ ৰংপুৰৰ প্ৰখ্যাত লীগ নেতা। তেওঁৰ ভায়েক নে ভতিজাক এজনো ধুবৰীৰ আনটো মুহম্মদান সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল। দেশ বিভাজনৰ পিছত তেওঁলোক পূব পাকিস্তান বিধান সভাৰ সদস্য হ'ল।

আচৰণ সম্বন্ধে তেওঁক অৱগত কৰিলে। সেয়ে তেওঁ গোটেই অসমীয়া জাতিটোৰ ওপৰতে খং সাৰিছে।

ৰায়চৌধুৰীৰ সৈতে কোনেও তৰ্ক-বিতৰ্ক কৰিব খোজা নাছিল। মোৰ কিন্তু আগৰে পৰাই তেওঁক জোকোৱা অভ্যাস এটা আছিল। মই মাত লগালো, "আচ্ছা। সেই আপদীয়া ল'ৰাকেইটাই মৰা শগুণটো অৰবিন্দলাল বৰুৱাৰ বাৰীতহে পেলালে। আন কোনো মানুহৰ বাৰীত পেলোৱা নাই। তেওঁৰ বাৰীৰ কাষতে লক্ষী খুড়াৰ ঘৰ। তাত জানো সিহঁতে মৰা শগুণ এটা পেলালে? বৰুৱাৰ বাৰীত পেলোৱাৰ আন কিবা কাৰণো থাকিব পাৰে। তাৰ বাবে আপুনি গোটেই অসমীয়া জাতিটোক কিয় জগৰীয়া কৰিব?"

ৰায়চৌধুৰীয়ে বেতডাল দাঙি মোৰ ফালে চোঁচা লৈছিলেই। তেনেতে দেখিলো, আমাৰ বিহগী কৱি ৰঘুনাথ চৌধাৰী লাখুটিডালত ভেজা দি এখোজ দুখোজকৈ পাছফালৰ পৰা আহি সেইখিনিত হাজিৰ।[১] তেওঁ অম্বিকগিৰীক কি হ'ল সুধিলে। ৰায়চৌধুৰীয়ে থাওকতে ঘটনাটো বিবৰি উপসংহাৰ দিয়েই দিলে, "এই অসমীয়া জাতিটো গেল।" বিহগী কৱিয়ে একে উশাহতে কৈ পেলালে, 'গেল যদি গেল। এতিয়া আপুনি বজাৰলৈ যাওক। নহলে মাছ বিক্ৰী হৈ শেষ হ'ব।' ঘটনাটোৰ সিমানতে আধ্যা পৰিল।

ৰঘুনাথ চৌধাৰীক আমি আগবঢ়াই থৈ আহিলো। ৰায়চৌধুৰীৰ কাম-কাজ, ধৰণ-কৰণ তেওঁ ভাল নাপায়। আমাৰ বহুতে ক'ব নোৱাৰে যে কিছুমান বিষয়ত চৌধাৰীৰ ভাৱধাৰা আছিল বৰ আধুনিক, একপ্ৰকাৰ বিজ্ঞানসম্মত। তেওঁ আমাক ক'লে, "তোমালোকে ৰায়চৌধুৰীক লাই নিদিবা। শুনোতা মানুহ বহুতো ওলালে তেওঁ একোৰ চৰি যায়। এনেদৰে উত্তেজিত হৈ আটাহ পাৰি থাকিলে তেওঁৰ কেতিয়াবা বিমংগল ঘটিব। তেওঁৰ হাতত আচলতে সমস্যাৰ সমাধান একো নাই। আসামৰ য'ত যিমান চাকৰি আছে, সকলো-বোৰ অসমীয়া মানুহবোৰকে দি দিলে বেকাৰ সমস্যাৰ সমাধান হ'ব বুলি তেওঁ ক'ব পাৰিবনে? বঙালীবোৰক অসমৰ পৰা খেদি দিলে সিহঁতৰ ঠাই অসমীয়া মানুহবোৰে জানো ল'ব পাৰিব? উপেন সেনৰ বৈঠকখানালৈ যোৱাচোন।

(১) ৰঘুনাথ চৌধাৰীয়ে 'চৌধাৰী' লেখিছিল, 'চৌধুৰী' নহয়। তেওঁ লেখাটোহে শুদ্ধ। আমাৰ চৌধুৰীসকলে 'চৌধাৰী' লেখা অভ্যাস কৰিলে ভাল হয়।

দেখিবা, তেওঁৰ মক্কেল জাকেই অসমীয়া। তেওঁক যদি খেদি নি কলিকতাত থৈ আহোঁগৈ. তেন্তে এই অসমীয়া মক্কেল জাকে আকৌ বেলভাড়া দি হ'লেও তেওঁক ইয়ালৈ লৈ আহিব। অসমীয়া জাতিটো বাক গেল; বেছ, বুজিলো। বঙালী জাতিটোৰনো কি হ'ল? কলিকতাৰ চেন্ট্ৰেল এম. এল. এ. হ'ল ইস্পাহানী, যিটোৰ মাতৃভাষা উৰ্দু। সিহঁতৰ প্ৰাইম মিনিষ্টাৰ হ'ল ছুৰাবৰ্দী, যিটোৰ মাতৃভাষা হ'ল উৰ্দু। সিহঁতৰ দেশত দেখোন মুছলমানেই বেছি। চেন্ট্ৰেল এম. এল. এ. বা প্ৰাইম মিনিষ্টাৰ হ'ব পৰা বঙালী মুছলমান এটা নোলালনে? আজিকালি শিল্প–বাণিজ্য, বেহা-বেপাৰ, কল-কাৰখানা এই-বোৰেই হ'ল ঘাই শক্তি। ছুৰাবৰ্দীৰ হাতত সেইবোৰ আছে। সেইবাবে সি ৰজা। মৈমনসিং বা ঢাকাৰ মুছলমান খেতিয়কবেইটাৰ হাতত সেইবোৰ নাই। সেইবাবে সিহঁত হ'ল হালে'ৱা। আদা-কচুৰ যোগান ধৰা অসমীয়া বেপাৰী এটা তুমি পাবা। পঞ্জাৱৰ পৰা পাইকাৰী হাৰত অৰহৰ দালি আনি দিব পৰা অসমীয়া বেপাৰী এটা তুমি নোপোৱা। ৰায়চৌধুৰীৰ সেইবোৰলৈ ভ্ৰূক্ষেপ নাই। তেওঁ ভাবে, ভাষাটো ধৰি ৰাখিব পাৰিলেই সকলো হ'ব। বাগানৰ চাহাবটোৱেও বাবু-ভায়াৰ লগত অসমীয়াত কথা–বাৰ্তা পাতে। সেইবুলি চাহ বাগানখন অসমীয়াৰ হাতলৈ আহিলনেকি? ৰায়চৌধুৰীয়ে সেইবোৰ ভাবি নাচায়। তেওঁ তেনেই উন্মাদ; অসমীয়া, অসমীয়া আৰু অসমীয়া। অসমীয়াবোৰক উদ্ধাৰনো কেনেকৈ কৰিব লাগিব, সেইটো তেওঁ নিজেই ক'ব নোৱাৰে।"

কথাটো সঁচা। ৰায়চৌধুৰী উন্মাদ; অসমীয়া, অসমীয়া আৰু অসমীয়া। "মোৰ স'তে এনে এটা মহা গাঁথনিৰে গঁথা হৃদয় তোমাৰ; মোৰ অনুভূতি স'তে টিপতে জোকাৰি উঠা ব্ৰহ্মাণ্ডৰ তাঁৰ।" এই 'তোমাৰ' শব্দটোৰ ঠাইত 'অসমীয়াৰ' বুলি পঢ়িলে ৰায়চৌধুৰীৰ মধুৰ উন্মাদনা আমি উপলব্ধি কৰিব পাৰিম।

অম্বিকাগিৰী ৰায়চৌধুৰীৰ ভাষা

ডঃ উপেন্দ্ৰনাথ গোস্বামী

'উকাৰ খোজেৰে পাৰ' হোৱা, 'অসমৰ হিটলাৰ', 'খোজৰ ভৰত জুই-ফিৰিঙটি' ছিটিকি পৰা, 'কটা আঙুলিৰ তেজৰ কবিতা-দ'ল' বন্ধা, 'বন্দী-শালৰ পকী মজিয়াত বহি শিল' ভঙা, 'হাতুৰীৰ ব্ৰহ্ম কোবত স্বদেশ-প্ৰেমৰ তেজাল ছন্দ' নমাই অনা, 'শিষ্যবিহীন প্ৰফেট', 'স্বনামধন্য অম্বিকাগিৰী' ৰায়চৌধুৰী এপিনে কবি, সঙ্গীতজ্ঞ, সুৰ-শিল্পী আৰু আনপিনে সাংবাদিক, ৰাজনীতিক, চিন্তাবিদ, আন্দোলনকাৰী, আৰু প্ৰকৃত স্বদেশ প্ৰেমিক। ৰায়চৌধুৰী 'দুতৰপীয়া পুৰুষ। তেওঁ এফালে যেনে প্ৰাণ ঢালি দিয়া স্বদেশ-কৰ্মী, আনফালে তেনে অতলস্পৰ্শী আৱেগপূৰ্ণ প্ৰেমৰ কবি'। কিন্তু প্ৰধানকৈ তেওঁ এজন দেশসেৱক আৰু সেইভাৱেই তেওঁ জীৱনটো কটোৱাৰ অভিলাষ ব্যক্ত কৰিছিল: "ভিতৰত কলুষ-ক্লেদৰ নৰক ভৰাই থৈ বাহিৰখন চিক-চিকীয়া কৰি ভিলিকাই ৰখা ভণ্ডামিয়ে যেন ক্ষণেকৰ কাৰণেও মোক প্ৰতাৰণা কৰিব নোৱাৰে,—দুৰ্নীতিৰ আশ্ৰয়ত নন্দন-বদন হৈ থকাতকৈ যেন মৃত্যুই মোৰ পৰম শ্ৰেয় হৈ উঠে;—দেশ-সেৱা, জাতি সেৱা, আৰু মানৱ-সেৱাৰ ক্ষেত্ৰত যেন কোনো প্ৰকাৰৰ ব্যৱসায়ী বুদ্ধিয়ে মোৰ অন্তৰত পৈশাচিক প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে,—হে সৰ্বশক্তিমান ভগৱান! এই মহাশীৰ্বাদৰ কণিকা লৈ তুমি মোৰ অন্তৰত থিতি হোৱা হে প্ৰভু! এয়ে তোমাৰ ওচৰত মোৰ কাতৰ প্ৰাৰ্থনা।"

ৰায়চৌধুৰীৰ 'দুতৰপীয়া' ব্যক্তিত্ব তেওঁৰ ৰচনাৰাজিৰ মাজতো ভিলিকি উঠিছে। জীৱনৰ আগ-ভোখৰত ৰচনা কৰা 'তুমি' কাব্যৰ জৰিয়তে ৰায়চৌধুৰীয়ে ৰহস্যবাদী কবি হিচাপে এখন উচ্চ স্থান অধিকাৰ কৰি আছে। এই কাব্যত নিৰৱচ্ছিন্নভাৱে ভাবৰ বিকাশ ঘটি পৰমজনক বিশ্ব-ব্ৰহ্মাণ্ডৰ অণু-পৰমাণুত বিচাৰি পাই তেওঁক ব্যক্তিৰূপে কল্পনা কৰি তেওঁৰে সৈতে বিৰহ-বেদনাত

আকুল হৈ উঠাৰ পাছত বিচ্ছেদৰ কাৰণ উদ্‌ঘাটন কৰা হৈছে আৰু কামনা-পূৰ্ণ অন্তৰ নিকা কৰা অৱস্থাত তেওঁক পোৱাৰ অসীম আনন্দ লাভ কৰি কবি পৰম আনন্দত নিমগ্ন হৈছে। 'তুমি' কাব্যৰ বৰ্ণনা অনুযায়ী ৰায়চৌধুৰীৰ মন প্ৰথম অৱস্থাত কোনো এক বিশিষ্ট নাৰীৰ সৌন্দৰ্যত আবদ্ধ আছিল। লাহে লাহে এগৰাকীৰ পৰা সমস্ত নাৰী-সমাজত কবি-মনে সৌন্দৰ্য বিচাৰি পালে আৰু আৰু সৌন্দৰ্য হ'ল ইন্দ্ৰিয়-অগ্ৰাহ্য সৌন্দৰ্য। নাৰীৰ লগত পুৰুষো জড়িত। সেইবাবে পুৰুষৰো আন্তৰিক সৌন্দৰ্যৰ বৰ্ণনা তেওঁ দিছে। এইদৰে মানৱ-সমাজত সৌন্দৰ্য বিচাৰি পোৱাৰ পিছত প্ৰকৃতি-জগতৰ বিবিধ বস্তু আৰু দৃশ্যৰ মাজেদি পৰমজনৰ সৌন্দৰ্য কবিৰ সমুখত পৰিস্ফুট হৈছে। কবি-মনৰ এই বিভিন্ন স্তৰৰ বৰ্ণনা দিওঁতে ৰায়চৌধুৰী উপযুক্ত স্থানত তাক উপযুক্ত ভাষাৰে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে :

(ক) "তুমি দাপোণ আগত লই, চাই চাই আপোন মাধুৰী ;
মিচিকি মিচিকি হাঁহি মুগ্ধ হোৱা ৰূপহী লাহৰী।"

(খ) "অন্তৰ-ফুলনি তযু নানা পুণ্য গোন্ধেৰে ভৰাই, তুমি ঘৰৰ
সকলোটিকে চাই লোৱা প্ৰেমেৰে পুৰাই।"

(গ) "তুমি ধীৰ স্থিৰ মহাজন, খাটি খাটি গোটেই জীৱন ;
সমাজক উজলোৱা ঢালি ঢালি জ্ঞানৰ কিৰণ।"

(ঘ) "তুমি উগ্ৰ, দগ্ধ, তপ্ত, তীব্ৰ, ডেৱা, পোৰা মৰু এড়ুখৰি ;
টিপতে মিচিকি মাৰি কৰি তোলা সুৰকাল কৰি।...
তুমি সংখ্যাহীন তাৰকাৰ মিচিকি মিচিকি হাঁহিখিনি, অবিৰাম
ঢালি আছা হৃদয়ৰ পদ্ম-পাগী জিনি।"

(ঙ) "তোমাৰ অনন্ত এই ক্ষেত্ৰ অভিনয়, খেলিছা কিমান খেলা
প্ৰেম পুণ্যময়! কতৰূপ ধৰি তুমি, সৰজি সোন্দৰ্য-ভূমি,
ভাঙি-ছিঙি সাঙ হোৱা লুব্ধ প্ৰাণ মোৰ, কৰি তোলা প্ৰাণ-
ভৰা শান্তিত বিভোৰ।"

এনে সুকোমল ভাবৰ কবিক দেশ-প্ৰেমে উদ্বুদ্ধ কৰি তোলাত তেওঁৰ ভাষা অতি স্পষ্ট, তেজাল, ওজঃপূৰ্ণ হৈ উঠিল। 'তুমি' কাব্যৰ পিছৰ বাদা আৰু কবিতাৰ ভাষা সোঁয়ত কবিৰ উপলব্ধিৰ পোণপটীয়া

প্ৰকাশৰ চানেকি। তেওঁৰ ভাষা বিশ্লেষণ কৰি চালে উল্লেখ কৰা ধৰণৰ বৈশিষ্ট্যবোৰ জিলিকি উঠে:

(ক) শব্দৰ প্ৰয়োগৰ ক্ষেত্ৰত ৰায়চৌধুৰীৰ ভাষাত প্ৰথমতে চকুত পৰে তেওঁৰ সংযুক্ত-শব্দৰ ব্যৱহাৰৰ প্ৰাচুৰ্য। সাধাৰণতে পোৱা সংযুক্ত শব্দ কিছুমানৰ উপৰিও তেওঁ নিজৰ ধৰণেৰে অলেখ সংযুক্ত শব্দৰ সৃষ্টি কৰিছে। সেইবোৰৰ কিছুমান এনে ধৰণৰ: সমাজ-দেহ, শাসন-হেঁচা, বসতি-বৃক্ষ, বীভছ-ডঙ্কা, বিশ্লেষণ-যন্ত্ৰ, স্বাস্থ্য-চেতনা, বুটলি-কোচাই, সজাই-গোছাই, কাম-হাফৰ, কাম-হাতুৰী, শত্ৰু-কেঁটী, অশনি-আঘাত, দৈন্যতা-দাৰিদ্ৰ্য, জয়-সৌৰভ, ঐক্য-বল; ৰূপ-লো-তেল-চূণ-কয়লা, দেশ-মাটি-জাতি-ধৰ্ম-কৰ্ম্ম-মৰ্ম-বৰ্ম, গাদী—পদ-ধন-বিত্ত-ক্ষমতা-সম্ভোগ-খক, ৰাধা-বিৰিঞ্চি-সূৰ্য-যতীন-যাদৱ-কেদাৰ-পাৰ্বতী, সাহিত্য-দৰ্শন-বুৰঞ্জী-কবিতা-গীত-উদ্যোগ-ৰাজনীতি।

(খ) তৎসম শব্দৰ প্ৰাচুৰ্য ৰায়চৌধুৰীৰ ভাষাৰ আন এটা বিশেষত্ব: তৎসম শব্দবেৰৰ কিছুমান এনেকুৱা: জ্ঞান, চৈতন্য, নিনাদ, মুক্ত, প্ৰচণ্ড, উন্মত্ত, কণ্টকিত, নিষ্প্ৰভ, সচেতন, উন্মিলিত, প্ৰস্ফুটিত, চেতনাদীপ্ত, লোমহৰ্ষক, আত্ম-চেতনা, আত্ম-মৰ্যাদা, আত্ম-শ্ৰদ্ধা, আত্ম-বিশ্বাস, উদ্বেগ, তৎপৰতা ইত্যাদি। অৰ্ধতৎসম শব্দৰ সংখ্যা তাকৰ; যেনে— তিন্নাগ। পুৰণি অসমীয়া শব্দও মাজে মাজে পোৱা যায়; যেনে, সয়ল ভযু তেৰা। ইংৰাজী-আৰবী-পাৰছী আদি আৰু অন্য ভাষাৰ শব্দৰ ব্যৱহাৰো তেওঁ কৰিছে; যেনে, আৱাজ, হজম, হাৱা, মজগুল, চুৰত, শ্লোগান ইত্যাদি। এপিনে পাওঁ পাৰ্লিয়ামেণ্ট, এচেম্‌ব্লী, কাউন্সিল, কমিটি, লোকেলবোৰ্ড, মিউনিচিপালিটি আৰু আনপিনে পাওঁ স্বায়ত্ব শাসন (Provincial Autonomy), শান্তিপূৰ্ণ (non-violent), বৈধ (legitimate), গোজ-পোতা স্বাৰ্থ (vested interest), একজাতীয়তা (homogenity) ৰায়-চৌধুৰীয়ে নিজাভাৱেও কিছুমান শব্দৰ সৃষ্টি কৰিছে; যেনে, আলাহু (এলেহুৱা), আৰকাল (হাহাকাৰ), প্ৰাৰ্থৰ্য, নেতা-নেতিনী, জৈৱনিক, (জীৱন সম্বন্ধীয়), বায়সিক (বয়সসম্বন্ধীয়), চিটিছন হৈ।

(গ) ৰায়চৌধুৰীৰ ভাষাৰ আনএটা বৈশিষ্ট্য হ'ল তেওঁ ব্যৱহাৰ কৰা থলুৱা কামৰূপীয়া শব্দৰ ব্যৱহাৰ। কবিতা, গদ্য-ৰচনা সকলোতে এনে

শব্দ পোৱা যায়। এটা বিশেষভাৱে মন কৰিবলগীয়া কথা যে এনে শব্দৰ প্ৰয়োগে তেওঁৰ ভাবৰ গতি-ধাৰাত বাধাৰ সৃষ্টি নকৰি তাক তীব্ৰতৰহে কৰি তুলিছে। উপভাষাৰ শব্দ আৰু খণ্ড-বাক্যৰ কিছুমানৰ নিদৰ্শন এনেকুৱা: শেতেলি, তেলাল (তেলথকা), ফেন্তা (চেপেটাখাই শুৱি হৈ যোৱা), খোঁখা (খকুৱা), টনা-খেঁাছা (টনা-আজোৰা), জিতকৰ্ (শান্ত কৰ্), লক (আন), খোপ দি (খোপনি পুতি), খুম (যোগ্যতা), পেক (বোকা), খেতেলা (খুন্দি চেপেটা কৰ্), ডাক দি (আহ্বান জনা), হেলান দি (আউজ্), ছিহঁনি টান্ (কষ্টেৰে উশাহ ল), হান (খোঁচ) খা, বৈলা চুট্ (বলিয়াৰ নিচিনা হ)।

(ঘ) বিশেষণ শব্দৰ ব্যৱহাৰত ৰায়চৌধুৰীৰ ভাষাত নিজস্ব ভঙ্গী পৰিলক্ষিত হয়; জীৱন-স্তম্ভৰ আকাশলজ্বী (চূড়া), বিস্তৃতি, সাগৰৰ তলি-হীন (দ), ভুঁইফুটা (অধিকাৰী), লোমহৰ্ষক (সাহস), গৰিয়ান-গধুৰ (অধিকাৰ), টোপনিবিহীয়া (জাতি), কৰলি (আৱাজ), চেতনা-চকিত (গৌৰৱ), আনন্দভাতী (ৰূপ), আনন্দাপ্লুত (উপলব্ধি), ধাৰাসাৰ (আক্ৰমণ), খুম-হেৰুৱা (ক্লীৱত্ব), তীব্ৰ-তেজাল (প্ৰভুত্ব), আচাভুৱা (জীৱ), কলুষক্লেদী (পিশাচ), শাৰদী (শেৱালী), হেঙুলী (হাত), পলাশী (ওঁঠ), সাঁজলী (কপাল), সুৰদী (ছেগ), মেওখুজীয়া (খাল-পানী)।

(ঙ) সংস্কৃত শব্দৰ ব্যৱহাৰত সন্ধিপ্ৰৱণতা ৰায়চৌধুৰীৰ ভাষাৰ আন এটা দিশ; যেনে, পশ্বাধম, গৰ্বাভিমান, আত্মাভিমান, শোষণাভিপ্ৰায়, স্পৃষ্টোজ্জল, তেজোদ্দীপ্ত, ভাগ্যান্বেষী, দুৰ্যোন্মাদী, সহাভিনয়, আত্মানন্দ, মহদাহ্বান, একচ্ছত্ৰাধিপতি। কেতিয়াবা প্ৰচলিত শব্দ এটাৰ সাদৃশ্যত আন আন এটা শব্দৰ সৃষ্টিও তেওঁৰ ৰচনাত পোৱা যায়; যেনে, ভণ্ডামি, মূৰ্খামি, কিন্তু চুষ্টিমি, চণ্ডামি; জুৱাচুৰি, কিন্তু ফাকিদাৰি। বিপৰীত অৰ্থৰ শব্দৰ ব্যৱহাৰ এনে শব্দবোৰ পোৱা যায়: নকল, আচল; অচল, সচল; মধুৰ, কটুৰ; চতুৰ, ফটুৰ; কায়া, ছায়া।

(চ) ৰায়চৌধুৰীৰ ৰচনাত বহু-বচনৰ প্ৰত্যয়ৰ ব্যৱহাৰও কিছু আছে; যেনে, বিৱৰণবিলাক, জীৱনবিলাক; এইসকল, জীৱসকল। ক্ৰিয়াবিশেষণাত্মক শব্দকেতবোৰ এনেকুৱা: সমশেহত, নিকিলকিলীয়াকৈ, সনাসনিকৈ, নাই-মুই হৈ, উদি কৰি ইত্যাদি।

(ছ) বাক্য-ৰচনাৰ ক্ষেত্ৰত দেখা যে ৰায়চৌধুৰীয়ে বিভিন্ন ধৰণৰ বাক্য ব্যৱহাৰ কৰিছে ; যেনে, সৰল বাক্য, মিশ্ৰ বাক্য, বৰ্ণনাত্মক বাক্য, সম্বোধনাৰ্থক বাক্য, আজ্ঞাসূচক বাক্য, প্ৰশ্নসূচক বাক্য, ইচ্ছাসূচক বাক্য, ক্ৰিয়াযুক্ত বাক্য, ক্ৰিয়াহীন বাক্য ইত্যাদি। তলত সেইবোৰৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল :

(১) সৰল আৰু বৰ্ণনাত্মক বাক্য ; "সকলো আছে"। "মানুহ এটা জ্ঞান-চৈতন্যযুক্ত জীৱ"।

(২) মিশ্ৰ বাক্য : (ৰায়চৌধুৰীৰ ৰচনাত মিশ্ৰ বাক্যৰ ব্যৱহাৰ বেছি) : "এইদৰে, যুগে যুগে আদান-প্ৰদানৰ কৰ্ম-স্থলীত যোগ-বিয়োগ, পূৰণ-হৰণৰ ভিতৰেদি সংস্কৃত হৈ হৈ শান্তি-শৃঙ্খলাৰ আনন্দৰ স্থায়িত্ব দি যি এটা সৌন্দৰ্যবোধৰ সমষ্টিগত সামাজিকতা গঢ়ি উঠিল, সেয়ে ঠাই ডোখৰৰ লোক সমষ্টিৰ সংস্কৃতি হ'ল।"

(৩) সম্বোধনাৰ্থক বাক্য : "হেৰ জড়তাপিষ্ট, চিন্তা-বুদ্ধি-তত-বিবেচনাহীন দুৰ্ভাগা, অদূৰদৰ্শী অসমীয়া !"

(৪) প্ৰশ্নসূচক বাক্য : "যি ভগদত্ত, নৰক, কৰ্ণ, বলি, ভাস্কৰ, বভ্ৰুবাহন, ঘটোৎকছ, তাম্ৰধ্বজ, গদাপাণি, লাচিত, নৰনাৰায়ণ, চিলাৰায়, জয়মতী, ৰাধিকা, ৰাঘমৰান, ৰাধা-ৰুক্মিনী আদি বীৰ-সন্তান আৰু বীৰ-দুহিতাসকলৰ অপূৰ্ব বীৰত্ব-গাঁথাৱলীৰে অসমৰ গাঁও-ভূঁই প্ৰবিপ্লাবিত, সেই অসমীয়াৰ নাই কি ?"

(৫) আজ্ঞাসূচক বাক্য : "শুনা শুনা মোৰ সন্তানসকল ! প্ৰাণ দি হিয়া দি শুনা।"

(৬) ইচ্ছাসূচক বাক্য : "দেশ আৰু জাতিৰ মঙ্গলৰ সলনি মোৰ জীৱন যেন লেশমাত্ৰও শকত-আৱত থ'লন্তৰ হৈ নুঠে।"

(৭) ক্ৰিয়াযুক্ত বাক্য : "অসমীয়াৰ আজি আত্ম-বিস্মৃতি ঘটিছে।"

(৮) ক্ৰিয়াবিহীন বাক্য : "সেইসকলেই সমাজৰ নেতা।"

ৰায়চৌধুৰীৰ বহুতো বাক্য প্ৰবাদ-বাক্যৰ শাৰীলৈ উঠিছে।

উদাহৰণঃ (ক) "নেতৃত্বহীন সমাজ কল্পনাতীত।"

(খ) "চেতনাৰ সঞ্চাৰ নহ'লে একোৰো বিকাশ নঘটে।"

(গ) "উদ্দীপ্ত কৰ্ম-হিল্লোলেৰে দেশত খলক তুলি চলিব লাগিব।"

(ঘ) "পৰ্বত-ভৈয়ামৰ লোক-সমষ্টিয়েই অসমীয়াৰ সাংস্কৃতিক পাত্ৰ।"

(ঙ) "ভাৰতবৰ্ষ আধ্যাত্মিকতাৰ লীলা-ভূমি।"

(চ) "আত্ম-বিশ্বাসহীন এলেহুৱা খোদৰ পৃথিবীৰ কোনোটো চুকতে ঠাই নাই।"

(ছ) "প্ৰচণ্ডতম দেশ-প্ৰেমহে শত্ৰুজয়ৰ ঘাই অস্ত্ৰ।"

বহুতো ক্ষেত্ৰত ৰায়চৌধুৰীৰ বাক্য অলঙ্কাৰযুক্ত হৈ পৰিছে। তলত সেইবোৰৰ কেইটামান উল্লেখ কৰা হ'লঃ

(ক) আৰোহঃ "তেওঁ ইচ্ছা কৰিলে মোক মাৰিব পাৰে, কাটিব পাৰে, ফাঁচি দিব পাৰে, শূলত দিব পাৰে— মুঠতে যি ইচ্ছা তাকে কৰিব পাৰে।"

(খ) অৱৰোহঃ "সেইবাবে আমি দেখো— যুগে যুগে, বছৰে বছৰে, দিনে দিনে, মুহূৰ্তে মুহূৰ্তে পুৰণি বা প্ৰচলিত বিধি-ব্যৱস্থা আৰু আইন-কাৰণৰ ভেটি খুন্দি ধূলিস্যাৎ কৰি, তাৰ ঠাইত নতুন বিধি-ব্যৱস্থা প্ৰতিষ্ঠা কৰি তুলিবলৈকে মানুহ উত্তেজিত হৈ উঠে।"

(গ) বিশেষোক্তিঃ "মূৰ আছে, মগজু নাই; মগজু আছে, বুদ্ধি নাই; বুদ্ধি আছে, কিটিপ নাই; ···জীৱন আছে জেউতি নাই; স্থিতি আছে, গতি নাই; জিভা আছে, সুৰুচি নাই; হৃদয় আছে, মহত্ত্ব নাই··· আকাৰৰূপী মানুহ আছে, আত্মৰূপী আলোক নাই।"

(ঘ) একাৰ্থক পুনৰুক্তিঃ "নাই আত্ম-চেতনা, নাই আত্ম-বিশ্বাস, নাই আত্ম শ্ৰদ্ধা, নাই আত্ম-মৰ্যাদা-জ্ঞান।"

ওপৰৰ আলোচনাই ৰায়চৌধুৰীৰ ভাষাৰ নিজস্ব ৰূপ এটাৰ পৰিচয় নিশ্চয় দিব পাৰিব বুলিব ধাৰণা কৰা হৈছে। তেখেতৰ ভাষা সম্পৰ্কে হৰিৰাম ডেকাই লেখিছিলঃ "(তেখেতৰ) গদ্য তীব্ৰ-তেজালৰ উপৰিও সৈন্যৰ

পদ-বিক্ষেপৰ দৰে কঠিন, নিৰ্ভীক আৰু অতি সঞ্চালনশীল। তেখেতৰ গদ্যলিখন-ভঙ্গীত 'সোঁ-বাওঁ, আগৰঢ়া, ঘূৰা' শুনা যায়। 'হল্ট' যেন চিৰদিন দূৰত। ...লিখক ক'বলৈ অতি ব্যগ্ৰ—সময় যায়, উকমুক লগাইছে।... তেখেতৰ ভাষা প্ৰাণৰ, তেখেতৰ ভাষা স্পষ্টবাদীতাৰ আদৰ্শ।" আন এজনৰ সুৰত ৰায়চৌধুৰীৰ ভাষাত 'বজ্ৰপাত-বিজুলী থাকিলেও তাতো ছন্দ আছে? অসমীয়া জাতিক উদ্বুদ্ধ আৰু চিৰজাগ্ৰতকৈ ৰাখিবলৈ ৰায়চৌধুৰীয়ে যি ভাষাৰ গঢ় দিলে সিয়ে তেখেতৰ মহত্ব বঢ়ালে আৰু অসমীয়া ভাষাৰো পৰিপুষ্টিত বিশিষ্ট অৰিহণা যোগালে।

অম্বিকাগিৰীৰ জীৱন আৰু চিন্তা

ডঃ প্ৰফুল্লদত্ত গোস্বামী

ডঃ সূৰ্যকুমাৰ ভূঞাই অম্বিকাগিৰী ৰায়চৌধুৰীক বাটেদি আহি থকা দেখি হেনো মন্তব্য কৰিছিল, "সৌৱা আহিছে অম্বিকাগিৰী অসম-মাতৃৰ বুকুত খুন্দিয়াই খুন্দিয়াই।" হাতত শকত লাঠি লৈ উজ্জ্বল চকু আৰু সৰল খোজেৰে চলি ফুৰা এই কবিজনে অকল অসম মাতৃকে খামুচি ধৰি থকা নাছিল, বহল জগতখনৰ সমস্যায়ো তেওঁৰ অন্তৰত ঠাই পাইছিল।

আজিৰ পৰা এশ বছৰ পূৰ্বে অসমৰ প্ৰসিদ্ধ বৈষ্ণৱ-কেন্দ্ৰ বৰপেটাত অম্বিকাগিৰীৰ জন্ম হৈছিল। তাতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি তেওঁ গুৱাহাটীৰ এখন হাইস্কুলত তৃতীয় শ্ৰেণী (এতিয়াৰ সপ্তম শ্ৰেণী) লৈকে পঢ়ে। এই অকালপক্ক যুৱকজন অতি কম দিনৰ ভিতৰতে চৌপাশৰ পৰিস্থিতিত অতীষ্ঠ হৈ উঠে আৰু জাতীয়তাবাদী কাৰ্যত লিপ্ত হয়। প্ৰথমে তেওঁ বংগৰ সন্ত্ৰাসবাদী আন্দোলন আৰু পিছত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯০৪ চনত গুৱাহাটীৰ কলেজিয়েট স্কুলত মঞ্চস্থ হৈ থকা অৱস্থাতে তেওঁৰ ৰচিত নাটক 'বন্দিনী ভাৰত' পুলিচে নিষিদ্ধ কৰে। তেওঁকো ১৯০৭ চনৰ পৰা ১৯১৫ চনলৈ বৰপেটাত অন্তৰীণ কৰি ৰাখে। এই সময়ছোৱাতে তেওঁ মধ্যযুগৰ বৈষ্ণৱ পুৰুষসকলে এৰি থৈ যোৱা নাট আৰু ধ্ৰুপদী সংগীতৰ প্ৰতি জনসাধাৰণৰ মন আকৰ্ষিত কৰিবলৈ প্ৰচেষ্টা চলায়। সংগীতৰ প্ৰতি তেওঁৰ জন্মগত ৰাপ আছিল। তেওঁ সুন্দৰ বৰগীত গাব পাৰিছিল।

কিছু দিন তেওঁ গুৱাহাটীৰ এটা ধান-কলত মেনেজাৰৰ কাম কৰিছিল। অতিশয় আবেগপ্ৰৱণ অম্বিকাগিৰীয়ে এই সময়তে ভেন গগৰ দৰে এটা

আচম্বিত কাণ্ড কৰে। তেওঁৰ নিকট বন্ধুসকলে নিশ্চয় লক্ষ্য কৰিছিল— তেওঁৰ বাওঁহাতৰ কনিষ্ঠা আঙুলিটোৰ পাৰ এটা নাই। সেইটো তেওঁৰ প্ৰেয়সীৰ প্ৰতি আগবঢ়োৱা প্ৰেমৰ নিৰ্দশন। ইয়াৰ পিছত তেওঁ থানকলৰ দায়িত্ব ত্যাগ কৰি ডিব্ৰুগলৈ যায়। তাত টাইপিষ্ট আৰু অসমীয়া শিক্ষকৰূপে কাম কৰি এবছৰমান কটায়।

অম্বিকাগিৰী উটি-ভাহি যোৱা লোক নহয়। তেওঁ গুৱাহাটীলৈ ঘূৰি আহে; আৰু বহুত চেষ্টাৰ মূৰত ১৯১৮ চনত 'অৰুণা প্ৰেছ' খোলে। তাৰ পৰা মাহেকীয়া আলোচনী 'চেতনা' প্ৰকাশ কৰে। ১৯১৯ চনৰ পৰা ১৯২৭ চনলৈকে তেওঁ এই আলোচনী সম্পাদনাও কৰে। এইদৰে তেওঁ অসমীয়া সাংবাদিকতাত বাটকটীয়াৰ ভূমিকাও গ্ৰহণ কৰে। কংগ্ৰেছৰ বহু কাম তেওঁৰ প্ৰেছত বিনা পইছাই কৰা হৈছিল। সেই সময়ৰ বহু কেইজন চিন্তাশীল লেখক তেওঁৰ আলোচনীৰ দ্বাৰা আকৃষ্ট হৈছিল। আলোচনীৰ সম্পাদকীয় প্ৰবন্ধবোৰৰ জৰিয়তে তেওঁ কেৱল কবি হিচাপেই নহয়, কলাদৃষ্টিপূৰ্ণ আৰু শক্তিশালী চিন্তাবিদ ৰূপেও নিজৰ পৰিচয় দিছিল। প্ৰাণচঞ্চল আৰু অস্থিৰ স্বভাৱৰ অম্বিকাগিৰীয়ে সদায় পুৰুষালি, আত্ম-সম্মান, জাতীয় অস্তিত্বৰ চিন্তা কৰিছিল, নীচতা-হীনতা ত্যাগ কৰি নৱজন্মৰ ফালে অগ্ৰসৰ হোৱা এক সমাজৰ কল্পনা কৰিছিল। ১৯১৯ চনত তেওঁ লিখিছিল, "বৃহত্তৰ ভাৰতবৰ্ষত সকলো লোকেই এক জাতিৰ অন্তৰ্ভুক্ত। তথাপি, প্ৰতি জাতিৰেই কিছুমান বিশেষ বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবিলাকৰ ভিতৰত সামাজিক আচাৰ-ব্যৱস্থাৰ বাহিৰেও— মাতৃভাষা অন্যতম। এই বৈশিষ্ট্য-বিলাক ৰক্ষা কৰিব পাৰিলেহে ভাৰতৰ বৃহত্তৰ জাতীয় জীৱন সম্পূৰ্ণ আৰু সুস্থভাৱে বৰ্তি থাকিব।" বৰ্তমান ভাৰতবৰ্ষত সৃষ্টি হোৱা পৰিস্থিতিয়ে তেওঁৰ এই কথা দৈৱবাণী বুলি প্ৰমাণিত কৰিছে। জীয়াই থাকা, আনকো জীয়াই থাকিবলৈ দিয়া— এয়েই তেওঁৰ দৰ্শন।

তেওঁৰ বিখ্যাত ৰচনা 'জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনৰ পথ' ১৯১৪ চনত ৰচিত আৰু ১৯১৬ চনত পুস্তিকাৰূপত প্ৰকাশিত হয়। সেই সময়ত এই ৰচনাৰ কথাবোৰ অদ্ভুত বুলি ভবা হৈছিল। ৰচনাখনি পিছত সংক্ষিপ্ত ৰূপত ইংৰাজীলৈ অনূদিত হোৱাত ড° ৰাধাকৃষ্ণণ আৰু

বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে লোকৰ দ্বাৰাও সমাদৃত হয়। অম্বিকাগিৰীৰ মতে, স্বাৰ্থ আৰু প্ৰতিযোগিতাৰ ফলতেই বিশ্বশান্তি ব্যাহত হৈছে। কিন্তু বাস্তৱতাবাদী অম্বিকাগিৰীয়ে এই দুটা মানৱীয় প্ৰবৃত্তিক অস্বীকাৰ কৰিবও খোজা নাই। তেওঁ আনকি ইমানলৈকে কৈছে যে এই দুটা প্ৰবৃত্তি মানুহৰ মাজত থকা কাৰণেই প্ৰগতি আৰু পৰিৱৰ্তন সম্ভৱ হৈছে। আমি মাথোন এই দুই প্ৰবৃত্তিক বহল প্ৰকাশৰ সুবিধা দিব লাগে— জগতৰ সীমা অতিক্ৰম কৰিব পৰাৰ সুবিধা দিব লাগে। আমাৰ আত্মা যিহেতু অসীম, তেনে ক্ষেত্ৰত মানুহৰ আধ্যাত্মিক আৰু জৈৱিক প্ৰবৃত্তিবোৰ দ্বন্দ্বপূৰ্ণ জগতৰ সংকীৰ্ণ সীমাৰ বাহিৰলৈ অপসাৰিত হ'ব লাগিব। বিজ্ঞানীসকলে যি কৰিছে সেয়া কেৱল জগত কেন্দ্ৰ কৰিহে ঘূৰিছে। ...."মানুহে পৃথিৱীৰ ক্ষুদ্ৰতাৰ পৰা এই আৱিষ্কাৰ আন গ্ৰহলৈ - গ্ৰহৰ পৰা গ্ৰহান্তৰলৈ লৈ যাব নোৱাৰেনে যাতে অনন্তৰ বহিঃ পৰিসীমাৰ জ্ঞান লাভৰ দ্বাৰা সেইবোৰ পৰিপূৰ্ণ হ'ব পাৰে? জ্ঞাতইহে অজ্ঞাতৰ সন্ধান দিয়ে। বৃহত্তৰ পূৰ্ণতাক বুজিবলৈ আমি চেষ্টা কৰা উচিত। ...এই মহৎ ৰচনাখনি এনে সময়ত ৰচিত হৈছিল যিটো সময়ত মানুহে মহাকাশত পদাৰ্পণ কৰিব পাৰিব বুলি ভবাই নাছিল।

অম্বিকাগিৰীৰ কিছুমান কবিতাতো এনে মহাজাগতিক ধাৰণাৰ সমাবেশ ঘটিছে। 'চেতনা' আৰু 'ডেকা অসম'ৰ কেইবাটাও সম্পাদকীয় প্ৰবন্ধ 'আহুতি' (১৯৫৩) গ্ৰন্থত অন্তৰ্ভুক্ত হৈছে। এই প্ৰবন্ধবোৰ এক বাগ্মিতাপূৰ্ণ, গা চেবাই যোৱা লাভা-সদৃশ ৰচনা-ভংগীবিশিষ্ট আৰু গভীৰভাৱে অনুভূত ধাৰণা আৰু উপলব্ধিৰ দ্বাৰা আলোড়িত। তেওঁৰ প্ৰিয়বন্ধু ডঃ বাণীকান্ত কাকতিয়ে লিখিছিল: তেওঁৰ ব্যক্তিত্বৰ কেন্দ্ৰত আছিল এজন কবি। তেওঁৰ সমূহীয়া আঁচনি আৰু পৰিকল্পাসমূহো কবিতাৰ ফিৰিঙতিৰ দৰে।

অম্বিকাগিৰীৰ আৰ্থিক অৱস্থা মুঠেই ভাল নাছিল; সৰু প্ৰেছটোৰে তেওঁ কথমপিহে পৰিয়ালক পোহপাল দিব পাৰিছিল। কেতিয়াবা দুবেলা দুমুঠিৰ যোগাৰো নহৈছিল। ১৯৩৫ চনত তেওঁ 'ডেকা অসম' নামৰ সাপ্তাহিক কাকত উলিয়ায়। কাকতখন অনিয়মীয়াকৈ কেইবাবছৰো চলে— তেওঁৰ চিন্তা আৰু পৰিকল্পনাৰ বাহক স্বৰূপে। এই শতিকাৰ তুৰিভাগৰ পৰা

তেওঁ গীত আৰু কবিতা ৰচনা কৰিবলৈ লয়। ১৯২১ চনত তেওঁক তিনি-বছৰ কাৰাদণ্ড বিহা হয়। সেই সময়তে তেওঁৰ ঘৰত জুই লাগে। এই জুয়ে তেওঁৰ লীজত লোৱা মাটিত বন্ধা জুপুৰিটো আৰু বহুতো পাণ্ডুলিপি ভস্মীভূত কৰে। জেলৰ পৰা ওলাই আহিলত তেওঁৰ ৰাজনৈতিক লেখা 'শতধাৰ' বুটিছ চৰকাৰে বাজেয়াপ্ত কৰে আৰু তেওঁক পুনৰ তিনিমাহ কাৰাদণ্ড দিয়ে।

অম্বিকাগিৰীৰ প্ৰথম প্ৰকাশিত কাব্য-পুথি 'তুমি' (১৯১৫)। এই ৰহস্যবাদী কাব্যখনিত দৈহিক আৰু পাৰ্থিৱ প্ৰেম-সৌন্দৰ্যৰ ইন্দ্ৰিয়ানুভূতিৰ জৰিয়তে কবিৰ ভগবৎ উপলব্ধিৰ প্ৰয়াস প্ৰকাশিত হৈছে। 'বীণা' কাব্যৰ দৰে এই কাব্যতো যৌৱন সুলভ প্ৰেম-সৌন্দৰ্যৰ অনুভূতিৰ মাজতো পাৰ্থিৱ জগতৰ সীমা নেওচি যোৱা এক থহটা বলিষ্ঠতা আৰু সুস্থ দুঃসাহসিকতাৰ প্ৰকাশ ঘটিছে। সংস্কৃতীয়া আৰু কথিত শব্দৰ ব্যৱহাৰত তেওঁৰ দখল আছিল; ছন্দৰ ক্ষেত্ৰত পৰীক্ষা-নিৰীক্ষাও কৰিছিল

জালিয়ানৱালাবাগৰ হত্যাকাণ্ড, নিজৰ জেলজীৱনৰ অভিজ্ঞতা, অসমীয়া যুৱশক্তিৰ পুনৰ্জাগৰণৰ প্ৰতি সচেতনতা, মূল্যবোধৰ নিজস্ব বলিষ্ঠ ধাৰণা —এই আটাইবোৰে তেওঁৰ অনুভূতি উতলাই তেওঁক নতুন ধৰণৰ কবিতা ৰচনাত প্ৰবৃত্ত কৰাইছিল: এই কবিতা আছিল এহাতে বৈপ্লৱিক উচ্ছৃংখল, দেশপ্ৰেমমূলক, মানৱতাবাদী, ব্যংগাত্মক নাইবা ঘৃণাসূচক, কেতিয়াবা এই সকলোবে সমাহাৰ। প্ৰথম ভাগৰ প্ৰেম আৰু ৰহস্যধৰ্মী কবিতাৰ পৰা পিছৰ বৈপ্লৱিক আৰু মানৱতাবাদী কবিতালৈকে— তেওঁৰ কবি-প্ৰতিভাৰ বিস্তৃতি ১৯৫৫ চনত প্ৰকাশিত 'অনুভূতি' কাব্য-সংকলনত ভালদৰে দেখা যায়।

'অনুভূতি'ৰ প্ৰথম অৱস্থাৰ কবিতাবোৰত অম্বিকাগিৰীৰ তীব্ৰ প্ৰেমানুভূতিৰ পৰিচয় প্ৰকাশ পাইছে। ভৌতিক সীমা অতিক্ৰম কৰি এই অভিজ্ঞতা-লব্ধ জগতৰ বাহিৰৰ কোনোবা প্ৰেমাস্পদৰ প্ৰতি নিবেদিত তেওঁৰ এই প্ৰেম। ইয়াত ৰোমাণ্টিক কবিসকলৰ সহজ ভাবপ্ৰৱণতা আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ অস্পষ্ট হাবিয়াস আৰু সমৰ্পণ নাই। তাৰ পৰিৱৰ্তে এক সুতীব্ৰ হেপাহ, আত্ম-প্ৰতিষ্ঠাপনৰ সুৰ আৰু স্বকীয় দাবীৰ প্ৰকাশ।

এই সংকলনৰ প্ৰথম কবিতা 'সুৰী-দৌত্য'ত (ৰচনা-১৯১০) কবিৰ আকাঙ্ক্ষাৰ তীব্ৰতা অনুভৱ কৰিব পাৰি :

বাজ বাজ মোৰ বীণা
আজি বিৰহ-গোমোলা দিনা—
তোৰ বেথা-বিধুনিত দৃষ্টি
খুলি, ঢাল আজি
ত্ৰিভুবন ৰাজি
সংগীত-সুধা বৃষ্টি ;
উথলি উঠক সুৰৰ সিন্ধু সুৰৰে
লাহৰী লহৰি তুলি
মোৰ ভাগি-ছিগি থকা তাল-মানবোৰ
ফুলাম লয়ত উঠক ফুলি।
সৌৱা। সুনীল সিপাৰে বহি ;
কতনো আবেগ সহি,
মোৰ বেথা-বিহ্বলা প্ৰিয়া—
গীত গাই গাই
মোৰে বাট চাই
কৰিছে কাতৰ হিয়া।
যা যা তই লৰালৰিকৈ মোৰে।
সুৰখিনি বুকুত বৈ,
তাৰ সুৰে স'তে গলাগলি কৰি
গা গৈ ৰাগিনী একেটা হৈ।
কগৈ বাতৰি মোৰ—
আজি পৰিছে সকলো ওৰ,—
মোৰ হিয়া-ফুলনিৰ তলি
বিৰহৰ হান
খাই থানবান
আছে বেদনাত জ্বলি।

এই খেনতেই আছি যদি তেওঁ
সাদৰী আদৰি চুমাটি খায়,
দুয়োৰো মাজৰ বেথা জ্বলি থকা
তেহে যদি এই যাতনা যায়।
আহিব আহিব বুলি
ৰাখিছো দুৱাৰ খুলি,
মোৰ হিয়া-ভঙা ৰঙা বোল,—
সাৰি সুৰা মাৰি
কলিজাটো পাৰি
ৰাখিছো আটোমটোল।
আহিলেই তাক বুকুত সাবটি
ৰাজিম তাৰেই দুখনি গাল,
সেই ৰূপ চাই শত জনমৰ
যাতনা জুৰাই জিনিম কাল।

'আত্ম-জাগৃতি' (১৯২১) কবিতাত কবি আৰু তেওঁৰ অৰ্চনাৰ বিষয় একাকাৰ হৈ গৈছে :

তোমাৰ লগত আজি মই
মহাৰণ কৰিলো ঘোষণা,
আছে যদি শকতি তোমাৰ,
মিলনৰ লৈ উন্মাদনা—
—আহা আগুৱাই,
দিম দেখুৱাই,
নীচ হীন মই আজি কিম'ন তেজাল,
তোমাকে আগুৰি আছে বেঢ়ি চাৰিফাল।

শংকৰদেৱ আৰু মাধৱদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ সৈতে পূৰ্বতে সম্পৰ্ক থকা এটি পৰিয়ালত অম্বিকাগিৰীৰ জন্ম। ভক্তি-গীতৰ প্ৰসিদ্ধ সংকলন মাধৱদেৱৰ বিৰচিত 'নামঘোষা' পুথিয়ে অম্বিকাগিৰীৰ যৌৱনৰ প্ৰথম ছোৱাত প্ৰভাৱ পেলাইছিল। দৰাচলতে, ভগৱান আৰু অসীমৰ প্ৰতি ব্যাকুলতা তেওঁৰ তেজতে নিহিত আছিল। ভাৰতীয় কাব্য-জগতত তেওঁৰ দৃষ্টিভংগী

একক যেনেই লাগে—তেওঁ কেতিয়াও কোৱা নাই যে তেঁৱেই ভগৱান বা ভগৱান আৰু তেওঁ অন্তিম বিচাৰত অভিন্ন। তেওঁ কেৱল নিজৰ অস্তিত্ব, ভগৱানৰ অস্তিত্ব আৰু দুয়ো দুয়োৰো হকে কাম কৰাৰ প্ৰয়োজনীয়তাৰ কথাহে কৈছে। মানুহৰ সহযোগিতা নহলে ভগৱান কেনেকৈ ভগৱান হ'ব—আৰু তাকো সম্মানজনক চৰ্তত? মানুহে জীৱনত কষ্ট খালেও, ভুল-ভ্ৰান্তি কৰিলেও—একমাত্ৰ মানুহৰ কাম-কাজৰ মাজেদিহে ভগৱানে সম্পূৰ্ণতা লাভ কৰে।

মানুহৰ 'নিজত্ব'ৰ এই কথা মনকৰিবলগীয়া। কাৰণ, তেওঁৰ পিছৰ জীৱনৰ বৈপ্লৱিক কবিতাবোৰত এই মানুহজনেই সকলো ধৰণৰ সামাজিক আৰু ৰাজনৈতিক বাধা-নিষেধৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰি গৈছে। যন্ত্ৰণা আৰু কষ্ট সহ্য কৰিবপৰা ক্ষমতাৰ ক্ষেত্ৰতো মানুহ শক্তিশালী। 'বেদনা বিজয়' (১৯৩২) কবিতাত তেওঁ লিখিছে:

হেৰা ভগৱান!
সৰ্বশক্তিমান--
তোমাৰ যন্ত্ৰণাময় দুখ-বেদনাৰ
নিৰ্মম আঘাতভৰা অবিৰল ধাৰ—
মোৰ হৃদয়ত --
—বুকুৰ পাতত --
মই ধৰি নোৰোধিলে
ৰোধে সাধ্য কাৰ?
মই জয় নকৰিলে
কৰে কোনে?-- অজেয় দুৰ্বাৰ!"

এই নিৰ্ভীকতা হয়তো ভগৱানৰ প্ৰতি বা সসীমৰ প্ৰতি নাইবা বিদেশী-শোষণ, অকৰ্মণ্যতা আৰু এলাহৰ প্ৰতি এক প্ৰত্যাহ্বান। 'বন্দো কি ছন্দেৰে' (১৯৫৯) কাব্যত সন্নিবিষ্ট তেওঁৰ এটা বিখ্যাত গীতত তেওঁ কৈছে:

এইতো নহয় জেল দিয়া ভাই!
এইতো নহয় জেল দিয়া,—
দুখ-ধাৰাৰে ধূলি-মলি
ধুই নিয়া ভাই, ধুই নিয়া,
এইতো নহয় জেল দিয়া।

... ...

নৰ-নাৰায়ণ একে কথা
নাই ভেদাভেদ একণমান,
নাৰায়ণক পাচ পিঠি দি
নৰৰ কেৱল বঢ়াওঁ মান—
সেইবাবেতো উৎপীড়ণেৰে
শুদ্ধ কৰা চিত-হিয়া।

সমসাময়িক ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত হোৱা নতুন এক পৰিবৰ্তনৰ মাজতো কবিৰ দৃষ্টিভংগী হৈ উঠিছে গঠনমুখী আৰু যোগাত্মক। জগতৰ অন্যায়-অবিচাৰ দেখি তেওঁ যে কেৱল চিঞৰ-বাখৰ কৰি বা দাঁত কৰচিয়েই ক্ষান্ত আছে এনে নহয়, ভগৱান আৰু অসীমৰ লগতে তেওঁৰ নিজৰ সন্দৰ্ভতো তেওঁ মানুহৰ বিশেষ ভূমিকাৰ কথা পাহৰি যোৱা নাই। মানুহ হিচাপে মানুহৰ দায়-দায়িত্বৰ প্ৰতি লক্ষ্য তেওঁৰ আছে। এই ভাবৰ প্ৰকাশ ঘটিছে তেওঁৰ 'মানৱায়তন' নামৰ কবিতাত ঃ

কিহৰ বাবে আকাশ-পাতাল
কিহৰ বাবে ধৰা?
কিহৰ বাবে জন্ম ধাৰণ,
কিহৰ বাবে মৰা?
নাইতো ধৰাত এই প্ৰশ্নৰ
পূৰা সমিধান,—
কৰা মানৱ সদল-বলে
অসীম অভিযান।
যুক্তি-বিচাৰ হ'ল যে জঠৰ
এই সীমাতে বহি—
মানৱ জাতিৰ বিভৱ-স্তম্ভ
গ'লযে তেনেই জহি।
জীৱন মথি মথি লভা
জ্ঞান-গৰিমাৰ ফল,
ঠেক সীমাতে ঘূৰি ঘূৰি
অন্ধ বিফল হ'ল।

সেইবাবেতো এই ধৰণীৰ
মানৱ-জীৱন খোৱা,—
অলপ উঠি তাৰ পিছতেই
পিছলি পৰি মৰা।
আজি যিকণ যায় আগুৱাই
কালি আহে নামি,
তথাপিতো সীমা ভঙাৰ
নহয় অনুগামী।
সীমা ভঙাৰ এই যে সপোন
নহয় কেৱল কথা,—
নিজান কোণত বহি বহি
ভাবৰ মালা গঁথা।
এই ধৰণীত গোট খোৱা এই
শক্তি-সমল লৈ,
বীৰ-দাপেৰে গ্ৰহান্তৰত
তেজ-মণ্ডহে গৈ,—
পাৰিলেহে উপনিবেশ
স্থাপন কৰি ল'ব,—
মানৱ জাতিৰ মান গৌৰৱ
নিত্য নতুন হ'ব।
তেহে ধৰাৰ মানৱ জীৱন
বিৰাট বিশাল হৈ,
সৃষ্টি ব্যাপি মানৱ জাতি
হ'ব চিৰস্থায়ী।
তেহে সীমাত ঘোলা হোৱা
জ্ঞান-গৰিমাৰ ধাৰা
মুক্ত হ'ব, মহৎ হ'ব,
ভাঙি সীমাৰ কাৰা।

ঘুণ ধৰা এই ধৰণীখন
খামোচ মাৰি ধৰি ;
জীৱনৰ তোৰ অসীম গতিক
দিবি কিয় ফাঁকি ?

শেষ লক্ষ্য সন্মুখত ৰাখিও কবিয়ে কৰ্মৰ দৰ্শন বিকশিত কৰিছিল। মানুহ স্ব-স্বৰ প্ৰতিষ্ঠাৰ লগতে তেওঁ কৰ্মৰ প্ৰয়োজনীয়তাও প্ৰতিস্থাপন কৰিবলৈ আগবাঢ়িছিল : কিয়নো, তেবেঁই জগতৰ অন্যায় আৰু শোষণ ধুই জগতক নৱ-উন্মেষৰ বাবে নিকা কৰি তুলিব লাগিব। তেওঁ উপলব্ধি কৰিছিল যে কেৱল কামৰ জৰিয়তেহে মানুহৰ নিজৰ আৰু দেশৰ সত্তাৰ অভ্যুদয় আৰু কাৰ্য-সাধন হয়, সেই কাৰ্য যিমানেই কষ্টকৰ নহওক লাগিলে। 'গঢ়া কৰি মোক ঝাড়ুদাৰ' (১৯৩১) কবিতাত তেওঁ মিনতি কৰি গাইছে :

হেৰা বিশ্ব কৰ্মকাৰ !
তোমাৰ ৰুদ্ৰ-ৰোষ হাতুৰিৰে—
পিটি পিটি মোক ভাঙি তৃপি তিৰে
গঢ়ি তোলা কৰি বিশ্বৰ ঝাড়ুদাৰ—
হেৰা বিশ্ব-কৰ্মকাৰ !

কেতিয়াবা তেওঁ তীব্ৰ ক্ৰোধত বিশ্ব-ব্ৰহ্মাণ্ড ফালি-ছিৰি পেলোৱা বিপ্লৱী আৰু তাণ্ডৱী হৈ চীৎকাৰ কৰি উঠে। শেষ বয়সত (১৯৫২) ৰচনা কৰা অতি শক্তিশালী কবিতা 'মই বিপ্লৱী, মই তাণ্ডৱী' তাৰেই প্ৰমাণ। এই ক্ৰোধ মূলতঃ মানৱিক— জগতক সুন্দৰ কৰাৰ আকাংক্ষা মাথোন, উদ্দেশ্যবিহীনভাৱে দাঁত কৰচা কথা নহয়। 'কৰ্ম—গীতিকা' নামৰ এটা দীঘলীয়া কবিতাত অম্বিকাগিৰীৰ কৰ্ম-দৰ্শন প্ৰকাশ পাইছে। কবিতাটো 'বেদনাৰ উল্কা' (১৯৬৪) কাব্যৰ অন্তৰ্ভুক্ত :

কৰ কৰ কাম, ধৰ ধৰ কাম—কেৱল কাম
কেৱল কাম,—
কামৰ সোঁতত ৰাখ নিমগন দেহ-মন-প্ৰাণ
অবিৰাম,—
... ...
পৰি মৰি, মৰি উঠি, জীৱন-মৰণ পণ কৰি,

মৰামুৰা দেশখনি তোৰ নদন-বদন
কৰ গঢ়ি
কামত ধৰ কামত ধৰ—
জীৱনটো তোৰ সফল কৰ।

বাস্তৱতা-বোধ, চৌপাশৰ বস্তুজগতৰ প্ৰতি সজাগতা আৰু বৃহত্তৰ মানৱ সমাজৰ সেৱক হোৱাৰ প্ৰচেষ্টা—এয়ে তেওঁৰ কাব্য-চিন্তা ছানি ধৰি আছে। মিঠা মিঠা কাব্যিক শব্দৰ খেল খেলা কবিৰ কাম নহয়; তেওঁৰ ভূমিকা কঠিন— অনুভূতি আৰু অভিমত প্ৰকাশৰ বাবে তেওঁ কঠিন-কঠুৱা শব্দহে বাচি ল'ব লাগে। অম্বিকাগিৰীয়ে কাব্য-ছন্দৰ অগণন পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা আৰু সাধাৰণতে সংস্কৃতীয়া অথচ সময় বুজি সাৱলীল আৰু কথিত ৰূপ গ্ৰহণ কৰা শব্দ-সম্ভাৰৰ জৰিয়তে চমৎকাৰ কাব্যিক ব্যঞ্জনাৰ সৃষ্টি কৰিছে। তেওঁৰ কাব্যৰ সৰ্বত্ৰ এক খহটা আৰু শক্তিশালী ব্যক্তিত্ব স্পষ্টভাৱে পৰিস্ফুট হৈছে। তেওঁ কৈছে যে "তেওঁ কবি নহয়, কবিতা লিখিবলৈ তেওঁ নোখোজে, কিন্তু জগতখনলৈ লক্ষ্য কৰিলেই তেওঁ কিবা লেখাৰ কথা অনুভব কৰে। গভীৰ প্ৰেম আৰু বিশ্বাসৰ অভিজ্ঞতাৰ পৰাই তেওঁ লেখাৰ বৌদ্ধিক সমল আহৰণ কৰিছে। তেওঁৰ দেশপ্ৰেমৰ অনুভূতি তীব্ৰ, দেশৰ দুৰ্দশা দেখি তেওঁ অতি যন্ত্ৰণা অনুভৱ কৰে, বঞ্চিত আৰু অজ্ঞ সকলৰ প্ৰতিও তেওঁ সহানুভূতিশীল; আৰু সেই কাৰণেই তেওঁ ডেকাশক্তিক সদায় আহ্বান জনায়। ডেকাশক্তিৰ উদাসীনতাই তেওঁক বিৰক্ত কৰে— যদিও তেওঁৰ আশা সদায় ডেকাশক্তিৰ ওপৰতে।

'কি কৱিতা লিখো মই?' কবিতাত কবিৰ বেদনাৰ সুন্দৰ ইংগিতপূৰ্ণ প্ৰকাশ ঘটিছে :

কি কৱিতা লিখো মই?—
সান্ত্বনা লওঁ কাক কি ক'ই?—
মোৰ— মুখৰ মাততো, পেটৰ ভাততো,
ওঁঠৰ হাঁহিত, চকুৰ পাহিত,
সোণ মুগুৰা পথাৰ-খেতিত,

প্ৰাণ শুঙ্গৰা ঘৰৰ ভেটিত,
বেচা-কিনাৰ বজাৰ-হাটত,
জীয়াৰ সমল শ্ৰমৰ ঘামত;
ফুট দি উঠিব খুজিছিল যিটো
কৱিতাৰ মৌ-কলি,
নানান ৰঙীন ৰূপ-ৰসেৰে
ৰঞ্জিত আমোলমলি;—
তাৰ—সুষমা মুকলি নৌহওঁতেই
সুৰভি-সঁফুৰা নৌখেলোতেই
চিৰাচিৰ কৰা ধুমুহা-দানৱে
পেলালে দগৰি দলি,—
মোৰ—উঠিল বুকুত দপদপ কৈ হায়! হায়!
জুই জ্বলি—
কি কৱিতা লিখো মই?—
সান্ত্বনা লওঁ কাক কি ক'ই?—
দাৰুণ জ্বলন চেৰাই যেনিবা
লিখিলোৱে কিবা কৱিতা বুলি,
তাক—থ'মেই বা ক'ত? ল'বই বা কোনে?
ক'তে বা ৰ'ব কি ঠেৰেৰে ফুলি?—
কৱিতা ৰসৰ আমেজত মজা
মছগুল জ্ঞানী যিসকল,
যিসকলে তাক নকব কৱিতা,—
ডাবি দিব বুলি দাবানল;—
হয়,— দাবানল সঁচা জ্বলিছে বুকুত
কলিজাটো পুৰি কৰি ছাই,—
উল্কা উজৰা জিভা মেলি তাৰ
কলৈ নিৰখি,—লক্‌লকাই—লক্‌লকাই—
উঃ কি জ্বলন— জ্বলিছে কেৱল
প্ৰলয় উতলা শিখাৰে সি,—

—কাকে বা সুধিম, কোনে ক'ই দিব,
ৰক্ষাৰ আজি উপায় কি ?
নেদেখোঁ দেখোন খেৰ-কুটা একো
আলম বুলি বা ধৰিম ক'ত ?—
মানৱাকৃতি চেঁচা শিলগুটি
দ'ম লাগি আছে,— জড়-ভৰত—
মোৰ বুকুতেই দেশৰ বুকুকো
একেগঁথা কৰি জ্বলিছে জুই,
মুমাওঁতা নাই,— মুমাওঁতা নাই—
দেশময় আছে নিচালে শুই,—
যাৰ দেশ-জাতি, ঘৰ ভেটি-মাটি
সি যদি নাজাগে চেতনা ল'ই,
এই দাবানল মুমাবলৈ—
দেশও জ্বলিব, জাতিও জ্বলিব,
চিন-চাব-নাম সকলো জ্বলিব,—
ময়ো জ্বলি যাম ভস্ম হ'ই—
কি কৱিতা লিখো মই ?
সান্ত্বনা লওঁ কাক কি ক'ই ?

কৱিয়ে প্ৰায় চাৰিকুৰি বছৰ বয়সত, ১৯৬৪ চনত এই কৱিতা ৰচনা কৰিছিল।

বুঢ়া বয়সত কোনোমতে লৰিচৰি ফুৰি থাকোতেও ৰ'টে-ঘাটে কোনোবা সহৃদয় লোকক লগ পালেই তেওঁৰ হৃচকু জ্বলি উঠিছিল ; দুৰ্নীতি আৰু নিষ্ঠাহীনতাৰ বিৰুদ্ধে, ডেকা-গাভৰুৰ উদাসীনতা আৰু নিষ্ক্ৰিয়তাৰ বিৰুদ্ধে চীৎকাৰ কৰি উঠিছিল। মৃত্যুৰ আগতে তেওঁ জীৱন-স্মৃতি মুখে মুখে কৈ গৈছে ; ইয়াৰ একাংশ আলোচনীত প্ৰকাশ পাইছে। তেওঁৰ গদ্য বলিষ্ঠ আৰু বীৰ্যবান ; বিশদ তথ্যৰ প্ৰতি থকা দৃষ্টি আৰু শব্দ-বাচনিৰ দক্ষতাৰ বাবে তেওঁৰ গদ্য জীৱন্ত আৰু শক্তিশালী হৈ উঠিছে। দেশপ্ৰেম আৰু মানবীয় গুণৰ প্ৰতি থকা গভীৰ প্ৰৱণতাৰ ক্ষেত্ৰত অম্বিকাগিৰীৰ পূৰ্বসূৰী হৈছে কমলাকান্ত ভট্টাচাৰ্য (মৃত্যু ১৯৩৬)। কমলাকান্তয়ো দেশৰ মানুহৰ এলাহ আৰু পাহৰণিৰ বিৰুদ্ধে খহটা কৱিতাৰে তীব্ৰ প্ৰতিবাদ কৰিছিল, আৰু ভৱিষ্যতৰ অনুপ্ৰেৰণা হিচাপে অতীত গৌৰৱৰাশিৰ সদব্যৱহাৰ কৰিবলৈ বিচাৰিছিল।

অনন্তৰ প্ৰতি—সীমাহীনৰ প্ৰতি—বৃহত্তৰ জীৱনৰ বাবে কবিৰ প্ৰাণৰ যি আকুতি— সেয়া ৰহস্যধৰ্মী যদিও এই ৰহস্যবাদ নলিনীবালা দেৱীৰ কাব্যৰ দৰে নহয়। নলিনীবালাৰ কাব্যৰ মূলতে আছে ভাৰতীয় দৰ্শনৰ শিক্ষা আৰু ৰবীন্দ্ৰনাথৰ প্ৰেৰণা ; চৰমৰ প্ৰতিহে তেওঁৰ আত্মাৰ অনন্ত অন্বেষণ। আনহাতে মানুহ হিচাপে মানুহৰ প্ৰত্যাহ্বান, আত্ম-সন্মানৰ চৰ্চ্চা আৰু বিশ্বত মানুহৰ কৰ্ম-ধাৰাৰ অংশীদাৰ হিচাপে ঈশ্বৰৰ অন্বেষণ, মানুহৰ বৃহত্তৰ শক্তি-সামৰ্থ্যৰ প্ৰতি আস্থা— এইবোৰে অম্বিকাগিৰীক এক বিশেষ স্তৰৰ কবি হিচাপে ভাৰতীয় কাব্যত একক স্থানত অধিষ্ঠিত কৰিছে।

অম্বিকাগিৰীয়ে কলা-সাহিত্যৰ অন্যান্য ক্ষেত্ৰতো প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। তেওঁ আছিল একেধাৰে নাট্যকাৰ, সংগীতজ্ঞ, কবি, সাংবাদিক, ৰাজনীতিক (ক্ষমতা নিবিচৰা বিধৰ), দ্ৰষ্টা আৰু গণ-বিবেক। সম্পূৰ্ণ তিনিকুৰি বছৰ জুৰি তেওঁ পূৰ্ণোদ্যমে কাম-কাজ চলাই গৈছে। এই সময়ৰ সৰহখিনি তেওঁ নিজৰ এটা ঘৰ আৰু খাবলৈ দুসাজ ভাত নোহোৱাকৈয়ে কটাইছিল। জীৱনৰ শেষৰ ফালেহে তেওঁ মুৰ সুমুৱাবলৈ চালি এখন নিজাকৈ যোগাৰ কৰে। এক শ্ৰেণীৰ অনা-অসমীয়া লোকে তেওঁক ভুল বুজিছিল। ডেকাচামেও তেওঁৰ প্ৰতি বিশেষ কাণ নিদিলে। মহাত্মা গান্ধীৰ অনুগামী-সকলৰ কাম-কাজ দেখি তেওঁ হতাশ হৈ পৰে। তেওঁ কেনে ব্যক্তিত্বৰ লোক আছিল, তলৰ ঘটনাটোলৈ মন কৰিলেই বুজি পোৱা যাব।

বহু বছৰ ধৰি ভাড়া লৈ থকা ঘৰ এটাৰ পৰা তেওঁক ১৯৫১ চনত সপৰিয়ালে, লাম-লাকটুৰে সৈতে বাহিৰ কৰি দিয়া হ'ল। তেতিয়া গোটেই পৰিয়ালটোৱে আলিৰ দাঁতিত আশ্ৰয় ললেহি। অম্বিকাগিৰীয়ে লক্ষ্য কৰিলে যে এটা মগনীয়াই গোটেই দৃশ্যটো আচৰিত হৈ চাই আছে। তেতিয়া মানুহটোক তেওঁ এটা পইচা দি কিংলিয়েৰৰ দৰে কৈছিল, "দুয়োৰো মাজত কোনো পাৰ্থক্য নাই। কেৱল মোৰ লগত পইছা অলপ এতিয়াও আছে। তুমি তাকে লৈ যোৱা।" মগনীয়াটোৰ চকুৰে পানী বাগৰি আছিল। এই ঘটনাৰ মাত্ৰ দুবছৰ আগতে অম্বিকাগিৰী অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছিল।

অম্বিকাগিৰীয়ে সাহিত্য একাডেমিৰ বঁটাও পাইছিল। অৱশ্যে, বঁটাৰ ধনৰ মুখ তেওঁ নেদেখিলে।

অম্বিকাগিৰীৰ ছন্দ প্ৰসঙ্গ

নৰকান্ত বৰুৱা

যিসকলে অম্বিকাগিৰী ৰায়চৌধুৰীৰ কণ্ঠত স্বৰচিত কবিতাৰ আবৃত্তি শুনিছে তেওঁলোকে সম্ভৱতঃ মন কৰিছে, কবিৰ কণ্ঠত আধুনিক নাটকীয় ভঙ্গীৰ আবৃত্তিয়ে ক্ৰমে সুৰৰ ফালে গতি কৰে। সঙ্গীতৰ তালৰ দৰেই সুবিন্যস্ত আৰু স্পষ্ট লয় বা ছন্দস্পন্দ তেওঁৰ কণ্ঠৰ এই সুৰাভিমুখী গতিৰ কাৰণ।

কবিতা শব্দৰ শিল্প, ধ্বনিৰ কলা। আখৰৰ নিৰ্বিকাৰ ৰূপত কবিতা দেহৰ গঠন প্ৰকৃততে ধৰা নপৰে। শব্দৰ উচ্চাৰিত ৰূপতহে কবিতাৰ ছন্দৰ চৰিত্ৰ ধৰা পৰে। কবিতাৰ লয় বিভাগ সুস্পষ্ট হ'লে তীব্ৰ-ধ্বনিৰ পিছত নীৰৱতাৰ বিৰতি পৰিলে কণ্ঠস্বৰৰ উত্থান-পতনো তীব্ৰ হয় আৰু আবৃত্তিৰ ভঙ্গী একপ্ৰকাৰ নৃত্য-সহৰযুক্ত হয়। লয় বিভাগ অপেক্ষাকৃত মৃদু হ'লে, যতিৰ পূৰ্বস্থ ধ্বনিত উচ্চাৰণৰ তীব্ৰতাৰ প্ৰয়োজন নহ'লে আবৃত্তিত এক প্ৰকাৰ সাৱলীলতা পৰিলক্ষিত হয়। সেই পদ্ধতিত ধ্বনিৰ উচ্চতাও সিমান ওখ নহয়, নিম্নতাও সিমান তললৈ নানামে। কিন্তু আবৃত্তি কৰোতাই নিজ ইচ্ছাৰে যি কোনো ধৰণে কবিতা পঢ়িম বুলি পঢ়িব নোৱাৰে। কবিতাৰ আবৃত্তিভঙ্গী নিহিত থাকে তাৰ ছন্দৰীতিতেই। আৰু এই ছন্দৰীতি নিৰ্ণীত কৰিব পাৰি যুগ্ম ধ্বনিৰ চৰিত্ৰৰ প্ৰতি লক্ষ্য কৰি।

যুগ্মধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্যই আমাৰ ভাষাত দুটা ছন্দৰীতিৰে জন্ম দিছে, মাত্ৰাবৃত্ত আৰু যৌগিক। যৌগিকত আছে সাৱলীলতা, আৰু আমাৰ পয়াৰ জাতীয় ছন্দ এই যৌগিক ৰীতিৰে অন্তৰ্গত। মহেন্দ্ৰ বৰাই বিচাৰ কৰি পাইছে, অসমীয়া ভাষাৰ 'সাত অষ্টমাংশ' কবিতা যৌগিক ৰীতিৰ। অসমীয়া ছন্দশিল্পৰ বুৰঞ্জীত দৰাচলতে মাত্ৰাবৃত্ত ছন্দ নাই, কিন্তু তাৰ বীজ

আছিল। (মাত্ৰাবৃত্ত ছন্দত স্থান নিৰ্বিশেষে যুগ্ম ধ্বনিত দুই মাত্ৰা—তাৰ বাবে যুগ্ম ধ্বনি বিশ্লিষ্ট কৰোতে তীব্ৰ ধ্বনি তৰঙ্গৰ সৃষ্টি হয়।) প্ৰাচীন অসমীয়া সাহিত্যত মাত্ৰাবৃত্ত ছন্দ ব্যৱহাৰ কৰা হৈছিল। আমাৰ ভটিমা, নাটৰ গীত আৰু বৰগীতত। কিন্তু সেইবোৰৰ আবৃত্তি 'পাঠ'ৰ ৰীতিত নহৈছিল—সেইবোৰ সুৰ কৰি গোৱা হৈছিল। গতিকে তাৰ লয় বিভাগ সাঙ্গীতিক হে আছিল, কাবিক্য নাছিল। সেইকাৰণেই সম্ভৱতঃ মাত্ৰাবৃত্ত ছন্দৰীতি অসমীয়াত দেখা নগ'ল। আমাৰ স্বাভাৱিক কোমল উচ্চাৰণ-ৰীতিও তাৰ বাবে দায়ী। বৈষ্ণৱ যুগৰ মাত্ৰাবৃত্তৰ ভাষা সাধাৰণতে ব্ৰজাবলীহে-অসমীয়া নহয়।

অম্বিকাগিৰীৰ ছন্দৰ কথা কওঁতে এই বিশেষ কথাটো মন কৰিবলগীয়া। কাৰণ মাত্ৰ কেইজনমান কবিয়েহে প্ৰকৃত মাত্ৰাবৃত্ত ছন্দৰ ব্যৱহাৰ অসমীয়া ভাষাত কৰিছে আৰু তাৰ ভিতৰত অম্বিকাগিৰী অন্যতম। অম্বিকাগিৰীৰ আগ বয়সৰ ৰচনা 'তুমি'ৰ ছন্দৰীতি একান্তভাৱে যৌগিক। কিন্তু সেই সময়ত ৰচা গীতবোৰৰ ছন্দৰীতি মাত্ৰাবৃত্তৰ। তাল-মান সম্বলিত গীতত সুস্পষ্ট মাত্ৰাৰ ব্যৱহাৰ স্বাভাৱিকেই।

'তুমি' কাব্যৰ এই উদাহৰণটি লোৱা যাওক :

তুমি | দাপোণ আগত লই |
চাই চাই | আপোন মাধুৰী,
মিচিকি মিচিকি হাঁহি |
মুগ্ধ হোৱা | ৰূপহী লাহৰী |

এই স্তৱকটোৰ প্ৰতিটো চৰণ ওঠৰ মাত্ৰাৰ। প্ৰথম চৰণৰ তুমি অংশটো হ'ল পৰ্বপ্ৰান্তিক। ইয়াৰ 'মুগ্ধ' শব্দটো বিশেষকৈ মনকৰিবলগীয়া, কাৰণ ইয়াত দুটা ধ্বনি আছে মুগ, আৰু ধ। প্ৰথমটো যুগ্ম, দ্বিতীয়টো অযুগ্ম। কিন্তু দুয়োটা ধ্বনিতে ইয়াত একমাত্ৰাৰ হে ব্যৱহাৰ হৈছে। মাত্ৰাবৃত্তত হোৱা হ'লে মুগ্ধ শব্দটোত তিনি মাত্ৰা পোৱা গ'লহেঁতেন। সাত অষ্টমাংশ অসমীয়া কবিতাৰ ছন্দৰীতিৰে অনুগামী হৈ অম্বিকাগিৰীয়ে যৌগিক ছন্দতেই তেখেতৰ 'কবিতা' ৰচনা কৰিছিল। কিন্তু 'গীত' ৰচনাৰ সময়ত তেওঁ প্ৰাচীন ৰীতিৰ মাত্ৰাবৃত্ত ব্যৱহাৰ কৰিছিল।

দেশ দেশ জুৰি। লাখ লাখ ভূপতিয়ে।
গালে আহি মূৰ্ত্ত গা / য়ত্ৰী।

প্ৰথম উদাহৰণৰ মুগ্ধ আৰু দ্বিতীয় উদাহৰণৰ মূৰ্ত্তৰ অৱস্থানজনিত উচ্চাৰণলৈ মন কৰিলেই দুই ছন্দৰীতিৰ পাৰ্থক্য কাণত পৰিব। আগ বয়সৰ বহুতো টুটি কবিতাত মাত্ৰাবৃত্ত ৰীতিৰ ব্যৱহাৰ লক্ষ্য কৰা যায়:

এইতো নহয় হাঁহি খেমালিৰ
ভাগৰ জুৰোৱা গান।
* * *
বাণীৰ ওঁঠত ফটিবা এটুপি পি,
যুগ বহু শত আছিলো নিতাল দি,
স্বপ্নবিভোৰ তন্দ্ৰা-হালুক
মত্ত চিত্তৰ পাল
বঙাই বোলাই চৰিল কিমান
অবুজ বেথাৰ জাল।

কিন্তু তাৰে সমকালীন 'বিশ্বদোলন', 'আদ্যন্তহীন চুমাভিযান' সম্পূৰ্ণৰূপে যৌগিক ৰীতিত ৰচা। সেই সময়ছোৱাত যেন কবি এই দুই ছন্দৰীতিৰ দোলনাত দুলিছে। তেওঁৰ সঙ্গীতজ্ঞ কণ্ঠই মাতিছে মাত্ৰাবৃত্তৰ পিনে, আৰু তেওঁৰ কাব্যিক মনে তেওঁক যৌগিকতে আবদ্ধ ৰাখিব খুজিছে। পিছলৈ ক্ৰমে তেওঁ মাত্ৰাবৃত্ত ৰীতিৰে একান্ত সাধক হৈ পৰিলগৈ। তেওঁৰ পিছৰ বয়সৰ প্ৰায় সকলোবোৰ কবিতাৰ ছন্দবিন্যাস মাত্ৰাবৃত্তৰ। তাৰ কাৰণ বোধকৰো গানৰ কবিতামুখী যাত্ৰা।

মাত্ৰাবৃত্ত ছন্দত তৎসম শব্দৰ প্ৰাচুৰ্যৰ কথা মহেন্দ্ৰ বৰা আদি ছান্দসিকসকলে উল্লেখ কৰিছে। শেষৰ ফালৰ কবিতাত অম্বিকাগিৰীয়ে দেশীয় শব্দৰাজিতো মাত্ৰাবৃত্তসুলভ চৰিত্ৰ বিচাৰি পাইছে আৰু তাক বিচিত্ৰ অথচ সাৰ্থকভাৱে ব্যৱহাৰ কৰিছে। আৰু উল্লেখযোগ্য যে কামৰূপ অঞ্চলৰ শব্দ আৰু উচ্চাৰণ পদ্ধতিৰ অৱলম্বনত কবিয়ে এই সাৰ্থকতা লাভ কৰিছে আৰু মাত্ৰাবৃত্ত স্বৰবৃত্তৰ কাষ চাপিছে:

'খোথা' হ'লে—
তেজমঙহে হাড়ে-ছালে

নাড়ী-পেটু, নোম নেঙুৰে, গোবৰ ভোঁহে,
ময়লা কণো ৰেহাই নিদি
গোটেই গিলি খাবি,—
*   *
বিজুলী ধাৰ জিভাত ৰলাই লকলকৃকৈ অগ্নি 'ছিটাই',
*   *
জ্ঞান বিজ্ঞান শাণত 'ধাৰাই' ৰাক্ষসী খক 'ধাৰাল' কৰি,

স্বৰবৃত্ত ছন্দৰীতিত পৰ্ব বিভাগ মাত্ৰাৰে নকৰি ধ্বনি সংখ্যাৰে কৰা হয় যদিও, তাৰ প্ৰত্যেক পৰ্বক এটা মাত্ৰিক ৰূপলৈ ৰূপান্তৰিত কৰিব পাৰি। ৰত্নকান্ত বৰকাকতীৰ কবিতাতো স্বৰবৃত্তৰ এই মাত্ৰিক চৰিত্ৰ মন কৰিব পাৰি।

তেজ মঙহে | হাড়ে ছালে |
নাড়ী পেটু | নোম নেঙুৰে |

এইবিলাক পৰ্বত চাৰিটাকৈ স্বৰ আছে, কিন্তু সেইবোৰক টানি ৬ মাত্ৰালৈ লৈ যোৱা হয়। আনকি গোবৰে ভোঁহে আপাতঃ দৃষ্টিত ৫টা ধ্বনি থাকিলেও মাত্ৰিক পৰিমাণত ৬ পোৱা যাব। অপ্ৰাসঙ্গিক হ'লেও এটা কথা মন কৰিব পাৰি। কামৰূপ অঞ্চলৰ উচ্চাৰণ পদ্ধতিয়ে কবিৰ ছন্দত যিদৰে এটা স্থানীয় শক্তি আৰোপ কৰিছে, সেইদৰে 'মিল'ৰ ব্যৱহাৰতো এই স্থানীয় উচ্চাৰণ পদ্ধতিৰ প্ৰভাৱ স্পষ্ট:

সাহ তপবল নিৰ্ভয় চিত
অ' মোৰ দেশৰ জীয়াৰী পো,
দেশৰ মাটিত ঘৰৰ ভেটিত
খোপ নেৰিবি, খোপ দি ৰ

সাধাৰণ প্ৰচলিত অসমীয়া উচ্চাৰণত পো আৰু ৰ ৰ (অ আৰু ও ৰ) ধ্বনি সাম্য নাই। কিন্তু কামৰূপ অঞ্চলত অ আৰু ওৰ উচ্চাৰণ প্ৰায় একেই আৰু ৰ বোলোতে প্ৰায় ৰও বা ৰ' যেন শুনায়। মাত্ৰাবৃত্তৰ ধ্বনিস্পন্দৰ মহিমা অম্বিকাগিৰীৰ সুন্দৰভাৱে আয়ত্তৰ ভিতৰত। সেইবাবে সেই ছন্দৰীতি নানান ধৰণে ব্যৱহাৰ কৰি পয়াৰধৰ্মী অসমীয়া কাব্যত তেওঁ মুক্তিৰ সুৰ শুনালে:

ভাঙি শুৰি কৰা | ধুমুহা আহিছে | আহক
বিশ্বা শবদে | বজ্র গাজিছে | গাজক
আগ্নেয়গিৰি | উল্কা উৰিছে | উৰক
ভূমিকম্পত | ধৰণী ফাটিছে | ফাটক

এই উৎকলিতাংশৰ প্ৰতিটো প্ৰথম দুই পৰ্ব ৬ মাত্ৰাৰ। তাৰ পিছত এটা অপূৰ্ণ পৰ্ব। এই অপূৰ্ণ পৰ্বটো প্ৰকৃততে মাত্ৰাবৃত্তৰ নহয়, গদ্যৰ। কেৱল মাত্ৰ দ্বিতীয় ধ্বনিটো (হক, জক, ৰক, টক) অলপ দীৰ্ঘকৰি ছন্দবিধিৰ আয়ত্তলৈ টনা হৈছে। কিন্তু এই অপূৰ্ণ পৰ্বটোৱেই এই অংশৰ প্ৰতিটো ভাবৰ সম্পূৰ্ণতা আৰু প্ৰকাশৰ দৃঢ়তা প্ৰতিপন্ন কৰিছে। ইয়াতেই যেন বক্তা অম্বিকাগিৰীয়ে দেখা দিছেহি কাব্যত। সেইবাবেই সম্ভৱতঃ 'বেদনাৰ উল্কা'ত থকা বহুতো কবিতাৰ সম্পূৰ্ণ পৰ্ববিন্যাস কৰা কঠিন অথচ ছন্দপতন হোৱা বুলিও ধৰিব নোৱাৰি। উচ্ছ্বাসৰ তীব্ৰতাত বক্তব্যৰ আৱেগত তেখেত গদ্যলৈ নামি গৈছে। 'বিছুৱাকায়ে যিটো লাগে তাকে দিব লোৱা' কবিতাটোতো সম্পূৰ্ণৰূপে গদ্যতেই লিখা।

এই চমু প্ৰচেষ্টাটোত অম্বিকাগিৰীৰ কাব্যৰ ছন্দ পৰিক্ৰমা কৰা সম্ভৱপৰ নহয়। কিন্তু ছন্দৰ ফালৰ পৰা বিচাৰ কৰিলে এটা কথা সম্ভৱতঃ প্ৰতীয়মান হ'ব যে কবিতাৰে আৰম্ভ কৰি গানৰ মাজেৰে গৈ বক্তৃতাৰে তেখেতৰ জীৱনায়ন সম্পূৰ্ণ হৈছে। 'বক্তৃতা' বোলোতে অৱশ্যে দেশৰ দুৰ্দশাত বিভিন্ন বিষয়ে দিয়া তেখেতৰ স্পষ্ট অথচ কাব্যিক মতামতৰ কথা কোৱা হৈছে।

আগ বয়সৰ ৰহস্যবাদী কবি আৰু গীতিকাৰ—অম্বিকাগিৰীক অসমৰ মানুহে দেশপ্ৰেমিক নেতা হিচাপেই বেছি চিনি পালে। আৰু কবিয়েও যেন সেই চিনাকিটোকেই আৰু স্পষ্ট কৰিবৰ বাবে কলম ধৰি গ'ল। এইটো হৰ্ষ নে বিষাদৰ কথা স্পষ্টকৈ কোৱা কঠিন।

অসমকেশৰী অম্বিকাগিৰীৰ সান্নিধ্যত

পুষ্পলতা দাস

অম্বিকাগিৰী ৰায়চৌধুৰীদেৱক মই কেতিয়াৰ পৰা জানো তাকে ভাবিছোঁ। জনা আৰু শুনা দুটা কথা যদিও কেতিয়াবা মানুহ একোজনক তেওঁৰ বিষয়ে শুনিও জানিব পাৰি— এই সংজ্ঞাৰে বিচাৰ কৰিলে মই চৌধুৰীদেৱক ছবছৰ বয়সতে জানিছিলো। জানিছিলো নিজ চকুৰে চাই নহয় আনৰ চকুৰে চাই আৰু সেই জনাটো নিৰ্ভুল আছিল। ১৯২১ চনত মই ছবছৰীয়া আছিলো যদিও কথাবোৰ আজিও স্পষ্ট মনত আছে। সেই সময়ত বহুতৰে মুখত ডেকা অম্বিকাগিৰীৰ নামটো সঘনাই শুনি থকাত নামটো মুখস্থ হোৱাদি হৈছিল। সকলোৱে তেওঁক এটি বিশেষণেৰে ভূষিত কৰিছিল, যেনে "বাঘৰ আগতেল খোৱা ল'ৰা"—এই বিশেষণৰ অধিকাৰী কেনেকৈ হ'ল গল্পৰ দৰে শুনিছিলো এইদৰে। ৰায়চৌধুৰী যেতিয়া চৈধ্য বছৰীয়া ল'ৰা, তাৰ মানে কিশোৰৰ ডেওনা পাৰ হ'বলৈ ওলাইছে মাথোন তেওঁ ওলাল গুৱাহাটীলৈ উচ্চ শিক্ষাৰ কাৰণে। বৰপেটাৰ পৰা খোলাবন্ধা জাহাজঘাট ১৩ মাইল দূৰ। সেই কিশোৰৰ কাৰণে তেৰ মাইলৰ দূৰত্ব একোৱেই নাছিল—খোজ কাঢ়িয়েই ঘাট পালেহি। জাহাজত উঠিল ভৱিষ্যতৰ নতুন সপোন লৈ, সেই সপোনক ৰূপ দিবলৈ সেই জাহাজতে যে যুগৰাকী দ্ৰষ্টা পুৰুষ আছিল তেওঁ জনা নাছিল। জাহাজ উজাই আহি ৰাতিপুৱা ৯ মান বজাত হেনো পলাশবাৰী ঘাট পালেহি। ঘাট পোৱাৰ লগে লগে যাত্ৰীসকলক নামিবৰ কাৰণে চিৰি পাৰি দিয়া হ'ল— গুৱাহাটী মুখী কিছু যাত্ৰীও জাহাজঘাটৰ বজাৰৰ পৰা সস্তাতে বস্তু কিনিব পাৰিব বুলি লাগি গ'ল। ৰায়চৌধুৰী কিন্তু নমা নাছিল— পিছে এটি ঘটনাই তেওঁক নামিবলৈ বাধ্য কৰিলে। তেওঁ দেখিলে ধুতি পিন্ধা এজন অনা-অসমীয়া মানুহে আদহীয়া পোহাৰী এগৰাকীক জোতাৰে আঘাত কৰাৰ

ৰুলত পোহাৰীগৰাকী মাটিত ৰাগৰি পৰিছে আৰু কপালত দুখ পোৱাত কপালৰ পৰা তেজ ওলাবলৈ ধৰিছে— এই দৃশ্যই তেওঁৰ বিপ্লৱী তেজ উতলাই তুলিলে। তেওঁ ওচৰত থকা মানুহৰ পৰা সকলো কথা শুনি চোলাৰ হাত কোঁচাই লৈ মানুহজনক ঘুচিয়াবলৈ ধৰাত মানুহজনে ভয়ত জাহাজলৈ লৰ মাৰিলে। তথাপি ৰায়চৌধুৰীয়ে খেদি যোৱাত তেওঁ পিছল খাই পানীত পৰি গ'ল। ৰায়চৌধুৰীক আক্ৰমণ কৰিবলৈ দুজন মানুহ আগবাঢ়ি আহিছিল যদিও ৰায়চৌধুৰীৰ চকুৰ খঙৰ জুইকুৰা দেখি আগ বাঢ়িবলৈ সাহ নকৰিলে। সেই জাহাজতে ইংৰাজ কেপ্টেইন এগৰাকী আছিল, তেওঁ এই দৃশ্য চাই থাকিব নোৱাৰি নামি আহি যেতিয়া জানিলে যে ভদ্ৰবেশী মানুহজনে পোহাৰীগৰাকীৰ ·পৰা চাৰি অনাৰ অমিতা কিনি মাত্ৰ দু-অনা পইছা দি পলাবলৈ খোজোতে পোহাৰী গৰাকীয়ে ধুতিত ধৰি পলাই যাবলৈ বাধা দিয়াত এই ঘটনা ঘটিল তেতিয়া তেওঁ সেই মানুহজনক পোহাৰীগৰাকীৰ ওচৰত ক্ষমা খুজিবলৈ বাধ্য কৰিলে। পোহাৰীগৰাকীয়ে চকুপানীৰে ৰায়চৌধুৰীৰ দুগালে দুটি চুমা খাই অন্তৰ উবুৰিয়াই আশীৰ্বাদ দি বিদায় দিলে— কিন্তু আৰু দুগৰাকীৰ আশীৰ্বাদ সনা চকুয়ে যে তেওঁক আশীৰ্বাদ দিবলৈ জাহাজত ৰৈ আছিল তেওঁ জনা নাছিল—সেই দুজন আছিল হৰিবিলাস আগৰৱালা আৰু অগ্নি কবি কমলা কান্ত ভট্টাচাৰ্য। ভট্টাচাৰ্যদেৱে তেওঁক সাবটি লৈ তেওঁৰ পৰিচয় সোধাত তেওঁৰ বংশ পৰিচয় যেতিয়া জানিলে তেতিয়া গৌৰৱেৰে হেনো কৈ উঠিছিল "সিংহৰ পোৱালি সিংহ নহৈ কি হ'ব ? তুমি শঙ্কৰদেৱৰ বংশধৰ, মই অনন্ত কন্দলিৰ বংশধৰ। শঙ্কৰদেৱ আৰু অনন্ত কন্দলি দুয়ো সখি আছিল— আমি দুয়ো একে।" আগৰৱালাদেৱে তেওঁৰ শিক্ষাৰ সকলো দায়িত্ব ল'ব খোজাতো তেওঁৰ আত্মসন্মানী মনে ল'বলৈ অপাৰগতা স্বীকাৰ কৰিলে আৰু তেওঁবিলাকৰ আশীষ বাণীয়েই যে তেওঁৰ শ্ৰেষ্ঠ সম্পদ তাকো জনালে।

১৮৯৯ চনত বৰপেটা এৰা এই ছাত্ৰটিয়ে ১৯০৫ চনত হেনো বৰপেটালৈ উভতি আহিছিল চৰকাৰৰ নজৰবন্দীহৈ। ছাত্ৰ অৱস্থাতেই তেওঁ শৰীৰ-চৰ্চা কৰিছিল গুৱাহাটীৰ স্বৰ্গীয় বিভৱানন্দ চৌধুৰীদেৱৰ তলত

ব্যায়াম শিকি। তেওঁৰ সুগঠিত শৰীৰ সেই সময়ৰ ডেকাসকলৰ মোলে আকৰ্ষণৰ বস্তু আছিল। ব্যায়াম চৰ্চা কৰা এই ডেকাজন যে মিঠা মাতৰো অধিকাৰী বহুতে নেজানিছিল—তেওঁবিলাকে জানিলে যেতিয়া তেওঁ সৰস্বতী পূজাৰ সময়ত 'বন্দিনী ভাৰত' নাটকখনি মঞ্চস্থ কৰিলে। নাটকৰ মাজত পৰিৱেশিত হোৱা বিদ্ৰোহী ৰসে দৰ্শকৰ মাজত উত্তেজনাৰ সৃষ্টি কৰা কথাযাৰ যেতিয়া চৰকাৰে গম পালে তেতিয়া কিতাপৰ পাণ্ডু-লিপিখন হেনো বাজেয়াপ্ত কৰা হ'ল। তেওঁ সেই সময়ত গোপনে সহপাঠী দুজনমান লগত লৈ সন্ত্ৰাসবাদী সংগঠন এটি গঢ়ি তোলাৰ সংকল্প লৈছিল বুলি শুনা গৈছিল— মুঠতে তেওঁ ৰাজৰোষত পৰিছিল। এইবিলাক কাৰণতে তেওঁ চোকা ল'ৰা থকা সত্ত্বেও স্কুলীয়া ছাত্ৰ হিচাবেই শিক্ষা জগতৰ পৰা বিদায় ল'বলগীয়া হ'ল কিন্তু জাতিক উঠি অহা যুৱকসকলক শিক্ষা দিয়াৰ ব্ৰতত অটল থাকিল। ১৯০৫ চনৰে পৰা ১৯১৪ চনলৈকে 'নজৰবন্দী' হৈ থকা কালছোৱাতে তেওঁ কেবাখনিও নাট লিখে। সেই কিখন আছিল 'ভক্ত গৌৰৱ' বা 'শিখিধ্বজ', 'জয়দ্ৰথ বধ' আৰু 'কল্যাণময়ী'। তেওঁৰ কাব্য গ্ৰন্থ 'তুমি', 'বীণা', 'বেণু' আৰু গভীৰ উপলব্ধিৰে লিখা নানা প্ৰবন্ধ— নানা গীত-পদ এই কালছোৱাতে ৰচিত হয়। তেওঁৰ ডেকা মনটোত গধুৰ ভাবৰ প্লাৱন দেখি তেতিয়াৰ সুধী সমাজ মুগ্ধ হৈছিল— সেই মুগ্ধ ভক্ত-সকলৰ এজন আছিল ডঃ বাণীকান্ত কাকতি। ডঃ কাকতিয়ে ৰায়চৌধুৰীৰ 'তুমি'ক বিশ্বৰ শ্ৰেষ্ঠ কাব্য-গ্ৰন্থবিলাকৰ শাৰীত ঠাই দিছে। তেওঁ হেনো ৰায়চৌধুৰীৰ কবি মনটো শুকাই নেযাবলৈ উদগনি দি প্ৰায়েই কৈছিল তেওঁ আন কাম এৰি কাব্য সৃষ্টিত লাগি থাকিলে এদিন নবেল-প্ৰাইজ পাব, কিন্তু দেশৰ দুৰ্দশাৰ ছবিখনে তেওঁক হাত বাউল দি মাতিছিল আন আন ক্ষেত্ৰলৈ য'ত অন্যায়ৰ লগত ন্যায়ৰ যুদ্ধত ন্যায়ক প্ৰতিষ্ঠা কৰাৰ সংকল্প। ৰায়চৌধুৰী, কাকতি দুয়ো বাল্য বন্ধু। সেয়ে কাকতি-দেৱে উপযাচি ৰায়চৌধুৰীদেৱৰ কবিতা অনুবাদ কৰাৰ দায়িত্ব ললে— কাব্য ৰস পীপাসুসকলক, জিজ্ঞাসু মনবিলাকক অলপ চিন্তাৰ খোৰাক দিবলৈ, ৰসৰ সন্ধান দিবলৈ। Songs of the Cell ৰ জন্ম এইদৰেই যিখন কবিতা পুথিয়ে স্বাধীন ভাৰতত সন্মানৰ আসন পাইছিল। Songs of

the cell ৰ কথা মই ভাওৰ হৈ শুনিছিলো কিন্তু কাকতিদেৱে ৰায়চৌধুৰী-দেৱক সকলো সময়তে উৎসাহ দি থকাৰ কথাবোৰ সকতেই শুনিছিলো, কাৰণ দুয়ো আছিল বৰপেটাৰ— দুয়ো আছিল সখি আৰু মোৰো সৰু কাল হোৱা অতিবাহিত হৈছিল বৰপেটাতে।

সৰুকালৰ প্ৰবাদৰ মালা গঁথা এখনি ছবি মনৰ চকুত আজিও সজীৱ হৈ আছে, মনত হয় সেই সিদিনা হে যেন ঘটনাটো ঘটিছে।

ঘটনাটো আছিল এনে ধৰণৰ। ১৯২১ চনত অসহযোগ আন্দোলনত অংশ লোৱা বাবে ৰায়চৌধুৰীদেৱক গ্ৰেপ্তাৰ কৰি বৰপেটাৰ লকআপত ৰখা হৈছিল। লকআপটো আছিল সৰু আৰু বন্দী আছিল কেবাগৰাকীও। সেই সৰু লকআপটোত থাকিবলগীয়া হোৱা কাৰণেই কিজানি তেওঁৰ বৰ মূৰৰ বিষ হৈছিল— চকু ৰঙা পৰি মূৰৰ বিষ হোৱাত আই ওলাব পাৰে বুলি সকলোৱে সন্দেহ কৰিছিল—অথচ বিচাৰ নহ'লে তেওঁলোকক গুৱাহাটী বা তেজপুৰলৈ স্থানান্তৰিত কৰিব নোৱাৰি।

ডাঃ ভুবনেশ্বৰ বৰুৱাদেৱ তেতিয়া বৰপেটাৰ চৰকাৰী ডাক্তৰ— ডাক্তৰ হিচাপে ৰায়চৌধুৰীদেৱৰ কাৰণে সুকীয়া খোৱাৰ বন্দবস্ত কৰিলে। এই কথাষাৰৰ কাৰণে মহকুমাধিপতি বিঞ্জুমোন চাহাব ডাঃ বৰুৱাৰ প্ৰতি বিতুষ্ট হৈ উঠিল আৰু আমি শুনিবলৈ পাইছিলো যে ডাঃ বৰুৱাক হেনো কামৰ পৰা আঁতৰাব। ডাঃ বৰুৱাৰ আঁকোৰ-গোজ মনোভাবে কৰ্তৃপক্ষক বিৰক্ত কৰি তুলিলে, সেয়ে তেওঁলোকে সোনকালে ৰায়চৌধুৰীদেৱক দণ্ড দি তেজপুৰলৈ নিয়াৰ ব্যৱস্থা কৰিলে যদিও ডাঃ বৰুৱাই আকৌ বিধিপথালি দিলে। কৰ্তৃপক্ষই ৰায়চৌধুৰীদেৱক হাতকেৰেয়া লগাই সৰভোগ ষ্টেশ্যনলৈকে ১৬ মাইল বাট খোজ কঢ়াই নিয়াৰ আদেশ দিছিল— কিন্তু ডাক্তৰ হিচাপে ডাক্তৰ বৰুৱাই বেমাৰী বদলিৰ বাবে অনুপযুক্ত আৰু নিতান্ত বদলি কৰিলেও গাড়ীৰে নিব লাগিব, খোজ কঢ়াই নহয় বুলি লিখি দিয়াত বিঞ্জুমোন চাহাব মহাবিপদত পৰিল। ডাঃ বৰুৱাক মাতি নি কোমল মাতেৰে হেনো বহুত বুজালে ৰায়চৌধুৰীক তেওঁৰ অপৰাধৰ বাবে হাত কেৰেয়াৰে সৈতে সৰভোগলৈ খোজকঢ়াই নিবলৈ অনুমতি দিবলৈ। ডাঃ বৰুৱাই তেতিয়া মহকুমাধিপতি হিচাপে বিঞ্জুমোন চাহাবকে সেই হুকুম দিবলৈ ক'লে, তেওঁ তেনে হুকুম ডাক্তৰ হিচাপে দিব নোৱাৰে বুলি ক'লে আৰু কেৰেলাৰ কিছুমান মোপলা বন্দীক বদলি কৰি

নিওঁতে বাটত ছুজনমানৰ মৃত্যু হোৱাত চৰকাৰ কি উত্তপ্ত সমালোচনাৰ সন্মুখীন হ'ব লগীয়া হৈছিল তাকো বুজাই ক'লে। অৱশেষত ৰায়চৌধুৰীদেৱক গাড়ীৰে সৰভোগ ষ্টেশ্যনলৈ নিয়া হ'ল— কিন্তু বিদ্ৰোহী মনবোৰক জানো শাসনৰ বাঘ-জৰিয়ে বান্ধি ৰাখিব পাৰে? ডাঃ বৰুৱা, ৰায়চৌধুৰী দুয়োকো নোৱাৰিলে। ডাঃ বৰুৱাক মঙ্গলদৈলৈ বদলি কৰা হ'ল, তাতো একে কাৰণতে কৰ্ণেল বিচিৰ লগত মতান্তৰ হৈ কাম ইস্তফা দি গুচি আহিল আৰু চৰকাৰৰ পৰা পোৱা বৃত্তিৰ টকা ওভোতাই দিলে। ইপিনে তেজপুৰ জেলত কৰ্ণেল বিচিৰ ক্ৰোধৰ সন্মুখীন হ'বলগীয়া হ'ল ডেকাগিৰি অম্বিকাগিৰী। কৰ্ণেল বিচি বৃটিছ বিৰোধী শক্তিক মৰিমূৰ কৰিবলৈ দৃঢ় সংকল্প, সেয়ে ৰায়চৌধুৰীৰ ওপৰত হুকুম হ'ল আলুপাত খুন্দিবলৈ আৰু শিল ভাঙিবলৈ। আলুপাতত এটা বিষাক্ত ৰস থাকে, সেই ৰস গাত পৰিলে ফোঁহা হয়— সেইবাবে হাত ঢাকিবলৈ 'গানী' কাপোৰ দিলেও হাতত ৰস লাগেই। এই ৰস লাগি ৰায়চৌধুৰীদেৱে বৰ কষ্ট পাইছিল। কিন্তু তেওঁৰ বিদ্ৰোহী মনে নতি স্বীকাৰ কৰা নাছিল— বৰঞ্চ সেই হাতেৰেই দুগুণ উৎসাহেৰে শিল ভাঙিছিল। "তই ভাঙিব লাগিব শিল" গীতৰ জন্ম হেনো এইদৰেই হৈছিল— তেওঁৰ কাৰাগাৰৰ গীতসমূহে সেয়ে ডেকা মনবিলাকক আজিও উত্তলাই ৰাখে। এই ছবিবিলাকেই মই আনৰ চকুৰে দেখা ছবি। আমি সৰু থাকোতে চাৰিখন অসমীয়া আলোচনী মাইতে পঢ়ি থকা দেখিছিলো। সেইবিলাক আছিল আলোচনী, বাঁহী, চেতনা আৰু উষা। চেতনাৰ প্ৰবন্ধবিলাকে জাতিটোক জীয়াই ৰাখিবলৈ, জাতিটোৰ জীৱনলৈ প্ৰেৰণা আনিবলৈ, চেতনা আনিবলৈ কিদৰে চেষ্টা কৰিছিল মাইতৰ পৰা গল্পৰ দৰে শুনিছিলো আৰু সেই চেতনাৰ সম্পাদক গৰাকীক চকুৰে নেদেখাকৈও এজন ভাল মানুহ বুলি শ্ৰদ্ধা কৰিছিলো —ৰায়চৌধুৰীদেৱে সক্ৰিয় ৰাজনীতিত জঁপিয়াই পৰাত চেতনা আৰু অৰুণা প্ৰেছৰ দায়িত্ব দিলে তেওঁৰে সম্পৰ্কীয় গৰ্গনাৰায়ণ চৌধুৰীক— কিছু দিন পিছত প্ৰেছ জ্বলি গ'ল, চেতনাৰ মৃত্যু হ'ল, কিন্তু ৰায়চৌধুৰীদেৱৰ অদম্য প্ৰেৰণাৰ মৃত্যু নহ'ল, জুইয়ে সেই প্ৰেৰণাক দহন কৰিব নোৱাৰিলে। এই শ্ৰদ্ধা কৰা মানুহজনক অতি ওচৰৰ পৰা জনাৰ সুবিধা পালো ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ

সময়ত। পাণ্ডু কংগ্ৰেছৰ সময়ত তিনিগৰাকী কবিক তিনিটা গীত ৰচনা কৰিবৰ কাৰণে অনুৰোধ কৰা হৈছিল— তেখেতসকল আছিল অম্বিকাগিৰী ৰায়চৌধুৰী, উমেশ চৌধুৰী আৰু জ্যোতিপ্ৰসাদ আগৰৱালা। জ্যোতিপ্ৰসাদ আগৰৱালা সেই সময়ত বিদেশত থকাত তেওঁ লিখি পঠিওৱা গীতটি পৰিবেশন কৰিছিল তেওঁৰ নিজৰ ভায়েক কমলাপ্ৰসাদ আগৰৱালাই : সেই গীতটি আছিল "জননী পূজাৰ মন্দিৰ শুদা নজলাৰ কিয় বন্তি আপোন পাহৰি কিয় তন্দ্ৰা অলস অ' মোৰ দেশৰে পূজাৰী।" কমলাপ্ৰসাদ আগৰৱালাদেৱে লগতে জ্যোতিপ্ৰসাদৰ এটি গানো গাইছিল "কোনে কলে আই তোক শকতিবিহীনা বুলি আই তোৰ পুত্ৰ শকতিৱন্ত।" উমেশ চৌধুৰীদেৱৰ গীতটি আছিল "আগত আজি তব অতিথি অভিনব মন্দিৰ দুৱাৰে মাতৃ" আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ গীতটি আছিল "আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট নৰনাৰায়ণ ৰূপ—নৰনাৰায়ণ ৰূপ।" পাণ্ডু কংগ্ৰেছত পৰিবেশন কৰা প্ৰতিটো গীতেই সমজুৱাৰ মন আকৰ্ষণ কৰিছিল। কিন্তু ৰায়চৌধুৰীদেৱৰ গীতটি আকৌ পৰিবেশন কৰিবৰ কাৰণে পিছ দিনাও অনুৰোধ আহিছিল। ৰায়চৌধুৰীদেৱে এই গীতটি ৰচনা কৰোতে কিজানি প্ৰতিটো শব্দতে মনৰ প্ৰেৰণা ঢালি সৃষ্টি কৰিছিল, সেয়ে সকলোৰে মন চুব পাৰিছিল। এই সময়তে ডঃ বাণীকান্ত কাকতিদেৱে ৰায়চৌধুৰীদেৱৰ কেবাটিও দেশাত্মমূলক কবিতা ইংৰাজীত অনুবাদ কৰি কিতাপ আকাৰে ছপাই সৰ্বভাৰতীয় নেতাসকলৰ হাতে হাতে দিছিল আৰু এই কবিতাসমূহে সৰ্বভাৰতীয় স্বীকৃতি পাইছিল— সেই কাৰণেই কিজানি পিছৰ বছৰ মাদ্ৰাজত বহা কংগ্ৰেছ অধিবেশনৰ কৰ্মকৰ্তাসকলে এই কবিতাসমূহ পুনৰ মুদ্ৰণ কৰি দৰ্শকৰ মাজত বিলাই দিছিল। পাণ্ডু কংগ্ৰেছৰ এই অধিবেশনত গীত গাবলৈ ক'ব নোৱাৰো কিয় মোকো নিৰ্বাচন কৰা হৈছিল। ৰায়চৌধুৰীদেৱে তেওঁৰ গীতটি গাবলৈ নিৰ্বাচন কৰাৰ আগতে সকলোৰে কণ্ঠ পৰীক্ষা কৰিছিল কাৰণ তেওঁৰ ভাব তেওঁৰ গানে প্ৰাণ পাব লাগিব— সেই নিৰ্বাচনত কেবাগৰাকীৰো লগতে ময়ো জয়ী হব পাৰিলোঁ। সেই গীতটি পৰিবেশন কৰোতে সভাঘৰ কঁাহ পৰি জীণ যোৱাৰ দৰে নিস্তব্ধ হৈ কেৱল মঞ্চলৈ চাই আছিল— আৰু গায়ক গায়িকাসকলে প্ৰাৰ্থনাৰত মনেৰে মাথোন ভাবিছিল— সুৰে যেন কতো উজুতি নেখায়— ছন্দ পতন যেন নহয়।

পাণ্ডু কংগ্ৰেছ হৈ যোৱাৰ বহুদিন পিছত এদিন ডাঃ ভুবনেশ্বৰ মোমাইদেৱে মাক কোৱা শুনিলো যে ৰায়চৌধুৰীদেৱে হেনো মোক বৰগীত শিকাবলৈ ইচ্ছা প্ৰকাশ কৰিছে। তেওঁৰ মতে মোৰ মাত হেনো বৰগীতৰ উপযোগী। কথাষাৰ শুনি মা আনন্দত উৎফুল্ল হৈ উঠিল কাৰণ মায়ে বৰপেটাৰ ধৰণৰ বৰগীত ভাল পাইছিল। সেয়ে বৰপেটাৰ সেই সময়ৰ সুগায়ক উজীৰ ডাঙৰীয়াক মোক বৰগীত শিকাবলৈ কেবাবাৰো অনুৰোধ কৰা সত্বেও তেওঁ সময়ৰ অভাৱৰ কাৰণে শিকাব পৰা নাছিল। সেয়ে এই অনুৰোধ মাৰ কাৰণে আশীৰ্বাদৰ দৰে আছিল। তেওঁ মোক মাত্ৰ দুটি বৰগীত শিকাব পাৰিলে, তাৰ পিছতে মাৰ অসুখ টান হোৱাত মোৰ সকলো বন্ধ হ'ব-লগীয়া হ'ল। মই গোলাঘাটলৈ আইতাৰ ওচৰলৈ গুচি গলোঁগৈ। ৰায়-চৌধুৰীদেৱে শিকোৱা বৰগীত দুটি আছিল "দেখৰে দেখ সুন্দৰ কানু .... আৰু "মোকে দেখিও না কেনে আহে জগন্নাথ মই বৰ পাপেৰ পাপী"—ইয়াৰ কেবাবছৰো পিছত মই কাশী বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ত এবাৰ গৰমৰ বন্ধত গুৱাহাটীলৈ আহিছো, বাটেৰে গৈ আছো— এনেতে দেখিলো ৰায়চৌধুৰীদেৱে হাতত সৰু লাঠি এডাল লৈ আঁঠুমূৰীয়া চুৰিয়াখন পিন্ধি কোবেৰে আহি আছে, চকু দুটা খণ্ডত জ্বলি থকা যেন লাগিছে। মোৰ ক'ব নোৱাৰো কিয় অলপ ভয় ভয় যেন লাগিল। মনত হ'ল মোক যেন ডাবি দিব আৰু ক'ব 'দেশখন গৈ'ল তইঁতে কি কৰিছ?" কিন্তু সেইবোৰ একো নকৈ মোক মৰমেৰে কেতিয়া আহিলো সুধিলে আৰু ষ্টেটচম্যান কাগজত বিৰিঞ্চিকুমাৰ বৰুৱাদেৱে লিখা চিঠি এখন পঢ়ি মই যে আবৃত্তি আৰু তৰ্ক প্ৰতিযোগিতাত প্ৰথম হৈছো সেই খবৰ পঢ়ি গৌৰৱ অনুভৱ কৰিছে বুলি ক'লে আৰু মই কেইটা ভাষাত যোগ দিছিলো তাকো সুধিলে। মই তিনিটা ভাষাত বুলি কোৱাত তেওঁ ক'লে, "বাৰু, মোক অলপ আবৃত্তি কৰি শুনোৱাচোন আৰু কেনেকৈ বক্তৃতা দিছিলা কোৱাচোন, খৰখৰকৈ ইংৰাজী ক'ব পাৰিছিলা নে?" ইত্যাদি। মই মহা বিমোৰত পৰিলো বাটত কেনেকৈ আবৃত্তি কৰো। মই বুজাই কোৱাত তেওঁ জানিবা মান্তি হ'ল মোক আৰু জোৰ নকৰিলে। পিছে সৰু লাঠিডাল জোকাৰি জোকাৰি ক'লে আমাৰ ল'ৰা-ছোৱালীবোৰ সকলোতে প্ৰথম হ'ব লাগে বুজিছা সকলোতে প্ৰথম হ'ব লাগে। যদি আন গুণ নাই চোৰেই হয় তেন্তে নাম কৰা

চোৰ হ'ব লাগে। খিলঙত যে এজন নাম কৰা চোৰ ওলাইছে শুনিছানে? নোটিচ, দি চুৰি কৰে কোনেও ধৰা পেলাব নোৱাৰে। যদি চোৰেই হ'ব তেনেকুৱা চোৰ হ। আমাৰতো নাই নাই বুৰ্বিয়ক চোৰ এজনো নাই। মই সেয়ে ল'ৰাবিলাকক কওঁ "ভইত যদি সিংহ হ'ব নোৱাৰ তেন্তে শিয়াল নহবি কুকুৰেই হ—যদি পখী হ'ব খোজ তেন্তে কাউৰী নহবি শগুণেই হ" এইবুলি মোক আশীৰ্বাদ দি উৎসাহ দি আগৰ খোজেৰেই গুচি গ'ল। মই সেই সময়ত ভাবিলো অমিয়কুমাৰ দাসদেৱে ৰায়চৌধুৰীৰ এনেবোৰ গল্প ওলালে ঠিকেই কয় যে ৰায়চৌধুৰীৰ তেজ যদি কোনোবাই বিশ্লেষণ কৰি চায় তেন্তে সেই তেজ অসম আৰু অসমীয়ালৈ প্ৰেমৰ উপাদানেৰে গঠিত হোৱা বুলি ক'ব।

ইয়াৰ বহু বছৰ পিছত অসমৰ ভাষা আন্দোলনৰ সময়ত সদনত এটি ভাষণ দিব লগীয়া হৈছিল। সেই ভাষণ অসম ট্ৰিবিউন আৰু অসম বাণীত পঢ়ি তেওঁ মোলৈ যিখন চিঠি লিখিছিল সেই চিঠি একমাত্ৰ তেওঁৰ বাহিৰে আন কোনেও সেই ভাষাত লিখিব নোৱাৰে। তেওঁৰ চিঠিত আক্ৰান্তসকলে তেওঁক জানেকাৰণেইতেওঁক ক্ষমা কৰি গৈছে। তেওঁ তেওঁৰ নিজৰ বিষয়ে এইদৰে লিখি থৈ গৈছে, "মই মোৰ জীৱনত কোনো সময়তেই কোনো ক্ষেত্ৰতেই লুক-ঢাককৈ কোনো চিন্তা আৰু কাম কৰা নাই। সাহিত্য, সামাজিক, ৰাজনৈতিক, ৰাজহুৱা কোনো ক্ষেত্ৰতেই লুক-ঢাককৈ চলাটো অৰ্থাৎ ৰাজহুৱা জীৱনত বাহিৰত এটা ভিতৰত আন এটা বুলি দেখুৱাটো আত্ম-চোৰৰ ব্যৱসায় বুলি মই ভাল নাপাওঁ," সেয়ে তেওঁ জীৱন-অভিধানত গোপনীয় বুলি কোনো শব্দ ৰখা নাছিল। তেওঁৰ লগত যেতিয়াই কথা হৈছিলো তেতিয়াই দেখিছিলো তেওঁৰ বাওঁহাতৰ কেঞা আঙুলিটোৰ এপাৰ নাই। কিয় নাই কেতিয়াও সোধা নাছিলো। আন্দাজতে ভাবিছিলো বোধকৰো বিপ্লৱী দলত যোগ দিওঁতে সেই আঙুলি কাটি দেশৰ নামত নিজ তেজ নিজ মঙহ উৎছৰ্গা কৰি শপত লৈছিল! পিছত তাৰ কাৰণ তেওঁৰ মৃত্যুৰ পিছতহে জানিলো, তেওঁৰ সেই আঙুলি এদিন উৎছৰ্গীকৃত হৈছিল গভীৰ প্ৰেম—প্ৰতিদানত একো নিবিচৰা নিৰাসক্ত প্ৰেমৰ বাবে—যি প্ৰেমে শেহত 'তুমি' কাব্যৰ মাজেৰে সীমাৰ মাজত অসীমক উপলব্ধি কৰালে। ইন্দ্ৰিয়গ্ৰাহ্য পৃথিৱীৰ উৰ্দ্ধত উঠি অতীন্দ্ৰিয়ক অনুভৱ কৰালে। প্ৰেম যেতিয়া পৱিত্ৰ হয় তেতিয়া তাৰ প্ৰকাশো হয় মধুৰ, কাব্যিক, স্বৰ্গীয়। এই অগ্নিমন্ত্ৰত দীক্ষিত পুৰুষ-গৰাকী হয়তো শতায়ু হ'লহেঁতেন যদি অশুভ মানচিত্ৰ এখনৰ প্ৰতিলিপিয়ে তেওঁৰ সপোনক নিৰ্মম আঘাতেৰে ভাঙি টুকুৰা-টুকুৰ নকৰিলেহেঁতেন। বয়সে তেওঁৰ জীৱনৰ দুৰ্জয় দুৰ্গটোৰ ইটা কেচপৰামান খহায় পড়া খহনীয়াৰ সুৰুঙা মুলিয়ালেহেঁতেন। কালপুৰুষৰ ইঙ্গিত মানি তেওঁ হেৰাই গ'ল কিন্তু ইতিহাসৰ বুকুত পদচিহ্ন ৰাখি গ'ল।

সপৰিয়ালে ভদ্ৰিক গিৰী। ৰয় ষ্ঠে (বাওফালৰ পৰা) খতুৰাণ (বোৱাৰী) ভগগিৰী (পুত্ৰ), শুচিব্ৰতা (জ্যেষ্ঠা কন্যা), দুগ্ৰন (কনিষ্ঠ কন্যা) ক্ষিতি জীবন বৰুৱা (মজু জোৱাই) নীতিব্ৰত (সাজু জোৱাই) সমুখত বহি ... নাতিনী ছন্দৰেখা, ভদ্ৰিক গিৰী (... ... ...) ... (... মজু ... নাতিনী ...) ... ছোৱালী পুতুল

ডজান বজাৰৰ লেপ লোভৰ ধৰণ লিখি থকা অৱস্থা
অধিকাগিৰী (১৯৬০), কাষত পুত্র ভগগিৰী

কেৰলং জ্যেষ্ঠা দুহিতাক লৈ পত্নী কৌশল্যা
দেবী, সম্পৰ্কীয় ভাগেক পৰমানন্দ ৰায় চৌধুৰী,
এইজন কৰ্মচাৰী খগেশ্বৰ আৰু ঘৰত কাম কৰা
ছোৱালী খগেশ্বৰীৰ সৈতে অধিকাগিৰী (১৯২৭)

নিজে অকলে হেডিং কম্পোজ কৰি থকা অৱস্থাত (১৯৬৮)

(গ্রন্থ চর্চায় রত। [illegible] (১ ।)



ঘরে ঘরে 'ডাক-অভাব' বিলুপ্ত [illegible] দৃশ্য

গুৱাহাটীৰ লতাশিল ফিল্ডত হোৱা 'অসম জাতীয় মহাসভা'ৰ (১৯৩৮) তৃতীয় বাৰ্ষিক অধিবেশনৰ মণ্ডপৰ পৰা [illegible] অধিকাৰীবৰ্গ, [illegible] দাস, বিপিন দাস আৰু পুত্ৰ ভগৱান আদি

'সৰ্বভাৰতীয় সংস্কৃতি সঙ্গম'ত (১৯৫১) অসম সাহিত্য সভাৰ সভাপতিৰূপে প্ৰতিনিধিত্ব কৰাৰ সময়ত ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ সৈতে [illegible], [illegible] সময়ৰ অসম সাহিত্য সভাৰ সম্পাদক [illegible] দত্ত

অসম জাতীয় মহাসভাৰ কাৰ্যনিৰ্বাহক সভাৰ সদস্য আৰু কৰ্মীসকলৰ সৈতে (১৯৩৮)

নীচৰ মাটিৰ পৰা ঘৰ উচ্ছেদ হোৱাৰ পিছত (১৯৫০) শিলপুখুৰীত 'অসম ট্ৰিবিউন'ৰ 'চৰকাৰ দখল কৰা চৰকাৰী মাটিত সজা থেৰেৰ ঘৰৰ চোতালত ৰায়চৌধুৰীৰ সমস্ত স্বকীয় কিতাপ-কাগজ আদি বাহিৰত দিয়াৰ দৃশ্য লগত পুত্ৰ ভগাগিৰী

ঘৰ বন্ধাৰ সময়ত কায়িক শ্ৰম কৰা অৱস্থাত অম্বিকাগিৰী

[illegible]

অগ্নিবাগিনী (১৯৫৭)

অগ্নিকাগিবা (১৯৬০)

বৰপেটাত পত্ৰিকা বিলোৱা (১৯৬৫)

বৰপেটাত জন্ম দিৱস সম্বৰ্ধনাৰ সময়ত তোলা ফটো (৯৬৫)

'গুৱাহাটী সাহিত্য সভা'ৰ সম্বৰ্ধনাত অম্বিকাগিৰী (১৯৬৬)
বামত বেণুধৰ শৰ্মা আৰু ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য

বাণীকান্ত কাকতিৰ মৃত্যু তিথিত সমাধি স্থলত অম্বিকাগিৰীৰ দ্বাৰা মাল্যদান, ওচৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ড. ভি ভি থাৱানী